# চিলাপথাৰ মহাবিদ্যালয় আলোচনী

২০১৭-১৮ বৰ্ষ

Silapathar College Magazine

Session 2017-18



সম্পাদক ঃ পৰেশ পাইত



ড° লক্ষীনাথ পেগু
মুখ্য উপদেষ্টা



ললিত চন্দ্ৰ দলে
উপদেষ্টা



ড° জয় ৰাম ঝা
উপদেষ্টা



দীনেশ চন্দ্ৰ পেগু
উপদেষ্টা



তুলতুল ফুকন
শিক্ষক সদস্য



ৰাজু পেগু
শিক্ষক সদস্য



ড° মূৰ্চ্ছনা গগৈ
শিক্ষক সদস্য



ড° আব্দুল মুতালিব
শিক্ষক সদস্য

# সম্পাদনা সমিতি



প্ৰাঞ্জল দাস
তত্ত্বাৱধায়ক



পৰেশ পাইত
সম্পাদক



হিৰণ্য দলে
ছাত্ৰ সদস্য



বনজিৎ চুতীয়া
ছাত্ৰ সদস্য



টংকেশ্বৰ পেগু
ছাত্ৰ সদস্য



মেমন আহমেদ
ছাত্ৰ সদস্য



চিত্ৰলেখা দলে
ছাত্ৰ সদস্য

## ছাত্ৰ একতা সভাৰ সদস্যসকল



**(বাওঁফালৰ পৰা)** জেচমিন পেগু (তৰ্ক বিভাগৰ সম্পাদক), মাধুৰ্য কুম্বাং (সাধাৰণ ক্ৰীড়া সম্পাদক), চিত্ৰলেখা দলে (লঘু ক্ৰীড়া সম্পাদক), জেচ্‌মিন ফুকন (শৰীৰ চৰ্চা সম্পাদক), হালিমা বেগম (উপ-সভাপতি), হিৰণ্য দলে (সহকাৰী সাধাৰণ সম্পাদক), মণিকা টায়ে (সাহিত্য সম্পাদক), মৌচুমী টায়ে (সাংস্কৃতিক সম্পাদক), হাস্না মিপুন (সমাজ সেৱা বিভাগৰ সম্পাদক), মেলিন আচিন পেগু (ছাত্ৰী জিৰণী কোঠা সম্পাদক), শংকৰ খৰেল (ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক), পৰেশ পাইত (আলোচনী সম্পাদক)
**অনুপস্থিত ঃ** চেমুৰেল জীমে (সভাপতি), ৰিদীপ টায়ে (সাধাৰণ সম্পাদক)

# চিলাপথাৰ মহাবিদ্যালয় আলোচনী

## চিলাপথাৰ, ধেমাজি

২০১৭-১৮ বৰ্ষ

তত্ত্বাৱধায়ক
প্ৰাঞ্জল দাস

সম্পাদক
পৰেশ পাইত

# SILAPATHAR COLLEGE MAGAZINE

Annual Magazine of Students' Union, Silapathar College, Dhemaji

Edited by - Paresh Pait

Printed at : U.Dee. Compuprints, Main Road, Silapathar

**2017-2018 Academic Session**

## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ

**ড° লক্ষীনাথ পেগু**

অধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়

উপদেষ্টা ঃ

**শ্ৰীযুত ললিত চন্দ্ৰ দলে,** উপাধ্যক্ষ, চিলাপথাৰ মহাবিদ্যালয়

**ড° জয় ৰাম ঝা,** সহযোগী অধ্যাপক, ইংৰাজী বিভাগ

**শ্ৰীযুত দীনেশ চন্দ্ৰ পেগু,** মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

তত্ত্বাৱধায়ক ঃ

**প্ৰাঞ্জল দাস,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

শিক্ষক সদস্য ঃ

**তুলতুল ফুকন,** মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

**ৰাজু পেগু,** সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

**ড° মূৰ্চ্ছনা গগৈ,** সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ

**ড° আব্দুল মোতালিব,** সহকাৰী অধ্যাপক, সমাজতত্ত্ব বিভাগ

সম্পাদক ঃ

**পৰেশ পাইত**

ছাত্ৰ সদস্য ঃ

হিৰণ্য দলে

বনজিৎ চুতীয়া

টংকেশ্বৰ পেগু

মেমন আহমেদ

চিত্ৰলেখা দলে



বেটুপাত ঃ


পাৰ্থ প্ৰতিম দাস

ডি.টি.পি. ঃ

পংকজ মেধি

অলংকৰণ ঃ

প্ৰাঞ্জল দাস, উৎপল বৰুৱা




**প্ৰকাশক ঃ**

চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মূদ্ৰণ ঃ ইড. দী. কম্পিউপ্ৰিণ্টচ্, চিলাপথাৰ

*Professor Ranjit Tamuli*
Vice-Chancellor
DIUBRUGARH UNIVERSITY
Dibrugarh, PIN 786004, Assam

Phone : 0373-2370239 (O), 0373-232557 (R)
Mobile : +91 9435006038, Fax : 0373-2370323
emai. : VC@dibru.ac.in
rtamuli@rediffmail.com

Ref. No. DU/VC/M/78/2018/133



Date : 29.08.2018

# শুভেচ্ছা বাণী

প্ৰতি

শ্ৰী পৰেশ পাইত
আলোচনী সম্পাদক
চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মৰমৰ পাইত,

চিলাপথাৰ মহাবিদ্যালয়ৰ ২০১৭-১৮ বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিবলৈ পাই আনন্দিত হ'লো। মই আশা কৰিছোঁ যে ছাত্ৰ-ছাত্ৰীসকলে কলা, সাহিত্য আৰু সুকুমাৰ দিশ কেইটা সামৰি উৎকৃষ্ট মানৰ লেখা প্ৰকাশৰ জৰিয়তে এখনি সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰিব। আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত অৰিহণা যোগোৱাৰ লগতে মহাবিদ্যালয়ৰ নামো উজ্জ্বল হোৱাত সহায় কৰিব।

আলোচনীখন সুন্দৰ ৰূপত প্ৰকাশ হৈ ওলাওক, তাৰ বাবে মোৰ ফাল পৰা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

Tamuli

(ৰঞ্জিত তামূলী)

# কৃতজ্ঞতা জনাইছোঁ—

- মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সম্পাদনা সমিতিৰ মুখ্য উপদেষ্টা ড° লক্ষীনাথ পেগু ছাৰলৈ -
- শুভেচ্ছা বাণীৰে আলোচনীখন সুন্দৰৰ পৰা সুন্দৰতৰ কৰি তোলাত সহায় কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় উপাচাৰ্য মহোদয় ড° ৰঞ্জিত তামুলী ছাৰলৈ -
- চিলাপথাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ সন্মানীয় পদ্মনাথ পেগু ছাৰলৈ -
- ভাৰতৰ অৰণ্য মানৱ বিভূষণেৰে সন্মানিত পদ্মশ্ৰী যাদৱ পায়েং ছাৰলৈ -
- আলোচনীখনৰ তত্ত্বাৱধায়ক প্ৰাঞ্জল দাস ছাৰলৈ -
- আলোচনীখন প্ৰকাশত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহযোগ আগবঢ়োৱা তুলতুল ফুকন বাইদেউ, ড° আব্দুল মোতালিব ছাৰ, য়াচিংফা গগৈ বাইদেউ, ড° মূৰ্চ্ছনা গগৈ বাইদেউ, দেবীনা পামেগাম বাইদেউ, ৰাজু পেগু ছাৰ আৰু মহাবিদ্যালয়ৰ সন্মানীয় সকলো শিক্ষাগুৰুসকললৈ -
- সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টাবৃন্দ আৰু সমূহ সদস্য/সদস্যালৈ,
- আলোচনীখনলৈ লেখনিৰে বৰঙণি আগবঢ়াই আলোচনীখন প্ৰকাশত সহায় কৰা শ্ৰদ্ধেয় শিক্ষা গুৰুসকলৰ লগতে জ্যেষ্ঠ, কণিষ্ঠ সকলো ছাত্ৰ-ছাত্ৰীলৈ-
- মহাবিদ্যালয়ৰ ছাত্ৰ একা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিৰণ্য দলে আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্য/সদস্যালৈ -
- আলোচনীখন প্ৰকাশত বিশেষভাৱে সহায় কৰা ৰামকৃষ্ণ ধমলা, ভুৱন মিলি, টংকেশ্বৰ পেগু, মেমন আহামেদ, চিত্ৰলেখা দলে, বনজিৎ চুতীয়া আৰু হীৰেণ ভূঞা দাদালৈ -
- আলোচনীখনৰ কাম-কাজৰ কথা সুধি উৎসাহিত কৰা মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক পৱিত্ৰ কোঁৱৰ দাদা আৰু মহাবিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰী লক্ষ্যনাথ দলে দাদালৈ -
- ইউ. দী. কম্পিউপ্ৰিণ্টচ্‌ৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীবৃন্দলৈ -
- চিলাপথাৰ মহাবিদ্যালয়ৰ পোহৰ প্ৰয়াসী প্ৰতিজন শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলোলৈকে কৃতজ্ঞতা জনাই শেষত বৈ যোৱা ভুল-ক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে -

**পৰেশ পাইত**
আলোচনী সম্পাদক
চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা



# শ্ৰদ্ধাঞ্জলি ...

- আমাৰ চিলাপথাৰ মহাবিদ্যালয়ৰ একালৰ ইংৰাজী বিভাগৰ অংশকালীন সহকাৰী অধ্যাপিকা মৌচুমী দেউৰীলৈ -
- অসমীয়া চলচিত্ৰ উদ্যোগৰ অন্যতম নক্ষত্ৰস্বৰূপ, আঁশীখনতকৈও অধিক অসমীয়া বোলছবিত অভিনয় কৰা সু-অভিনেতা বিজু ফুকন দেৱলৈ -
- প্ৰকৃতিৰ সেউজীয়া উপভোগ কৰিবলৈ গৈ কেইজনমান মানৱৰূপী দানৱৰ নৃশংসতাৰ বলি হৈ প্ৰাণ আহুতি দিয়া দুই প্ৰতিভাৱান যুৱক অভিজিৎ নাথ আৰু নিলোৎপল দাসলৈ -
- আধুনিক ভাৰতৰ স্ৰষ্টাস্বৰূপ, সৰ্বমুঠ তিনিবাৰকৈ (প্ৰথম বাৰ ১৩ দিন, দ্বিতীয়বাৰ ১৩ মাহ আৰু তৃতীয়বাৰ সম্পূৰ্ণ পাঁচ বছৰৰ বাবে) ভাৰতৰ প্ৰধান মন্ত্ৰী হোৱা ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ীদেৱলৈ -
- শতিকাৰ অন্যতম শ্ৰেষ্ঠ বিজ্ঞানী ষ্টিফেন হকিঙলৈ -
- দিখৌ নদীত দুৰ্ঘটনাক্ৰমে কৰুণ মৃত্যুক আকোঁৱালী লোৱা হৰেণ বৰা আৰু তেওঁৰ পৰিয়াললৈ -
- ব্ৰহ্মপুত্ৰৰ শোকাবহ নৌকা দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকললৈ -
- কুসংস্কাৰ আৰু অমানৱীয়তাৰ বলি হৈ অকালতে প্ৰাণ হেৰুওৱা জ্ঞাত-অজ্ঞাত ব্যক্তিসকললৈ-
- বিভিন্ন প্ৰাকৃতিক দুৰ্যোগত প্ৰাণহেৰুওৱা জ্ঞাত অজ্ঞাত ব্যক্তিসকললৈ -

চিলাপথাৰ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিৰ ফালৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি জনালো।

জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে

অসমক ভালপোৱা প্ৰতিজন মানুহৰ নামত

২০১৭-১৮ বৰ্ষৰ

চিলাপথাৰ মহাবিদ্যালয়ৰ আলোচনীখন

উছৰ্গা কৰিলোঁ।

— সম্পাদনা সমিতি —



# সম্পাদকীয় ...

## সাম্প্ৰতিক সময়ত শিক্ষা জগতত পৰিৱৰ্তন ধাৰা —

সময় গতিশীল। গতিশীল সময়ৰ লগত খাপ খুৱাই চলিবৰ বাবে সমাজো পৰিৱৰ্তন হ'বলৈ বাধ্য। ব্যক্তিসত্বাৰ সৰ্বময় বিকাশ সাধন কৰিব পৰা অনতম্য অস্ত্ৰটো হৈছে শিক্ষা। সুসংহত শিক্ষা পদ্ধতি অবিহনে সমাজক সু-পৰিকল্পিত ৰূপত উন্নয়নৰ পথত আগুৱাই নিয়াটো সম্ভৱ নহয়। সেয়েহে সমাজত এক সুস্থ আৰু সু-সংহত শিক্ষাব্যৱস্থাৰ খুবেই প্ৰয়োজন।

শিক্ষাৰ প্ৰধান লক্ষ্য দুটা। প্ৰথমটো হ'ল অৰ্থনৈতিক। অৰ্থাৎ, প্ৰতিজন শিক্ষিত লোকেই শিক্ষাৰ বলত জীৱিকা নিৰ্বাহৰ এটা সুনিশ্চিত পথ লাভ কৰিবলৈ সক্ষম হ'ব লাগিব। আনটো হৈছে সাংস্কৃতিক। এই শিক্ষাৰ পৰিসৰ অতি ব্যাপক। অৰ্থাৎ, শিক্ষাপ্ৰাপ্ত প্ৰতিজন লোকেই শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু চাৰিত্ৰিক দিশৰ পৰা সংস্কৃতিবান, সু-ৰুচিসম্পন্ন আৰু প্ৰজ্ঞাবান হ'ব লাগিব। সামাজিক দায়বদ্ধতা আৰু এজন সু-নাগৰিকৰ জ্ঞান শিক্ষিত লোকৰ আচৰণত প্ৰস্ফুটিত হোৱাটো বাঞ্চনীয়। শিক্ষিত লোকৰ বিচাৰত বৰ্ণ-বৈষম্য বা গোষ্ঠী বিদ্বেষ সদায় ঘৃণনীয় হোৱা উচিত। ভাতৃত্ববোধ আৰু মানৱতাবোধক এজন শিক্ষিত লোকে সৰ্বাধিক গুৰুত্ব দিব লাগিব। ঠিক একেদৰে সমাজত নাৰী-পুৰুষ উভয়ে সমান মৰ্যাদা পাব লাগিব।

সাম্প্ৰতিক সময়ত উল্লিখিত শিক্ষাৰ দুয়োটা দিশৰ পৰিধি অধিক বিস্তৃত হ'ব ধৰিছে। বিশ্বায়নৰ অৰ্থনীতিয়ে সম্প্ৰতি সমাজৰ ৰুচিবোধ সলনি কৰি পেলাইছে। ফলত উৎপাদিত সামগ্ৰীসমূহৰ মানদণ্ডক লৈ তীব্ৰ প্ৰতিযোগিতা গঢ় লৈ উঠিছে। সেৱা খণ্ডতো এই প্ৰতিযোগিতাই ব্যাপক ৰূপ লাভ কৰিছে। গতিকে স্বাভাৱিকতে শিক্ষাও প্ৰতিযোগিতামুখী হৈ পৰিছে।

কিন্তু চিন্তনীয় বিষয়টো হ'ল, এই প্ৰতিযোগিতাৰ সৈতে ফেৰ মাৰিব পৰাকৈ আজিও অসমৰে নহয়, ভাৰতৰ বহু বিদ্যালয়-মহাবিদ্যালয় উপযুক্ত হৈ উঠা নাই। এই ক্ষেত্ৰত চৰকাৰ, অভিভাৱক, শিক্ষক আৰু আমি ছাত্ৰ-ছাত্ৰীসকল সচেতন হৈ এক সময়োচিত পদক্ষেপ লোৱাটো নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে।

**মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰসংগত ঃ—**

এখন সুস্থ সবল সমাজ গঢ়াত আলোচনীৰ ভূমিকা নুই কৰিব নোৱাৰি। আলোচনী এখনৰ যোগেদিয়েই এটা বৃহৎ আন্দোলনৰ নেতৃত্ব দিব পাৰি। ইতিহাসৰ পাতত এনে অনেক উদাহৰণ পোৱা যায়। অসমীয়া সাহিত্যলৈয়ে যদি আমি চাওঁ, তেন্তে অসমীয়া ভাষাটো পুনৰুজ্জীৱিত কৰাৰ ক্ষেত্ৰত অৰুণোদই আলোচনীখনৰ ব্যাপক ভূমিকাৰ কথা আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। ঠিক একেদৰে মহাবিদ্যালয় এখনৰ বাৰ্ষিক আলোচনীখনৰো গুৰুত্ব বহুত।

আলোচনীখনতে মহাবিদালয়খনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। ছাত্ৰ-ছাত্ৰীৰ বাবেও ই বৌদ্ধিক কৰ্ষণৰ কঠীয়াতলীস্বৰূপ। কিন্তু আলোচনীখনৰ কাম কৰিবলে গৈ এনে অনুভৱ হৈছে যে, ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ বা আলোচনীৰ প্ৰতি ধাউতি একেবাৰে কমি গৈছে। কিয়নো তেওঁলোকক লিখনি বিচাৰি বাৰম্বাৰ যোগাযোগ কৰা সত্বেও এটা লিখনি দিবলৈ টান পায়। নিৰ্দিষ্ট সময়ত আৰু পৰিপাটীকৈ লিখনি নোপোৱাৰ বাবে গোটেই কামখিনি কৰোতে আমি যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছোঁ। পৰৱৰ্তী সময়ত আলোচনীলৈ লিখনি পঠালে ছাত্ৰ-ছাত্ৰীসকলে পৰিপাটীকৈ আৰু নিৰ্দিষ্ট সময়ত দিবলৈ মই বিশেষভাৱে অনুৰোধ জনালোঁ।

আলোচনীখনৰ কাম কৰোতে মোৰ অভিজ্ঞতাৰ অভাৱৰ বাবেই হওক, বা জ্ঞানৰ সীমৱদ্ধতাৰ বাবেই হওক যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ। তথাপি যিমান পাৰোঁ ভাল কৰিবলৈ চেষ্টা কৰিছোঁ। ভুল নিশ্চয় হৈ যাব পাৰে। সেয়া মোৰ জ্ঞানৰ সীমাৱদ্ধতাৰ বাবেই বা অজানিতে হৈ গৈছে বুলি ধৰি লৈ সকলোৱে স-হৃদয়তাৰে আলোচনীখন আঁকোৱালি ল'লে কৃতাৰ্থ হ'ম।

আলোচনীখন সম্পদনা কৰি উলিওৱা ক্ষেত্ৰত আমাক সহযোগ আগবঢ়োৱাৰ বাবে প্ৰথমেই মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লক্ষীনাথ পেগু ছাৰলৈ যাচিছোঁ আন্তৰিক কৃতজ্ঞতা। লগেত আলোচনীখন প্ৰস্তুত কৰি উলিয়াওঁতে আৰম্ভণিৰ পৰা শেষলৈকে দিহা-পৰামৰ্শ তথা হাতে-কামে সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা আলোচনীখনৰ তত্বাৱধায়ক প্ৰাঞ্জল দাস ছাৰৰ লগতে সমাজতত্ব বিভাগৰ ড° আব্দুল মোতালিব ছাৰ, অসমীয়া বিভাগৰ তুলতুল ফুকন বাইদেউ আৰু য়াচিংফা গগৈ বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাছিলোঁ।

আলোচনীখনৰ খা-খবৰলৈ মোক উৎসাহ যোগোৱা সন্মানীয় শিৱনাথ পাইত ছাৰ, ৰাজু পেগু ছাৰ, দিলীপ দত্ত ছাৰ, ড° মুৰ্চ্ছনা গগৈ বাইদেউ, হীৰেণ ভূঞা দাদাৰ লগতে মোৰ সহপাঠী হিৰণ্য দলে, টংকেশ্বৰ পেগু, ভূৱন মিলি, ৰামকৃষ্ণ ধমলা, বনজিৎ চুতীয়া, মেমন আহমেদ আৰু মহাবিদ্যালয় প্ৰতিজন শুভাকাংক্ষীলৈ যাচিলোঁ আন্তৰিক কৃতজ্ঞতা।

।। জয়তু চিলাপথাৰ মহাবিদ্যালয়।।

।। জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।।

**পৰেশ পাইত**

সম্পাদক

চিলাপথাৰ মহাবিদ্যালয় আলোচনী

২০১৭-১৮ বৰ্ষ



# অধ্যক্ষৰ কলম ...

এখন সুস্থ-সবল সমাজ গঢ়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। উজনি অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত চিলাপথাৰ মহাবিদ্যালয়ে এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি আহিছে।

মহাবিদ্যালয়খনক সৰ্বাঙ্গ-সুন্দৰ ৰূপত গঢ়ি তোলাৰ বাবে আমি শেহতীয়াকৈ কিছুমান কাৰ্যপন্থা হাতত লৈছোঁ। বৰ্তমান আমাৰ মহাবিদ্যালয়ত ডিজিটেল গ্ৰন্থালয়, আভ্যন্তৰীণ খেলাঘৰ, আংশিকভাৱে ডিজিটেল শ্ৰেণীকোঠাৰ কাম হৈছে। বহুমুখী শৰীৰ চৰ্চা কেন্দ্ৰ আৰু ভাষাৰ গৱেষণাগাৰটো ছাত্ৰ-ছাত্ৰীৰ বাবে ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। ইয়াৰ সু-প্ৰয়োগৰ দায়িত্ব এতিয়া ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত ন্যস্ত। আপোনালোকক জনাবলৈ পাই সুখী হৈছোঁ যে, ভাৰতৰ আগশাৰীৰ আলোচনী 'ইণ্ডিয়া টুডে'ৰ ৪ জুন, ২০১৮ত প্ৰকাশ পোৱা বিশেষ সংখ্যাত সমগ্ৰ ভাৰতবৰ্ষৰ কলা শাখাৰ মহাবিদ্যালয়সমূহক লৈ কৰা সমীক্ষাত আমাৰ চিলাপথাৰ মহাবিদ্যালয়ে ভাৰতৰ শ্ৰেষ্ঠ ১০০খন মহাবিদ্যালয়ৰ ভিতৰত ৯৯ সংখ্যক স্থান পাবলৈ সক্ষম হৈছে। সম্প্ৰতি 'RUSA'ৰ অৰ্থ সাহাৰ্যৰে মহাবিদ্যালয়খনিৰ আভ্যান্তৰীণ পথসমূহ আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। লগতে বিজ্ঞান শাখাৰ এটি ভৱন নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হৈছে। আমাৰ এই যাত্ৰা অদূৰ ভৱিষ্যতৰ বাবেও অব্যাহত থাকিব। অৱশ্যে এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বিষয়া-কৰ্মচাৰী, অভিভাৱক আৰু স্থানীয় শুভাকাংক্ষী ৰাইজৰ সহযোগিতা নিতান্তই প্ৰয়োজন।

শেষত ২০১৭-১৮ শৈক্ষিক বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীৰ লগত জড়িত সকলোলৈকে আন্তৰিক শুভেচ্ছা জনালোঁ। আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হওক, তাকে কামনা কৰিলোঁ।

ড° লক্ষীনাথ পেগু

# মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকল



ললিত চন্দ্ৰ দলে, উপাধ্যক্ষ



মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল –

(বাঁওফালৰ পৰা) দিপ্তী দলে পেগু, ৰিমঝিম দলে, বৰ্ণালী দলে, ড° মলয়া গগৈ, ড° মূৰ্চ্ছনা গগৈ, দেবীনা পামেগাম, তুলতুল ফুকন, মিনুলতা নেৰাৰ, গীতিমা ডেকা, তোষেশ্বৰ গগৈ, ললিত চন্দ্ৰ দলে, লীলাৰাম নেৰাৰ, ড° জয়ৰাম ঝা, দিলীপ দত্ত, নবীন চন্দ্ৰ কাৰ্দ্দং, দিনেশ চন্দ্ৰ পেগু, শিৱনাথ পাইত, প্ৰাঞ্জল দাস, ড° আব্দুল মুতালিব, গমন পেগু

(অনুপস্থিত) ৰাজু পেগু, অনিমা দলে পেগু, নবীৰাম কুলি





গ্ৰন্থাগাৰীক
সুনীল টাইদ

মহাবিদ্যালয়ৰ কৰ্মচাৰীসকল –

(বাঁওফালৰ পৰা) কলেশ্বৰ পেগু, ৰাজেন মালাহ, পৱিত্ৰাবালা দলে পেগু, লক্ষীমা ভূঞা কুম্বাং, অঞ্জলি দত্ত, শশীপ্ৰভা পেগু, পৱিত্ৰ কোঁৱৰ, কাংকান পেগু, জয়ন্ত টায়ে, ৰূপা নাথ

(অনুপস্থিত) শিৰোমণি মেদক (পাইত), কাশীলাল সোণাৰী, ৰজনী সোনোৱাল, লক্ষ্যনাথ দলে



কম্পিউটাৰ শিক্ষক –
সেৱীকা দেউৰী

# বৌদ্ধিক যাত্ৰাত চিলাপথাৰ মহাবিদ্যালয়ৰ গতি-প্ৰগতিৰ স্থিৰ চিত্ৰ























## ২০১৭-১৮ বৰ্ষৰ মহাবিদ্যালয় ক্ৰীড়া সপ্তাহৰ শ্ৰেষ্ঠসকল



চিত্ৰলেখা দলে
মিছ্ চিলাপথাৰ কলেজ



সুব্ৰত কুমাৰ ৰাইদঙীয়া
শ্ৰেষ্ঠ গায়ক



বনজিৎ চুতীয়া
শ্ৰেষ্ঠ তাৰ্কীক, আবৃত্তিকাৰ আৰু বাতৰি পৰিবেশক



নিউটন পেগু
শ্ৰেষ্ঠ প্ৰবন্ধকাৰ



পুনম দলে
শ্ৰেষ্ঠ এথ্‌লেট

## বৌদ্ধিক যাত্ৰাত চিলাপথাৰ মহাবিদ্যালয়ৰ গতি-প্ৰগতিৰ স্থিৰ চিত্ৰ





















# ০ সূচীপত্ৰ ০

## ।। চিন্তা বিচিত্ৰা ।।


- ধৰ্মহীন পৃথিৱীৰ কল্পনা /১/
  - নিউটন পেগু
- Everything you need to know about the controversial system of "Triple Talaq" and why it should be abolished. /৪/
  - Memon Ahmed
- আজিৰ বাবে জীয়াই থাকক /৭/
  - পৰেশ পাইত
- আন্তৰ্জাতিক নাৰী দিৱস আৰু কিছু কথা /৯/
  - বিনীতা দেৱী
- এক বিংশ শতিকাত প্ৰযুক্তিবিদ্যা /১১/
  - ইশা দেউৰী
- ইতিবাচক চিন্তাৰ ফচল ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয় /১৪/
  - প্ৰাঞ্জল দাস
- Mobile Mania /১৮/
  - Deepsikha Paul
- Digital India- A programme to transform India /২০/
  - Yubaraj Sharma
- জীৱন আৰু বৃত্তি /২২/
  - ৰাতুল দলে
- The Life of Indian Army /২৩/
  - Shankar Kharel
- A little window for Research worker /২৪/
  - Prem Prasad Sharma
- The lynching that changed India /২৮/
  - Memon Ahmed
- সামাজিক চেতনাবোধ আৰু বিশ্বায়ন /৩০/
  - নিকী দাস
- মোদী চৰকাৰৰ বিমুদ্ৰাকৰণ নীতি /৩২/
  - মণিকা দেৱী

## ০ সূচীপত্ৰ ০


### ।। ইতিহাস ।।

- সাম্প্ৰতিক সময়ত শৰাইঘাট যুদ্ধৰ প্ৰাসংগিকতা /৩৪/
  - টংকেশ্বৰ পেগু

### ।। শ্ৰদ্ধাৰ্ঘ ।।

- ষ্টিফেন উইলিয়াম হকিং /৩৮/
  - বনজিৎ চুতীয়া

### ।। ব্যক্তিত্ব ।।

- Mulk Raj Anand and the Plight of Untouchability /৪০/
  - Dr. Jai Ram Jha
- আব্দুল কালাম আৰু তেওঁৰ সপোনৰ ভাৰতবৰ্ষ /৪৫/
  - ববিতা দেউৰী

### ।। ধাৰাবাহিক বিশেষ লেখা ।।

- ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ /৪৭/
  - ৰবীন কুলি

### ।। ব্যক্তি/ব্যক্তিত্ব ।।

- বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভাৰে উজ্বলি উঠা চিলাপথাৰৰ কেইগৰাকীমান ব্যক্তি /৫৩/

### ।। সাক্ষাৎকাৰ ।।

- সাম্প্ৰতিক সময়ত পৃথিৱীৰ আটাইতকৈ ভাল কামটো কৰি থকা অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েং দেৱৰ সৈতে এক অন্তৰংগ আলাপ /৫৭/

### ।। ভ্ৰমণ ।।

- মোৰ জীৱনৰ আটাইতকৈ ভাল লগা ভ্ৰমণৰ কাহিনী /৬১/
  - লক্ষী দেউৰী
- Education Tour to Kolkata /৬৪/
  - Bipasha Chakraborty

# ○ সূচীপত্ৰ ○


## ।। সংস্কৃতি ।।

○ অসমৰ সংস্কৃতি ঃ এক চমু অৱলোকন /৬৬/

▸ পল্লৱী দুৱৰা

○ হাজংসকলৰ লোক সংস্কৃতি আৰু লোক বিশ্বাস /৬৮/

▸ কৰবী হাজং

○ মিচিং সমাজৰ পঃৰাগ উৎসৱ /৭১/

▸ চিত্ৰলেখা দলে

## ।। গল্প ।।

○ হেৰুৱা প্ৰেমৰ ঠিকনা বিচাৰি /৭২/

▸ টংকেশ্বৰ পেগু

○ মীৰাৰ জীৱনৰ যন্ত্ৰণা /৭৩/

▸ মাধৱী বুঢ়াগোহাঁই

○ এক্সপ্ৰেছ গেঞ্জি /৭৯/

▸ বেবি গাদী

○ বন্ধুত্ব /৮০/

▸ সাগৰ দত্ত

## ।। ক্ৰীড়াঙ্গণ ।।

○ অসমৰ ক্ৰীড়া প্ৰতিভাসমূহ /৮১/

▸ ৰামকৃষ্ণ ধমলা

## ।। আমাৰ কৰণীয় ।।

○ স্বচ্ছতা সম্পৰ্কত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভংগী /৮৩/

## ।। গ্ৰাম্য আলোক ।।

○ আমাৰ গাঁওবোৰৰ বিষয়ে যৎকিঞ্চিৎ /৮৬/

## ।। গ্ৰন্থ সমালোচনা ।।

○ Critical Reviews of the Books of Dr. APJ Abdul Kalam /৯২/

▸ Debina Pamehgam

○ অসীমত যাৰ হেৰাল সীমা /১০০/

▸ হালিমা বেগম

# ○ সূচীপত্ৰ ○


## ।। দৃষ্টিকোণ ।।

○ চিলাপথাৰত ড্ৰেইন সপোন কিয় ? /১০২/
 ▸ ৰজত দলে

○ মোৰ দৃষ্টিত এন. আৰ. চি.ৰ কিছু কথা /১০৩/

## ।। কবিতা ।।

○ আশা /১০৫/
 ▸ বিদ্বীপ পেগু

○ লুইতপৰীয়া মহান শিল্পীজন /১০৫/
 ▸ হিৰণ্য দলে

○ যন্ত্ৰণা /১০৬/
 ▸ সঞ্জীৱ ৰাজবংশী

○ ভাবুকি /১০৬/
 ▸ ৰাম কৃষ্ণ ধামালা

○ সুখ আৰু দুখ /১০৭/
 ▸ ধনেশ্বৰ টায়েং

○ তুমি আৰু মই /১০৭/
 ▸ টংকেশ্বৰ পেগু

○ মাথো তোমালৈ প্ৰেয়সী /১০৮/
 ▸ ক্ষিতিশ বৰা

○ Success is Counted Sweetest /১০৯/
 ▸ Bhuban Mili

○ The Last Dream I Had /১০৯/
 ▸ Mousumi Taye

## ।। সম্পাদকৰ প্ৰতিবেদন ।। /১১০/

## ।। শিল্প প্ৰতিভা ।। /১১৫/

# ধৰ্মহীন পৃথিৱীৰ কল্পনা

নিউটন পেগু
চতুৰ্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

মই যদি তপস্যা কৰি ভগৱানক পালো হেঁতেন, মোৰ তপস্যাত যদি ভগৱান সন্তুষ্ট হৈ মোক দেখা দিলেহেঁতেন আৰু মোৰ তপস্যাত সন্তুষ্ট হৈ মোক বৰ খুজিব দিলেহেঁতেন, তেন্তে তেনে মুহূৰ্তত মই ভগৱানৰ পৰা দুটা বৰ খুজিলোহেঁতেন। প্ৰথম বৰটো এনেদৰে খুজিলোহেঁতেন — "হে ভগৱান, পৰম পিতা পৰমেশ্বৰ, মোক এনে শক্তি দিয়া যি শক্তিৰ জৰিয়তে মই এখন নতুন পৃথিৱী গঢ়িব পাৰোঁ। যি পৃথিৱীত উচ্চ নিম্নৰ পাৰ্থক্য নাথাকিব। কলা-বগা বুলি বৈষম্য নাথাকিব, হিন্দু, মুছলমান, খ্ৰীষ্টান বুলি মানুহৰ মাজত ভেদা-ভেদ নাথাকিব, যি পৃথিৱীত মানুহে মানুহক শত্ৰু হিচাপে গণ্য নকৰি মিত্ৰতাৰ চকুৰে চাব, ইজনে সিজনক প্ৰেম কৰিব। আনৰ দুখক নিজৰ দুখ বুলি ভাবিব, সহযোগিতা আৰু একতাৰে সুন্দৰ সমাজ গঢ়িব।

আনটো বৰ এনেদৰে খুজিম — "হে প্ৰভু, তুমি দয়াৰ সাগৰ, প্ৰেমৰ সাগৰ, কৃপাৰ সাগৰ, তুমি সৰ্বশক্তিমান। তোমাৰ কৰিব নোৱাৰা কাম এই বিশ্ব ব্ৰহ্মাণ্ডত একো নাই। হে ভগৱান, আজি সমগ্ৰ বিশ্বই পাৰমাণৱিক শক্তি আহৰণৰ প্ৰতিযোগিতাত নামি পৰিছে। পাৰমাণৱিক শক্তি আহৰণৰ প্ৰতিযোগিতাই বিশ্বৰ সৰ্বসাধাৰণ মানুহৰ মনক কপাই তুলিছে। সেই পৰম পিতা পৰমেশ্বৰ, তুমি এনে এটা কাম কৰা, যি কামৰ জৰিয়তে মানুহে পাৰমাণৱিক শক্তি আহৰণৰ জ্ঞান অৰ্থাৎ পাৰমাণৱিক শক্তি প্ৰস্তুত কৰাৰ জ্ঞান হেৰুৱাই পেলায় আৰু বৰ্তমান মজুত হৈ থকা সকলো পাৰমানৱিক শক্তি নাইকিয়া হৈ যায়।

ধৰ্ম সম্পৰ্কে বিভিন্নজনে বিভিন্ন ধৰণে মতামত দিছে। দুৰখেইমৰ মতে, "ধৰ্ম মানে এনে কিছুমান বিশ্বাসৰ সমষ্টি, যি বিশ্বাসে কিছুমান বস্তুক পবিত্ৰ আৰু কিছুমান বস্তুক অপবিত্ৰ হিচাপে গণ্য কৰে। ইয়াৰ জৰিয়তে এক ধৰ্ম সম্প্ৰদায়ৰ সৃষ্টি হয়। এনেদৰে বিশ্বাসৰ জৰিয়তে হিন্দু, ইছলাম, খ্ৰীষ্টান, বৌদ্ধ, জৈন আদি ধৰ্মীয় সম্প্ৰদায়ৰ সৃষ্টি হ'ল।

প্ৰাচীন কালৰে পৰা ধৰ্মই সমাজত বিচ্ছেদ আৰু অশান্তিৰ সৃষ্টি কৰি আহিছে। ধৰ্মৰ বাবেই ভাৰত স্বাধীন হৈও দ্বিখণ্ডিত হ'ল। পাকিস্তান নামেৰে নতুন ৰাষ্ট্ৰৰ সৃষ্টি হ'ল।

ধৰ্মৰ কাৰণে সমাজত বিচ্ছেদ ঘটাৰ এটা প্ৰধান কাৰণ হ'ল — নিজৰ ধৰ্মৰ প্ৰতি থকা অধিক ভালপোৱা, বিশ্বাস আৰু আনৰ ধৰ্মৰ প্ৰতি থকা ঘৃণা মনোভাৱ। প্ৰায় হিন্দু লোকে মুছলমান লোকক ঘৃণা কৰে বা ভাল নাপায় গৰু মাংস খোৱাৰ কাৰণে আৰু প্ৰায় মুছলমান লোকসকলে হিন্দু লোক সকলক ঘৃণা কৰে বা বেয়া পায় গাহৰি মাংখ খোৱাৰ কাৰণে। কিন্তু সকলো ধৰ্মগ্ৰন্থই কয়— "জীৱ হত্যা মহাপাপ।" গতিকে এই দৃষ্টিকোণৰ পৰা বেছিভাগ গোড়া ধৰ্মাৱলম্বীসকলেও মহাপাপ কৰি আছে। কাৰণ গৰু মাংস, গাহৰি মাংস আদি সকলো মাংসই জীৱ। যদি ভগৱান আছেও, যদি ভগৱান সঁচা, তেন্তে ভগৱানে কেতিয়াও আমাৰ পৰা ছাগলী, ম'হ, পাৰ আদিবোৰৰ বলি নিবিচাৰে। কিন্তু বৰ্তমান সময়তো বহুতো লোকে অন্ধবিশ্বাসত পৰি ভগৱানৰ নামত জীৱ হত্যা কৰি আছে। কিন্তু সেইয়া মোৰ মতে ঈশ্বৰৰ নামত কলংক। সিহঁতে ভগৱানৰ নামত জীৱ হত্যা কৰি ভগৱানক অপমান কৰিছে। ভগৱানৰ পবিত্ৰতাক ব্যাঘাত জন্মাইছে। মই এশ শতাংশ ডাঠি ক'ব পাৰো, সিহঁতে যেতিয়ালৈকে ভগৱানৰ নামত জীৱ হত্যা বন্ধ নকৰে তেতিয়ালৈকে যিমানে ধৰ্মক বিশ্বাস কৰিলেও ভগৱানক পাব নোৱাৰে। কাৰণ ধৰ্মগ্ৰন্থই কিবা কৈছে আৰু তেওঁলোকে তাৰ বিপৰীতে কাম কৰি আছে। গতিকে ধৰ্মৰ অৰ্থই অনৰ্থক। হিন্দুৱে যি কথা সত্য বুলি বিশ্বাস কৰে, সেই একেটা কথাকে মুছলমানসকলে অসত্য বুলি গণ্য কৰে আৰু মুছলমানসকলে যিটো কথা সত্য বুলি বিশ্বাস কৰে, সেই একেটা কথাকে হিন্দুসকলে অসত্য বুলি গণ্য কৰে। একেদৰে খ্ৰীষ্টান, বৌদ্ধ, জৈন আদি প্ৰতিটো ধৰ্মীয় সম্প্ৰদায়ৰে বিপৰীত

প্ৰতিক্ৰিয়া। যাৰ ফলত সমাজ দ্বি- খণ্ডিত বা বিচ্ছেদ ঘটে। গতিকে ধৰ্ম মানে বিচ্ছেদ। সেইকাৰণে মই ধৰ্মহীন পৃথিৱীৰ কল্পনা কৰো।

মোৰ মতে হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, জৈন বুলি কোনো ধৰ্ম থাকিবই নালাগে। মাত্ৰ থাকিব লাগে মানবীয় ধৰ্ম। য'ত হিন্দু, মুছলমান, খ্ৰীষ্টান বুলি নাথাকি মাত্ৰ থাকিব মানুহৰ মাজত প্ৰেম, অহিংসা, সহযোগিতা আৰু একতা। সমাজত থাকিব কেৱল শান্তি আৰু প্ৰগতি।

## আধ্যাত্মিক মূল্যবোধ

এই পৃথিৱীত জীয়াই থকা প্ৰত্যেক জন মানুহৰ জীৱন বৰ ৰহস্যময়! জীৱন ..! জীৱন কি? জীৱন সঁচাকৈ কি যে বিস্ময়কৰ। জীৱনৰ সংজ্ঞা বিচাৰি মই দুটা বিপৰীতমুখী ক্ৰিয়াৰ সন্ধান পালোঁ। এটা সুখ হ'লে আনটো দুখ, এটা হাঁহি হ'লে আনটো কান্দোন, এটা আনন্দ হ'লে আনটো বিষাদ। অৰ্থাৎ সুখ-দুখ, হাঁহি-কান্দোন, আনন্দ-বিষাদ, লাভ-লোকচান, প্ৰাপ্তি-অপ্ৰাপ্তি, জয়-পৰাজয়, জন্ম-মৃত্যু, শান্তি-অশান্তি ইত্যাদি ইত্যাদি...। সেই সকলোবোৰৰ সমষ্টিয়ে হ'ল জীৱন। মূল বিষয়ৰ লগত জীৱনৰ বিষয়ে এইকাৰণেই উল্লেখ কৰিছোঁ যে — কেৱল ভগৱানক পূজা-পাতল কৰাটোৱে আধ্যাত্মিক মূল্যবোধ নহয়। আধ্যাত্মিক মূল্যবোধ বুলিলে মানুহে জীৱনৰ সৌন্দৰ্যক উপলব্ধি কৰিব পাৰিব লাগিব। ওপৰত উল্লেখ কৰা বিপৰীতমুখী ক্ৰিয়াসমূহক সমজ্ঞান কৰি জীৱন যুদ্ধত অৱতীৰ্ণ হৈ নিজৰ নিজৰ কৰ্তব্য কৰি যাবলৈ সংকল্পবদ্ধ হ'ব লাগিব। এই পৃথিৱীত জীয়াই থকা সকলোৱে একেজন ভগৱানৰ সন্তান বুলি ভাবি মনৰ পৰা ঈৰ্ষা, অহং, হিংসা, ক্ৰোধ আদি অসৎ গুণসমূহ আঁতৰাই অন্তৰত ভাতৃত্ববোধৰ মূল্যবোধ জগাই তুলিব পাৰিব লাগিব।

মোৰ দৃষ্টিত আধ্যাত্মিক মূল্যবোধৰ পৰিসৰ অতি ব্যাপক। নীলা আকাশৰ দৰে ব্যাপক। আধ্যাত্মিক মূল্যবোধৰ সংজ্ঞা এটা দুটা বাক্যতে দিয়াটো বৰ জটিল বা নোৱাৰে। কিয়নো ব্যক্তিৰ জীৱনক, সমাজ জীৱনক সৌন্দৰ্য কৰিবলৈ আধ্যাত্মিক মূল্যবোধৰ অতি প্ৰয়োজন। বৰ্তমান আধ্যাত্মিক মূল্যবোধৰ অভাৱৰ ফলতে হত্যা, হিংসা, লুণ্ঠন, ধৰ্ষণ, ভ্ৰষ্টাচাৰ, দুৰ্নীতি, কু-সংস্কৃতি দিনক দিনে বৃদ্ধি পাব ধৰিছে।

পৰমাত্মাৰ লগত আত্মাৰ মিলনেই হ'ল আধ্যাত্মিক আৰু পৰমাত্মাৰ লগত আত্মাক মিলন কৰিবলৈ যিবোৰ মূল্য বা গুণৰ প্ৰয়োজন সেইবোৰ হ'ল আধ্যাত্মিক মূল্যবোধ।

আত্মা এক আশ্চৰ্যজনক শব্দ। যাৰ শব্দৰ অৰ্থ ৰহস্যৰ উপৰিও ৰহস্য। যাৰ শব্দৰ অৰ্থ জনাটো বৰ কঠিন। বৰঞ্চ আত্মাৰ বিষয়ে শিকোঁৱাজনেও নিজকে বিস্ময় মানে। তলত কেইটামান আত্মাৰ ৰহস্যৰ কথা উল্লেখ কৰা হ'ল —

১) শৰীৰ খন্তেকীয়া, কিন্তু আত্মা অমৰ।

২) আত্মাৰ আদি নাই, অন্ত নাই, অনাদি অনন্ত।

৩) মানুহে যেনেকৈ জীৰ্ণ বস্ত্ৰ ত্যাগ কৰি নতুন বস্ত্ৰ পৰিধান কৰে, তেনেকৈ আত্মায়ো এটা দেহ ত্যাগ কৰি আন এটা দেহত প্ৰৱেশ কৰে।

৪) আত্মাক কোনেও হত্যা কৰিব নোৱাৰে। জুইয়ে পুৰিব নোৱাৰে, অস্ত্ৰ-শস্ত্ৰৰে মাৰি হত্যা কৰিব নোৱাৰে। অৰ্থাৎ আত্মাক কোনো অস্ত্ৰ-শস্ত্ৰই স্পৰ্শই কৰিব নোৱাৰে। সেয়ে কোৱা হয়, আমাৰ শৰীৰটো খন্তেকীয়া। আজি আছে, কালি নাই। এই সংসাৰখন এৰি এদিন যাবই লাগিব। সেয়ে আত্মাক সন্তুষ্ট কৰিবৰ কাৰণে, কোনো এটা মহান কাৰ্যক সমাধান কৰিবলৈ যাওঁতে, ভাল কাম কৰিবলৈ আগবাঢ়ি মৃত্যুক ভয় কৰাৰ প্ৰয়োজন নাই।

৫) গাড়ীত যেনেকৈ ড্ৰাইভাৰ নাথাকিলে গাড়ীখন গতি নকৰে, তেনেকৈ আত্মা নাথাকিলে আত্মাৰ শৰীৰটোৱে একো কৰিব নোৱাৰে। চকুৰে দেখিব নোৱাৰি, কাণেৰে শুনিব নোৱাৰি, মুখেৰে ক'ব নোৱাৰি, মনেৰে ভাৱিব নোৱাৰি। অৰ্থাৎ শৰীৰৰ ভিতৰত যদি আত্মা নাথাকে, তেন্তে মানুহ ড্ৰাইভাৰ নথকা গাড়ীৰ নিচিনা হ'ব। জড় পদাৰ্থৰ নিচিনা হ'ব। অৱশ্যে এই সকলো কথা মই কোৱা নাই, শাস্ত্ৰই কৈছে।

আধ্যাত্মিক মূল্যবোধ বুলিলে ঈশ্বৰৰ ওপৰত একান্ত বিশ্বাসক বুজায়। ভগৱান ....! ভগৱান আছেনে? আছে যদি তেওঁ ক'ত থাকে? তেওঁ দেখিবলৈ কেনেকুৱা? ভগৱান কিমান? আদি প্ৰশ্নবোৰে নিশ্চয় প্ৰায় মানুহক চিন্তা কৰিব দিয়ে। প্ৰথম অৱস্থাত মই যেতিয়া ভগৱানক প্ৰাৰ্থনা কৰিছিলোঁ, তেতিয়া মই ভগৱানৰ বিষয়ে সচেতনভাৱে ভৱা নাছিলোঁ। যেতিয়া মই ডাঙৰ হ'বলৈ ধৰিলো, মোৰ চিন্তা-শক্তি বৃদ্ধি হ'বলৈ ধৰিলে, তেতিয়া মই ভাবিবলৈ আৰম্ভ কৰিলো মই কিয় ভগৱানক প্ৰাৰ্থনা কৰিছো? ভগৱান আছেনে? ভগৱানক কোনোবাই দেখিছেনে আদি নানা প্ৰশ্নই মোৰ জীৱনক আগুৰি ধৰিলে। আপুনি/তুমি কেতিয়াবা ভগৱানক দেখিছেনে/দেখিছানে? প্ৰত্যেকজন মানুহৰ পৰাই কেৱল এটাই উত্তৰ পালোঁ "নাই দেখা"। মই আচৰিত হ'লোঁ। ভগৱানক কোনেও দেখা নাই বুলি কয়, কিন্তু কিয় ভগৱানক উপাসনা কৰে!

এদিন মই এজন মানুহক সুধিলো, " দাদা, আপুনি কেতিয়াবা ভগৱানক দেখিছেনে?"

তেতিয়া তেওঁ ক'লে, " নাই দেখা।"

"তথাপিও আপুনি ভগৱানক বিশ্বাস কৰেনে?" - মই

আকৌ সুধিলোঁ।

"হয়, মই ভগৱানক বিশ্বাস কৰোঁ।" - দাদাই উত্তৰ দিলে।

কিয় ? — মই সুধিলোঁ।

কাৰণ ভগৱান সত্য। সত্যক আমি বিশ্বাস কৰিবই লাগিব। দাদাই উত্তৰ দিলে।

যাক প্ৰত্যক্ষ কৰিব নোৱাৰি সি সত্য হ'ব পাৰে জানো? মই ক'লো।

কেৱল প্ৰত্যক্ষ কৰিব পৰা বস্তুৱে সত্য নহয়। কিছুমান প্ৰত্যক্ষ কৰিব নোৱাৰা কোনো বস্তু বা ঘটনাও সত্য হ'ব পাৰে। যিবোৰে সমাজক একতাৰ ডোলেৰে বান্ধি ৰাখিব পাৰে, সমাজক শান্তি দিব পাৰে— দাদাই কলে।

মন বৰ উগুল-থুগুল লাগিল। কাৰণ এদিন মই চাৰ্বাকপন্থী এজনক লগ পাইছিলো। তেওঁক মই যিবোৰ প্ৰশ্ন সুধিছিলো সেইবোৰ প্ৰশ্নৰ উত্তৰ দাদাই দিয়া উত্তৰবোৰৰ বিপৰীতমুখী আছিল।

মই চাৰ্বাকপন্থী দাদাক সুধিছিলো, "দাদা, আপুনি কেতিয়াবা ভগৱানক দেখিছেনে?"

তেতিয়া তেওঁ ক'লে, " মই ভগৱানক কেতিয়াও দেখা নাই।" তথাপিও ভগৱানক বিশ্বাস কৰেণে? - মই আকৌ সুধিলো। মই ভগৱান বিশ্বাস নকৰোঁ। - তেওঁ উত্তৰ দিলে। কিয়? - মই সুধিলো।

কিয়নো যাক প্ৰত্যক্ষ কৰিব নোৱাৰি ই সত্য নহয়। যিটো সত্য নহয় তাক বিশ্বাস কৰি কি লাভ— তেওঁ উত্তৰ দিলে।

মানুহে যে কয় এই জগতক ভগৱানে সৃষ্টি কৰিছে। ভগৱানে জগতক পালন কৰি আছে। তেন্তে সেই সকলো মিছা নেকি? - মই পুনৰ সুধিলো।

হয়, সেই সকলোবোৰ মিছা। প্ৰত্যুত্তৰত তেওঁ ক'লে।

এদিন মই মানুহ এজনক লগ পাইছিলো। মানুহ জন বৰ জ্ঞানী আছিল। ঈশ্বৰৰ ওপৰত একান্ত বিশ্বাসী আছিল। তেওঁকো মই মোৰ অন্তৰত থকা খেলি-মেলিবোৰ দূৰ কৰিবৰ কাৰণে একেটা প্ৰশ্নকে সুধিলোঁ, "দেউতা আপুনি ভগৱানক দেখিছেনে?" হয়, দেখিছো। কিয় সুধিলা? - দেউতা। মই সদায় ভগৱানক প্ৰাৰ্থনা কৰো। কিন্তু মই ভগৱানক এবাৰো দেখা নাই। বহুত মানুহক সুধিলো। কোনেও দেখা নাই। কিন্তু কেৱল আপোনাৰ পৰাই বেলেগ উত্তৰ পালো।

তুমি ভাল কথাই সুধিছা। সকলো মানুহে যেনেকৈ বৈজ্ঞানিক হ'ব নোৱাৰে, ইঞ্জিনীয়াৰ হ'ব নোৱাৰে, ডাক্তৰ হ'ব নোৱাৰে, অফিচাৰ হ'ব নোৱাৰে তেনেকৈ সকলো মানুহে ভগৱানক দেখিব নাজানে। এজন সফল মানুহ হ'বলৈ যেনেকৈ নিৰ্দিষ্ট উদ্দেশ্যৰ প্ৰয়োজন, আত্মবিশ্বাস, পৰিশ্ৰম, অধ্যৱসায়, আদিৰ প্ৰয়োজন, তেনেকৈ ঈশ্বৰক দেখিবলৈ হ'লেও মনটো পবিত্ৰ হ'ব লাগিব। অন্তৰত প্ৰেম থাকিব লাগিব। ঈশ্বৰৰ ওপৰত একান্ত বিশ্বাসী হ'ব লাগিব। সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ আগ্ৰহী হ'ব লাগিব। তেনে এজন মানুহেহে ভগৱানক প্ৰত্যক্ষ কৰিব পাৰিব। উপলব্ধি কৰিব পাৰিব।

মোৰ ঈশ্বৰ বিশ্বাস দেখি বন্ধু এজনে মোক সুধিলে — বন্ধু তুমি কিয় ভগৱানক ইমান বিশ্বাস কৰা?

তেতিয়া মই ক'লো — বন্ধু, ভগৱানক বিশ্বাস কৰিলে মানুহৰ আত্মবিশ্বাস বৃদ্ধি হয়।

ভগৱানৰ সংখ্যা কিমান? — বন্ধুজনে সুধিলে।


এজন — মই উত্তৰ দিলো।

তেওঁৰ নাম কি আৰু তেওঁ দেখিবলৈ কেনেকুৱা? — বন্ধুৱে মোক ধেমালি সুৰত পুনৰ সুধিলে।

বন্ধু ভগৱানৰ নিৰ্দিষ্ট নাম নাই আৰু নিদিষ্ট আকৃতিও নাই। তেওঁক যিদৰে উপাসনা কৰে, সেইদৰে পাব পাৰি। ভগৱান এজন। এইজন ভগৱানকে মানুহে নানা নাম দি উপাসনা কৰে। কোনোবাই আল্লা, কোনোবাই গড, যিচু, কৃষ্ণ, ৰাম, শিৱ, ইত্যাদি ইত্যাদি। কিন্তু ভগৱান ভগৱানেই। যেনেকৈ পানীক হিন্দীত জল, ইংৰাজীত ৱাটাৰ, মিচিঙত আচি বুলি কোৱা হয়। নামবোৰ বেলেগ হলেও পানী পানীয়েই। — মোৰ উত্তৰ শুনি বন্ধুজনে পুনৰ সুধিলে — ভগৱান ক'ত থাকে? গীৰ্জাত থাকে নে মজজিদত নে নাই মন্দিৰত থাকে?

ভগৱান সকলোতে আছে। কিছুমান খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে ক'ব বিচাৰে যে, ভগৱান কেৱল গীৰ্জাতহে থাকে; কিছুমান ইছলাম ধৰ্মাৱলম্বী লোকসকলেও ক'ব বিচাৰে ভগৱান কেৱল মজজিদতহে থাকে। তেনেকৈ কিছুমান হিন্দু ধৰ্মাৱলম্বী লোকসকলেও ক'ব বিচাৰে যে ভগৱান কেৱল মন্দিৰতহে থাকে। কিন্তু সেই সকলো কথা অনৰ্থক। কবিয়ে সঁচা কথাই কৈছিল, " ভগৱান যদি হিন্দুৰ মন্দিৰতে থাকে বা মুছলমানৰ মজজিদতে থাকে, তেন্তে এই মহাবিশ্বত কোন থাকিব?"

- সত্যই ভগৱান আৰু সত্যক মানি চলাটোৱেই আধ্যাত্মিক মূল্যবোধ।
- অহিংসা আৰু প্ৰেমেই ভগৱান। অহিংসা আৰু প্ৰেম কৰিব পৰাটোৱে আধ্যাত্মিক মূল্যবোধ।
- ন্যায়ে ভগৱান আৰু ন্যায়পৰায়ণতাই আধ্যাত্মিক মূল্যবোধ। ☐ ☐ ☐



## Everything you need to know about the controversial system of "Triple Talaq" and why it should be abolished.

**Memon Ahmed**
B.A. 4th Semester
Political Science

Whether it's Pakistan Cricket legend Imran Khan's infamous divorce via text message where he wrote 'Talaq' thrice and pasted ways with his wife farmer BCC journalist Reham Khan, or the famous shah Bano case in India, the sanctify of the institution of marriage has been tarnished time and again by age-old theocracies. Most glaringly by talaq.

Talaq is an Arabic text in Muslim Laws and means freedom from the bondage of marriage by the husband in accordance with the procedure laid down by the Sharia law in Sunni Islam. But in she law, talaq has to be pronounced orally under some schools of Sunnies, a talaq pronounced under compulsion. Coercion under influence fraud or under intoxication in invalid.

Instantaneous triple talaq means a man can divorce his wife by pronouncing the word thrice. A recent survey by the Bharatiya Muslim Mahila Andolan (BMMA) suggests that 92% of Muslim Women in India want the practice of 'triple talaq' to end.

Recently, when 35 year old Shayara Bano from Karhipur Uttrakhand, filed a petition in the Supreme Court to question the sanctity of 'talaq', her story made headlines. It seemed like the shadow of the famous Shah Bano case had resurfaced to haunt the authenticity of triple talaq in general, and instantaneous triple talaq in particular.

The Shah Bano case was a controversial maintenance lawsuit in which Shah Bano, a 62 year old Muslim, mother of five from Indore, Madhya Pradesh was divorced by her husband in 1978. But evon after winning the case at the supreme court of India, Bano was subsequently denied alimony because the Rajiv Gandhi regime enacted the Muslim Women (Protection of Rights on Divorce) Act, 1986 which set aside the Shah Bano verdict and revered the judgment under pressure from Islamic orthodoxy.

But Shayara Bano Said, "The supreme court has given 6 weeks time to All India Muslim Women Personal Law Board to take a decision. I am confident that I'll get justice from supreme court."

The All India Muslim Women Personal Law Board, led by Shaista Ambar, had asked the supreme court to intervene. Although a high-level committee set up by the central government to review the status of women in India has reportedly recommended a ban on the practice of

oral, unilateral, triple talaq and polygamy, Muslim Organizations shrugged its recommendations and deemed them a Hindutya conspiracy.

**Subjugation of Women :**

The question of abolishing triple talaq is not just a movement against patriarchy, but a call for justice for women's rights. But for a majority of Muslims, this isn't only a clear interference on the supreme court's part in personal and religious laws of the community but it is also a violation of the religious freedom given to the people of India by the constitution.

Shayara Bano's case is a Chilling story of anguish pain and grief, but other such stories are equally horrifying.

In the recent Assam elections in a bizarre turn of events, a Muslim man. Ainuddin, reportedly divorced his wife Dilwara Begum who defied the village diktat by not voting for congress, but for a BJP candidate instead.

But the Muslim personal law board and other major Muslim representatives of Sunni Islam in India and the Darul Uloom Deoband and Bareli's are not in favour of any extra religious judicial interference despite the large section of women. It might sound bizarre, but the Deobandis and the Barelvis had justifier the instance triple talaq against women by a man even in a drunken stage or under intoxication by simply calling it a Man's right under Sharia law.

However she Muslim Personal Law Board is ready to revisit their position, even echoing the sentiments of annulling instantaneous triple talaq if not the triple talaq.

**The larger question remain is Triple Talaq or instantaneous triple talaq really a quranic messase ?**

More than 20 Islamic countries including Egypt, Sudan, Jordan, Iran, Syria, Lehanon, Marocco, Iraq and even Pakistan and Bangladesh are updating Sharia Laws relating to marriage and have imposed a court injunction against a husband pronouncing talaq.

In Turkey and Cyprus, unilateral divorce has been disapproved and needs court intervention. Theologians and experts on Islam believe if is just a rigidity of clergies, and now here does the Quran sanctify it.

In Turkey and Cyprus, unilateral divorce has been disapproved and needs court intervention. Theologians and experts on Islam believe it is just a rigidity of clergies, and now here does the Quran sanctify it.

Sunni Islam in India or mainly in South Asia follow the Vanafi laws one among four main jurisprudence system in Sunni Islam, other than Maliki, Shaifi and Hanbali.

According to interpretation of Nanafi laws, instantaneous triple talaq is valid even through Whats App and Facebook, Marriage in Islam is a contract and since Muslim laws are not codified, law always remains open to interpretation and thus in complete control of the clergies. Arif Mohammad Khan, a minister in the Rajiv Gandhi government, who resigned over the Shah Bano case, once remarked, "We Muslims in India have contracted our religious to the clergy we don't apply our own mind."

No religion has ever promulgated the thought of woman suppression and humiliation. In fact, every religion regards them are equal and parallel to man in every aspect. It is human mind which her from ages, manipulated religion according to its own benefits and requirements and disgraced woman by classifying them inferior to man.

**Proposed Law to end instant 'Triple Talaq' in parliament.**

A bill was introduced in Lok Sabha that propose a three-year jail term and a possible five for any Muslim man who divorces his wife through instant 'Triple Talaq'

The first step to make instant 'Triple Talaq'- the Islamic practice that allows men to divorce their wives immediately by stating 'Talaq' thrice – a criminal offence was taken up in parliament. A bill was introduced in Lok Sabha that proposes a three year jail term and a possible fine for any Muslim man who indulges in the practice.

**Declaration and confusion of the supreme court in the Triple Talaq matter.**

Muslim in India are categorized into two main sufs Shias abd Sunnis. India comprises of a majority of Sunnis who recognize the practice of 'Talaq-e-biddat' I'e Triple Talaq whereby a Muslim man may arbitrarily and when sic ally break his martial without making dry attempt of reconciliation with his wife.

Recently on 22.08.2017, the supreme court of India in a judgment *Shayara Bano vs Union of* India by a *majority of S:2 has set aside this* arbitrary and discriminative practice of Triple Talaq in India based on the following logic and reasoning.

The supreme court has discussed herein that the Muslim Personal Law (Shariat) Application Act. 1937 was enacted to bring to an end all the unholy oppressive and discriminatory customs and usages in the Muslim community. The court reasoned that the said 1973 Act also defies the tenets of Quran by upholding several customs and usages which include Triple Talaq.

In the recent judgment mentioned above the supreme court has arrived at the following conclusion :

1. **Article 25 (I) of the constitution of India**

It has been brought to the notice of the supreme court that must of the Muslims in India belongs to the Hanafi School of Sunni Muslim which has always supported the practice of Triple Talaq in India. But at the same time, this a school has also described Triple Talaq as a sinful form of divorce. The supreme court has therefore, held that Triple Talaq does not form a part of fundamental rights provided under article 25 (I) of the constitution i.e. freedom of conscience and free profession practice and propagation of religion.

2. **Article 14 of the constitution of India :**

The supreme court has discussed that in the practice of Triple Talaq, an instant, irrational and irrevocable talaq is given by a Muslim husband to his wife where no attempt is made to reconcile which is essential to save the marital tie in various cases, the supreme court has negated statutory laws on the ground of being arbitrary i.e. when they are not fair not reasonable, discriminatory biased with favoritism or nepotism and not in pursuit of promotion of healthy competition and equitable treatment and the before violative of Articles 14 of the constitution. In view of the above the supreme court has held Triple Talaq to be violative of Article 14 of the constitutions.

3. **Article 13 of the constitution of India :**


The supreme court has discussed that as the 1937 Act is a pre-constitutional law it would be covered by the expression "Laws in force" in Article 13 (B) of the constitutions and would be declared void, by virtue of Article 13 (I) of the constitution if found to be inconsistent with the fundamental rights laid down in part III of the constitution to the extent of such in consistency. Therefore, since Triple Talaq has been held to be violative of Artcile 14 of the constitution, the supreme court has declared section 2 of the 1937 Act to be void to the extent that if recognizes and enforce Triple Talaq. ☐ ☐ ☐

Harini Daliparthy
Legal Associate

---

Reference :
The Indian Lawyer & Allied Service.

চিন্তা বিচিত্ৰা



# আজিৰ বাবে জীয়াই থাকক

পৰেশ পাইত
স্নাতক চতুৰ্থ যান্মাসিক
অৰ্থনীতি বিজ্ঞান বিভাগ

আজিৰ এই জীৱনটোৱেই আমাৰ বাবে সকলো। আমাৰ জীৱনৰ পৰিপূৰ্ণতা। কাৰণ, যোৱাকালিৰ দিনতো মাথোন এটা নিভাঁজ সপোন আৰু কাইলৈৰ দিনটো এটা নিটোল কল্পনা। সেয়ে মাথোন আজিৰ এই দিনটোৰ মাজতে নিহিত আছে আমাৰ জীয়াই থকাৰ আনন্দ। আজি এই দিনটোত ভাল দৰে জীয়াই থাকিব পাৰিলেহে আমাৰ বাবে কাইলৈ দিনটোৰ স্বপ্ন ৰঙীণ হৈ উঠিব আৰু কাইলৈৰ দিনটো হ'ব সীমাহীন সম্ভাৱনা পূৰ্ণ এটা সুন্দৰ জীৱন। সেয়ে আজিৰ এই দিনটোক আনন্দেৰে গ্ৰহণ কৰক।

আমি কোনেও অনাগত দিনবোৰক অৰ্থাৎ ভৱিষ্যতক স্পৰ্শ কৰিব নোৱাৰোঁ। আমি সদায়ে এটা ক্ষণস্থায়ী বৰ্তমানত বাস কৰোঁ। যি পিছ মুহূৰ্ততে অতীতৰ গহ্বৰত নিমজ্জিত হয়গৈ। সেয়ে আমাৰ জীৱনৰ এটা ক্ষণস্থায়ী বৰ্তমানৰ বাহিৰে আন একোৱেই নাই। সেয়ে এই বৰ্তমানটোতে সজীৱভাৱে জীয়াই থাকিবলৈ চেষ্টা কৰক। খ্ৰীষ্ট ধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্ট কৈছিল, "কাইলৈৰ বাবে চিন্তা নকৰিব। আজিৰ দিনটোতে তোমাৰ কৰণীয় বহু কাম আছে, তাৰ বিষয়ে চিন্তা কৰা।" কাইলৈৰ বাবে আপুনি, মই, আটায়ে চিন্তা কৰিব লাগিব। কাইলৈৰ বাবে সঠিকভাৱে পৰিকল্পনাও কৰিব লাগিব। সেই বুলি চিন্তাক যেন আমি কোনেও প্ৰশ্ৰয় নিদিওঁ। আমাৰ বৰ্তমান জীৱনৰ আটাইতকৈ ভয়কংৰ ঘটনাটো হ'ল আমাৰ হস্পিতালবোৰৰ প্ৰায় আধাখিনি বিছনাই মানসিক আৰু স্নায়ৱিক ৰোগীৰে ভৰা। যিসকল অতীত আৰু ভৱিষ্যতৰ চিন্তাত ভাৰাক্ৰান্ত হৈ ভাগি পাৰিছে। অথচ তেওঁলোকৰ বহুতেই আজি আন দহজনৰ দৰে আনন্দ-ফুৰ্তিৰে জীৱন-যাপন কৰিব পৰিলোহেঁতেন যদিহে তেওঁলোকে মাথোন যীশুৰ সেইযাৰ কথা— "কাইলেৰ বাবে দুশ্চিন্তা নকৰিবা' অথবা ছাৰ উইলিয়াম অছলাৰৰ আজিৰ দিনটোক যাপন কৰা'— আদি উপদেশবোৰ মনত ৰাখিলেহেঁতেন। আপুনি বা মই এই মুহূৰ্তত থিয় হৈ আছোঁ দুটা অসীমৰ সন্ধিক্ষণত। তাৰে এটা বিশাল অতীত যি চিৰদিনৰ বাবে বৈ গৈছে। আৰু আনটো অনাগত ভৱিষ্যৎ যি চিৰকাল থাকিব। আগতেই কৈ আহিছোঁ আমি এই দুই কালৰ কোনোটোতে এটা মুহূৰ্তৰ বাবেও ৰ'ব নোৱাৰোঁ। তেনেদৰে কোনোবা এটাটো যদি আমাক স্থাপন কৰাৰ চেষ্টা কৰোঁ, তেনেহ'লে আমাৰ জীৱন নৰক যন্ত্ৰণাময় হৈ উঠিব। সেয়ে আমি নিৰন্তৰ চেষ্টা চলাব লাগিব আমাৰ বৰ্তমানটোত নিজকে নিমগ্ন ৰাখিবলৈ। ৰবাৰ্ট লুই ষ্টিভেনছনে কৈছিল, "যিমান ভৰিত বোজাই নহওক কিয়, মানুহে নিজৰ বোজা বহন কৰিবই লাগিবই। মানুহে তেওঁৰ কাম যিমান কঠিনেই নহওক কিয়, তাক কৰিব লাগিবই। সিয়েই মানুহৰ জীৱন অৰ্থবহ কৰি তুলিব।" হয়, জীৱনত ইয়াতকৈনো আৰু কিহৰ প্ৰয়োজন হৈছে?

আমি আটায়ে জীৱন সংগ্ৰামৰ পৰা মূৰ পুলুকা মাৰিব বিচাৰোঁ। আমি সকলোৱেই দিগন্ত পাৰৰ কোনো মায়া গোলাপৰ স্বপ্নত আচ্ছন্ন। কিন্তু আমাৰ কোঠাৰ খিৰিকিৰ ওচৰতে যে অসংখ্য গোলাপ ফুলি আছে, সেইবাৰ আমাৰ চকুত নপৰে। আমি বাৰু এনে অঁকৰামিবোৰ কৰো কিয়? আমাৰ জীৱনৰ কিছুমান চিন্তা সঁচাকৈয়ে অদ্ভুত। এটি শিশুৱে ভাবে 'মই কেতিয়া ডাঙৰ হ'ম?' কিন্তু অলপমান ডাঙৰ হোৱাৰ পিছত সিয়েই আকৌ ভাবে— "মই কেতিয়া আৰু ডাঙৰ হ'ম?" তাৰ পিছতে ডেকা বয়সত সি ভাবে — "মই কেতিয়া বিয়া কৰাম?" কিন্তু বিয়া কৰোৱাৰ পিছতে কি হ'ল? বিয়া কৰোৱাৰ পিছত সি ভাবে— "মই কেতিয়া অৱসৰ গ্ৰহণ কৰিম?" কিন্তু অৱসৰ লোৱাৰ পিছত সি পিছলৈ উভতি চাই দেখিবলৈ পায় অতীতৰ নানান অপচয়ৰ দৃশ্য। এটা শীতল পৰশে তাক চুই যায়। সি শিয়ৰি উঠে। সি সকলো দিশ

বিচাৰ কৰি দেখে জীৱনত সি একোকে নাপালে। সকলোতে সি বঞ্চিত হৈছে। আমি পাহৰি যাঁও যে, এই জীৱন উপভোগৰ বাবেহে। আজিক কালিলৈ ঠেলি থ'ব নালাগে। আজিৰ দিনটোক আজিয়েই পৰিপূৰ্ণভাৱে উপভোগ কৰাৰ চেষ্টা কৰিব লাগে। জীৱনৰ প্ৰতিটো মুহূৰ্তকে মৰ্টন চোপাদি চুপি চুপি উপভোগ কৰাৰ চেষ্টা কৰিব লাগে। আমি কেতিয়াও দুঃশ্চিন্তাক প্ৰশ্ৰয় দিব নালাগে, হেৰুৱা বস্তুৰ বাবে কোনো ধৰণৰ দুৰ্ভাৱনাক মনত ঠাই দিব নালাগে। ভৱিষ্যতক লৈও কোনো ধৰণৰ আতঙ্কত ভুগিব নালাগে। জীৱন এক উজ্জীৱিত সত্বা। হাজাৰ সমস্যা থাকিলেও আমি সকলোৱে জীৱনক উপভোগ কৰা উচিত।

আমি ভাবি চোৱা আজিৰ এই দিনটো তোমাৰ জীৱনলৈ আৰু কেতিয়াও ঘূৰি নাহে। জীৱন দ্ৰুত গতিৰে আগুৱাই যাবলৈ লৈছে। সেই গতি অপ্ৰতিৰোধ্য। সেয়ে 'আজি' বোলা এই কথাষাৰ আমাৰ জীৱনত অত্যন্ত গুৰুত্বপূৰ্ণ। সিয়েই আমাৰ জীৱনৰ একমাত্ৰ নিশ্চিত সম্পদ। আজিৰ এই দিনটো দয়াময় ঈশ্বৰেই সৃজিছে। আনন্দ উৎসৱৰ মাজেদি আমি ইয়াতেই সন্তুষ্ট থকা উচিত। "আজিৰ এই দিনটোৱেই সকলোৰে বাবে একমাত্ৰ সম্পদ। আৰু 'আজি' বোলা এই কথাটো অনন্ত অনাদি। সি নিত্য নতুন। □ □ □

## পূৰ্বে প্ৰকাশিত চিলাপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীসমূহ

| বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|
| ১৯৮৪-৮৫ | ৰিংকু দাস | ডিম্বেশ্বৰ গগৈ |
| ১৯৮৮-৮৯ | ৰিণু দাস | বসন্ত কুমাৰ দলে |
| ১৯৯১-৯২ | দেৱকান্ত দেউৰী | বিষ্ণুৰাম কোঁৱৰ |
| ২০০০-০১ | ইন্দ্ৰকান্ত ভঁৰালী | নন্দেশ্বৰ কছাৰী |
| ২০০১-০২ | ৰত্না সৰকাৰ | বিষ্ণুৰাম কোঁৱৰ |
| ২০০৪-০৫ | ভৱানী পেগু | ড° বসন্ত কুমাৰ দলে |
| ২০০৮-০৯ | চন্দ্ৰপ্ৰভা পেগু | বীণা দেৱী |
| ২০১০-১১ | ঝঙ্কীৰাণী দলে | ড° বেবী মৰাং দলে |
| ২০১১-১২ | জেমছ্ দলে | ড° বসন্ত কুমাৰ দলে |
| ২০১৩-১৪ | দিব্য কুলি | ড° বেবী মৰাং দলে |
| ২০১৪-১৫ | প্ৰাঞ্জল বুঢ়াগোহাঁই | ড° বেবী মৰাং দলে |
| ২০১৫-১৬ | কৃষ্ণ বৰগোহাঁই | প্ৰাঞ্জল দাস |
| ২০১৬-১৭ | মৰমী দিহিঙ্গীয়া | প্ৰাঞ্জল দাস |
| ২০১৭-১৮ | পৰেশ পাইত | প্ৰাঞ্জল দাস |

বিঃদ্ৰঃ— কিছু বছৰৰ আলোচনী প্ৰকাশ কৰিব পৰা নগৈছিল আৰু প্ৰকাশিত কিছু সংখ্যক আলোচনীৰ তথ্য সংগ্ৰহ কৰিব পৰা নগল। তাৰ বাবে আমি দুঃখিত।



# আন্তৰ্জাতিক নাৰী দিৱস আৰু কিছু কথা

**বিনীতা দেৱী**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অসমীয়া বিভাগ

অৱতৰণিকা—

নাৰী আৰু পুৰুষ এই পৃথিৱীত পৰমাত্মাৰ এটি বিশিষ্ট দান বুলিব পাৰোঁ। কিন্তু এই নাৰীকে দুৰ্বল বুলি কিয় কোৱা হয়? সমাজ এখনৰ বিকাশত, দেশ এখনৰ উন্নয়নত যিদৰে পুৰুষ এজনৰ ভূমিকা গুৰুত্বপূৰ্ণ, ঠিক সেইদৰে নাৰীৰ ভূমিকা কোনো পৰিমাণে কম নহয় বুলি ক'লে নাৰী সম্পৰ্কে বৰ বেছি অত্যুক্তি কোৱা নহ'ব। আচলতে এগৰাকী নাৰীয়ে মা, ভগ্নী, আইতা, পত্নী, আদি বিভিন্ন বান্ধোনেৰে সমাজৰ প্ৰত্যেকগৰাকী সফল পুৰুষ বা ব্যক্তিৰ আঁৰত মজবুত খুটা এটাৰ দৰে থিয় হৈ থাকে। কিন্তু এই নাৰীয়েই নিজৰ এটি সামান্য অধিকাৰ পাবৰ বাবে সংঘৰ্ষৰ সন্মুখীন হ'ব লগা হয়।

সি যিয়েই নহওক, সৃজনাত্মক শক্তিৰ মূল গৰাকী হিচাপে নাৰীয়ে কৰা বিভিন্ন ভাল কামসমূহৰ শলাগ কৰি সেই কামসমূহক আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়াৰ নিমিত্তে, নাৰীক কু-সংস্কাৰ, অন্ধ বিশ্বাসৰ পৰা মুক্ত কৰি বিশ্বত নাৰী শক্তিক বিকাশ কৰাৰ উদ্দেশ্য আগত ৰাখি ভাৰত বৰ্ষৰ লগতে সমগ্ৰ বিশ্বজুৰি ইংৰাজী ৮ মাৰ্চ তাৰিখে অতি ধুম-ধামেৰে আৰ্ন্তজাতিক নাৰী দিৱস পালন কৰা পৰিলক্ষিত হয়।

আন্তৰ্জাতিক মহলা দিৱসৰ চমু ইতিহাস—

বিশ্বত সৰ্বপ্ৰথমবাৰৰ বাবে আমেৰিকাৰ ছচিয়েলিষ্ট পাৰ্টীয়ে ১৯০৯ চনৰ, ২৮ ফ্ৰেব্ৰুৱাৰী তাৰিখে মহিলা দিৱস পালন কৰে। ইয়াৰ মূল উদ্দেশ্য আছিল— মহিলাসকলক নিৰ্বাচনত ভোট দিয়াৰ অধিকাৰ সাব্যস্ত কৰা। কাৰণ সেই সময়ত বিশ্বৰ অধিকাংশ দেশতেই মহিলাসকল নিৰ্বাচনত মতদান কৰাৰ অধিকাৰৰ পৰা বঞ্চিত আছিল।

ইয়াৰ পিছতেই এই দিৱসটোৰ মহত্বই আৰু অধিক বিকাশ লাভ কৰে। প্ৰথম মহাসমৰ পিছত ১৯১৭ চনত ৰাছিয়াৰ মহিলাই নিজৰ মৌলিক অধিকাৰ বা প্ৰয়োজনীয়তা পূৰাবৰ বাবে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ জনায়। যাৰ ফলত তাৰ সম্ৰাট "নিকোলাচ" এ নিজৰ পদ ত্যাগ কৰিবলৈ বাধ্য হয়। ইয়াক এটি অতিকৈ গুৰুত্বপূৰ্ণ ঘটনা বুলি গণ্য কৰা হৈছিল আৰু পিছত গৈ ইয়েই আন্তৰ্জাতিক নাৰী দিৱসৰ তাৰিখ নিৰ্ণায়ক হয়। যিটো সময়ত এই ঘটনাৰ বাবে ৰুছ দেশত হৰতাল হৈছিল, সেই সময়ত ৰুছ দেশত জুলিয়ান কেলেণ্ডাৰৰ প্ৰচলন নাছিল আৰু কেলেণ্ডাৰ অনুসৰি সেই দিনতো ফ্ৰেব্ৰুৱাৰী মাহ আছিল। কিন্তু ৰুছ দেশৰ বাহিৰে বিশ্বতে সেই সময়ত গ্ৰেগেৰিয়া কেলেণ্ডাৰৰ প্ৰচলন

আছিল আৰু সেই অনুসৰি সেই দিনটো আছিল ইংৰাজী ৮ মার্চ। যাৰ ফলস্বৰূপে ৮ মার্চৰ দিনাখন সমগ্ৰ বিশ্বতে উলহ-মালহেৰে নাৰী দিৱস পালন কৰা হয় যদিও ইয়াৰ আগতেই ১৯১০ চনত জাৰ্মানীৰ এগৰাকী মহিলা "ক্লাৰা জেটকিনে", ডেনমাৰ্কৰ ৰাজধানীত ইণ্টাৰনেশ্যনেল কনফাৰেন্স এটিও পোন প্ৰথমবাৰৰ বাবে পতাৰ কথা কয়। অৱশ্যে তেওঁ দিন ধাৰ্য কৰা নাছিল।

**নাৰীৰ বাবে নাৰী দিৱসেই কিয় ?**

আন্তৰ্জাতিক নাৰী দিৱস এটি মহৎ আৰু সৎ উদ্দেশ্য আগত ৰাখি আৰম্ভ কৰা হৈছিল। আজি এশতকৈ অধিক বছৰ পাৰ হৈ অহাৰ পাছতো ভাৰতবৰ্ষৰ লগতে আন আন দেশ বা প্ৰান্তৰ নাৰীসকলে নিজৰ অধিকাৰ পাবৰ বাবে সমাজৰ সৈতে, পৰিয়ালৰ সৈতে সংঘৰ্ষ কৰিয়েই আছে। যিদৰে আজিৰপৰা কেইশমান বছৰ আগতেও দেখা গৈছিল। বছৰৰ ৩৬৫ দিনৰ ভিতৰত ৮ মাৰ্চৰ দিনাখন নাৰীৰ বাবে সন্মানসূচক শব্দৰে বিভিন্ন সভা আহ্বান কৰা হয়। নাৰী সবলীকৰণৰ বিষয়ে বিভিন্ন কথা কোৱা হয়। নাৰী সুৰক্ষা, নাৰীৰ পৰিস্থিতি, নাৰীৰ কৰ্ম সংস্থাপন, বিভিন্ন ক্ষেত্ৰত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা নাৰীক বিভিন্ন বঁটা পুৰস্কাৰ আগবঢ়াই আনুষ্ঠানিকভাৱে সন্মান দিয়া ইত্যাদি বিভিন্ন কাৰ্যসূচী কৰা হয়, নাৰী সবলীকৰণৰ বাবে প্ৰতিশ্ৰুতি দিয়া হয়, কিন্তু ই মাথো এদিনৰ বাবেহে। বাকী থকা ৩৬৪ দিন প্ৰত্যেকগৰাকী নাৰীয়ে সন্মুখীন হ'ব লগা হয়— বলাৎকাৰ, অপহৰণ, বাল্য বিবাহ, অনিচ্ছাকৃতভাৱে বিবাহ ইত্যাদি নানা কুসংস্কাৰৰ সন্মুখীন হ'ব লগা হয়। গতিকে আমি আচলতে কোনখন সমাজত বসবাস কৰি আছোঁ এই বিষয়ে নিজকে প্ৰশ্ন কৰিব লগা হয়। একবিংশ শতিকা বিজ্ঞানৰ যুগ বুলি মুখেৰে অতি সহজে কৈ পেলাওঁ যদিও আমাৰ মানসিকতাবোৰ কিয় আজিও গোড়ামীৰ বশৱৰ্তী হৈ আছে? আচলতে নাৰীৰ বাবে কেৱল নাৰী দিৱস নহয়। বছৰৰ প্ৰত্যেকটো দিন সুৰক্ষা আৰু কু-সংস্কাৰেৰে মুক্ত হ'লেহে প্ৰকৃততে আমাৰ সমাজ-দেশৰ সৰ্বাংগীন উন্নয়ন হোৱাটো আশা কৰিব পাৰি।

**ভাৰতীয় নাৰী আৰু কিছু কথা—**


ভাৰতবৰ্ষ এখন পিতৃ প্ৰধান দেশ যদিও ইয়াত অতীজৰ পৰা নাৰীক এগৰাকী দেৱীৰূপে পূজা কৰা আমাৰ মহাকাব্য বা পুৰাণবোৰত লগতে ইতিহাসৰ পাতবোৰতো পঢ়িবলৈ পাওঁ। কোনো কোনো ক্ষেত্ৰত ই ব্যতিক্ৰম নহয়। কিন্তু সময়ত মানুহবোৰে সেই পূজনীয় নাৰীক পাহৰি শাৰীৰিক, মানসিক ইত্যাদি নিৰ্যাতন কৰিবলৈ কিয় আৰম্ভ কৰে? যাৰ বশৱৰ্তী হৈয়ে আজিও আমাৰ দেশৰ নাৰী এগৰাকী পুৰুষৰ সমানে সমানে কথা কোৱা, পুৰুষৰ সৈতে খোজ মিলাই আগবঢ়া বা শিক্ষাৰ ক্ষেত্ৰতো পিছ পৰিব লগা হৈছে।

ভাৰতবৰ্ষৰ লগতে বিশ্বৰ আন আন দেশসমূহতো নাৰীক শক্তিশালী কৰাৰ উদ্দেশ্যে শিক্ষাক বিশেষভাৱে প্ৰাধান্য দিছে যদিও পুৰুষৰ তুলনাত আজিও মহিলাৰ শিক্ষিতাৰ হাৰ অতি তাকৰ। UNESCO ৰ এটি প্ৰতিবেদনৰ মতে সমগ্ৰ বিশ্বত শিক্ষিত মহিলাৰ হাৰ ৮৭ শতাংশ। ২০১১ চনৰ ভাৰতৰ লোকপিয়ল অনুসৰি বিশ্বৰ শিক্ষিত নাৰীৰ তুলনাত ভাৰতৰ শিক্ষিত নাৰীৰ সংখ্যা অতি তাকৰ। ঠিক সেইদৰে বেতনৰ ক্ষেত্ৰতো মহিলাসকল পুৰুষৰ তুলনাত আজিও ২৫ শতাংশ পিছপৰা। এইদৰে আন বহু ক্ষেত্ৰত আমাৰ নাৰীসকল পুৰুষতকৈ বহুতো পিছপৰা। কিন্তু আমাৰ দেশৰ সকলো নাৰীয়ে জানো বৈষম্যতাৰ পৰা মুক্ত হ'ব পাৰিছে? বিশেষকৈ গ্ৰামাঞ্চলৰ নাৰী। গতিকে আমাৰ দেশৰ প্ৰতিগৰাকী নাৰীয়ে যাতে অপৰাধজনিত কামসমূহৰপৰা সুৰক্ষা লাভ কৰি মুক্ত চিন্তা ধাৰণাৰে মুক্ত জীৱন জীয়াই থকাৰ সুবিধা লাভ কৰক। কাৰণ NCRB ৰ এটি প্ৰতিবেদন মতে ২০১৬ বৰ্ষত দেশজুৰি প্ৰতি ১৫ মিনিটত বলাৎকাৰ, ৬০ মিনিটৰ ভিতৰত ১০ গৰাকী মহিলাক বল পূৰ্বকভাৱে হাৰাশাস্তি দিয়া, প্ৰতি এক ঘণ্টাত ৭ গৰাকী মহিলাক অপহৰণ কৰাৰ (য'ত বেছিভাগেই অনিচ্ছাকৃতভাৱে বিবাহ কৰাৰ বিৰোধী আছিল) কথা প্ৰকাশ পাইছে।

যদিও ভাৰতবৰ্ষৰ বৰ্তমান কেন্দ্ৰীয় শাসিত চৰকাৰখনে কন্যা (অদূৰ ভৱিষ্যতে নাৰী) সন্তানৰ শিক্ষাৰ প্ৰতি বিশেষ গুৰুত্ব দি "বেটী বচাওঁ বেটী পঢ়াওঁ" আঁচনি গ্ৰহণ কৰিছে। তথাপিও ইয়েই সম্পূৰ্ণ নহয়। নাৰীৰ বিকাশৰ বাবে প্ৰথমতে নাৰী সম্পৰ্কীয় ধাৰণাক পৰিৱৰ্তন কৰাৰ প্ৰয়োজনীতা আছে।

**উপসংহাৰ—**

আমাৰ দেশ বা বিশ্বৰ প্ৰতিগৰাকী নাৰীয়ে জানো নিজৰ ন্যাৰ্যতা লাভ কৰি সন্মান পাবলৈ সক্ষম হৈছে? আজিও আমাৰ দেশৰ বা বিশ্বৰ বহুতো নাৰীয়ে সুষম আহাৰ, বিশুদ্ধ খোৱা পানী, উপযুক্ত সাজপাৰ, চিকিৎসাৰ অসুবিধা, শিক্ষাৰ সমস্যাৰে জৰ্জৰিত হৈ আছে। গাঁৱে-ভূঞে বিভিন্ন কু-সংস্কাৰ যেনে— যৌতুক প্ৰথা ইত্যাদিৰে জৰ্জৰিত হৈ আত্মহত্য কৰা নাৰী, সম পৰিশ্ৰমৰ বাবে সম মজুৰি নোপোৱা, গৰ্ভৱতী অৱস্থতো চিকিৎসালয়ত চিকিৎসকৰ মুখ নেদেখা আদি এশ-এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত হৈ আছে। নাৰী দিৱসে এতিয়াও পূৰ্ণতা পোৱা নাই। গতিকে নাৰীসকলৰ বাবে উদ্‌যাপিত এই দিৱসে প্ৰকৃত ন্যাৰ্যতা লাভ কৰক। দেশ অৰগুৱাই যাওক। শেষত বিশ্বৰ সকলো মহিয়সী ত্যাগী নাৰীক মোৰ প্ৰণাম। □ □ □




# এক বিংশ শতিকাত প্ৰযুক্তিবিদ্যা

ইশা দেউৰী
পঞ্চম যান্মাসিক, সমাজতত্ত্ব বিভাগ

যিকোনো এটা কাম কৰিবলৈ মানুহে যি কৌশল প্ৰয়োগ কৰে, সিয়ে হৈছে প্ৰযুক্তিবিদ্যা। মানুহে নিজৰ প্ৰয়োজনীয়তা পূৰণ, অভাৱৰ সন্তুষ্টি, সমস্যাৰ সমাধান বা সম্পদসমূহক একত্ৰিত কৰি কেনেদৰে নিজৰ আকাংক্ষিত দ্ৰব্যক উৎপাদন কৰিব পাৰি, তাৰ জ্ঞানৰ অৱস্থাকে প্ৰযুক্তিবিদ্যা বোলে। সেয়েহে প্ৰযুক্তিবিদ্যাৰ অবধাৰণাত অন্তৰ্ভুক্ত হৈ থাকে কাৰিকৰী পদ্ধতি, দক্ষতা, প্ৰক্ৰিয়া, কৌশল আহিলা আৰু কেঁচা সম্পদ আদি।

বিভিন্ন সমাজতত্ত্ববিদে প্ৰযুক্তিবিদ্যাৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে—

আমেৰিকাৰ সমাজতত্ত্ববিদ ৰিড় বেহন্‌ৰ মতে, "*Technology includes all tools, machines, utensils weapons, instrument housing, clothing, communicating and transporting devices and the skills by which we produce and use them.*"

আকৌ আৰচুনা ফ্ৰেংকলিনৰ মতে "*Technology is practice, the way we do things around here.*"

বহল অৰ্থত প্ৰযুক্তিবিদ্যাক মানৱ সমাজে কিছুমান মূল্য লাভৰ বাবে শাৰিৰীক তথা মানসিকভাৱে কৰা প্ৰচেষ্টাৰে প্ৰস্তুত কৰা সত্ত্বা হিচাপে গণ্য কৰিব পাৰি। যি বিলাক সত্ত্বাত অন্তৰ্ভুক্ত হৈ থাকে ভৌতিক আৰু অভৌতিক বস্তু বিশেষ। এনেদৰে গণ্য কৰিলে প্ৰযুক্তিবিদ্যাক বাস্তৱ পৃথিৱীৰ সমস্যা সমাধান কৰিবলৈ ব্যৱহাৰ কৰা যন্ত্ৰপাতি আৰু আহিলা হিচাপে গণ্য কৰা হয়। বাস্তৱ প্ৰযুক্তিবিদ্যা হিচাপে Computer Software আৰু ব্যৱসায়িক পদ্ধতিবোৰকো এই প্ৰযুক্তিবিদ্যাৰ সংজ্ঞাত সামৰি লোৱা হৈছে।

প্ৰযুক্তিবিদ্যা হ'ল এক সাংস্কৃতিক শক্তি। প্ৰযুক্তিবিদ্যাই সংস্কৃতিৰ পৰিবৰ্তন বা সংস্কৃতি গঠনৰ কাৰ্য কৰিব পাৰে। অনহাতে, আমি শিকা বিজ্ঞান বা কলা শাখাৰ বিভিন্ন ক্ষেত্ৰত যোগাযোগ মাধ্যম হিচাপে প্ৰযুক্তিবিদ্যাৰ উন্নতিয়ে বিশ্বৰ মানৱ সমাজৰ মাজত যোগসূত্ৰ বা যোগাযোগ ব্যৱস্থাৰ বাধা হ্ৰাস কৰি সমগ্ৰ বিশ্বৰ লোকৰ লগত আন্তঃসমন্ধ স্থাপনৰ সুবিধা প্ৰদান কৰিছে। ফলস্বৰূপে এখন সমাজৰ সংস্কৃতি অন্য এখন সমাজৰ সংস্কৃতিৰ অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হৈছে।

প্ৰযুক্তিয়ে মানুহৰ সম্পৰ্কৰ ক্ষেত্ৰত প্ৰভাৱ পেলাইছে। সমাজ যিহেতু সামাজিক সম্পৰ্কৰ জাল গাঁঠনি, সেয়ে এই

সম্পৰ্কৰ গাঁঠনিত গভীৰ প্ৰভাৱ পেলোৱা প্ৰযুক্তি তথা প্ৰযুক্তিবিদ্যা সম্পৰ্কে সমাজতাত্ত্বিক দিশ অধ্যয়ন কৰাৰ প্ৰয়োজন আছে।

ভাৰতীয় সমাজত প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ যথেষ্ট ধৰণেৰে পৰিছিল। বৰ্তমান সময়ত ব্যক্তিগত বা সামাজিক জীৱনত প্ৰযুক্তিবিদ্যাৰ অৱদান সমাজৰ বাবে এক এৰাব নোৱাৰা অংগ হৈ পৰিছে। ইয়াৰ অবদানসমূহ গ্ৰহণ নকৰাকৈ আধুনিক যুগত কোনো মানুহে আঁতৰি থাকিব নোৱাৰে। কেৱল মাত্ৰ বৰ্তমান যুগত প্ৰযুক্তিবিদ্যাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা নাই বৰঞ্চ মানৱ ইতিহাসত প্ৰযুক্তিবিদ্যাই নিজস্ব ভূমিকা অতীতৰ পৰাই বাহাল ৰাখি আহিছে। যাযাবৰী অঘৰী জীৱনৰ অবসান ঘটাই স্থায়ী কৃষি পদ্ধতিৰ আবিষ্কাৰৰ জড়িয়তে স্থায়ী বসবাসৰ আৰম্ভণিৰ জন্মলগ্নতো প্ৰযুক্তিবিদ্যাৰ অৱদান আছে। আদিম বৰ্বৰ সমাজত ভৰণ পোষণ অৰ্থনীতিৰ পৰা আহি কৃষিভিত্তিক অৰ্থনীতিলৈ হোৱা পৰিৱৰ্তনৰ মূলতে কৃষিভিত্তিক প্ৰযুক্তিবিদ্যাৰ অৱদান আছে। আদিম বৰ্বৰ সমাজত ভৰণ পোষণ অৰ্থনীতিৰ পৰা আহি কৃষিভিত্তিক অৰ্থনীতিলৈ হোৱা পৰিৱৰ্তনৰ মূলতে প্ৰযুক্তিবিদ্যা বুলি ক'ব পাৰি। তেতিয়াৰে পৰা মানৱ সমাজত প্ৰযুক্তিবিদ্যাই বিভিন্ন ধৰণে পৰিবৰ্তন কঢ়িয়াই আনিছে। প্ৰযুক্তিবিদ্যাৰ বিপ্লৱে যোৱা কেইবাদশক ধৰি সামাজিক পৰিৱৰ্তন অনাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই পৰিৱৰ্তনসমূহে সমাজ গঠনৰ মূল সংস্থা, যেনে— পৰিয়াল, বিবাহ, ধৰ্ম, অৰ্থনীতি, ৰাজনীতি, শিক্ষা আদিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। প্ৰযুক্তিবিদ্যাৰ এই প্ৰভাৱসমূহ সময়ে সময়ে ইতিবাচক আৰু নেতিবাচক এই দুয়োটা দিশতে বিশ্লেষণ কৰিব পাৰি।

**পৰিয়ালৰ ওপৰত প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ ঃ** পৰিয়াল যিকোনো সমাজৰে মূল সামাজিক সংস্থা। সমাজৰ মূল সামাজিক সংস্থাৰ ওপৰত প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱে পৰিয়াল ব্যৱস্থাৰ সংৰচনাত্মক দিশত বা পৰিয়াল গাঁথনিলৈ পৰিবৰ্তন আনিছে। প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলতেই বিভিন্ন উদ্যোগ, কল কাৰখানা, নগৰ, চহৰ গঢ় লৈ উঠা দিশটোৰ বিষয়ে ইতিপূৰ্বে আলোচনা কৰা হৈছে। গতিকে সমাজৰ ব্যক্তিয়ে ব্যক্তিগত আত্মসংস্থাপন আৰু জীৱন নিৰ্বাহৰ বাবে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ প্ৰব্ৰজন কৰিব পৰা হ'ল। যাৰ বাবে ভাৰতীয় সমাজত পৰম্পৰাগতভাৱে প্ৰৱৰ্তিত হৈ থকা যুটীয়া পৰিয়াল পদ্ধতিত পৰিবৰ্তন আহিছে। সাম্প্ৰতিক সময়ত সেয়েহে একক পৰিয়ালক অধিক গুৰুত্ব আৰোপ কৰিছে। আধুনিক শিক্ষাৰ সম্প্ৰসাৰণ, কাৰিকৰী আৰু সাধাৰণ জ্ঞান অৰ্জনৰ সুবিধাৰে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা উদ্যোগ, কল কাৰখানাত পুৰুষ নাৰী উভয়ে আত্ম সংস্থাপনৰ সুবিধা পোৱাত সমাজত যুটীয়া পৰিয়ালবিলাকৰ বিঘটন ঘটি একক পৰিয়ালৰ সৃষ্টি হৈছে। এনে ক্ষেত্ৰত উৎপাদন, প্ৰতিপালন আদিৰ দিশত বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। অৰ্থাৎ প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱৰ ফলস্বৰূপেই মানৱ সমাজৰ পৰিয়াল পদ্ধতিৰ পৰিৰ্বতনৰ সূচনা হৈছে।

**অৰ্থনীতিৰ ওপৰত প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ ঃ** সমাজ জীৱনৰ প্ৰায়বোৰ দিশতে প্ৰযুক্তিবিদ্যাই প্ৰভাৱ পেলাইছে। পৰিয়াল ব্যৱস্থাত যি দৰে প্ৰযুক্তিবিদ্যাই প্ৰভাৱ বিস্তাৰ কৰিছে, একেদৰে অৰ্থনীতিৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছে। সময়ৰ লগে লগে সমাজৰ অৰ্থনীতি নিশ্চতভাৱে পৰিবৰ্তন হোৱাটো পৰিলক্ষিত হৈছে। কৃষিভিত্তিক অৰ্থনীতিয়ে বৰ্তমান উদ্যোগ ভিত্তিক অৰ্থনীতিলৈ ৰূপান্তৰ হোৱাৰ বাস্তৱতাক অস্বীকাৰ কৰিব পৰা নাযায়। আকৌ এটা সময়ত বনজ সম্পদৰ লগতে খনিজ সম্পদৰ ওপৰত ভিত্তি কৰি অৰ্থনীতি গঢ় লৈ উঠিছিল। কিন্তু পৰৱৰ্তী সময়ত সকলোতে পৰিবৰ্তন আহিছে। ইয়াৰ অন্যতম কাৰণ হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা। প্ৰধানতঃ কৃষি উৎপাদন ব্যৱস্থাত ব্যৱহাৰ কৰা প্ৰযুক্তিবিদ্যাৰ উত্তৰণে এই ক্ষেত্ৰসমূহলৈ নতুনত্ব আৰু অভিনৱত্ব আনিছে। এতিয়া প্ৰযুক্তিবিদ্যাই সকলো স্তৰতে নতুন উদ্ভাৱনৰ জড়িয়তে নতুন উদ্যোগৰ পথ মুকলি কৰে। মানুহৰ ৰুচিবোধৰ পৰিবৰ্তনৰ ফলস্বৰূপে পুঁজিপতিসকলে দৈনন্দিন জীৱনত প্ৰয়োজনীয় বিভিন্ন নতুন সামগ্ৰী উৎপাদনৰ বাবে উদ্যোগ স্থাপন কৰে। উদ্যোগ স্থাপনৰ লগে লগে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবৰ বাবে নতুন বজাৰৰ সৃষ্টি কৰা হয়। আকৌ উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ বাবে বিভিন্ন জনগোষ্ঠীৰ থলুৱা সামগ্ৰীসমূহকো নতুন ৰূপত বজাৰত মুকলি কৰি দিয়ে। তদুপৰি এসময়ত যিবোৰ সামগ্ৰী বিক্ৰী হোৱা নাছিল, সেইবোৰ সামগ্ৰীও বজাৰত জনপ্ৰিয় হৈ পৰে। এইদৰে প্ৰযুক্তিবিদ্যাই মানুহৰ জীৱন শৈলীত তথা জীৱন-যাপন সৰল কৰে।


**ৰাজনীতিৰ ওপৰত প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ ঃ** ৰাজনীতি সমাজৰ এটা গুৰুত্বপূৰ্ণ সংস্থা। এই সংস্থাটোৰ ওপৰতো প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ পৰিছে। ৰাজনৈতিক সংস্কৃতিৰ পৰিবৰ্তনে দেশ পৰিচালনাৰ কৌশলবিলাকলৈও নতুনত্ব আনিছে আৰু ৰাজনৈতিক ব্যৱস্থাটোত জড়িত হোৱা আচৰণ বিলাকতো পৰিবৰ্তন হৈছে। চমুকৈ লক্ষ্য কৰিলে দেখা যায়, ৰাজনৈতিক গতিশীলতা আৰু ৰাজনৈতিক আধুনিকতাৰ বাবে বহু ক্ষেত্ৰত আধুনিক শিক্ষাৰ লগতে প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱো উল্লেখনীয়। প্ৰযুক্তিবিদ্যাই নতুন উদ্ভাৱনৰ জৰিয়তে যিবোৰ গণমাধ্যমৰ সৃষ্টি কৰিছে, এই মাধ্যমবোৰে দেশৰ সকলো শ্ৰেণীৰ লোককে ৰাজনৈতিকভাৱে সচেতন কৰিছে। এতিয়া টি.ভি. বা ইণ্টাৰনেট সেৱা পৃথিৱীৰ সকলো ঠাইলৈকে প্ৰসাৰিত হৈছে আৰু এনেধৰণৰ গণমাধ্যমবোৰে মানুহৰ ৰাজনৈতিক চেতনা বৃদ্ধি কৰে।


ৰাজনৈতিক সংস্কৃতিত ভোটদান কৰা ব্যৱস্থাটোৰো সলনি কৰিছে। উদাহৰণস্বৰূপে, বৰ্তমান সৰ্বত্ৰে নিৰ্বাচনত ভোটদান কৰিবৰ বাবে ইলেক্ট্ৰনিক ভোটিং মেচিন ব্যৱহাৰ কৰিছে। তদুপৰি নিৰ্বাচনৰ প্ৰচাৰ আৰু অনান্য দিশবিলাকতো প্ৰযুক্তিবিদ্যাই প্ৰভাব বিস্তাৰ কৰে। প্ৰযুক্তিবিদ্যাই সমগ্ৰ বিশ্বখনকে বিশ্বায়নৰ জৰিয়তে একত্ৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ৰাজনৈতিকভাবে একত্ৰিত কৰি ৰাষ্ট্ৰবোৰৰ সাৰ্বভৌমত্ব তথা চাৰিসীমা নাইকিয়া কৰিছে। প্ৰযুক্তিবিদ্যাৰ উদ্ভাবন গণমাধ্যমে সমগ্ৰ বিশ্বৰ ৰাজনৈতিক খবৰ সৰ্বত্ৰে মাথো কেইটামান মিনিটৰ ভিতৰতে প্ৰচাৰ কৰিছে। সেয়ে সকলো দেশতে ৰাজনৈতিক পৰিস্থিতি প্ৰসংগত নতুন বাতাবৰণে গা কৰি উঠিছে।

**ভাৰতীয় সমাজৰ শিক্ষা ব্যৱস্থাত প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ ঃ** প্ৰযুক্তিবিদ্যা আৰু শিক্ষা সংস্থাৰ মাজত ওতঃপ্ৰোত সমন্ধ আছে। প্ৰযুক্তিৰ বিকাশ বা অগ্ৰগতিত যেনেদৰে শিক্ষাই সহায় কৰে, ঠিক সেইদৰে প্ৰযুক্তিবিদ্যাইও শিক্ষাৰ সম্প্ৰসাৰণ আৰু বিকাশত সহায় কৰে। প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত ভাৰতৰ শিক্ষা ব্যৱস্থা গোলকীকৰণত পৰিণত হোৱাত সহায় কৰিছে। বৰ্তমান সময়ত শিক্ষাক ব্যক্তিগতকৰণ, বাণিজ্যিকীকৰণ আৰু উদাৰীকৰণ প্ৰক্ৰিয়াত প্ৰযুক্তিবিদ্যাৰ উত্তৰণে সহায় কৰিছে। বৰ্তমান ভাৰতৰ শিক্ষা ব্যৱস্থাৰ স্থিতি সম্পৰ্কে বিশ্লেষণ কৰিলে এই তিনিওটা প্ৰক্ৰিয়াৰ প্ৰভাব পৰিলক্ষিত হয়।

বৰ্তমান সময়ত ভাৰতীয় সমাজত শিক্ষাৰ বাণিজ্যিকীকৰণ প্ৰক্ৰিয়া অব্যাহত আছে। ইয়াত উন্নত প্ৰযুক্তিগত আৰু মানসম্পন্ন শিক্ষাৰ প্ৰৱেশ ঘটিছে আৰু প্ৰতিযোগিতা অব্যাহত আছে। প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত বৃত্তিমুখী শিক্ষাক অধিক প্ৰাধান্য দিয়াৰ বাবে অন্যান্য শাখাসমূহৰ সাধাৰণ পাঠ্যক্ৰমত পৰম্পৰাগত পদ্ধতিৰ শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ নিম্নগামী হ'ব ধৰিছে। প্ৰযুক্তিবিদ্যাৰ উত্তৰণে বিশ্বৰ অন্যান্য দেশৰ লগত যোগাযোগ প্ৰযুক্তিৰ দ্বাৰা সংযোগ স্থাপন কৰি বহিঃৰাষ্ট্ৰৰ শিক্ষাকো আহৰণৰ সুযোগ সুবিধা গ্ৰহণ কৰিবলৈ সমথাৱান হৈ উঠিছে। ফলত ভাৰতীয় সমাজত নতুন প্ৰজন্মৰ মাজত অবাধে "ব্ৰেইন ড্ৰেইনত" পৰিণত কৰি বহিঃ ৰাষ্ট্ৰলৈ গমন কৰিছে। প্ৰযুক্তিবিদ্যাৰ প্ৰগতিয়েহে সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থা তথা কৰ্ম সংস্থাপনত এনে ধৰণৰ অৱস্থাৰ সৃষ্টি কৰিছে।

প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱে শিক্ষা ব্যৱস্থাত উদাৰীকৰণ প্ৰক্ৰিয়াৰ উদ্ভৱ ঘটাইছে। উদাৰীকৰণৰ অৰ্থ হ'ল চৰকাৰৰ নিয়ন্ত্ৰণ আৰু বাধা নিষেধৰ পৰা মুক্তকৰণ। ভাৰতৰ ক্ষেত্ৰত শিক্ষাৰ দিশত এনে উদাৰীকৰণ নীতিৰ বাবে শিক্ষা ব্যক্তিগতকৰণ ঘটিছে। প্ৰযুক্তিবিদ্যাই বিশ্বৰ অন্যান্য দেশৰ শিক্ষা ব্যৱস্থা, ইয়াৰ সুবিধা আদিৰ সন্দৰ্ভত যি জ্ঞান আহৰণ কৰিবলৈ সুযোগ আৰু সুবিধা প্ৰদান কৰিছে, তাৰ ফলত ভাৰতবৰ্ষৰ পৰম্পৰাগত বিষয়সমূহ, যেনে — ইতিহাস, সংস্কৃতি, দৰ্শন আদিৰ নিচিনা মূল্যবোধ বিষয়সমূহক সমাজে গুৰুত্ব আৰোপ নকৰি বৃত্তিমুখী শিক্ষাত, কাৰিকৰী শিক্ষাত অধিক গুৰুত্ব আৰোপ কৰাৰ বাবে শিক্ষাৰ ক্ষেত্ৰত এক প্ৰবল প্ৰত্যাহ্বান আহি পৰিছে। মুঠৰ ওপৰত প্ৰযুক্তিবিদ্যাৰ প্ৰভাব সকলোতে পৰিছে। □ □ □






# ইতিবাচক চিন্তাৰ ফচল ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়

**প্ৰাঞ্জল দাস**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

সময় আৰু সুযোগ পালে সৰু সৰু ল'ৰাবোৰক লগ পাবলৈ বিদ্যালয়বোৰলৈ গৈ ভাল পাওঁ। নিষ্পাপ শিশুৰ মুখবোৰে মনটো পোহৰাই তোলে। বৰ্তমান মই মহাবিদ্যালয়ৰ শিক্ষক যদিও প্ৰাথমিক বিদ্যালয়ৰ প্ৰতি এটা বিশেষ দুৰ্বলতা অনুভৱ কৰোঁ। যাৰ বাবে সুযোগ সন্ধানী শৰীৰটোৱে সুৰুঙা পালেই দৌৰ মাৰে বিদ্যালয়ৰ মাজলৈ। যোৱা ৫ অক্টোবৰ, ২০১৭ তাৰিখে পুনৰ সেই সুযোগটো পাইছিলোঁ। সেইদিনা লক্ষ্মীপূজা উপলক্ষে আমাৰ মহাবিদ্যালয় বন্ধ আছিল। কিন্তু, খোলা আছিল বিদ্যালয়বোৰ। এনে সুযোগ সাধাৰণতে পোৱা নাযায়। গতিকে এনে সুবৰ্ণ সুযোগ এৰাৰ প্ৰশ্নই নুঠে।

সেইদিনা আমাৰ উদ্দেশ্য আছিল মোৰ "ৰুমমেট" দিব্যজ্যোতি ফুকন ছাৰে শিক্ষকতা কৰা ১ নং মানিকপুৰ প্ৰাথমিক বিদ্যালয়লৈ যোৱাৰ। সৌভাগ্যক্ৰমে দিব্যজ্যোতি ছাৰৰ শিৰোনামত উল্লেখ কৰা বিদ্যালয়খনত বিশেষ কাম থকাৰ বাবে ময়ো বিদ্যালয়খনত সোমোৱাৰ সুযোগ পালোঁ। হয়, শিৰোনামত উল্লেখ কৰা ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ত সোমাবলৈ সুযোগ পোৱাৰ কথাই কোৱা হৈছে।

ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয় ধেমাজি জিলাৰ আগশাৰীৰ বিদ্যালয়বোৰৰ ভিতৰত এখন। বিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিছিল ১৯৭৫ চনত। বিদ্যালয়খনৰ বৰ্তমানৰ প্ৰধান শিক্ষক শ্ৰীযুত গোপাল চন্দ্ৰ দেৱ। চিলাপথাৰ টাউনৰপৰা প্ৰায় ৭ কি. মি. নিলগত অৱস্থিত বিদ্যালয়খনলৈ প্ৰথম গৈয়েই যি দেখিছিলোঁ, সেয়া সঁচায়ে প্ৰশংসনীয় আৰু বিদ্যালয়খনৰ বাবে গৌৰৱৰ বিষয়। বিদ্যালয়খনৰ পৰিৱেশ দেখি মোৰ বিদ্যালয়খনৰ প্ৰতিজন শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শুভ-ইচ্ছাৰে মন পূৰ্ণ হৈ পৰিছিল।

**বিদ্যালয়খনৰ প্ৰথম ছবি ঃ স্বচ্ছতাই সেৱা**





অতি শেহতীয়াকৈ সমগ্ৰ ভাৰতবৰ্ষতে স্বচ্ছতাই বিশেষ গুৰুত্ব লাভ কৰিছে। সম্প্ৰতি সমগ্ৰ ভাৰতৰে বিদ্যালয়, মহাবিদ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী সংস্থা আদি সকলোৱে এইক্ষেত্ৰত সঁহাৰি আগবঢ়াইছে। আমাৰ চিলাপথাৰ মহাবিদ্যালয়তো সম্প্ৰতি এনে ছাত্ৰ-ছাত্ৰীও দেখিছোঁ, যি চকলেট নতুবা কুৰকুৰী জাতীয় পলিথিনযুক্ত কোনো খোৱা বস্তু খাই পলিথিনৰ পেকেটতো পকেটত নতুবা বেগত ভৰাই ৰখাৰ অভ্যাস কৰিছে। এয়া আমাৰ দেশখনৰ বাবে নিশ্চয়কৈ ভাল খবৰ। অৱশ্যে, মহাবিদ্যালয়ৰ বেৰত পাণ, ঘোটকা, তিৰঙ্গা খাই পিকোৱা ল'ৰাও নথকা নহয়। এইক্ষেত্ৰত ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰিৱেশ খুব ভাল দেখিলোঁ। ভাল মানে যথেষ্ট পৰিস্কাৰ। বিদ্যালয়খনত সোমায়ে দেখা প্ৰথম দৃশ্যটো আছিল, দুজন ছাত্ৰই এজন শিক্ষকৰ সৈতে একেলগ হৈ বিদ্যালয় গেটৰ সমুখৰ ঠাইখিনি পৰিস্কাৰ কৰি থকা দৃশ্য। পৰৱৰ্তী সময়ত


বিদ্যালয়ৰ চৌহদত সোমাই ক'তো এখিলাও মৰ্টনৰ বাকলি নেদেখাতো সঁচাই ভাল লগাৰে কথা। বাৰান্দাৰ সমুখত থকা গছ পুলিবোৰ দেখি ভাল লাগিল। লহ্-পহকৈ বাঢ়ি অহা প্ৰতিটো গছ পুলিতে আছে দুটাকৈ বেৰা। এটা পুৰণা বেৰা আৰু আনটো নতুন। পুৰণা বেৰাবোৰৰ আয়ুস নিশ্চয়কৈ আৰু তিনি, চাৰি মাহ আছিল চাগে। কিন্তু সেই পুৰণা বেৰাবোৰ অধিক পুৰণা হোৱালৈ বাট নাচাই  পুৰণা বেৰাবোৰৰ কাষে কাষে নতুনকৈ আহল-বহল নতুন বেৰা দি দিছে। বিদ্যালয়ৰ এজন শিক্ষকৰ ভাষাত পুলিবোৰ ৰুইছো যেতিয়া প্ৰতিজোপাই ডাঙৰ হ'বই লাগিব। মোৰ বিশ্বাস শিক্ষকজনৰ কথা এশ শতাংশই কাৰ্যক্ষেত্ৰত ৰূপায়িত হ'ব।

**বিদ্যালয়খনৰ দ্বিতীয় ছবি ঃ সততাৰ বাকচ**




বিদ্যালয়খনৰ চৌপাশ চাই থকাৰ সময়তে শিক্ষক-কৰ্মচাৰীৰ কাৰ্যালয়ৰ বাৰান্দাত খুব সুন্দৰকৈ ওলোমাই ৰখা এটা বাকচ দেখি আমাৰ চকু থৰ হৈ ৰৈছিল। বাকচটোত ডাঙৰ ডাঙৰ আখৰেৰে লিখা আছিল "সততাৰ বাকচ"। বাকচটোত সোমাই আছিল কেইটুকুৰামান কাঠ পেঞ্চিলৰ টুকুৰা, দুপদমান জ্যামিতিৰ সা-সামগ্ৰী। আমি বাকচটোৰ বিষয়ে জানিব বিচৰাত প্ৰধান শিক্ষকজনে আমাক কৈছিল-"এই বাকচটোৰ উদ্দেশ্য হৈছে, ছাত্ৰ-ছাত্ৰীক মূল্যবোধৰ শিক্ষা প্ৰদান কৰা। ছাত্ৰ-ছাত্ৰীয়ে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰাৰ লগে লগে গুণগত দিশটো যাতে আগবাঢ়ি যায়, তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই বাকচটো ৰখাৰ ব্যৱস্থা কৰা হৈছে। সততাৰ বাকচৰ বাবেই বিদ্যাখনৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰী মূল্যবোধৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া" বুলি তেওঁ গৌৰৱেৰে কয়। বিদ্যালয়ৰ চৌহদত যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে কলম, পেঞ্চিল, কিতাপ নতুবা অন্যান্য সামগ্ৰী হেৰাই পাই, তেন্তে সেই সামগ্ৰীসমূহ সততাৰ বাকচত থৈ যায়। পৰৱৰ্তী সময়ত যাৰ সামগ্ৰী হেৰাইছিল, তেওঁ আহি শিক্ষকক সুধি শিক্ষকৰ সমুখত নিজৰ সামগ্ৰীবিধ লৈ যায়। বহু সময়ত আমি শিক্ষকক হকে বিহকে বহুতে বহুধৰণে কটু সমালোচনা কৰিলেও, কিছুসংখ্যক শিক্ষকে গঠনমূলক কাম কিছুমানেৰে শিক্ষা ব্যৱস্থাটোক ন-ৰূপত গঢ়াৰ যি আন্তৰিক প্ৰচেষ্টা তাক আমি শলাগ ল'বই লাগিব।

**বিদ্যালয়খনৰ তৃতীয় ছবি ঃ পৰামৰ্শ বাকচ**




ভাল কাম কৰিবলৈ যে ইতিবাচক মন, আন্তৰিকতা আৰু বিশ্বাসৰ প্ৰয়োজন, তাৰেই যেন প্ৰমাণ "পৰামৰ্শ বাকচ"। পৰামৰ্শ বাকচৰ মূল উদ্দেশ্যই হৈছে বিদ্যালয়খনৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ বাবে বিজ্ঞজনৰ পৰামৰ্শ। উল্লেখ্য যে, ইয়াৰ পূৰ্বে আমি বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, অনুষ্ঠান, প্ৰতিষ্ঠানত অভিযোগ বাকচ দেখিছোঁ। কিন্তু, পৰামৰ্শ বাকচ দেখা এয়াই প্ৰথম অভিজ্ঞতা। পৰামৰ্শ বাকচ সন্দৰ্ভত বিদ্যালয়খনৰ প্ৰধান শিক্ষকজনৰ মতামত এনেধৰণৰ-"আমি যিহেতু বিদ্যালয়খনৰ সৰ্বতো প্ৰকাৰৰ উন্নতিৰ বাবে কাম কৰিছোঁ। আমাৰ এই পথত পবিত্ৰ। গতিকে আমাৰ বিশ্বাস যে আমাৰ কামৰ প্ৰতি ৰাইজৰ বিশেষ অভিযোগ থাকিব নোৱাৰে। পৰামৰ্শ নিশ্চয়কৈ থাকিব। গতিকে, আমি অভিযোগ বাকচৰ সলনি পৰামৰ্শ বাকচ ৰাখিছোঁ। আমাৰ বিশ্বাস ৰাইজৰ সু-পৰামৰ্শই আমাক কৃতজ্ঞ কৰিব আৰু

বিদ্যালয়খনৰ উন্নতিত নতুন নতুন পথৰ পথৰ সন্ধান দিব।" প্ৰধান শিক্ষকজনৰ এনে দৃষ্টিভংগী সঁচাই প্ৰশংসনীয় আৰু আদৰণীয়।


**বিদ্যালয়খনৰ চতুৰ্থ ছবি ঃ দান পাত্ৰ**




বিদ্যালয়খনত প্ৰবেশ কৰি আমি বিদ্যালয়খনৰ আন্তঃগাঁথনি দেখি কিছু পৰিমাণে চিন্তিতই হৈছিলোঁ। অসমৰ বহু বিদ্যালয়ত এতিয়াও শ্ৰেণী অনুসৰি শ্ৰেণীকোঠাই হৈ উঠা নাই। কিন্তু, ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ত সু-পৰিকল্পিত শ্ৰেণীকোঠা, সুকীয়া প্ৰেক্ষাগৃহ, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, বিদ্যালয়ৰ নিজা চাউণ্ড চিষ্টেম আদিবোৰ কেনেকৈ সম্ভৱ হৈ উঠিছে আমাৰ বাবে সেয়া ৰহস্যৰ বিষয়েই আছিল। সেই ৰহস্য উদ্ঘাটন হোৱাত আমাক সহায় কৰিছিল প্ৰধান শিক্ষকজনে। তেওঁ কৈছিল, "আমাৰ বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত যিখিনি উন্নতি আপোনালোকে দেখিছে তাৰ মূলতে চৰকাৰী অনুদানৰ লগতে এই দানপাত্ৰটোৱেও কিছু কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰিছে।" উল্লেখ্য যে, ইয়াৰ পূৰ্বতে নামঘৰ, মন্দিৰ, মজিদ, গীৰ্জা, ব্ৰহ্ম কুমাৰী কেন্দ্ৰ আদিত দানপাত্ৰ দেখিছিলোঁ। কিন্তু, কোনো চৰকাৰী বিদ্যালয়ত এনেধৰণৰ দানপাত্ৰ দেখা মনত নপৰে। দানপাত্ৰত যিয়ে যেনেকৈ পাৰে বিদ্যালয়খনৰ উন্নয়নৰ বাবে বৰঙণি আগবঢ়োৱাৰ কথা তেওঁ আমাক জনায়। লগতে ছাত্ৰ-ছাত্ৰীৰপৰা আৰম্ভ কৰি বিভিন্ন সময়ত বিদ্যালয়খন পৰিদৰ্শন কৰিবলৈ অহা ব্যক্তি বিশেষেও বিদ্যালয়খনলৈ বৰঙণি আগবঢ়াইছে বুলিও তেওঁ কয়। তদুপৰি, বহু সদাশয় ব্যক্তিয়ে আলমিৰা, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা, ফুলদানি, শিক্ষণ-শিকণ সামগ্ৰী আদি উপহাৰ দিও বিদ্যালয়খনৰ উন্নয়নত সহযোগ আগবঢ়াইছে। তেওঁ আমাক এইটোও জনাই যে, ভাল মন এটা লৈ আগবঢ়াৰ বাবেই হয়তো পইচাৰ ক্ষেত্ৰত বিশেষ অসুবিধাৰ সন্মুখীন হোৱা নাই। অৱশ্যে এতিয়াও বিদ্যালয়খনত পকী বেৰা নথকাৰ কথাটো দুখেৰে তেওঁ স্বীকাৰ কৰে।

দানপাত্ৰটো দেখি সেই মুহূৰ্তত এটা আমাৰ মনলৈ আহিছিল যে বাকীবোৰ দানপাত্ৰৰ লগত এই দানপাত্ৰৰ নিশ্চয়কৈ পাৰ্থক্য আছে। এই দানপাত্ৰই ছাত্ৰ-ছাত্ৰীক মানুহ হিচাপে গঢ় দিবলৈ যত্ন কৰিছে। প্ৰধান শিক্ষকজনে আমাক এইটোও জনাইছিল যে, আমাৰ সমাজত এনে বহুত মানুহ আছে, যিয়েই ভাল কাম কৰাৰ বাবে আৰ্থিক বৰঙণি দিবলৈ কুণ্ঠাবোধ নকৰে। কিন্তু, তেওঁলোকে এটা উপযুক্ত পাত্ৰ বিচাৰে। দানপাত্ৰটোত যিয়েই বৰঙণি আগবঢ়াই তেওঁলোকৰ নাম ৰাজহুৱাকৈ প্ৰকাশ কৰা হয় বুলিও প্ৰধান শিক্ষকজনে জনায়।

**বিদ্যালয়খনৰ পঞ্চম ছবি ঃ প্ৰেক্ষাগৃহ**



প্ৰেক্ষাগৃহ সাম্প্ৰতিক সময়ৰ অতীব প্ৰয়োজনীয় সম্পদ। প্ৰেক্ষাগৃহসমূহ প্ৰতিভা চিনাক্ত কৰণৰ কাৰখানাস্বৰূপ। প্ৰেক্ষাগৃহৰ উচিত ব্যৱহাৰে আমাৰ গাঁৱে-ভূঞে যে মানৱ সম্পদ উৎপাদন কৰিব সেয়া ধ্ৰুৱ। গতিকে, বিদ্যালয়ত প্ৰেক্ষাগৃহৰ প্ৰয়োজন অতি বেছি। ভাল লগা কথাটো হৈছে, ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ত এটা আটক ধুনীয়া প্ৰেক্ষাগৃহ আছে। শিক্ষণ-শিকণ সামগ্ৰীৰে ভৰি থকা প্ৰেক্ষাগৃহতো সঁচাই চাবলগীয়া। গৃহটোৰ বেৰত থকা ছবিবোৰে বহু পাঠ নপঢ়োৱাকৈয়ে ছাত্ৰ-ছাত্ৰীক বহু কথাই বুজাই দিব পাৰি। ইয়াৰ উপৰি প্ৰেক্ষাগৃহৰ বেৰত গাঁৱৰ মানচিত্ৰ, গাঁওখনত মানুহবোৰৰ জীৱিকাৰ উপায় কি, গাঁওখনত কিমান সংখ্যক সাংস্কৃতিক কৰ্মী আছে, কোন পথেৰে গ'লে সেই সাংস্কৃতিক কৰ্মীসকলৰ ঘৰ পাব পাৰি ইত্যাদি কথাবোৰ প্ৰতীক চিত্ৰৰ সহায়ত সুন্দৰকৈ বৰ্ণনা কৰিছে। বিদ্যালয়খনৰ নিজা চাউণ্ড চিষ্টেমো আছে। যিবোৰ সাধাৰণতে চৰকাৰী মধ্য ইংৰাজী বিদ্যাবোৰত নাথাকে।

**বিদ্যালয়খনৰ ষষ্ঠ ছবি ঃ লক্ষীভাণ্ডাৰ**

লক্ষীভাণ্ডাৰ ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ৰ অন্য এক সম্পদ। লক্ষীভাণ্ডাৰক বিদ্যালয়খনৰ ভঁৰাল ঘৰ বুলিও ক'ব পাৰি। ইয়াত বিদ্যালয়খনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ মজুত ৰখা হয়। কোৰ, দা, ঝাড়ুৰ পৰা আৰম্ভ কৰি পুৰণা কম্পিউটাৰলৈকে সকলো সামগ্ৰী এই লক্ষীভাণ্ডাৰত মজুত থাকে। লক্ষীভাণ্ডাৰৰ দৰ্জাখনো বিশেষ কৌশলেৰে নিৰ্মাণ কৰা বুলি কৰ্তৃপক্ষই আমাক জনাইছিল।

**বিদ্যাখলয়নৰ সপ্তম ছবি ঃ কল্পতৰু**

বিদ্যালয়খনৰ আন এক ব্যতিক্ৰমী চিন্তাৰ ফচল কল্পতৰু। কল্পতৰু বিদ্যালয়ৰ ভিতৰত থকা এখন দোকানৰ নাম। দোকানখনত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় বহী, কিতাপ, পেঞ্চিল, ৰবৰ, জ্যামিতি আদি প্ৰয়োজনীয় সামগ্ৰীবোৰ কম মূল্যত পোৱা যায়। যি অলপ দোকানখনৰপৰা লাভ হয়, সেয়া বিদ্যালয়ৰ উন্নয়নৰ কামত ব্যৱহাৰ হয়। অৱশ্যে দোকানখন লাভালাভৰ উদ্দেশ্যে খোলা হোৱা নাই বুলি আমাক কতৃপক্ষই জানিবলৈ দিয়ে। দোকানখন খোলাৰ উদ্দেশ্য ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰিক জ্ঞান দিয়াহে বুলি কয়।

**বিদ্যালয়খনৰ অষ্টম ছবি ঃ সম্প্ৰীতিৰ ভোজ**

মধ্যাহ্ন ভোজন শিশুৰ পুষ্টিহীনতা দূৰ কৰাৰ অৰ্থে প্ৰণয়ন কৰা এখন ব্যয়বহুল আঁচনি। আচনিখন বহু সময়ত বিতৰ্কৰপৰা মুক্ত নহয়। বহুতে অসমৰ চৰকাৰী বিদ্যালয়বোৰ এই আঁচনিয়েই ধ্বংসৰ মুখলৈ ঠেলি দিছে বুলি ক'ব বিচাৰে। কিন্তু, সেয়া যিয়েই নহওক আঁচনিখনৰ ভাল আৰু বেয়া দুয়োটা দিশেই আছে। আমি চৰকাৰী বিদ্যালয়ত এনে অনেক শিশু দেখিছোঁ যাৰ চকুৱে মধ্যাহ্ন ভোজন কেইটাৰ বাবে অধীৰ আগ্ৰহেৰে বৈ থাকে। যাৰ বাবে তৃপ্তিৰ অন্য নাম মধ্যাহ্ন ভোজন। ভৈৰবপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ লগত সংগতি ৰাখি "সম্প্ৰীতিৰ ভোজ" নামৰ এক বিশেষ ব্যৱস্থা আছে। সম্প্ৰীতিৰ ভোজত কোনো ব্যক্তি বা পৰিয়ালে নিজ ইচ্ছা অনুসৰি যদি ভাবে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক নিজা খৰচেৰে এসাজ খোৱাওঁ, তেন্তে খোৱাব পাৰে। এনেদৰে মাহত প্ৰায়েই এবাৰ সম্প্ৰীতি ভোজৰ আয়োজন হয়। কৰ্তৃপক্ষৰ বিশ্বাস সম্প্ৰীতি ভোজনে ছাত্ৰ-ছাত্ৰীসকলক পুষ্টিকৰ খাদ্যৰ যোগান ধৰাৰ লগতে শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সচেতন ৰাইজ তথা শুভাকাংক্ষীৰ মাজৰ সম্পৰ্কও কটকটীয়া কৰি ৰাখিব।

**বিদ্যালয়খনৰ নৱম ছবি ঃ পখিলাৰ প্ৰসংগ**

একোখন বিদ্যালয়ৰ বাহ্যিক দিশৰ লগতে শৈক্ষিক দিশটো প্ৰতিফলিত কৰাত একোখন প্ৰাচীৰ পত্ৰিকাৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। ভৈৰবপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ত এই অভাৱ পূৰণ কৰিছে "কাকলি" শীৰ্ষক প্ৰাচীৰ পত্ৰিকাখনে। সম্পূৰ্ণ অসমীয়া ভাষাত লিখা প্ৰাচীৰ পত্ৰিকাখনত





গল্প, কবিতা, কৌতুক, প্ৰবন্ধ আদিৰ লগতে সাম্প্ৰতিক ঘটনা প্ৰবাহেও ঠাই পাইছে। পত্ৰিকাখনত থকা এটা বিশেষ ভাল লগা দিশ আছিল, যিসমূহ লেখা পত্ৰিকাখনত সীমিত পৰিসৰৰ বাবে অন্তৰ্ভুক্ত হোৱা নাছিল, সেই লেখাসমূহ পত্ৰিকাখনৰ তলৰফালে বিশেষভাবে ওলোমাই ৰখা পৰিপাটী প্লাষ্টিকৰ গিলাচকেইটাত থোৱাৰ ব্যৱস্থা কৰিছে। এনে কৰাৰ বাবে পত্ৰিকাখনৰ সীমাৱদ্ধতাৰ সত্ত্বেও উপযুক্ত কোনো লেখা বাদ পৰা নাই।

সঁচা অৰ্থত ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয় এক প্ৰেৰণাৰ নাম। এক আদৰ্শৰ নাম। বিদ্যালয়খনে অসমৰ বিদ্যালয়বোৰলৈ এক বাৰ্তা প্ৰেৰণ কৰিছে যে, ভাল কাম এনেকৈও কৰিব পাৰি। সম্প্ৰতি বিদ্যালয়খনক আদৰ্শ হিচাপে লৈ বহু বিদ্যালয়ে বিদ্যালয়খনৰ কাম কাজক আন্তৰিকতাৰে গ্ৰহণ কৰিছে। কিন্তু, বহু কিবাকিবি থকা সত্ত্বেও বিদ্যালয়খনত এতিয়াও বহু কিবাকিবিৰ অভাৱ নথকা নহয়। যোৱা বছৰ অসমত হোৱা তৃতীয় পৰ্যায়ৰ গুণোৎসৱত বিদ্যালয়খনে "বি গ্ৰেড" হে পাবলৈ সক্ষম হৈছে। আন্তঃগাঁথনি উন্নতি হৈছে যদিও এতিয়াও বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নাই। হিন্দী শিক্ষক, বিজ্ঞান শিক্ষক নথকাৰ কথা কৰ্তৃপক্ষই আমাক জনাইছিল। যিকেইজন শিক্ষক আছে তেওঁলোকেও চি. আৰ.চি., অন্যান্য চৰকাৰী কামত ব্যস্ত থাকিব লগা হয়। শিক্ষকৰ অভাৱ পূৰ কৰিবৰ বাবে শিক্ষা বিভাগৰ লগত বাৰম্বাৰ যোগাযোগ কৰা সত্ত্বেও সুফল নোপোৱাৰ কথা কৰ্তৃপক্ষই দুখেৰে প্ৰকাশ কৰিছে। শিক্ষা বিভাগলৈ আমাৰ অনুৰোধ, সম্ভাৱনাৰে পৰিপূৰ্ণ এই বিদ্যালয়খনক যথোচিত গুৰুত্ব দি বিদ্যালয়খনক অসমৰ এখন আগশাৰীৰ বিদ্যালয় হিচাপে গঢ়ি তোলক। □ □ □

# Mobile Mania

**Deepsikha Paul**

B.A. 1st Semester, Political Science



A single device, small enough to be carried within your fist, holds the capability of keeping you connected with the rest of the world, no matter where you are. The gadget I am talking about is mobile phone, the craze of the age. There may hardly be any single electronic product that acquired as much popularity as mobile phone, within such a short span of time. Now a days mobile phones are very popular. The adults, teenagers are able to have them but so are children, even the ones who barely got their 10th birthday cakes. Phones are speeding world wide at an alarming rate because of our megalomaniac consumer society, which just wants myriads of super fluous gadgets.

Owing newer technologies in communication, electronic devices such as mobile phone, computer, tablet and other high-tech devices, have turned out as a best friend for many of us regardless of age, gender, carrer, ethnicity and economic status. On the other hand, these devices are playing a vital role in causing behavioral addiction to an individual. Scientifically, such (mobile) phone addiction is characterized as "Mobile Phone Mania", a state of socio Psychological illness, and it is clinically referred as "NOMOPHOBIA" (No-mobile-phobia).


Cell phone mania is due to over usage of smart phone, obviously due to increasing number of cell phone, multimedia facility and services. As on today, a total number cellular subscription has been reached about 7 billion, which is almost closer to the population of earth. It seems that 90% of American owns cell phones, out of them 58% are smart phone. The mobile consumer habit

survey report from the year 2013 stated that 41% of Brit on feels anxious when they are disconnected form mobile phone and 51% admitted of suffer "extreme tech anxiety." On gender comparison, 70% of women suffer from cell phone separation anxiety (nomophobia), while men have accounted for about 61%. In some countries, the number of cell phone connections has exceeded the total population that indication a replicated cell phone connection to an individual. It is a surprise report that 29% of mobile phone users have stated that their cell phone as "Something they can't imagine living without."

Now-a-day, it has been noticed that usage of mobile as a routine practice during eating, walking, listening, driving etc. of course a psychologist stated that an over usage of the cell phone has to be considered as "addiction" as similar as addiction to cigarette smoking and alcohol dirking. In fact, cell phone abuse or addiction may be more dangerous than other addiction. In 2014, a study revealed that an average college student use cell phone 9 hr/day that is longer than the duration of their sleep. Further, the study has established a significant relationship between mobile phone addiction and socio-psychological dimensions such as loneliness, boredom, egoism and self-independence. A study from Iran, Confirmed that mobile addiction behavior in student has shown an absolute relation to depressive disorders, obsessive disorders, interpersonal sensitivity, habitual behavior and mobile addiction. Despite of necessity, the over usage of mobile phones, has steered us into recognizable psychological illness such as personal illness, insecurity, low self-confidence, mood fluctuations, sleep disturbances, insomnia, neck pain and rigidity, dry eyes, weakness of thumb and wrist, delusion, auditory and tactile hallucinations.

I shall strongly agree that an over usage of the mobile phone has navigated a behavior addiction among students. It was noticed that students are so reluctant to switch off their mobile phone even for a period of 1 hour during lecture session. It was observed that students are more comfortable with mobile rather than a face to face interaction while leisure hours. It is a challenging question "Can a student stay without cell phone for day or at least for 5 hours?" Innocently, mobile phones have ruled out more than 80% of students into addiction and serving as a most dangerous tool for socio-psychological issues in their career.

□ □ □



# Digital India- A programme to transform India

**Yubaraj Sharma**
B.A. 2nd Semester, Education Department




Digital India is a campaign lunched by the Indian Government, to improve online infrastructure and offer Indian citizens an easy online government services as well as making India a digitally empowered country in the field of technology. The aim of launching this campaign is to provide Indian citizens electronic government services by reducing the paperwork. It is very effective and efficient technique which will save time and man power to great extent. This initiative was started on 1st July in 2015 to connect people of rural areas with the high speed internet networks to access any information needed. Three important elements of digital India are like creation of digital infrastructure, digital literacy and delivering services digitally all over India.

The digital India initiative aims of availing digitizing of various individual projects of all central government and ministries like education services, health services and other services that can be delivered to citizens using Information and Communication Technology (ICT) by joining all the areas of India including Gram Panchayats at high speed Internet through broadband connectivity. In order to focus on the e government plan, in this programme government will prefer to adopt Public private partnership (PPP) wherever feasible for executive of this initiative.

India has tried his best towards digitizing campaign for India in order to bridge the gap between government services and people. Digitization was the need to be implement in India for bright future and grow more than any other developed country. Following are the benefits of digital India campaign-

1. It makes possible the implementation of digital locker system which I in turn reduces paperwork by minimizing the usage of physical document as well as enabling e-sharing through registered repositories.
2. It is an effective online platform which may engage people in e-governance through various approaches like Discuss, Do and Disseminate.
3. It ensure the achievement of various online goals set by the government.

4. It makes possible for people to submit their documents and certificate online anywhere which reduces physical work.
5. It may case the important health care services through e-hospital such as online registration, taking doctor appointments, fee payment, online diagnostic, tests, blood check up etc.
6. It is a big platform which facilitates an efficient delivery of government or private services all over the country to its citizens.
7. Bharat net programme will connect almost 250000 gram panchayats of country.
8. For better management of online services on mobile such as voice, data, multimedia etc. BSNL's next generation network will replace 30 year old telephone exchange.
9. Large scale deployment of wifi hotspots has been planned by the BSNL all across the county.
10. Open access of broadband highways in all the cities, towns and villages will make possible the availability of world class services on the click of mousc.

Challenge before Digital India Initiative—

The digital India project no doubt is one of the grandest project till date because it embrace all the government machinery and department in its fold, its aim is to create a truly participatory democracy with the use of digital technology its target is to connect more than 120 crore Indians with their government so that they could avail services and benefits of government services in real time and also get their grievances redressed in Quick time.

But to implement this scheme is a great challenge before the government. Firstly connecting to the 250000 Gram panchayat through national optical fiber network is not an easy task, it will require a lot of efforts and dedications from BSNL the nodal agency for laying down the cables. Secondly, improving it literacy is a great task ahead because for the project to become successful, it is necessary that mass of people must know how to utilized the digital services. Thirdly, security of data is very important because digital medium is still very unsafe and vulnerability is a big issue specially in financial transactions, thus internet data security is a big concerned ahed. Fourthly, making digital India scheme known and creating among common masses about its benefits is also a great challenge.

Over all this great initiative will require great efforts from the entire government machinery and people concerned to make it successful.

□ □ □






# জীৱন আৰু বৃত্তি

ৰাতুল দলে
তৃতীয় ষাণ্মাসিক, সমাজতত্ত্ব বিভাগ

জীৱনৰ অৰ্থ জীয়াই থকা। অৰ্থাৎ যেতিয়ালৈকে মানুহ জীয়াই থাকে তেতিয়ালৈকে সেই মানুহজনৰ জীৱন আছে বুলি কোৱা হয়। জীৱনক এখন নাটকৰ লগত তুলনা কৰিব পাৰি। নাটকত যিদৰে ভালদৰে অভিনয় কৰিব পৰা লোকজনৰ প্ৰতিহে মানুহৰ চকু যায়। ঠিক সেইদৰে মানুহৰ জীৱনত যিজন ব্যক্তিয়ে জীৱনত সফলতা অৰ্জন কৰে, সমাজৰ বাবে কিবা এটা কৰে বা নিজৰ জীৱনক সমাজৰ লগত পৰিচিত কৰাব পাৰে তেনে ব্যক্তিৰ জীৱনহে স্মৃতি হৈ থাকে।

ব্যক্তিক জীয়াই থাকিবলৈ বিভিন্ন সা-সামগ্ৰীৰ প্ৰয়োজন। মানুহৰ অভাৱ অসীম। মানুহৰ অভাৱক সাগৰৰ ঢৌৰ লগত তুলনা কৰিব পাৰি। সাগৰত যিদৰে এটা ঢৌৰ মাৰ নাযাওঁতেই আন এটা ঢৌৱে দেখা দিয়ে। ঠিক সেইদৰে মানুহৰ জীৱনত এটা অভাৱ পূৰ নহওঁতেই আন এটা অভাৱে দেখা দিয়ে। তৎস্বত্তেও মানুহে যিমানদূৰ সম্ভৱ নিজৰ অভাৱ পূৰণ কৰিবলৈ চেষ্টা কৰে। মানুহৰ সীমাহীন অভাৱ পূৰণ কৰিবলৈ সম্পদৰ প্ৰয়োজন আৰু সম্পদ লাভ হয় অৰ্থৰ জৰিয়তে আৰু অৰ্থ লাভ হয় বৃত্তিৰ জৰিয়তে। গতিকে মানুহৰ জীৱনত বৃত্তিৰ প্ৰভাৱ অসীম।

বৰ্তমান যুগ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে কেৱল শিক্ষাৰ জৰিয়তে বৃত্তি আহৰণৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। আজি বিশ্বৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত কেৱল প্ৰতিযোগিতা আৰু প্ৰতিযোগিতা— বিদ্যালয়বোৰ যেন কেৱল ভাল নম্বৰ লাভৰ বাবেহ, জ্ঞান লাভৰ বাবে নহয়। অৱশ্যে ইয়াৰ বাবে কেৱল ছাত্ৰ-ছাত্ৰীক দোষ দিব নোৱাৰি, দোষ দিব লাগিব শিক্ষানুষ্ঠানসমূহকো। কিয়নো শিক্ষানুষ্ঠানসমূহে নামভৰ্তিৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ নম্বৰৰ ওপৰত বেছি গুৰুত্ব দিয়া দেখা যায়। অৱশ্যে প্ৰত্যেকখন শিক্ষানুষ্ঠানে ভাল নম্বৰ পোৱ ছাত্ৰ-ছাত্ৰী বিচৰা উচিত। কিন্তু সেই ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে পোৱা নম্বৰৰ সমান্তৰালকৈ জ্ঞান আছেনে নাই পৰীক্ষা কৰা উচিত। এইখিনিতে উল্লেখ কৰাটো সমীচিন হব যে, মই এইটো আলোচনা কৰাৰ উদ্দেশ্যটো হৈছে কেৱল যে ভাল নম্বৰ পোৱা ছাত্ৰ বা ছাত্ৰীয়েহে সফলতা লাভ কৰিব পাৰে তেনে নহয়। কম নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীয়েও জীৱনত সফলতা লাভ কৰিব পাৰে। কিয়নো এনে বহু উদাহৰণ আছে যিসকলে কোনো দিনে ষ্টাৰ বা ডিষ্টিংচন পোৱা নাই, কিন্তু জীৱনত সফলতা লাভ কৰিছিল। আমি উদাহৰণস্বৰূপে থমাছ আলভা এডিচন, নিউটন আদিৰ নাম উল্লেখ কৰিব পাৰোঁ। তেওঁলোকৰ মগজু তীক্ষ্ণ প্ৰকৃতিৰ নাছিল। তেওঁলোক মধ্যমীয়া প্ৰকৃতিৰ আছিল।

জীৱন আৰু বৃত্তিৰ সম্বন্ধ এটা মুদ্ৰাৰ দুটা পিঠিৰ লগত তুলনা কৰিব পাৰি। জীৱন আৰু বৃত্তি যদিও পৰস্পৰ ওপৰত নিৰ্ভৰশীল, তথাপি জীৱন আৰু বৃত্তি বেলেগ বেলেগ বস্তু। এখন ৰেলগাড়ী চলিবলৈ যিদৰে দুটা চিৰিৰ প্ৰয়োজন ঠিক সেইদৰে মানুহক জীৱন আৰু বৃত্তি দুয়োটাই প্ৰয়োজন। কিন্তু বৃত্তিয়েই জীৱন নহয়। বৃত্তি জীবিকা অৱলম্বনৰ পথহে। আমি স্কুল কলেজ কেৱল ভাল মাৰ্কচিটৰ বাবে অহা নাই, আহিছো প্ৰকৃত জ্ঞান আহৰণৰ বাবে। অৱশ্যে প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে ভাল মাৰ্কচিট লগে, কিন্তু ভাল মাৰ্কচিট ছাত্ৰ-ছাত্ৰীৰ জীৱন হ'ব নোৱাৰে, মাত্ৰ বৃত্তি আহৰণৰ পথহে। কিন্তু দুৰ্ভাগ্যৰ বিষয় বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে বৃত্তিক অগ্ৰাধিকাৰ দিছে জীৱনক চিটিকাই দিছে। অৰ্থাৎ ভাল মাৰ্কচিটৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে, কিন্তু প্ৰকৃত জ্ঞানৰ বাবে নহয়। সেয়ে পৰীক্ষাসমূহতো ছাত্ৰ-ছাত্ৰীয়ে ভাল মাৰ্কচিটৰ বাবে অসৎ উপায় অৱলম্বন কৰা দেখা যায়।

আজি ভাল নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ অভাৱ নাই, অভাৱ প্ৰকৃত জ্ঞানী ছাত্ৰ-ছাত্ৰীৰ। আজি হাত-ভৰি থকা মানুহৰ অভাৱ নাই, অভাৱ মাথো প্ৰকৃত মানুহৰ। আজি হিন্দু, মুছলীম, বৌদ্ধ, শিখ, জৈন আদি ধৰ্মাবলম্বী লোকৰ অভাৱ নাই, অভাৱ মাথো প্ৰকৃত মানৱীয় ধৰ্মৰ। □ □ □

# The Life of Indian Army (Soldier)



**Shankar Kharel**
B.A. 2nd Semester
Philosophy Department

Life in Indian is tough but most satisfying. Someone said that "only thing that is permanent is change." It suits well on Indian Army.

You will never be mate to feel sheltered cozy at one place. You will keep shifting from one place to another place after every three in restive areas you will be dealing with all sorts of security threats which will be dangerous and life threathening. The so called peace posting is also not entirely peaceful where you will be training and rehearsing to do duties in field areas well.

Imagine today's life without facebook whatsapp and other social networking sites. It might happen that you get posted in interiors of North-East at high altitude areas and in far and forlorn places of Kashmir where there will be no network. You will be at such places not for days but for years you might get a chance to speak to your family once a week.

Insurgency in Kashmir and North-East puts a lot of pressure and stress on mind of Indian soldiers. You have to be active and vigilant 24 hours otherwise you might find your body draped in tricolour reaching you home. Imagine a situation in Kashmir where you can't differentiate between a terrorist and civilian, he might be hiding in one of houses, shops, school building etc. Your job is not only to eleminate terrorists but to take care that civilians are not killed. It makes it tough for Indian soldiers to carry out operation in such area where half part of your mind in occupied with thoughts of not committing human rights violations where one error by you can tarnish the image of entire Indian Army.

Indian Army is not only fighting isurgency but at some places it is fighting with hostile weather which is much more hostile and unforgiving than our actual enemy. At places like Siachin at temperature below as low as 50 degree celsius our fight is with ourselves for survival and making it to next morning. In deserts it is just opposite where temperature can go as high as 50 degree celsius where keeping yourself hydrated becomes a hard task. You are also operation in jungles of North-East where vegetation is so thick that you can't see the man who are walking just 10 mts ahead of you.

It might happen that your son or daughter would not recognize you once you come back home because you have been away from him/her while they were growing up.

Despite all these hardships and problem life is more satisfying and adventures. What is fun of life if you have not died to live just another day where just at of 23 you are leading you men even to death. Those 20-30 odd men know that they might not see the next rising sun but they keep all their fear aside and follow your command and orders where they have unflinching loyality and trust in you. Where in this world can you get this honor? **JAI HIND !**

□ □ □



# A LITTLE WINDOW FOR RESEARCH WORKER

**Prem Prasad Sharma**
Asstt. Prof. in English, Silapathar College

The word 'research' has been defined in various ways. In simple words we can say research is a new finding, a new journey of discovery and knowledge. Some scholars consider research as a movement steps ahead of from known to unknown, from familiar to unfamiliar. Research is a pursuit of truth with the help of study and observation, comparison and experiment. It is an intellectual activity which brings to light some new knowledge may correct previous errors and misconception which adds to some new stock of knowledge.

Now let us go through the definition of few scholars. As per B.W. Tuckman a research is a systematic attempt to provide answer to some questions. Such answers may be abstract or general or may be highly concrete and specific. As Clifford Woody states research comprises defining and redefining problems formulating hypothesis, collecting and evaluation, organizing data.

Redrnam and Mory define research as a systematic effort to gain new knowledge. We all possess the tendency of inquisitiveness which makes us to find new knowledge. Webster's dictionary defines research as "Careful of critical inquiry or examination in seeking new facts or principles, diligent investigation to ascertain something. This means the research is a purposive investigation or inquiry. It has definite certain purpose to collect and study something new. The Advance learner's dictionary of current English defines research as a careful investigation through search for new facts in any branch of knowledge. The definition stated by D. Slesinger and M. Stephenson highlights the purpose of research rather than the meaning of research.

In the long run of doing research we should keep few things in mind. A person doing research should nopt attempt to summarize and copy the works of the others but rather he or she should highlight, assimilate and to build on it and arrive at his or her own summing up and conclusion. Actually research is an adventure, and intellectual

adventure. It is a kind of exploration that leads to discoveries that is something new for our self where we should not rule out the mechanics of writing. A research must be effective and within the parameter of universally accepted method. All our finding and conclusion must be based in the light of material and empirical data. Developing of ideas and thoughts are the great ingredients of research and scholarship. Further a research paper should be presented with ideas and thoughts clearly and effectively. If research is a written communication which should be presented in procession, conciseness, clarity and consistency of view point.

J. W. Best in his Research in Education forwards some of the characteristics of research :-

a. Research is directed towards the solution of a problem.
b. It involves gathering new data or using existing data.
c. It is carefully recorded and reported.
d. It is logical and objective.
e. It is more formal, systematic and intensive procedure etc.
f. It involves accurate observation and investigation.
g. It is carried by patient and unhurried activity.

The purpose of research to find answers to certain question, to find out the truth which is hidden and which has not been discovered. A research work is generally based on primary research and secondary research or the combination of both. The study of a subject through first hand observation and investigation is called primary research.

The examination of studies that other person i.e. researchers already have made of a subject is called secondary research. The source for primary research includes statistical data, historical documents and works of literature art, whereas books and articles, historical events, scientific debates or literary works are the source of secondary research.

Many factors encourage people to do research. As such as great ambition to get a research degree in order to avail consequent benefit, to solve practical problem, desire to produce some creative work, urge to gain some social status and prestige. The mechanics of collecting source material, taking notes and documenting sources are vital important in his or her thesis in order to support the researcher's statements and to provide concrete information about the sources cited. In the literary thesis no irrelevant material in tolerated. A literacy thesis should never be dull. It's summing up and conclusion should be final and binding. Pursue of truth must be the aim and object of the researcher.

Now time limit is an important factor for a researcher. The regular hard working and use of time is very essential in research. One should devote nearly two third or half of the time in collecting source material which includes as background reading criticism. Primary source and secondary source. Rest one year a researcher is advised that he should use his time in drafting and rewriting the thesis and come to the final copies skillfully.

Selecting a Topic and finding a very helpful guide is extremely important and also a hard thing in research. Selection of suitable topic demands through knowledge of the subject which can be gained through experience. Choosing a subject is not easy unless he or she gets help of the guide. A researcher has to follow certain rules for choosing a subject. One has to decide in the filed – fiction, poetry, drama, criticism he or she is interested. Suppose one is interested in fiction then he or she has to choose the period, age and decide why he or she interested in some particular novelist or story writer. The lot of material on that author has to collected and read out first. Then he or she will have to write volumes on that particular author. In the long run as thoughts come to his mind he will write down in his note book. Then

he or she will have to arrange and organize the points he has noted down.

New problems may arise which are to be investigated and where the thesis attempt to solve this problem. Some research scholars and the guide are the rich sources for research problems. Research problems are like climbing a mountain. The more we climb the more they emerge. A study of scholarly Journals and magazines, some dissertation. Abstract reading will enable us to update or ideas. We have to keep in mind that the success in finding a suitable Topic is very important. The better the topic is the better the thesis would be.

Further after selecting a topic one has to see its criteria –

1. Whether one has found an efficient and helpful guide for his research who can guide now and them.
2. Whether there are sufficient library facilities. Because library facility are essential for literary research and a topic becomes unsuitable if library source are insufficient. One must now and then consult library material and other important sources like print and electronic in order to refine the topic.
3. Whether the topic selected is really suits to the researcher, one may complete the topic but if the topic is not interesting one the thesis will be dull.
4. Whether the topic can be completed in time. The topic selected by the scholar must be feasible.

Since library is the great source for a research person so he should use it properly. Practice will teach the researcher how to glance through voluminous book and to find out the needs. Some books are to be chewed. Some are to be swallow and some are to be digested. So one should take care of time and material. He should record the author name of the books, page no and Xerox the pages for the personal record. Further one can ask pamphlets or hand books and guided tour as well as records of classes and lectures of related subjects. One can go through World Wide Web, i.e. www for getting further information. The subject and book, the library website contains scheduled information on available resources and services. Further internet source provide facts and ideas to the researcher. It is through internet one can communicate electronically with individuals and groups.

Now moving towards the length, presentation and grammar we have to keep few things in mind. Many excellent thesis are written in short, Length is less important that quality. For this purpose precise writing is important. Careful selection of suitable words will convey the exact meaning. Sentence must not be too complex. Accurate spelling is essential for scholarly writing. Further special attention should be paid to grammar and punctuation. On no account the abbreviation such as 'I' be used in the thesis. Most of the thesis are written in the past tense. But one has also to use present tense to express critical comments and in starting universal truth. Further consistency in the use o the same tense is important. Changes in the tense are permissible which will not spoil the unity and charm of the thesis at the same time. Therefore a researcher has to consult a standard grammar for the correct use of tense, moods, voice. Regarding the paragraph and each sentence in paragraph should be relevant to the thesis. Each paragraph should express an individual and separate through a group of related sentence, developing the idea that was expressed in the first topic sentence. Variety in sentence structure and sentence opening make the thesis more attractive and readable. Readability is one of the most important qualities in thesis. A scholar should as far as practicable should avoid complex sentence. Moreover a scholar should take care of the accuracy of quotation and he or she should suitably acknowledge. The talent of good writing depends in clarity and readability for contention. The mechanics of writing i.e. organization and

evaluation of one's thoughts and ideas, the unity and coherence of presentation. The command of sentence structure, grammar and diction, correct spelling capitalization, punctuation and so on is all take under consideration. One should always keep in mind the words, phrases, clauses, sentence, paragraph that expose the thoughts and ideas of a mind must be precise and crystal clear which will attract the readers and source of documentation.

Before concluding the lesson we will discuss about the Documentation, Bibliography, Writing, Draft. Nearly all research is built on previous research. A person doing research commonly begin a project by studying and basing past work of someone and coming to a relevant information and idea from the predecessors. In the process a researcher has to go through several books and their authors. This is a continuous process for the expansion of human knowledge. As such the researched sincerely acknowledges his gratitude to the predecessor by carefully documenting each source at the end of the thesis. Now the fact is that if the source is not documented then this source becomes an object of plagiarism.

Now going to bibliography it is the first list of useful source we prepare. The list is changing now and then. A Working Bibliography is an essential part of research process. One should not forget to write the name of the author or authors the title or sub-title of the book, the number of editions, the number of volumes, the place of publication, and the name of the publisher and the year of publication while preparing a bibliography for his or her thesis. Almost same is the method for preparing bibliography in journal, for newspaper or magazine.

Now coming to the writing of draft of a thesis we should keep in mind the following points.

1. Producing the ideas and thoughts of a scholar in the paper or thesis is called drafting.
2. No brilliant scholar has made so far his first draft the final one. As such after drafting we have to start revising. As we revise and rewrite repeatedly, we reach to the close to the point what we want. Now revising means looking the first draft, analyze, evaluate and then rewrite. If we read and read we can rectify our errors. The purpose of revision is to improve our quality of the draft.
3. The formula ACRM – i.e. add, cut, replace, move may be followed while doing revision to the draft.
4. Certain guidelines can be mentioned for drafting the thesis.
   (a) One must find convenient time for drafting the thesis – The morning, night during day while sitting in the library – whichever is suitable to one.
5. Delaying tactics or postponement must avoid.
6. Many scholars complain that they are inefficient or lack of talent to do a research work. They are not born, they have no mood, and they have no good hand in grammar, vocabulary or in writing. But practically it is not so. Many scholars below the writing marks have obtained doctored degree. In this connection we should go to the negative side. But what has found discovered something new must be highlighted. □ □ □

**Reference books and authors consulted :**


1. The Red Badge of Courage on Research.
2. M.L.A. Handbook sixth edition.
3. Gibaldi Goseph MJA Handbook for Writers of Research papers.
4. A Handbook of Literary Research
5. Bruce W Tuckman's Research Work.
6. The Advance Learners Dictionary of Current English.
7. Other books on Methodology.




# The lynching that changed India

**Memon Ahmed**
B.A. 5th Semester
Political Science

Lynching is a premeditated extrajudicial killing by a group. It is most often used to characterize informal public executions by a hob in order to punish a alleged transgressor or to intimidate a group.

Lynching is considered an act of terrorism and punishable by law. Instance of lynching and similar mob violence can be found in every society.

Lynching of Nilutpal Das and Abhijeet Nath reveals a ceaseless identity battle in Assam.

That mob mentality brings out collective fear and anxieties is not new. Assam alone has seen multiple episodes of mayhem and lynching over the past few years. Most of these are not even discussed in detail in national dailies they perish in some tiny corner of a local newspaper.

It is the indifference exhibited by the majority in the latter stage that harness xenophobia. Under the veneer of linguistic politeness and the mask of "we are a peace loving region." So many continue to be killed tie and again.

The public was confused as to where humanity lies in the mob culture of impunity. Cds ample examples tell us, the heinous crime of lynching quickly boils over into an issue of "who is Oxomiya?"

When Nilotpal Das was being bludgeoned to death, he urged: "I am an Oxomiya. Believe me, I am speaking the truth. My father's name is Gopal Chandra Das and mother's name is Radhika Das... Please let men go."

Some of the headlines that flashed being us that the cries of being Oxomiya failed to save him from brutal "tribal" hands.

The death of Abhijeet and Nilotpal will haunt our indifferent slumber for years to come.

# Nilotpal Das and Abhijeet Nath - May yours soul rest in peace.

**It's time to enact an antilynching law :-**

In a civilized society, even one lynching is too many, But India has seen a spate of them of late. The data website India spend has compiled instances of cow-linked violence from 2010 to 2017. It found that during this period 28 people were killed in 63 such incidents.

An overwhelming almost 97% of these attacks took place after Prime Minister Narrendra Modi's government came to power in May 2017. About 86% of those killed were Muslims. In 21% of the cases the police killed cases against the victims/survivors. Cow-related lynching rose sharply in 2017, with 20 attacks in the first six months. This marks a 75% increase over 2016. Which had been the worst year for mob lynching since 2010.

The groundswell of public disgust at the lynching's crystallized under the banner of the National campaign Against Mob Lynching (NCAML) which has initiated a campaign for law against mob lynching also known as "Masuka" short for Manav Surakha Kannon (law to protect humans), a draft of the proposed legislations is currently up on the Internet, awaiting suggestion from the public.

The primary argument of the activities and lawyers advocating an anti-lynching law is that it fills avoid in our criminal jurisprudence. It is true that at present there is no law that criminalizes mob killings. The Indian Penal code has provision for lawful assembly, rioting and murder but nothing that takes cognizance of a group of people coming together to kill (a lynch mob). It is possible, under section 223 (a) of the (Criminal Procedure Code (Cr.PC), to prosecute together two or more people accused of the same offence committed in the course of the "same transaction." But the provision falls far short of an adequate legal framework for prosecuting lynch mobs.

**"Manuhe Manuhor Babe": Awareness drive against superstitions in Assam**

An awareness drive against the superstitions belief, titled sanskar- Manuhe Manhur Babe (a famous line of legendary finger Bhupen Hazarika) is soon to be launched in Assam post the barbarian mob lynching incident in Karbi Anglong.

To prevent the occurrence of similar incidents, Gopal Chandra Das father of deceased Nilotpal Das expressed his desire to become a part of an awareness drive against superstitions across Assam.

Das, a retired railway employee made the appeal when chief minister Sarbananda Sonowal met him. Sonowal immediately directed his officials to chalk out a plan for the awareness drive and launch it within week.

The campaign will cover the village and panchayats in Assam. The rural areas people will be made aware of the repercussions of superstitions beliefs and fake messages.

Violence is never the answer to any kind of injustice and when citizens take law and order in their hands situations are only bound to go out of control. We not only condemn such act of ignorance but we stand in solidarity with 1 hose who refuse to give this incident a communal colour.

We the people of Assam lost two brothers/ son who are not among us. "Even in death you are still loved and forever will be you have touched the hearts of 10 many who owe you a life time of gratitude.

We are not saying goodbye forever but goodbye for now. I pray you find peace and rest wherever you are."

Now if we do not try to control these type of problem, then in near future, it would pose a fundamental threat to overall societal development as well as social security.

□ □ □




# সামাজিক চেতনাবোধ আৰু বিশ্বায়ন

নিকী দাস
পঞ্চম ষান্মাসিক, সমাজতত্ব বিভাগ

বৰ্তমান সমাজ ব্যৱস্থাত গোলকীকৰণ অৰ্থাৎ বিশ্বায়ন এক চৰ্চাৰ বিষয় হৈ পৰিছে। বিশ্বায়নৰ ধাৰণাটোৱে প্ৰকৃততে মানৱ সমাজৰ এক প্ৰক্ৰিয়াক সূচায়, যাৰ যোগেদি মানৱ সমাজে জন্মভূমিৰ চাৰি বেৰৰ মাজৰপৰা মুক্ত হৈ এক মুক্ত সম্পৰ্ক স্থাপন কৰি মানুহৰ মাজত এক যুগান্তকাৰী পৰিবৰ্তন সূচনা কৰিলে। সাধাৰণ অৰ্থত মানৱ সভ্যতাত সবিস্তাৰ হৈ থকা বিশ্বৰ প্ৰতিটো প্ৰান্তৰ মাজৰ আৰ্থ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক একাকীকৰণেই হৈছে বিশ্বায়ন। ই এনে এটা সুদূৰ প্ৰসাৰী প্ৰক্ৰিয়া যাৰ দ্বাৰা বৃহৎ ব্ৰহ্মাণ্ডখন এখন সৰু গাওঁলৈ ৰূপান্তৰ হৈছে।

বিশ্বায়ন সম্পৰ্কত বিভিন্নজন সমাজতত্ত্ববিদে তেওঁলোকৰ মত আগবঢ়াইছে। অধ্যাপক গালা আমিনৰ মতে— "বিশ্বায়ন হৈছে এক বহুমুখী পৰিঘটনা য'ত অন্তৰ্ভুক্ত হৈ আছে আন্তৰ্জাতিক বাণিজ্য, শ্ৰম, পুঁজি আৰু প্ৰযুক্তিবিদ্যাৰ গতি ক্ষিপ্ৰকৰণ তথা আদৰ্শ আৰু জীৱনশৈলীৰ ৰূপান্তৰকৰণ।"

চিন্তাবিদ ৰুছো আৰু গেইটৰ মতে, "বিশ্বায়নে এনে এক সম্পৰ্কৰ প্ৰক্ৰিয়াক সূচায়, যি সমগ্ৰ পৃথিৱীৰ সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অস্তিত্বৰ পাৰস্পৰিক সংযোগ ঘটায়।"

ওপৰৰ সংজ্ঞাসমূহৰ পৰা আমি এইটো কব পাৰো যে বিশ্বায়নে দেশসমূহৰ মাজত ভৌগোলিক দূৰত্ব কমাই সামাজিক আৰু সাংস্কৃতিক উপাদানসমূহৰ আদান প্ৰদান তথা সংমিশ্ৰণক সম্ভৱ কৰি তুলিছে। অৰ্থাৎ তেওঁলোকৰ মতে বিশ্বায়নে সমগ্ৰ বিশ্বক এখন গোলকীয় গাঁৱ (Global Village) লৈ ৰূপান্তৰ ঘটাইছে। সেয়েহে বিভিন্নজনৰ মতামতবোৰ পৰ্য্যালোচনা কৰিলে দেখা যায় বিশ্বায়ন প্ৰক্ৰিয়াই বিশ্ববাসীক এক আন্তঃসম্পৰ্ক গঢ় দিয়াত প্ৰভাৱ পেলায়। যাৰ ফলত আমি ক'ব পাৰো যে বিশ্বায়ন হৈছে আনৰ পৃথক অস্তিত্বক একত্ৰিত কৰি এটা বৃহৎ অস্তিত্ব গঢ় দিয়াৰ এক প্ৰক্ৰিয়া, য'ত সকলোৱে সামগ্ৰিকভাৱে এক আদৰ্শৰে গতি লাভ কৰে।

বিশ্বায়ন এক অৱধাৰিত প্ৰক্ৰিয়া। বৰ্তমান সমাজ ব্যৱস্থাত সমগ্ৰ বিশ্বৰ আৰ্থ সামাজিক ৰাজনৈতিক সাংস্কৃতিক তথা বিভিন্ন দিশৰ সমিলিকৰণ প্ৰক্ৰিয়াই হৈছে বিশ্বায়ন। এক বিংশ শতিকাত বিশ্বত বিশ্বায়ন প্ৰক্ৰিয়াই এনে এক গতি লাভ কৰিছে যে, তৃতীয় বিশ্বৰ দেশ হিচাপে পৰিগণিত সৰ্বহাৰাৰ ৰাষ্ট্ৰসমূহৰ সামাজিক তথা সকলো দিশতে বিশ্বায়নৰ প্ৰভাৱ পৰিছে। লাগিলে সেয়া যোগাত্মক বা বিয়োগাত্মক হওক। ইয়াৰ কাৰণসমূহ হৈছে—

১। জাতি ৰাষ্ট্ৰ (Nation State) ঃ— জাতি ৰাষ্ট্ৰ এনে এক ৰাষ্ট্ৰ যি সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ পৰা লাভ কৰা ৰাজনৈতিক বৈধতাৰে এক সাৰ্বভৌম স্বায়ত্ব গোট হিচাপে এক নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত নিজৰ আত্মপৰিচয় দিব বিচাৰে।

প্ৰফেছাৰ ষ্টিফেন ৰেবাৰৰ মতে, "জাতি ৰাষ্ট্ৰ হৈছে ১৫ শতিকাৰ মানচিত্ৰ সৃষ্টি কৌশলৰ অনিচ্ছাকৃত উপদ্ৰব্য।" জাতি ৰাষ্ট্ৰ সমন্ধীয় আধুনিক সিদ্ধান্ত অনুসৰি ইতিমধ্যেই অৱস্থিতি থকা ৰাষ্ট্ৰৰ চৰকাৰৰ দ্বাৰা সেই ৰাষ্ট্ৰৰ জাতিগত পৰিচয় সমৰূপতা আৰু আধুনিকতা আনিবলৈ কৰা প্ৰয়াসৰ প্ৰচেষ্টাত সৃষ্টি হৈছিল জাতি ৰাষ্ট্ৰ। বহুতো প্ৰাসংগিক তত্ত্বৰ মতে জাতি ৰাষ্ট্ৰ হৈছে ১৯ শতিকাৰ এক ইউৰোপীয় পৰিঘটনা যাক সহজ কৰি তুলিছিল গণ স্বাক্ষৰতা আৰু পূৰ্ব গণমাধ্যমৰ দৰে উন্নয়নসমূহে।

২। বজাৰ (Market) ঃ— বিশ্বায়নৰ এক ভিতৰুৱা উপাদান হ'ল বজাৰ। বজাৰ বুলিলেই সাধাৰণতে দ্ৰব্য সামগ্ৰী আৰু সেৱাৰ বজাৰকে সূচায়। প্ৰকৃততে আমি যি নিৰ্দিষ্ট স্থানত আমাৰ দ্ৰব্য সামগ্ৰীক প্ৰয়োজন অনুসৰি বিনিময় কৰি অভাৱ পূৰণ কৰিব পাৰি, তাকেই বজাৰ বুলিব পাৰি। ইয়াতেই ক্ৰেতা আৰু বিক্ৰেতাৰ সমন্বয় ঘটে। ক্ৰেতাই বজাৰত নিজৰ উপভোগৰ দ্ৰব্য ক্ৰয় কৰি নিজৰ উপযোগিতাক স্বৰূপিত কৰে। অন্যহাতে সেই একেখন বজাৰতে বিক্ৰেতাই ক্ৰেতাক উপভোগৰ চাহিদাৰ প্ৰতি সঁহাৰি

জনাই দ্ৰব্য সামগ্ৰী বিক্ৰী কৰে আৰু বিনিময়ত লাভ কৰা মুনাফাৰ জড়িয়তে তেওঁ নিজৰ উপযোগিতাসমূহ পূৰণৰ প্ৰয়াস কৰে। আৰ্থ সামাজিক দৃষ্টিত বজাৰ বুলিলে সেই বিনিময় কেন্দ্ৰক বুজায়, যত চাহিদা আৰু উপযোগিতাৰ ভিত্তিত ব্যক্তিৰ ৰূপত ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত এক প্ৰাংসগিক সম্পৰ্কই গঢ় লয়। মূলতঃ অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ এই তিনি সমস্যা সামাধানত বজাৰেই মুখ্য ভূমিকা গ্ৰহণ কৰিলেও সময়ৰ পৰিবৰ্তিত পৰিস্থিতিত জীৱন নিৰ্বাহৰ পাৰ্থিব সকলোখিনি সমস্যাৰে সমাধানৰ উৎস হৈ পৰে বজাৰ।

৩। গণমাধ্যম (Media) ঃ— গণমাধ্যমে মানুহক বিশ্বৰ সকলো প্ৰান্তৰ প্ৰতিটো ঘটনাৰ তথ্য তথা বিভিন্ন ইচ্ছা সম্পৰ্কে অৱগত কৰে। বিশ্বায়ণে গণমাধ্যমৰ জড়িয়তে জীৱন যাপনৰ শৈলী পৰিবৰ্তন কৰিছে। গণমাধ্যমৰ অংশসমূহ হৈছে— ইণ্টাৰনেট, ৰেডিঅ, মেগাজিন, বাতৰি কাকত আৰু টেলিভিশ্বন।

গোটেই বিশ্বখনকে ইণ্টাৰনেটে একেবাৰে সৰু কৰি পেলাইছে। ইণ্টাৰনেটৰ জড়িয়তে মানুহৰ যোগাযোগ শক্তিশালী হোৱাৰ লগতে বিভিন্ন ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব আৰু স্বপৰিধি অৱসান ঘটাই তথ্য আৰু প্ৰযুক্তিৰ ক্ষেত্ৰখনকে আৰবি ধৰে। ইণ্টাৰনেটৰ জড়িয়তে ঘৰতে বহি মানুহে দেশৰ খা-খবৰ লোৱাৰ উপৰিত্ত যিকোনো প্ৰান্তৰ মানুহৰ তথ্য আহৰণ কৰিব পাৰে। ইণ্টাৰনেটৰ জড়িয়তে ঘৰতে বহি মানুহে আজি কালি যি কোনো বস্তু Order কৰি ঘৰতে ল'ব পাৰে।

ৰেডিঅৰ জড়িয়তে মানুহে ঘৰতে বহি দেশৰ খা-খবৰ ল'ব পাৰে। ঠিক তেনেদৰে টেলিভিশ্বনৰ জড়িয়তে মানুহে দেশৰ খা-খবৰ লোৱাৰ উপৰিও সমগ্ৰ বিশ্বতে নেটৱৰ্ক গঢ়ি তুলিছে। বাতৰি কাকতৰ যোগেদি দেশৰ খা-খবৰ ল'ব পৰা যায় আৰু মেগাজিনৰ জড়িয়তে পুৰণা বস্তু তাত ফুটাই তুলিব পাৰি। মেগাজিনত কবিতা, কাহিনী আদি দিব পাৰি।

৪। বেচৰকাৰী (Non Government Organisation) ঃ— সমাজৰ সুস্থ, শৃংখলাবদ্ধ তথা প্ৰণালীবদ্ধ প্ৰগতি আৰু বিকাশৰ সম উদ্দেশ্যে ব্যক্তিসমূহৰ সামূহিক প্ৰচেষ্টাত স্বৰূপিত স্বেচ্ছামূলক আনুষ্ঠানিক সংগঠনসমূহেই হৈছে বেচৰকাৰী সংগঠন (NGO)। এই বেচৰকাৰী সংগঠনসমূহ এনে কিছু সংগঠন যিসমূহে সমাজৰ বাহ্যিক আৰু আভ্যন্তৰত ঘটি থকা ঘটনাবোৰৰ অনুক্ৰম অনুধাৱন কৰি তাত সামাধানৰ স্বেচ্ছামূলক প্ৰচেষ্টা চলায়। এই সংগঠনসমূহ কোনো মুনাফা বা লাভ আদায়ৰ স্বাৰ্থত প্ৰতিষ্ঠিত সংগঠন নহয়। ইয়াৰ মুল উদ্দেশ্যই হৈছে সমাজৰ কল্যাণ সাধন কৰা। বেচৰকাৰী সংগঠনসমূহক বিশ্বৱেংকে সহায় আগবঢ়োৱাৰ উপৰিও ইয়াৰ সংজ্ঞা এনেদৰে আগবঢ়াইছে, ই এটা ব্যক্তিগত সংস্থা, যিটোৱে মানুহক যন্ত্ৰণাৰপৰা উপশম দিবলৈ চেষ্টা কৰে, দ্ৰৰিদ্ৰসকলৰ অভিলাস পূৰণত সহায় কৰে, মুখ্য সামাজিক সেৱা প্ৰদান কৰে আৰু সামূহিক উন্নয়ন সাধন কৰে।

৫। আন্তৰ্জাতিক অভিকৰ্তাসমূহ (International Agencies) ঃ— কুৰি শতিকাৰ তৃতীয় দশকত বিশ্বৰ সৰ্বব্যাপী দেখা দিয়া অৰ্থনৈতিক মহাসংকট আৰু দ্বিতীয় বিশ্বযুদ্ধৰ অৱসানে সৃষ্টি কৰা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য বৃদ্ধিৰ প্ৰতিবন্ধকসমূহ আঁতৰাই বিশ্বৰ অৰ্থনৈতিক সুস্থিৰ আৰু সুচল কৰিবলৈ বিশ্ব সম্প্ৰদায় একেলগে হৈ আন্তৰ্জাতিক সহযোগিতাৰে জন্ম দিলে বিশ্বমানৰ কেইটামান আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক সংস্থাৰ।

৬। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (International Monitary Fund) ঃ— বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত দ্ৰব্য সামগ্ৰী আৰু সেৱাৰ আমদানি আৰু ৰপ্তানিৰ মাধ্যমেদি ব্যৱসায়-বাণিজ্যৰ সুস্থ সবল আৰু সূচল সঞ্চালনাৰ বাবে গ্ৰহণ কৰা মুদ্ৰা নীতিয়েই হৈছে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা ব্যৱস্থা। প্ৰথম বিশ্বযুদ্ধৰ আগলৈকে এই আন্তৰাষ্ট্ৰীয় মুদ্ৰা ব্যৱস্থাই বিশ্বৰ প্ৰত্যেক দেশকেই দেশীয় বাণিজ্যক আৰু বিনিময়ৰ ভাৰসম্যতা ৰখাত সহায় কৰিছিল। ফলত বিশ্ব অৰ্থনীতি সুস্থিৰ ৰূপতেই আছিল। কিন্তু দুয়োখন বিশ্বযুদ্ধৰ শেষাৰ্ধত সৃষ্টি হ'ল আৰ্থিক মন্দাৱস্থা। যাৰ বাবে বিশ্বৰ বহুতো দেশেই বৈদেশিক বিনিময়ৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰিবলৈ বাধ্য হ'ল। দেশসমূহৰ এনে বাধ্যবাধতাই আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা ব্যৱস্থাৰ পূৰ্বৰ চলমান গতিত বাধা জন্মায় আৰু সমান্তৰালকৈ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য ক্ষিপ্ৰ হৈ পৰে। কোনো ৰাষ্ট্ৰ যদি কোনো সমস্যাত পৰে তেতিয়া সেই ৰাষ্ট্ৰখনক ঋণ প্ৰদান কৰে মুদ্ৰানিধিয়ে।

যি কি নহওক সাম্প্ৰতিক প্ৰেক্ষাপটত মুদ্ৰানিধিয়ে অৰ্থনৈতিক কাৰ্যসূচীৰে বিশ্বত বিশ্বায়নৰ সুস্থতা আৰু সবলতাৰ বাবে যিখিনি কাম কৰিছে তাৰ পৰাই প্ৰত্যয়জনকভাৱে কব পাৰি যে মুদ্ৰানিধি বিশ্বায়নৰ এক প্ৰয়োগিক অভিকৰ্তা।

একবিংশ শতিকাত সমাজৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ চিন্তাধাৰাৰো এক আমূল পৰিবৰ্তন হৈছে। সমগ্ৰ পৃথিৱীখনেই এখন সৰু গাঁৱলৈ পৰিবৰ্তন কৰিছে। ফলত মানুহৰ জীৱন যাপনৰ স্বৰূপো সলনি হৈছে। এনে ক্ষেত্ৰত সমাজ বিজ্ঞানীসকলৰো দায়িত্ব দিনক দিনে বৃদ্ধি পাই আছে। তেওঁলোকে নতুন চিন্তাৰে, নতুন দৃষ্টি ভংগীৰে সমাজখনক নতুন ৰূপত গঢ় দিবলৈ চেষ্টা কৰিব লাগে। মুঠৰ ওপৰত মানব চিন্তাৰ উত্তৰণৰ লগে লগে সমগ্ৰ বিশ্ববাসীক একেটা পৰিয়ালৰ সদস্য হিচাপে গ্ৰহণ কৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে।

□ □ □




# মোদী চৰকাৰৰ বিমুদ্ৰাকৰণ নীতি

মণিকা দেৱী
স্নাতক দ্বিতীয় ষান্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

**আৰম্ভণী ঃ—** ভাৰতত দীৰ্ঘকাল ধৰি ক্ষমতা দখল কৰি অহা কংগ্ৰেছ চৰকাৰক পৰাস্ত কৰি চন ২০১৪ চনত কেন্দ্ৰত নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন এন.ডি.এ. চৰকাৰ ক্ষমতালৈ অহাৰ লগে লগে এই চৰকাৰখনে স্বচ্ছ ভাৰত অভিয়ান, ডিজিটেল ইণ্ডিয়া আদিকে ধৰি ভিন্ন ধৰণৰ উন্নয়নমূলক কাৰ্যসূচীৰ জৰিয়তে দেশখনক উন্নতিৰ জখলালৈ নিবলৈ পদক্ষেপ গ্ৰহণ কৰি আহিছে। চৰকাৰখনে কলাধন সম্পৰ্কীয় কথাও সদনত মাজে সময়ে উত্থাপন কৰি আহিছে। কিন্তু হঠাৎ এদিন, অৰ্থাৎ ২০১৬ চনৰ ৮ নবেম্বৰ তাৰিখে নিশা ১২ বজাত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াদেৱে ঘোষণা কৰে ৫০০ আৰু ১০০০ টকীয়া নোট বন্ধ কৰা হ'ব। যিটো খবৰ দেশৰ বিভিন্ন সংবাদ মাধ্যমেৰে প্ৰচাৰ হোৱাৰ লগে লগে সমগ্ৰ দেশবাসী আতংকিত হৈ পৰিছিল। যি পৰিস্থিতিত দেশৰ সন্ত্ৰাসবাদী, দালাল আদিকে ধৰি ডাঙৰ ডাঙৰ উদ্যোগ প্ৰতিষ্ঠান, ব্যৱসায়ীসকলেও যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল।

**বিমুদ্ৰাকৰণ ঃ—** *বিমুদ্ৰাকৰণ বুলি কওঁতে সাধাৰণতে দেশখনত* মুদ্ৰাৰ অভাৱকে বুজোৱা হয়। যেতিয়া দেশ এখনত জনসাধাৰণৰ কাৰণে বিভিন্ন দ্ৰব্য সামগ্ৰী ক্ৰয় কৰাৰ বাবে আৱশ্যকীয় টকা-পইচাৰ অভাৱ হয় বা ৰাষ্ট্ৰ এখন পৰিচালনৰ বাবে টকাৰ পৰিমাণ কম হয়, তেতিয়া তাকে বিমুদ্ৰাকৰণ বুলি কোৱা হয়। যেতিয়া ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে ৫০০ আৰু ১০০০ টকীয়া নোট চলাচল বন্ধ কৰি দিয়ে, তাৰ লগে লগে ভাৰতত বিমুদ্ৰাকৰণৰ সৃষ্টি হয়। আচলতে ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে ভাৰতত বিভিন্ন ব্যক্তি, প্ৰতিষ্ঠান আদিৰ হাতত মজুত থকা কলা ধন উলিয়াই অনাৰ প্ৰচেষ্টাত ভাৰতৰ বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই হঠাতে এই বিমুদ্ৰাকৰণৰ নীতি হাতত লোৱা দেখা যায়।

**বিমুদ্ৰাকৰণৰ সুফল ঃ—** মোদী চৰকাৰে বিমুদ্ৰাকৰণৰ দৰে যি বিক্ষিপ্ত পদক্ষেপ গ্ৰহণ কৰিলে, সেয়া মোৰ দৃষ্টিকোণৰ ফালৰ পৰা এক অতি উল্লেখনীয় প্ৰচেষ্টা। যিহেতু বিমুদ্ৰাকৰণৰ মূল উদ্দেশ্যই আছিল দেশ-বিদেশত থকা কলাধন স্বদেশলৈ বা ৰাষ্ট্ৰলৈ ঘূৰাই অনা আৰু দুৰ্নীতিগ্ৰস্ত ধন জব্দ কৰা। যিয়ে দেশৰ দুখীয়া মানুহৰ কল্যাণ সাধিব পাৰে। সাধাৰণতে মোদী ডাঙৰীয়াৰ এই প্ৰচেষ্টাৰ জৰিয়তে দেশত চলি থকা দুৰ্নীতি হ্ৰাস কৰাৰ প্ৰয়াস দেখা যায়।


**বিমুদ্ৰাকৰণৰ কু-ফল ঃ—** এন.ডি.এ. চৰকাৰৰ দিনত চলা এই বিমুদ্ৰাকৰণৰ ফলত বহুতো লোকৰ মাজত টকা-পইচাক লৈ হাৰাশাস্তিত ভুগিব লগীয়া হৈছিল। কোনোবা দুখীয়া মানুহে খাবলৈ নাপাই মৃত্যুৰ মুখত পৰিব লগা হৈছিল। ডাঙৰ ডাঙৰ ক'লাধনৰ মালিকবোৰৰ চকুত টোপনি নোহোৱা হৈ পৰিছিল। যিহেতু সেই সময়ত দেশৰ বেংকবোৰত পইচা সলনি কৰাৰ বাবে এক নিৰ্দিষ্ট সময়সীমা বান্ধি দিয়া হৈছিল। যি পৰিস্থিতিত এদিনত এজন ব্যক্তিয়ে নিজৰ একাউণ্টত কেৱল মাত্ৰ নিৰ্দিষ্ট পৰিমাণৰ ধনহে জমা কৰিব তথা টকা সলনি কৰিব পাৰিছিল। যি ক্ষেত্ৰত সন্ত্ৰাসবাদী আৰু ক'লাধনৰ গৰাকীৰ মাজত অৰাজক পৰিস্থিতিয়ে দেখা দিছিল। সেয়ে তেওঁলোকে অৰ্জন কৰা দুই নম্বৰী ধন তথা কলাধনবোৰ বস্তাত ভৰাই ৰাষ্টা-ঘাট, নলা-নৰ্দমা, অন্যথা ডাষ্টবিনতো পেলাই যোৱা দেখা পোৱা গৈছিল। যিটো আজি অসমৰ ক্ষেত্ৰত বিশেষকৈ গুৱাহাটীত দেখা পাইছিলোঁ। আনকি কিছুমানে টকা উপায় বিহীন হৈ জুইতো পুৰি পেলাইছিল। ইয়াৰ প্ৰভাৱত কিন্তু দুখীয়া মানুহে বেয়াকৈ কষ্ট ভোগ কৰিব লগীয়া হৈছিল। বিশেষকৈ দিন হাজিৰা কৰি খোৱা ব্যক্তিসকলে কেতিয়াবা লঘোণে দিন কটাব লগীয়া হৈছিল। এই প্ৰভাৱ কেৱল



দুখীয়া মানুহৰ ওপৰতে নহয় চৰকাৰী কাম-কাজৰ ওপৰতো পৰিছিল। দেশত নতুন ৫০০ আৰু ২০০০ টকীয়া নোট অতি ক্ষীপ্ৰতাৰে ছপা কৰা হৈছিল যদিও দেশৰ বেংকবোৰত যথেষ্ট পৰিমাণে নথকাৰ বাবে জনসাধাৰণে অশেষ কষ্টৰ সন্মুখীন হ'ব লগীয়া হৈছিল। ফলত দেশবাসীৰ মাজত এক অৰাজকতাই বিৰাজ কৰিছিল। বৰ্তমানেও দেশত ইয়াৰ প্ৰভাৱ সম্পূৰ্ণৰূপে আঁতৰি যোৱা নাই। দেশৰ নিম্ন শ্ৰেণীৰ মানুহক আৰু বেয়া ফাললৈহে নিয়া পৰিলক্ষিত হয়। কাৰণ দুখীয়াৰ বাবে পঠিওৱা যিকোনো আঁচনিৰ ধন আমোলাতন্ত্ৰই সৰহভাগ আত্মসাত কৰে।

**চিলাপথাৰ অঞ্চলত বিমুদ্ৰাকৰণৰ প্ৰভাৱ ঃ—** নৰেন্দ্ৰ মোদী চৰকাৰৰ নেতৃত্বত চলা বিমুদ্ৰাকৰণৰ প্ৰভাৱে ক্ষুদ্ৰ চহৰ চিলাপথাৰকো বৰ বেয়াকৈ চুই গৈছিল। কাৰণ আমাৰ ধেমাজি জিলাৰ অন্তৰ্গত চিলাপথাৰ চহৰখনত বিশেষকৈ গাঁৱত উৎপাদিত সামগ্ৰীসমূহৰ দ্বাৰা চলা এক বাণিজ্যিক কেন্দ্ৰ। যিহেতু গাৱত উৎপাদিত শাক-পাছলি, সৰিয়হ, মাটিমাহ, হালধি, আদা, নহৰু, কবি, আলু, তামোল-পাণ, জালুক, হাঁহ-কুকুৰা, গৰু-ছাগলী, কাঁঠ, বাঁহ-বেত আদি বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া লোকৰ সংখ্যাই সৰহ। গতিকে চহৰখনত হঠাৎ বিমুদ্ৰাকৰণৰ প্ৰভাৱ পৰাত গাঁৱৰ তথা চহৰখনৰ মানুহবোৰৰ মাজত এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হৈছিল। দ্ৰব্য-সামগ্ৰীৰ আমদানি-ৰপ্তানিও খুব কম পৰিমাণে হোৱা পৰিলক্ষিত হয়। ফলত মানুহৰ নিত্য প্ৰয়োজনীয় বস্তুসমূহৰ নাটনিৰ সৃষ্টি হয়। তদুপৰি, গাঁৱলীয়া সমাজত উৎপাদিত দ্ৰব্য সামগ্ৰীসমূহৰ কিনোতা নাইকিয়া হোৱাত গাঁওসমূহত বিমুদ্ৰাকৰণৰ প্ৰভাৱে বেয়াকৈ ক্ষতি সাধন কৰিছিল।

**সামৰণি ঃ—** ২০১৬ চনত ভাৰতীয় কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা বিমুদ্ৰাকৰণৰ ফলত ভাৰতৰ জনসাধাৰণ, উদ্যোগ আৰু বাণিজ্যিক প্ৰতিষ্ঠানসমূহত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছিল যদিও চৰকাৰৰ তৎপৰতাত এই সমস্যা অতি কম দিনৰ ভিতৰতে সমাধান হৈছিল। চৰকাৰে যি উদ্দেশ্যে এই বিমুদ্ৰাকৰণ নীতি গ্ৰহণ কৰিছিল তাৰ সম্পূৰ্ণ সু-ফল লাভ নহ'লেও ইয়াৰ প্ৰভাৱ ৰাষ্ট্ৰখনত নোহোৱা নহয়। এই নীতিৰ ফলত বিশেষকৈ কলাধনৰ গৰাকীসকলে আগত যেনেদৰে কলাধন সংগ্ৰহ কৰিছিল, বৰ্তমান কিঞ্চিৎ হলেও তাৰ পৰিমাণ হ্ৰাস হৈ অহা পৰিলক্ষিত হৈছে। গতিকে ভাৰতৰ অৰ্থনীতিত এই বিমুদ্ৰাকৰণে কেনেদৰে প্ৰভাৱ পেলাব সেয়া সময়েহে ক'ব। □ □ □



# সাম্প্ৰতিক সময়ত শৰাইঘাট যুদ্ধৰ প্ৰাসংগিকতা

টংকেশ্বৰ পেগু
স্নাতক পঞ্চম ষাম্মাসিক, বুৰঞ্জী বিভাগ

লুইতৰ পানী বৈ থাকে মানে শৰাইঘাটৰ যুঁজৰ তাৎপৰ্য আৰু বীৰত্বৰ কথা অসমৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি থাকিব। এই শৰাইঘাটৰ যুঁজতে অসমীয়া সৈন্য আৰু সেনাপতিৰ কৰ্মদক্ষতা, সময় অনুযায়ী কৰ্তব্যবোধ, আভ্যন্তৰীণ শৃংখলা প্ৰকাশ আৰু সবাতোকৈ গুৰুত্বপূৰ্ণ অদম্য দেশপ্ৰেমৰ চানেকি প্ৰতিফলিত হোৱা দেখা যায়। সততে জাগ্ৰত অসমীয়া জাতিক সময়োপযোগী দায়িত্ববোধ, কৰ্মনিষ্ঠা আৰু যুঁজাৰু মানসিকতাৰ উৎকৃষ্ট নমুনা শৰাইঘাটৰ যুদ্ধত উজলি উঠিছে। জাতীয় চেতনাক জগাই তুলিবলৈ শৰাইঘাটৰ যুদ্ধৰ কাহিনীয়ে যথেষ্ট যাৰ পৰা আমি শিক্ষা ল'ব পাৰো।

এতিয়া লাচিতৰ দিনৰ শৰাইঘাট নাই, কিন্তু আন এখন শৰাইঘাট হ'লে আছে। এইখন শৰাইঘাট সংঘবদ্ধ হৈ সদৌ অসমীয়া দেশ ৰক্ষাৰ মন্ত্ৰত একমুখী হোৱাৰ আৱশ্যকতা আছে। অতীতৰ শৰাইঘাটৰ সমস্যাবোৰ আছিল সামৰিক। এতিয়াৰ

সমস্যাবোৰ হ'ল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক। অসমৰ সমস্যাৰ অন্ত নাই আৰু অন্ত নপৰে। প্ৰতি বছৰে বানপানীৰ দুৰ্যোগ, খৰাং বতৰৰ দুৰ্যোগ, মাৰি মৰক, ভূমিকম্প, ওচৰ চুবুৰীয়া ৰাজ্যৰ আক্ৰমণ, বিদেশী প্ৰব্ৰজনৰ সমস্যা আদি এনে ধৰণৰ এশ এবুৰি সমস্যাই অসমৰ সাধাৰণ জনসাধাৰণক কোঙা কৰি পেলাইছে। মুঠতে কিছুমান সমস্যাৰ অন্ত পেলালে আন কিছুমান সমস্যাই মূৰ দাঙি উঠে। গতিকে আমি ক'ব পাৰো যে অসমৰ সমস্যাৰ অন্ত নাই। এয়াই হৈছে অসমৰ জাতীয় জীৱনৰ চিৰন্তন পটভূমি। এই সমস্যাবোৰৰ ভালদৰে সমাধান নহ'লে অসমৰ অস্তিত্বক লৈ টনা-টনি হ'ব। মহাবীৰ লাচিত বৰফুকন আৰু তেওঁৰ লগৰ মহাৰথীসকলে যি মনোবৃত্তি আৰু একাগ্ৰ দেশপ্ৰেমেৰে সেই কালৰ সমস্যা সমাধান কৰিছিল, সাম্প্ৰতিক সময়ত তাৰ বিপৰীত চিত্ৰহে প্ৰতিফলিত হোৱা দেখিবলৈ পাওঁ। কিয়নো সাম্প্ৰতিক সময়ত নেতা-পালিনেতাসকলে দেশৰ সমস্যা সমাধানৰ পথ লোৱাতকৈ ব্যক্তিগত সম্পত্তিৰ পাহাৰ গঢ়াৰ ওপৰতহে নিজক ব্যস্ত কৰি ৰাখে। এনেবোৰ নেতা-পালিনেতা থকাৰ কাৰণে ভাৰতবৰ্ষ উন্নতিৰ শিখৰত আগুৱাব পৰা নাই। লাচিতে যি আদৰ্শ, মনোবৃত্তি আৰু একাগ্ৰ দেশপ্ৰেমেৰে কাম কৰিছিল তেনে ধৰণৰ মনোবৃত্তি আমাৰ প্ৰতি মুহূৰ্তত আৱশ্যক।

শৰাইঘাটৰ যুদ্ধ ১৬৭১ চনত হৈছিল। মোগল সাম্ৰাজ্যৰ ৰজা ৰামসিংহৰ নেতৃত্বত আৰু আহোম ৰজা লাচিত বৰফুকনৰ নেতৃত্বত। এই যুদ্ধ ব্ৰহ্মপুত্ৰৰ শৰাইঘাটত (বৰ্তমান গুৱাহাটীত) হৈছিল। আহোম সৈন্য মোগল সৈন্যৰ সন্মুখত দুৰ্বল আছিল যদিও গৰীলা যুদ্ধ, কূটনীতি আৰু সামৰিক শক্তিৰ উপযুক্ত ব্যৱহাৰ কৰি মোগল সৈন্যক পৰাস্ত কৰে। মোগলৰ নৌ সেনা দুৰ্বল আছিল আৰু আহোম সৈন্যই ইয়াৰ বহু সুবিধা গ্ৰহণ কৰিছিল। এই যুদ্ধৰ দ্বাৰাই মোগল সৈন্যই অন্তিম বাৰৰ বাবে অসমলৈকে নিজৰ সাম্ৰাজ্য বিস্তাৰিত কৰাৰ প্ৰচেষ্টা কৰিছিল। ইয়াৰ পিছত মোগলে গুৱাহাটী অধিকাৰ কৰিছিল যদিও ১৬৮২ চনত আহোমে গুৱাহাটী নিজৰ অধীনলৈ আনে। তাৰ পাছৰ পৰাই অসমত আহোমৰ ৰাজত্ব শেষ হোৱালৈকে নিজৰ অধীনত ৰাখে।

**শৰাইঘাট যুদ্ধৰ পটভূমি ঃ**

১৬০২ চনত ঢাকাৰ নবাবে পশ্চিম অসমৰ ধুবুৰীৰ ৰজা পৰিক্ষীত নাৰায়ণক আক্ৰমণ কৰে। এনেদৰে অসম ৰাজ্যলৈকে মোগল সাম্ৰাজ্য বিস্তৃত কৰিবলৈ মোগলসকলৰ আগ্ৰহ জন্মে। পৰিক্ষীতৰ ভাতৃ বুলি নাৰায়ণক আহোমে সুৰক্ষা দিছিল। সেয়ে ১৬১৫ চনত আহোম ৰজা প্ৰতাপ সিংহৰ ৰাজত্ব কালত মোগলে অসম আক্ৰমণ কৰিছিল। ১৬৩৯ চনত এই যুদ্ধৰ মীমাংসা ৰূপে আহোম মোগলৰ মাজত অসুৰৰ আলিৰ সন্ধি হয়। এই সন্ধি মতে উত্তৰে বৰনদী আৰু ব্ৰহ্মপুত্ৰৰ দক্ষিণে অসুৰৰ আলি আহোম আৰু মোগলৰ সীমা নিৰ্ধাৰিত কৰা হয়। ১৬৪১ চনত কোঁচ ৰজা পাণ্ডুত পৰাজিত হয়। ফলস্বৰূপে, কামৰূপ (গুৱাহাটি) আৰু হাজো মোগলৰ অধীনলৈ যায়।

১৬৫৮ চনত মোগল সম্ৰাট চাহজাহানৰ পতন ঘটে। সেই সুযোগতে কোঁচ বিহাৰৰ ৰজা প্ৰাণ নাৰায়ণে হাজো দখল কৰাৰ চেষ্টা কৰে। কিন্তু আহোমৰ ৰজা জয়ধ্বজ সিংহই গুৱাহাটী দখল কৰি তেওঁক ধুবুৰীলৈকে খেদি পঠিয়াই। ইয়াৰ পিছত ঔৰংগজেৱ মোগলৰ ৰাজপাটত উঠে। ১৬৬০ চনত মীৰজুমলা বেঙ্গলৰ চুবেদাৰৰ পদত অধিস্থিত হয়। তেওঁক অসম দখল কৰিবলৈ কোৱা হৈছিল। মীৰ জুমলাই ১৬৬১ চনত আহোম ৰাজ্য আক্ৰমণ কৰে আৰু আহোম সৈন্যক কেইবাটাও সংঘৰ্ষত পৰাস্ত কৰে। অৱশেষত মোগলে আহোমৰ ৰাজধানী গড়গাঁও দখল কৰে। কিন্তু অতন বুঢ়াগোহাঁইৰ দগ্না যুদ্ধ আৰু নেৰানেপেৰা বৰষুণৰ ফলত মোগল সৈন্যৰ মাজত যোগাযোগ বিচ্ছিন্ন হোৱাৰ বাবে মীৰজুমলাই অসমখন মোগলৰ অধীনলৈ নিব নোৱাৰিলে। এই কথা আহোম ৰজা জয়ধ্বজ সিংহই জনা নাছিল আৰু তেওঁ মীৰজুমলাৰ লগত শান্তিৰ বাবে সন্ধিৰ প্ৰস্তাৱ দিয়ে। অৱশেষত ১৬৬৩ চনত আহোম আৰু মোগলৰ মাজত ঘিলাঝাৰীঘাট সন্ধি হয়। এই সন্ধিমতে গড়গাঁও পুনৰ আহোমৰ অধীনলৈ আহে।

**আহোম যুদ্ধলৈ প্ৰস্তুতিঃ**

মীৰজুমলাৰ হাতত পৰাস্ত হৈ জয়ধ্বজ সিংহই হতাশাত মৃত্যুবৰণ কৰে। ইয়াৰ পাছত চক্ৰধ্বজ সিংহ আহোম ৰাজপাটত উঠে। ইয়াৰ পাছতেই তেওঁ আহোম ৰাজ্যৰ উন্নতি সাধন কৰে। যিসকল লোক মীৰজুমলাৰ আক্ৰমণত ক্ষতি হৈছিল, তেওঁলোকক পুনৰ সংস্থাপন দিয়ে। ৰাজ্যৰ খাদ্য আৰু সামৰিক বাহিনীৰ উন্নতি কৰা হ'ল। নতুন দুৰ্গ আৰু সুৰক্ষিত স্থান নিৰ্মাণ কৰা হ'ল আৰু লাচিত বৰফুকনৰ নেতৃত্বত এটা সুদক্ষ সামৰিক বাহিনী গঠন কৰা হয়। জয়ন্তীয়া আৰু কছাৰী ৰাজ্যৰ সৈতে পুনৰ মিত্ৰতা স্থাপন কৰা হ'ল। এই সময়ছোৱাত মোগলৰ দাবীসমূহ আহোমসকলে তিৰস্কাৰ কৰিবলৈ ল'লে। ১৬৬৭ চনত গুৱাহাটীৰ নতুন ফৌজাদাৰ ফিৰোজ খানে বিষয়টো গুৰুত্ব সহকাৰে ল'লে। তেওঁ এই দাবী পূৰণ কৰিবলৈ আহোম সকলক জোৰ কৰে। অৱশেষত ১৬৬৭ চনৰ আগষ্টত লাচিত বৰফুকন

আৰু অতন বুঢ়াগোহাঁই লগ হৈ গুৱাহাটী পুনৰ দখল কৰিবলৈ আগবাঢ়ি যায়।

**আহোমৰ গুৱাহাটী পুনৰ দখলঃ**

লাচিতে পূৰ্বতে বৰফুকনৰ অধীনত থকা কলিয়াবৰত নিজৰ সেনাৰে চাউনি পাতিলে আৰু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গুৱাহাটীৰ দিশে আগবাঢ়ি যায়। ১৬৬৭ চনৰ চেপ্তেম্বৰৰ প্ৰথম ভাগত ডেকা ফুকনে উত্তৰ পাৰৰ বাহবাৰী দখল কৰে। দক্ষিণপাৰত নাওশলীয়া ফুকন আৰু অন্যান্য সকলে মাটি আৰু পানী উভয়েদি আগবাঢ়ে। তেওঁলোকে কপিলী নদী আৰু গুৱাহাটীৰ মাজত বৰা কাজলী, সোণাপুৰ, পানীখেতি আৰু তিতামৰাৰ দুৰ্গ দখল কৰে। আহোমসকল গুৱাহাটী পায় আৰু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা পাচঁটা চৌকিৰ (উত্তৰ ফানাই বৰশী বোৱা, দক্ষিণ লতাশিল, জয়দুৱাৰ, ধৰমদুৱাৰ, দুৱাৰগুৰিয়া আৰু পাণ্ডু) লগত তেওঁলোকৰ সংঘৰ্ষ হয়। এই সংঘৰ্ষত আহোমৰ সামান্য ক্ষতি হ'ল যদিও অৱশেষত চাহ বুৰুজ আৰু ৰঙামহল দুৰ্গ দখল কৰে। আহোমে জয়দুৱাৰ আগুৰি ধৰে, পাণ্ডু দখল কৰে আৰু ইটাখুলিলৈ আগবাঢ়ি যায়। ইয়াৰ পিছত ইটাখুলি দুৰ্গত তেওঁলোকৰ সংঘৰ্ষ হয়। ১৬৬৭ চনৰ ৪ নৱেম্বৰত এই সংঘৰ্ষৰ আৰম্ভ হয়। যেতিয়া আহোমসকলে জখলা ব্যৱহাৰ কৰি দেৱাল পাৰ হৈ দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰে। আহোমে ইটাখুলি দুৰ্গ দখল কৰাৰ দুমাহৰ পিছত ১৬৬৭ চনৰ নৱেম্বৰৰ মাজভাগত ই ধ্বংস হয়। এই সংঘৰ্ষত বহুতো সৈন্যক হত্যা কৰা হয়। কিছুমানে আত্মসমৰ্পন কৰে আৰু আন কিছুমান পলাই যাবলৈ সক্ষম হয়। এই সময়তে মোগলৰ সেনাত কিছু নতুন সৈনিকে যোগদান কৰে। আৰু আহোমৰ ওপৰত প্ৰতিশোধ লবলৈ চেষ্টা কৰে। আহোমে নৌ সেনা ব্যৱহাৰ কৰি উমানন্দ আৰু বৰহাটৰপৰা মোগলৰ সেনা বাহিনীৰ চাউনী দখল কৰে। মোগলে মানাহমুখ (মানাহ নদীৰ উপনৈ) ক কিছু সময়ৰ বাবে নিজৰ দখলত ৰাখিছিল। কিন্তু তেতিয়া ফিৰোজ খানে আত্মসমৰ্পণ কৰে। আৰু আহোমে তেওঁক বন্দী কৰি ৰাখে। এনেদৰে আহোমে গুৱাহাটী পুনৰ দখল কৰে আৰু ৰাজ্যৰ সীমা পূৰ্বৰ মানাহলৈকে বঢ়াবলৈ সক্ষম হয়। ইয়াৰ কিছুদিন পিছতে ৰজা ৰামসিংহই বিশাল সৈন্যবাহিনী লৈ আহোমক আক্ৰমণ কৰে আৰু গুৱাহাটী পুনৰ দখল কৰে।

**মোগলৰ ৰাজকীয় অভিযানঃ**

১৬৬৭ চনৰ ১৯ ডিচেম্বৰত মোগল সম্ৰাট ঔৰংগজেৱক মোগলৰ পৰাজয়ৰ কথা জনোৱা হয়। লগে লগে তেওঁ ৰজা ৰামসিংহক গুৱাহাটী পুনৰ দখল কৰিবলৈ আদেশ দিয়ে। ১৯৬৭ চনৰ ২৭ ডিচেম্বৰত ৰামসিংহই দিল্লী এৰে আৰু ১৬৬৯ চনৰ ফেব্ৰুৱাৰীত ৰঙামাটীত উপস্থিত হয়। ইয়াত গুৱাহাটীৰ পূৰ্বৰ ফৌজাদাৰ ৰছিদ খাঁ আৰু শিখ গুৰু টেগ বাহাদুৰেও পাটনাৰ পৰা সহায় আগবঢ়ায়। ৰামসিংহৰ দলত ৪,০০০ অশ্বাৰোহী সৈন্য, ১,৫০০ আৰ্ছাৰী আৰু ৫০০ সৈন্য আছিল। ঔৰংগজেৱৰ দলৰ লগত ৩০,০০০ পদাতিক সৈন্য, ২১ জন ৰাজপুত বিষয়া, ১৮,০০০ অশ্বাৰোহী সৈন্য, ২০০০ ধনুৰ্ধৰ আৰু ৪০ খন জাহাজ লগত যোগ দি আহোম ৰাজ্য দখল কৰিবলৈ পঠিয়ায়।

**আহোমৰ কুটনৈতিক পৰিকল্পনা আৰু মোগলৰ আক্ৰমণঃ**

অশ্বাৰোহী সেনা আৰু মুক্ত ঠাইত মোগল সেনা শক্তিশালী হোৱাৰ বিপৰীতে আহোমসকল দুৰ্বল আছিল। সেয়ে লাচিত আৰু অন্যান্য বিষয়াসকলে সমতল অঞ্চলত যুদ্ধৰ প্ৰস্তুতি কৰিছিল। গুৱাহাটীক যুদ্ধক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰা হয়। কাৰণ গুৱাহাটী পাহাৰীয়া অঞ্চল আছিল। শৰাইঘাটত আহোমসকলে নৌসেনাৰ দ্বাৰা মোগলৰ লগত যুঁজিবলৈ প্ৰস্তুত কৰিছিল। মোগল সৈন্য কিমান দূৰ আগবাঢ়িছে সেই বিষয়ে জানিবলৈ লাচিতে গুৱাহাটীত গড় নিৰ্মাণ কৰাইছিল। গড় নিৰ্মাণৰ বাবে লাচিতে মোমায়েকক দায়িত্ব দিছিল। কিন্তু কামত গাফিলতি কৰাৰ বাবে মোমায়েকক শিৰচ্ছেদ কৰিছিল। লাচিতে কৈছিল যে, "দেশতকৈ মোমাই ডাঙৰ নহয়।" ইয়াৰ পাছত একে ৰাতিৰ ভিতৰতে বনুৱাসকলে গড় নিৰ্মাণ কৰি উলিয়াইছিল। মোগলে আহি দেখিলে যে ইয়াৰ চাৰিও দিশৰপৰা গড় নিৰ্মাণ কৰা হৈছে। তেতিয়া তেওঁলোকে নৌ সেনা ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। মোগলৰ নৌ সেনা যথেষ্ট দুৰ্বল আছিল। ১৬৬৯ চনৰ মাৰ্চ এপ্ৰিলত মোগল মানাহ নদীলৈকে আগবাঢ়ি আহিল আৰু কেইবা ঠাইটো আহোম সৈন্যক পৰাস্ত কৰিলে। লাচিতে গুৱাহাটীলৈ পলায়ন কৰিবলৈ সিদ্ধান্ত ল'লে। তিনিজন ৰাজখোৱাক গুৱাহাটীলৈ মাতি মোগলৰ লগত যুঁজিবলৈ প্ৰস্তুত হ'বলৈ কোৱা হ'ল। মোগল গুৱাহাটীৰ ওচৰ পাই আগিয়াসুঁটিত চাউনি পাতিলেহি। তেতিয়া লাচিতে ৰামসিংহক চলনাৰে "ভাই ৰজা" বুলি কৈ যুদ্ধৰ মীমাংসা কৰিব বিছাৰিলে। কিন্তু মোগল আক্ৰমণৰ বাবে প্ৰস্তুত হোৱাত ফিৰোজ খানৰ হতুৱাই ৰাম সিংহলৈ লাচিতে বাৰ্তা পঠিয়ালে যে, গুৱাহাটী আৰু কামৰূপ মোগলৰ নহয়। কাৰণ, কোঁচৰ পৰা ইয়াক দখল কৰা হৈছে। ইয়াৰ বাবে অসমীয়া শেষ পৰ্যন্ত যুঁজিবলৈ প্ৰস্তুত আছে।

ইয়াৰ পাছত গুৱাহাটীত কেইবাবাৰো আহোম আৰু মোগলৰ মাজত সংঘৰ্ষ হ'ল। দুৰ্গসমূহ কেতিয়াবা আহোম অথবা

মোগলৰ অধীনত আছিল। এই যুদ্ধ সমূহত মোগল সৈন্যক চাৰিটা ভাগত ভাগ কৰা হয়।

১) উত্তৰপাৰ ঃ ৰামসিংহই নিজে নিয়ন্ত্ৰণ কৰিছিল।

২) দক্ষিণপাৰ ঃ আলি আকবৰ খান, মিৰ ছৈয়দ খান, ৰাজা ইন্দ্ৰমণি, ৰাজা জয়নাকায়ণ আৰু মৰল খানৰ অধীনত।

৩) সিন্ধীৰিঘোপা প্ৰৱেশদ্বাৰ ঃ জাহীৰ বেগ, কায়াম খান, ঈশ্বৰপতি আৰু কপিদান ৰজাই নিৰীক্ষা কৰি আছিল।

৪) নদী ঃ নৌ সেনাৰ বিষয়ত , কপিদান ৰজাই নিৰীক্ষণ কৰি আছিল।

এই সময়ত আহোমে গাৰো, জয়ন্তীয়া, নগা, দৰঙৰ ৰাণীৰ লগত বন্ধুত্ব স্থাপন কৰিলে। ১৬৬৯ চনৰ বাৰিষাত তেওঁলোকে যুদ্ধত যোগ দিছিল। আহোমৰ সৈন্যসকলক দুটা ভাগত ভাগ কৰা হয়।

১) উত্তৰপাৰ ঃ অতন বুঢ়াগোহাঁইৰ নেতৃত্বত।

২) দক্ষিণপাৰ ঃ লাচিত বৰফুকনৰ নেতৃত্বত।

দুয়োজন বিষয়াৰ অধীনত বহুতো পালি বিষয়া আছিল। ৰামসিংহৰ সৈন্যৰ যুদ্ধ নিৰীক্ষণ কৰি পালিসমূহক নিযুক্তি দিয়া হৈছিল।

১৯৬৯ চনত ঔৰংগজেৱে মোগল সেনাৰ দুৰ্গতিৰ বিষয়ে গম পালে। তেওঁ বেঙ্গলৰ চুবেদাৰ শ্ৰেষ্ঠা খানৰ হতুৱাই ৰামসিংহৰ সৈন্যত নতুন সৈন্য যোগ দিয়ালে।

**শৰাইঘাটৰ মূল যুদ্ধ ঃ**

সেই সময়ত মোগল সেনা আৰু ৰাজকীয় বিষয়া মোগল এডমাইৰেল মোন্নাৱৰ খান মোগল ভাইচৰয় শ্ৰেষ্ঠা খান ৰামসিংহৰ দলত যোগদান দিয়ে। ৰামসিংহক বাৰ্তা দিয়া হ'ল যে, তেওঁক অসমীয়াৰ সৈতে যুঁজিবলৈ পঠিওৱা হৈছে। বন্ধুত্ব গঢ়িবলৈ নহয়। ৰামসিংহই গুৱাহাটীত শেষ যুদ্ধৰ বাবে প্ৰস্তুতি কৰি উত্তৰপাৰে আগুৱাই যায়। শুৱালকুছিৰ ওচৰত তেওঁৰ লগত পাঁচজন চৰ্দাৰৰ নেতৃত্বত গোলন্দাজ সৈনিক আৰু ধনুৰ্ধৰ বাহিনীয়ে যোগ দিয়ে। মোগলৰ হাতত বহুতো ডাঙৰ ডাঙৰ নাও আছিল আৰু কিছুমানত ১৬টা লৈকে বৰটোপ কঢ়িয়াব পৰা গৈছিল।

আলাবৈত পৰাজিত হোৱাৰ পিছত আহোম সৈন্যসকল নিৰোৎসাহ হৈ পৰে। তেওঁলোকৰ বিষয়া লাচিত বৰফুকন আৰু এডমাইৰেল বেমাৰত ভুগি আছিল। সেয়ে মিৰি সন্দিকৈৰ পুত্ৰ নৰ ৰজাই আহোম সৈন্যৰ নেতৃত্ব দিছিল। অশ্বকান্তৰ ওচৰত মাটি আৰু পানী উভয়তে দুয়ো পক্ষৰ মাজত সংঘৰ্ষ লাগে।

লালুকসোলা বৰফুকনৰ নেতৃত্বত থকা সৈন্যই মোগল সৈন্যক পৰাজিত কৰিলে। তথাপি মোগলৰ নৌ-সেনাই আহোমৰ নৌ-সেনাক বৰশিলা (শৰাইঘাটৰ ওচৰত অৱস্থিত) লৈ পিছ হুহকি আহিবলৈ বাধ্য কৰালে। সেয়ে আহোম সৈন্যক ঘেৰী ধৰাৰ ভয়ত তেওঁলোকো পিছ হুহুকি আহিল। মোগল সৈন্য যেতিয়া আন্ধাৰবালি দিশে আগবাঢ়ি আহিল, তেতিয়া এই যুদ্ধখন সমাপ্ত হোৱা যেন পৰিলক্ষিত হৈছিল।। বৰফুকন আৰু নৰ ৰজাই সৈনিকসকলক উৎসাহিত কৰিবলৈ বাৰ্তা পঠিয়ালে। ইয়াতে আহোমৰ নৌ-সেনা কাজলি আৰু ছামধৰা লৈ পিছ হুহুকি অহাত তেওঁলোকৰ নেতৃত্ব দুৰ্বল হোৱা দেখা যায়। ইটাখুলি দুৰ্গৰ পৰা লাচিত বৰফুকনে নৰীয়া গা' ৰে এই সকলোবোৰ লক্ষ্য কৰি আছিল।

মোগল সৈন্য যেতিয়া আন্ধাৰবালি পাবৰ হ'ল তেতিয়া আহোম সৈন্য বিপদত পৰিলে। সেই সময়তে বৰফুকনে মোগলক মাটি আৰু পানী উভয়েৰে আক্ৰমণ কৰিবলৈ কটকীৰ হতুৱাই আহোম সৈন্যলৈ বাৰ্তা পঠিয়ালে। ইয়াৰ উপৰিও তেওঁ নিজৰ বাবে সাতখন যুদ্ধৰ নাও সাজু কৰিবলৈ আদেশ দিলে। এখন নাও তেওঁ যুদ্ধক্ষেত্ৰলৈ নিবলৈ আদেশ দিলে। তেওঁ চিঞৰি চিঞৰি আহোম সৈন্যক উদ্দেশ্য কৰি ক'লে, " বঙালৰ বিৰুদ্ধে যুঁজিবলৈ ৰজাই সকলো লোকৰ নেতৃত্বৰ ভাৰ মোৰ ওপৰত জাপি দিছে। মই মোৰ পৰিবাৰ আৰু মোৰ ল'ৰা-ছোৱালীৰ ওচৰলৈ উভতি যাম নেকি? লগত আৰু দুখন নাওঁত আহোম সৈন্যৰ সৈতে যুদ্ধলৈ আগবাঢ়ি যায়।

যুদ্ধক্ষেত্ৰত লাচিত বৰফুকনৰ আগমন ঘটাৰ পাছতে আহোম সৈন্যৰ উৎসাহ বাঢ়ি যায়। উত্তৰ পাৰে অগ্ৰাজুলিত মোগলৰ নৌ-সেনাক আহোমে আক্ৰমণ কৰে। ইটাখুলি, কামাখ্যা আৰু অশ্বকান্তত সৈন্য আৰু যুদ্ধৰ নাৱেৰে ভৰি পৰিল। আহোম সৈন্যই মোগলৰ সন্মুখ আৰু পিছ দুয়োফালৰ পৰা আক্ৰমণ কৰিলে। পিছফালৰ পৰা কৰা আক্ৰমণত মোগল এডমাইৰেল মুন্নাৱৰ খানৰ মৃত্যু হয়। ইয়াৰ পিছত মোগল সৈন্য ছেদেলি-ভেদেলি হৈ পৰে। মোগলৰ তিনিজন শীৰ্ষ আমীৰ আৰু ৪,০০০ সৈন্যৰ মৃত্যু হোৱাত মোগলৰ সৈন্য দুৰ্বল হৈ পৰে। শৰাইঘাটৰ এই মূল যুদ্ধখন ১৬৭১ চনৰ মাৰ্চ মাহৰ মাজ ভাগত হৈছিল। এই যুদ্ধখন কোনদিনাখন হৈছিল তাৰ বিষয়ে নিৰ্দিষ্টকৈ জনা নাযায়।

□ □ □




# ষ্টিফেন উইলিয়াম হকিং

বনজিৎ চুতীয়া
স্নাতক তৃতীয় যন্মাসিক, শিক্ষাতত্ত্ব বিভাগ

শাৰীৰিক বিকাৰগ্ৰস্ততা কেতিয়াও বিকাশ, সৃষ্টিশীলতা বা উন্নতিৰ অন্তৰাই হ'ব নোৱাৰে। কিয়নো মানুহৰ জিজ্ঞাসাৰ অন্ত নাই। জ্ঞান পিপাসু মনৰ অধিকাৰী মানৱ জাতিয়ে সেইবাবে অসাধ্যকো সাধন কৰি মানৱ সমাজলৈ আগবঢ়াইছে বহুতো অৱদান। সুস্থ ব্যক্তিসকলৰ কথা কিছু সুকীয়া। কিন্তু অতীজৰেপৰা আমি বৰ্তমান সময়লৈকে চকু ফুৰালে এনে কিছুমান মহান ব্যক্তিক দেখা পাওঁ যে যিসকল বিশেষভাবে সক্ষম বা শাৰীৰিকভাবে বিকাৰগ্ৰস্থ, কিন্তু সেই মহান ব্যক্তিসকলে আন আন সুস্থ বক্তিতকৈও বহু সময়ত অধিক অৱদান আগবঢ়ায়। এনে ব্যক্তিসকলৰ মাজত সকলোৰে পৰিচিত এজন মহান ব্যক্তি হ'ল পদাৰ্থবিদ আৰু অন্তৰীক্ষ বিজ্ঞানী Stephen W. Hawking। আমি সকলোৰে জ্ঞাত যে সাম্প্ৰতিক সময়ৰ মহান শ্ৰেষ্ঠ বিজ্ঞানীসকলৰ ভিতৰত Stephen William Hawking ৰ স্থান একেবাৰে শীৰ্যত।

**ষ্টিফেন উইলিয়াম হকিঙৰ জন্ম, শৈশৱ, পৰিয়াল আৰু শিক্ষানুষ্ঠান -**

দ্বিতীয় মহাযুদ্ধৰ মাজভাগত ১৯৪২ চনৰ ৮ জানুৱাৰীত ব্ৰিটেইনৰ অক্সফোৰ্ডত Stephen ৰ জন্ম হয়। পিতৃ ড° ফেংক হকিং আছিল এজন গৱেষক আৰু মাতৃ ইছাবেল ৰাজনীতিৰ লগত জড়িত আছিল। জন্মৰ সময়ত Hawking অন্য শিশুৰ দৰেই সুস্থ আছিল। অন্য শিশুৰ দৰেই সুস্থ দেহৰ অধিকাৰী হৈ জন্ম লাভ কৰিছিল। বৰঞ্চ অন্য শিশুতকৈ বহুত বেছি মেধা সম্পন্নহে আছিল। সেইবাবেই সৰু কালতেই Hawking ক ওচৰ চুবুৰীয়া লোকে আইনষ্টাইন বুলি মাতিছিল। ১৯৫০ চনত St. Alban's Schoolত তেওঁৰ পঢ়া আৰম্ভ কৰিছিল। বিদ্যালয়ত অধ্যয়নৰত অৱস্থাতেই Hawking ৰ মেধাশক্তিৰ বিষয়ে সকলোৰে জ্ঞাত হৈছিল। প্ৰচলিত আছে যে Hawking ৰ যেতিয়া বয়স 'ন' বছৰ আছিল তেতিয়াই তেওঁ ক্লাছৰ ভিতৰতে আটাইতকৈ বুদ্ধিয়ক আৰু মেধা সম্পন্ন ছাত্ৰ হৈছিল। Hawkingৰ আগ্ৰহৰ বিষয় আছিল বিজ্ঞান। তেওঁৰ দেউতাকৰ ইচ্ছা Hawking যেন তেওঁৰ দৰেই এজন ডাক্তৰ হয়। কিন্তু Hawking এ গণিত পঢ়াৰ সিদ্ধান্ত লৈছিল। তেওঁ ১৭ বছৰ বয়সত Oxford University ত নামভৰ্তি কৰে। বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা সময়ত দৈনিক কাৰ্যক্ৰম কৰি যোৱাত Hawking ৰ কিছু অসুবিধাৰ সৃষ্টি হৈছিল। এবাৰ তেওঁ বন্ধ দিনত ঘৰলৈ আহিছিল। তেতিয়াই তেওঁ ঘৰৰ ছিৰিৰ পৰা তললৈ নমাৰ সময়ত অচেতন হৈ তললৈ সৰি পৰিছিল। প্ৰথমে সকলোৱে সাধাৰণ শাৰীৰিক দুৰ্বলতা বুলি গুৰুত্ব দিয়া নাছিল। কিন্তু ইয়াৰ পিছত তেওঁ একেধৰণৰ সমস্যাত প্ৰায়ে ভুগি থকাৰ পিছত যেতিয়া ডাক্তৰৰ ওচৰত ভালকৈ পৰীক্ষা চলালে, তেতিয়া সকলো আচৰিত হৈছিল। কিয়নো Hawking ৰ এনে এবিধ বেমাৰ হৈছে যাৰ কোনো নিৰাময়ৰ উপায় নাই। অৰ্থাৎ, কোনো দিনেই সুস্থ হৈ নুঠা এবিধ ব্যাধি। এই ব্যাধিৰ নাম "Neuron Motor Disease"। এই বেমাৰৰ ফলত মানৱ দেহৰ মাংসপেশীবোৰক নিয়ন্ত্ৰণ কৰা সকলো স্নায়ু এফালৰ পৰা ক্ৰমে অকামিলা হৈ কাৰ্যক্ষম নোহোৱা হৈ পৰে। যাৰ ফলত সমগ্ৰ শৰীৰলৈ স্নায়ু প্ৰবাহ বন্ধ হৈ যায় আৰু সমগ্ৰ শৰীৰটো ক্ৰমে ক্ৰমে লৰচৰ কৰিব নোৱাৰা হৈ এটা সময়ত সম্পূৰ্ণ অকামিলা হৈ পৰে। যাৰ বাবে মানুহজনে উঠি-লৰি বা খোজ কঢ়ি ফুৰিবলৈ অসমৰ্থ হৈ ৰয়। ঠিক তেনেকুৱাই অনুৰূপ ঘটনা ঘটিল Hawking ৰ ক্ষেত্ৰতো। ডাক্তৰৰ মতে Hawking ৰ জীয়াই থকাৰ সম্ভাৱনা আৰু কেৱল দুইবছৰ। অৰ্থাৎ কেৱল দুবছৰ জীয়াই থাকিব বুলি ডাক্তৰে ভৱিষ্যৎ বাণী কৰিছিল। কথাষাৰ শুনি Hawking আচৰিত হৈছিল। কিন্তু সাধাৰণ ব্যক্তিৰ দৰে তেওঁ দুখত ভাগি নপৰিছিল। তাৰ পৰিবৰ্তে তেওঁ কৈছিল মোৰ এনেকৈ মৃত্যু হ'বই নোৱাৰে। কাৰণ মোৰ আৰু বহুত কৰণীয় আছে। দুখত ভাগি পৰাৰ সলনি তেওঁ এই বেমাৰ বিধক এক বৰদান বুলিহে ভাবিবলৈ ল'লে। এই বেমাৰ বিধ বিশেষকৈ ২৫ বছৰ মান বয়সৰ পৰাহে অধিক জটিল হবলৈ ধৰে। ২৫ বছৰ বয়সৰ আগলৈকে তেওঁ বহুতো কাম কৰিছিলেই। তেওঁ কেম্ব্ৰিজ

বিশ্ববিদ্যালয়ত গণিত বিভাগৰ প্ৰফেচাৰ আছিল। আৰু এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে তেওঁ গণিত বিভাগৰ যি পোষ্টত কাম কৰিছিল, সেই একেটা পোষ্টতে পূৰ্বতে ছাৰ আইজাক নিউটনেও কাম কৰিছিল। কিন্তু দুখৰ বিষয় এইটো যে তেওঁৰ শাৰীৰিক সমস্যাৰ বাবে এই কাম কৰাৰ দুবছৰৰ মান পিছতে এৰিব লগীয়াত পৰিছিল। কিয়নো তেওঁৰ শৰীৰটো Paralysis হৈ যোৱা আৰম্ভ হৈছিল। যেতিয়া তেওঁৰ ২৮ বছৰ মান হৈছিল, তেতিয়া তেওঁৰ শৰীৰটোৰ সম্পূৰ্ণ এফাল Paralysis হৈ পৰিছিল। ক্ৰমে আন অংগ প্ৰতঙ্গবোৰো এফালৰ পৰা বিকল হৈ পৰিছিল। ফলত তেওঁ এখন অতি উন্নত মানৰ Wheel Chair ৰ আশ্ৰয় ল'ব লগীয়া হ'ল। ইমানবোৰৰ মাজতো Hawking বিচলিত নহৈ তেওঁৰ মনটো সম্পূৰ্ণ ৰূপে বিজ্ঞানৰ মাজলৈ লৈ গ'ল। কিন্তু তেওঁৰ শৰীৰটোৱে ক্ৰমান্বয়ে তেওঁৰ সংগ এৰিছিল আৰু ৩২ বছৰ বয়সত তেওঁ মুখেৰেও কথা কব নোৱাৰা হৈ পৰিল। অৱশেষত ভগবানে তেওঁক বাক শক্তিৰ পৰাও বঞ্চিত কৰিলে। সেই সময়ত আন বহুতো বিজ্ঞানীয়ে লগহৈ এখন এনে Wheel Chair নিৰ্মাণ কৰিলে। যিখন Wheel Chair ৰ সন্মুখ ভাগত এনে এটা কম্পিউটাৰ লগোৱা আছিল, যিটোৱে Hawkingৰ অতি সৰু সৰু অংগী-ভংগীৰ অৰ্থ বুজি পাইছিল। এনেদৰেই বহু কষ্টৰ মাজেৰে Hawkingৰ জীৱন আৰু তেওঁৰ বিজ্ঞানৰ গৱেষণা কাম চলি গৈ থাকিল। কিন্তু এই Wheel Chair তে বহি Hawkingএ এনে কিছুমান অৱদান আমাক দি গ'ল যাৰ বাবে Hawking আমাৰ মাজত সদায় অমৰ হৈ ৰ'ব। তেওঁ এই Chairত বহিয়েই এখন বিখ্যাত গ্ৰন্থ "A Brief History of Time" লিখিছিল। এই গ্ৰন্থখন সমগ্ৰ পৃথিৱীতেই জনপ্ৰিয় হৈছিল। গ্ৰন্থখনৰপৰা তেওঁ এই পৃথিৱীৰ সম্পৰ্কে, বহিঃজগতৰ সম্পৰ্কে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। গ্ৰন্থখনত তেওঁ উল্লেখ কৰিছিল যে এই পৃথিৱী সৃষ্টি হোৱাৰ ধাৰণা আৰু ভৱিষ্যতে কিমান দিনলৈ পৃথিৱীখন থাকিব। তেওঁ বুজাবলৈ চেষ্টা কৰিছিল এই বিশ্ব-ব্ৰহ্মাণ্ডৰ কেৱল পৃথিৱীতে জীৱ আছে নে আন গ্ৰহটো আছে। পৃথিৱীৰ আয়ুস কিমান? Hawking ৰ মতে পৃথিৱীৰ পৰা হয়তো জীৱ আৰু ৭০০-১০০০ বছৰৰ পিছত শেষ হৈ যাব।

Hawking ৰ কৰ্মজীৱন বুলি ক'লে তেওঁ প্ৰধানকৈ বিশ্বব্ৰহ্মাণ্ডৰ মৌলিক সূত্ৰসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ৰ'জাৰ পেনৰজৰ সৈতে তেওঁ প্ৰমাণ কৰি দেখুৱাইছিল যে আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সূত্ৰই দৰ্শাই যে মহাকাশৰ আৰম্ভণি হয় বিগ বেঙ তত্ত্ব (Big-Bang Theory) ৰ জৰিয়তে আৰু সমাপ্তি হয় কৃষ্ণ গহ্বৰ (BLACK HOLE)ত। মৃত্যুৰ পূৰ্বলৈকে তেওঁ "চেন্টাৰ ফৰ থিয়ৰিটিকেল কচমলজি, কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক হিচাপে কাৰ্য নিৰ্বাহ কৰি আহিছিল।

**Hawking এ লাভ কৰা বঁটা সমূহ ঃ—**

(ক) এলবাৰ্ট আইনষ্টাইন বঁটা। (১৯৭৯)

(খ) ৱল্ফ পুৰস্কাৰ। (১৯৮৮)

(ক) কপ্লি মেডেল (২০০৬)

(ক) প্ৰেচিডেন্টচিয়েল মেডেল অফ্ ফ্ৰিডম (২০০৯)

**Hawking বিখ্যাত হোৱাৰ ৩ টা প্ৰধান কাৰণ ঃ—**

(১) Hawking Radiation.

(২) Singularity Theorems.

(৩) A Brief History of time.

**তেওঁৰ গ্ৰন্থৰাজি ঃ—**

(১) The large scale structure of spacetime with GRF Ellis.

(২) General Relativity : An Einstine Centenary Survey with W. Israel and 300 years of gravity with W. Israel.

(৩) A Brief History of Time.

(৪) Black Holes and Baby Universe and other Essays.

(৫) George's Secret key to the Universe.

Stephen Hawking কেৱল এজন মহান বিজ্ঞানীয়েই নহয়। তেওঁ সমগ্ৰ মানৱ জাতিৰ এক আদৰ্শ হৈ ৰ'ল। আমাৰ বাবে এক প্ৰেৰণাৰ উৎস হ'ল Hawking। মটৰ নিউৰণৰ দৰে এক ভয়ানক ব্যাধিৰ দ্বাৰা আক্ৰান্ত হৈও নিজস্ব শক্তি আৰু সাধনাৰে বিজ্ঞান জগতত এক চমৎকাৰী সত্ত্বা হিচাপে নিজকে উপস্থাপন কৰি তেওঁ ইয়াকে প্ৰমাণ কৰিলে যে শাৰীৰিক বিকাৰ গ্ৰস্ততা কেতিয়াও বিকাশৰ অন্তৰাই হ'ব নোৱাৰে। তেওঁ আমাৰ সকলোৰে বাবে প্ৰেৰণাৰ উৎসহৈ ৰ'ব। এইজনা মহান বিজ্ঞানী Stephen William Hawking ৰ দেহাৱসান ঘটিছিল ২০১৮ বৰ্ষৰ ১৪ মাৰ্চত। এই ১৪ মাৰ্চ দিনটো আকৌ এলবাৰ্ট আইনষ্টাইনৰ মৃত্যু দিন। এনে সংযোগ কেৱল মহান ব্যক্তিসকলৰ ক্ষেত্ৰতহে সংঘটিত হয়। সেইবাবেই তেওঁ সকলো দিশৰপৰাই এজন মহান ব্যক্তি। আজি Stephen W. Hawking আমাৰ মাজত নাই সঁচা, কিন্তু তেওঁৰ কৰ্মোদ্যম, অধ্যাৱসায়, ত্যাগ আৰু কষ্ট আমাৰ মাজত থাকি গ'ল আৰু সদায় থাকি যাব। এই মৃত্যু জিনা মহান বিজ্ঞানী Stephen W. Hawking ক সমগ্ৰ পৃথিৱীয়ে মনত ৰাখিছে আৰু সদায় ৰাখিব। তেওঁ থাকি যাব আমাৰ নৱ প্ৰজন্মৰ হৃদয়ত অনুপ্ৰেৰণা হিচাপে। □ □ □

# Mulk Raj Anand and the Plight of Untouchability

**Dr. Jai Ram Jha**
Associate Professor, Former HoD,
Department of English

There is no question that Mulk Raj Anand has fashioned with Untouchable a novel that articulates the abuses of an exploited class through sheer sympathy in the traditionalist manner of the realist novel. He is, indeed, the "fiery voice," of those people who form the Untouchable caste. Yet if the goal of the writer, as Anand himself states, is to transform "words into prophecy," then the reader's struggle for meaning in the closing scenes of the novel become problematic and contestatory. It is reasonable to assume — and as I would argue, it is implied — that Anand has ventured to address a specific question with writing Untouchable; this is, how to alleviate the exploitation of the untouchable class in India? He then proceeds to address this question through the dramatization of Bakha, the novel's central character. Having said this — and taking into account Anand's notion of the novel as prophesy — I will argue that the author has failed to fully answer the question he has set before him. In fact, by posing such a question, the possibility of an altruistic solution becomes blurred. Furthermore, the three "prophecies" or solutions posited by the novel — the rhetoric of the Christian Missionary, Mahatma Gandhi, and the poet Iqbal Nath Sarshar — fail to present a prescription for freedom accessible to the untouchable community.



In order to articulate the meaning of the last section of Untouchable fully, it is important to analyze the construction of Bakha, the protagonist, since his own distinct and honest, though often confusing, gaze objectifies his society. The last passage in the novel is an appropriate place to begin:

"He began to move. His virtues lay in his close-knit sinews and in his long breath sense. He was thinking of everything he had heard though he could not understand it all. He was calm as he walked along, though the conflict in his soul was not over, though he was torn between his enthusiasm for Gandhi and the difficulties in his own awkward." (Untouchable, 157;)

Anand chooses to close the final scene of his novel by appropriating the inner conflict of Bakha and juxtapose "enthusiasm" with "naiveté" There seems to be an inherent, even subtle, irony in describing Bakha in this manner. On one hand, it carries a strong sense of hope, of self-awareness, of self-appropriation of the individual within the greater scheme of Hindu society. There is a strong indication that what Bakha has endured throughout his day's journey has had an enormous effect on the way he appropriates himself within his own culture. The novel thus ends on a

somewhat positive note, with the image of Bakha going home and telling — actually vocalizing — his story in the hopes that some sort of resolution, or at the very least, some emergence of understanding will occur.

Conversely, though, Anand chooses to show him as naive. This is, perhaps, wherethe inherent problem lies within the text, the construction of Bakha himself. ThoughBakha is a young protagonist (or perhaps, anti-protagonist), he is far from being an innocent child. Yet he is constructed with such a damming perception of innocence — an uneducated victim of his community's frustration — that he does not fit into the confines of a traditional hero. This is primarily because for him there is no solid gratification or inner resolution gained by the obstacles he is faced with during his day. Furthermore, as E.M. Forester points out in the novel's preface, the reader has every indication that the next day, and the day after that, will be identical to the first. If anything, then, his only heroism lies in his ability to survive the actual day's events; but that too is circumstantial. His survival does not rely so much on his inner strength as an individual, but rather it is dependent on the action of the others that surround him, namely those individuals of higher caste standing. It is a character like Charat Singh, for example, that determines his survival depending on the degree of pity he is willing to dispense at any particular moment. Anand creates a character in search of his own identity within the very structure that has eliminated the possibility of him having one. The conflict within Bakha is demonstrated repeatedly throughout the text, yet it is in the opening pages of the novel that the reader identifies with Bakha's search for an identity. Bakha clearly has trouble accepting the identity allotted to him at birth. He has a desire to be like the Tommies he sees throughout his village. The narrator tells us that "the Tommies had treated him as a human being and he had learnt to think of himself as superior to his fellow-outcasts" He attempts to adopt the"fashun" of the Tommies, becoming "possessed with an overwhelming desire to live their life". He naively assumes that the mere adoption of the outward signs of a Sahib will garner him respect. He proceeds through his day wearing the trousers of one of the Tommies, but this assertion of identity fails to produce the desired result. Instead, Bakha looks silly - a mere amusement for others to caste their petty jokes and insults. C.D. Narasimhaiah's The Swan and the Eagle maintains that Bakha is desperately trying to escape the connotations the title of the novel asserts over his identity. Bakha's desire to imitate the Tommies is important because "[he] can preserve his identity only to the extent that he can be conscious of his superiority.

However, Anand quickly dispels Bakha's consciousness of superiority when Bakha comes to the realization that "except for the English clothing there was nothing English in his life". Narasimhaiah further articulates that "in the numerous episodes which he puts his character through, the novelist tries to give him his identity in the very act of our witnessing the world deny it to him or to those around us".

Therefore, the importance Anand places on Bakha's quest for identity leaves the reader questioning the viability of Bakha as the most appropriate figure to challenge the abuses of untouchability. To further elaborate on this point it should be noted that Anand has taken a great risk, both professionally and socially, in writing about the untouchable class, a minority that has been underrepresented in much of the Indian-English literature produced before Untouchable. Anand has suggested himself that his novels should be read in a political context; as such, it would stand to reason that literature has a fundamental impact on the development of culture, especially in post- colonialism. We have seen the effects of such works by Kipling, Forster and Conrad, to name a few, which have been used by the oppressor in order to reinforce, and often justify their oppressive logic. It is clearly evident from Anand's novel that the untouchables are

both an oppressed and exploited class.

I would argue that Anand has an obligation of sorts, in portraying this exploited class as fairly and representatively as possible. Certainly, he has successfully achieved the reader's sympathy for Bakha's exploitation via the horrendous abuses that he is subjected to as an oppressed minority. However, in choosing — whether consciously or not—to depict Bahka as a naive, uneducated, identity-seeking protagonist, Anand has significantly diminished the reader's ability (or Bakha's) to be seen as initiator of change. It seems that there is, however, evidence to suggest that this portrait of Bakha is somewhat intentional. Anand admits to having run over his manuscript with Mahatma Gandhi and making the suggested changes; he states, " read my novel to Gandhji and he suggested that I should cut down more than a hundred pages,especially those passages in which Bakha seemed to be thinking and dreaming and brooding like a Bloomsbury intellectual". The choice to limit Bakha's intelligence further enforces his inability to fully understanding his situation. In depicting an untouchable in this way, Anand is undermining the possibility of the untouchable class taking a part in destroying their own oppression because he constructs them as incapable of intellectually identifying the systemic sources of their oppression.

If Bahka is to be seen as a representative of his class, his inability even to articulate the words of Gandhi, for example, puts him at an immediate disadvantage. In fairness to Anand, the portrayal of Bakha is complex, and he certainty allows Bakha to be rebellious. This rebellion, however, is always internal and uttered with a silent voice. After the novel's pivotal "touching" scene in the village market Bakha reacts to the event with anger: "the strength, the power of his giant body glistened with he desire for revenge in his eyes, while horror, rage, indignation swept over his frame. In a moment he lost all his humility, and he would have lost his temper too"if it were not for the disappearance of the man who struck him. He is depicted as having a "smoldering rage within his soul" and then resorts to self questioning: "why was I so humble? I could have struck him!" Thus we see that Bahka has the potential for rebellion, yet Anand chooses to silence this rebellion by creating a condition that does not allow for the expression of it. Bakha then comes to a self revelation a few paragraphs later: "I am an Untouchable! he said to himself, an Untouchable!" Yet what good is this recognition if there is no possibility of it being overcome? This self affirmation has damaging consequences because it implies that Bahka is becoming comfortable with its implications.

Choosing the path of least resistance, Anand dismisses the possibility of social rebellion altogether. The ending of the novel stops short of adequately answering — or justifying the reason for not answering — the basic question the novel forces the reader to ask, how to alleviate the oppression of the untouchables? Instead, Anand chooses to address this question vis-a-vis the three choices presented to the untouchable class. In essence, Bakha's choices are conversion to Christianity, the rhetoric of Gandhi, and the flush system suggested by the poet. However, all three of these solutions prove to be inadequate primarily because they remove the option for untouchables to take action against their own oppression. R.T. Robertson pinpoints in his article "Untouchable as Archetypal Novel," the central paradox of the novel that "Bakha is both isolated from and bound to his culture; it will not allow him fully to participate in the society and cannot release him from it because of the essential service he performs for it." This paradox creates an environment of stasis for Bakha and for all untouchables; the resolutions suggested within the text only perpetuate this stasis because, according to the novel, the only way to alleviate untouchability must come from the hands of either the oppressors or from something beyond the untouchables' control and understanding.

Like postcolonial novels set in other parts

of the Britsh Empire, including Africa, the main character's encounter with missionary Christianity produces comedy and satire. Here Christian missionary, Colonel Hutchinson, can neither articulate Christian belief nor persuade Bakha of the benefits of conversion. Instead, the Colonel breaks into biblical song, only further confusing Bahka. He is unable to grasp the concept of original sin and so responds by reflecting, "he didn't like the idea of being called a sinner. He had committed no sin that he could remember. How could he confess his sins? Odd. He did not want to go to heaven". The only point that peaks his interest is the fact that God regards all people as equal, but this is only a response to comfort him from the inequality he has encountered throughout the day. "Bakha's eyes are keen enough to see the dichotomy of the missionary's existence who is himself living a miserable life with his sensation-loving, hot-tempered wife. He comes to believe that the religion of his father is in no way inferior to Christianity". Thus replacing one faith with another will not solve the problem of untouchablity but will only further complicates the matter.

The representations of both Gandhi and the poet proves also confusing alternatives for Bakha. On the one hand, Gandhi articulates that the plight of untouchability is both a "moral and religious" issue. He "regards untouchability as the greatest blot on Hinduism" and asserts that it is "satanic" to assume anyone in Hinduism is born polluted. Gandhi then recounts the story of a Brahmin boy and a sweeper in his ashram and attempts to show understanding for the sweeper; he feels that if the Brahmin "wanted the ashram sweeper to do his work well he must do it himself and set an example". Yet this action, while appearing to be sympathetic and understanding, only undermines the very existence of an untouchable because it assumes that the untouchable is incapable of doing such menial work well. Further, it implies and confirms an existing hierarchy of power between the untouchable and other high-caste Hindus because it suggests that they must be taught to be untouchables, which only perpetuates the cycle of oppression. Gandhi then proceeds to criticize the Untouchables by saying that they have to "cultivate habits of cleanliness" that they must get rid of their "evil habits" such as "drinking liquor, gambling and eating carrion." They must, as Gandhi says, "cease to accept leavings form the plates of high-caste Hindus, however clean they may be represented to be". In essence, he advocates emancipation by purification. Yet there is an inherent dichotomy in Gandhi's rhetoric because the existing system does not allow for the untouchables to become purified primarily because their fundamental existence is rooted in the profession of filth. It is as Bakha says to his father, "they think we are mere dirt because we clean their dirt". Anand, although an avid follower of Gandhi, has Bakha question the Mahatma's speech: "but now, now the Mahatma is blaming us. That is not fair! He wanted to forget the last passages that he had heard". This suggests, perhaps, that Anand's view of Gandhi and his political rhetoric cannot be idealized because it too contains elements of oppression. Anand then proceeds to offer his last possible solution to the alleviation of untouchability. Through the poet Iqbal Nath Sarshar, Anand takes the chance to expressing his own Marxist inclinations: "well, we must destroy caste, we must destroy the inequalities of birth and unalterable vocations. We must recognize an inequality of rights, privileges and opportunities for everyone". He advocates that a change in profession will free the Untouchables and the way to achieve this change is through the implementation of a flush system. William Walsh believes that this last option is most favored by Anand, but admits the obvious complexities in describing the change in this way: He (Anand) is a committed artist, and what he is committed to is indicated by Bakha's mockery in Untouchable : 'greater efficiency, dictatorship of the sweepers, Marxian materialism and all that.' 'Yes, yes,' is the reply,

'all that, but no catch-words and cheap phrases, the change will be organic and not mechanical How clearly this kind of thing confirms Anand's deficiencies as a thinker and the capacity of his Marxist enthusiasms to glide gaily across the most deeply entrenched differences. This, together with his furious indignation, unself-critical ideology and habit of undue explicitness, make him a writer whose work has to be severely sieved.





Walsh, here, pinpoints effectively the inherent dangers of relying solely on a Marxist approach to the resolution of untouchabilty. Clearly social rebellion is a viable option, but the closest Anand comes to articulating a traditional Marxist revolution in India is masked, even distorted, in the figure of the poet. Here, Anand only skims the surface of its possibilities; introducing the concept in the very last pages of his novel only weakens the poet's arguments because neither the main protagonist nor the reader has enough time to fully conceptualize its implications..

Perhaps I have shown an undue harshness in criticizing Anand? However, my purpose here is not to diminish his talent a a writer, for he is, in fact, an amazingly articulate, thought-provoking novelist with considerable power. The difficulties of alleviating the stigma of untouchabilty are far too complex for one man alone to tackle, and his novel does serve as a catalyst for change. Nevertheless, as a critical response to the novel's implications, I must argue that Anand has failed to convincingly advocate the ending of untouchablity through the choices presented to the protagonist — Bakha. His failure in achieving this goal lies not so much in any form of ineptness of his three solutions - they are clearly alternatives - however, the fault lies in the implied assumption of these choices. All three choices remove the ability of an oppressed and exploited minority to free himself from his own oppression. Clearly Bakha is a rebellious individual within, yet the stifling of this rebellious nature only further asserts the inability of untouchables to free themselves; this is in effect the classical post-colonial conundrum. Wandering between two worlds, one dead, the other powerless to be born, With nowhere to rest my head, Like these, on earth I wait forlorn. What else is Bakha but this wandering figure amongst the flowing flux of oppression? He is clearly disenchanted by the confines that the class-system has imposed on him and attempts to appropriate himself amongst the ruling English-class. This produces, in effect, a state of double alienation. As a result, he is both rejected from his own culture, and repelled by the other. Bakha, therefore, exists on the periphery of both worlds. But as Forster suggests — and what I believe Anand seems to conclude — is that "on the surface of the earth if not in the depths of the sky, a change is at hand". □ □ □

Works Cited


- Anand, Mulk Raj. Untouchable. London: Penguin, 1940.
- Dhawan, R.K., ed. The Novels of Mulk Raj Anand. New York: Prestige, 1992. Saros Cowasjee. "Anand's Literary Creed." 13-18.
- R.T. Roberston. "Untouchable as an Archetypal Novel." 98-104.
- Narasimhaiah, C.D. The Swan and the Eagle. Delhi: Motilal, 1987.
- Walsh, William. Indian Literature in English. London: Longman, 1990.



# আব্দুল কালাম আৰু তেওঁৰ সপোনৰ ভাৰতবৰ্ষ

**ববিতা দেউৰী**

স্নাতক দ্বিতীয় ষান্মাসিক

আব্দুল কালামৰ সম্পূৰ্ণ নামটো হ'ল আবুল পকিৰ জয়নুলাবদিন আব্দুল কালাম। ১৯৩১ চনৰ ১৫ অক্টোবৰৰ দিনা এইগৰাকী মহান মনিষীৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল জয়নূল আবেদিন আৰু মাতৃৰ নাম আচিয়াম্মা। পৰিয়ালৰ পাঁচোটা ল'ৰা-ছোৱালীৰ ভিতৰত কালাম আছিল পঞ্চম আৰু কণিষ্ঠ। তেওঁ সৰুৰে পৰা অতি প্ৰসৰ বুদ্ধি সম্পন্ন আৰু কৰ্মযোগী আছিল। তেখেত এখন অতি পিছপৰা গাঁৱৰ ল'ৰা আছিল যদিও মনৰ ইচ্ছা আছিল অতি প্ৰবল। সৰুৰে পৰাই ইচ্ছা কৰিছিল ডাঙৰ হৈ কেনেকৈ শগুনৰ দৰে আকাশত উৰিব পাৰিম?

ৰামশ্বেৰমৰ তামিলনাডুৰ এটি তেনেই সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰা ড° এ. পি. জে. আব্দুল কালামে ৰকেট মানব হিচাপে সমগ্ৰ বিশ্বতে খ্যাতি অৰ্জন কৰিছে। "মিছাইল মানব" এই অভিধাৰে প্ৰাতঃস্মৰণীয় বিজ্ঞানীজন ভাৰতবৰ্ষৰ প্ৰথম উপগ্ৰহ উৎক্ষেপন যান (এছ. এল. ভি- ৩)ৰ নিৰ্মাণ কৰোঁতা। India 2020 : A vision for the New Millennium ৰ যি প্ৰেক্ষাপট সি ভাৰতবৰ্ষক এখন উন্নয়নশীল ৰাষ্ট্ৰ হিচাপে নিৰ্মাণ কৰাৰ ব্লুপ্ৰিন্ট। ২০০২ চনৰ ২৫ জুলাই তাৰিখে দেশৰ জনগণে তেওঁক দেশৰ সৰ্বোচ্চ পদবী ৰাষ্ট্ৰপতি পদত অধিস্থিত কৰে। শপত গ্ৰহণ অনুষ্ঠানত তেওঁ দিয়া ভাষনত কালামে দেশক প্ৰকৃতাৰ্থত আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ অৰ্থনৈতিক, সামাজিক আৰু সামৰিক দিশত সু প্ৰতিষ্ঠিত হোৱাৰ ওপৰত জোৰ দিছিল। ভাৰতবৰ্ষক ২০২০ চনৰ ৰ ভিতৰত এখন বিশ্বৰ আগশাৰীৰ দেশ হিচাপে গঢ় দিয়াৰ তেখেতৰ এটা সপোন আছিল। তেওঁ নাগৰিক সাংসদ, প্ৰশাসক, শিল্পী, লেখক, সাহিত্যিক আৰু দেশৰ নৱ প্ৰজন্মৰ উঠি অহা তৰুণ সকল সৈতে সদায় মুখামুখিকৈ বহি আলোচনা কৰিলেহে ভাৰতবৰ্ষৰ ২০২০ ৰূপায়ণৰ সম্ভৱ হ'ব বুলি ভাবি সেইদৰেই আগবাঢ়িছিল। পিছলৈ তেওঁ ভাৰত চৰকাৰৰ মুখ্য বিজ্ঞান উপদেষ্টাও হৈছিলগৈ। তেওঁৰ

স্বপ্ন আছিল ভাৰতবৰ্ষক এখন উন্নত দেশলৈ ৰূপান্তৰ কৰা। আগন্তুক বিশ বছৰৰ ভিতৰত ভাৰতবৰ্ষ বিশ্বৰ অন্যতম দেশ হিচাপে জিলিকাই তোলা। ভাৰতৰ পুৰোধা বিজ্ঞানী তথা ৰাষ্ট্ৰপতি ভাৰত ৰত্ন ড° কালামৰ অন্তৰত এই বিশ্বাস প্ৰোথিত হৈ আছে। স্বাধীনতাৰ অত বছৰ পিছতো দৰিদ্ৰতা, জনসংখ্যাৰ বিস্ফোৰণ, নিৰক্ষৰতা কৰ্মসংস্থান হীনতা, বিকাশৰ লেহেম গতি আদি এশ এবুৰি সমস্যাই দেশখনক ভাৰাক্ৰান্ত কৰি ৰাখিছে। ড° কালামৰ বিশ্বাস, এই ৰূপৰেখা বা পৰিকল্পনাৰ আওতাত কঠোৰ পৰিশ্ৰম কৰিলে আগন্তুক বিশ বছৰৰ ভিতৰত আমাৰ দেশে বিশ্বৰ আটাইতকৈ শক্তিশালী পাঁচখন দেশৰ সৈতে একে শাৰীতে স্থান নিশ্চিত কৰিব পাৰিব। তেওঁৰ মনত দৃঢ় বিশ্বাস জন্মিছিল যে ২০২০ চনত আমাৰ দেশখনে এক বিকশিত ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰাটো খাটাং। আৰু দেশৰ সাধাৰণ মানুহখিনিয়ে বৰ্তমানৰ দৰিদ্ৰ অৱস্থাৰ উৰ্দ্ধত গৈ নিজৰ উন্নত স্বাস্থ্য, শিক্ষা-দীক্ষা আৰু আত্ম সন্মানৰ বলত দেশৰ প্ৰগতিত বহুল বৰঙণি আগবঢ়াব পাৰিব বুলি বিশ্বাস ৰাখিছিল। আৰু ভাৰতে নিজৰ মানসিক, আৰ্থিক আৰু বাণিজ্যিক ক্ষমতাৰে উল্লেখযোগ্য বিকাশৰ বাবে অপৰিহাৰ্য বিভিন্ন কাৰিকৰী শাক্তিও আয়ত্ত কৰিব পাৰিব।

তেওঁ কৈছিল আগন্তুক দিনবোৰত আমি আৰু বেছি উন্নতি কৰিব লাগিব। এই প্ৰগতিৰ স্বাৰ্থত বিশেষভাবে উদ্যোগ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহত অধিক গুৰুত্ব দিয়াৰ লগতে সেইবোৰত অধিক হাৰত বিনিয়োগ কৰিব লাগিব। তেতিয়াহে আমাৰ স্বদেশী প্ৰযুক্তি সবল হ'ব। অৱশ্যে এইটো জৰুৰী নহয় যে আমি আটাইবোৰ বস্তু আমাৰ দেশৰ অভ্যন্তৰতে নিৰ্মাণ কৰিব লাগিব। আমি এই কথা মনত ৰাখিব লাগিব যে বৰ্তমানৰ প্ৰতিযোগিতাৰ যুগত সকলোতে কাৰিকৰী দক্ষতাৰহে আদৰ। তেওঁৰ বিশ্বাস নেৰানেপেৰা প্ৰচেষ্টাৰে কাম কৰিলে আমি ....... সফল হমেই। ভাৰতবৰ্ষৰ ভিন ভিন ঠাইত ভিন ভিন বয়সৰ অলেখ প্ৰজ্বলিত মন আছে। প্ৰযুক্তি পৰিকল্পনাই বহু মিছনৰ জন্ম দিয়ে আৰু প্ৰতিটো মিছনে ন ন প্ৰকল্প সক্ৰিয় কৰি তুলিব। এনে পৰিবেশে আমাৰ দেশক উন্নত দেশৰ মৰ্যাদা প্ৰদান কৰিব। সেইবাবে আমি আমাৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। আমি সপোন দেখিব লাগিব ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ। ঠিক তেনেদৰে, অন্যান্য ধাতু আৰু দ্ৰব্যৰ ক্ষেত্ৰতো আমাৰ যোগ্যতা আছে।

ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত এই বৃহৎ মিছন ঐক্যবদ্ধ বা সমাযোজিত ৰূপত ৰূপায়িত কৰিলে সিয়েই ৰাষ্ট্ৰৰ স্বপ্নক সংহত ৰূপ দিব। যিসকলৰ মনবোৰ ইতিমধ্য উদ্দীপিত হৈছে আৰু যিসকল চৰকাৰী ক্ষেত্ৰ আৰু উদ্যোগিক ক্ষেত্ৰত আছে সেই সকলে এইক্ষেত্ৰত প্ৰথমেই আগবাঢ়িব লাগিব বুলি আব্দুল কালামদেৱে দৃঢ়তাৰে কয়। India 2020ত কালামে এই বৃহৎ স্বপ্নৰ কথাই কৈছে। ২০২০ বৰ্ষৰ আগে আগে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰিবলৈ ভাৰতৰ প্ৰতিজন মানুহে এই সপোন দেখাতো তেওঁ বিচাৰে।

ভাৰতবৰ্ষ এশ ত্ৰিশ কোটি মানুহৰ দেশ। ৰাষ্ট্ৰ এখনৰ সমৃদ্ধি নিৰ্ভৰ কৰে ৰাষ্ট্ৰৰ মানুহে কেনেকৈ চিন্তা কৰে তাৰ ওপৰত। কাৰণ চিন্তাই কাৰ্যৰ ৰূপ পৰিগ্ৰহণ কৰে। আৰু কালমৰ জীৱনৰ একমাত্ৰ সপোন হৈ পৰিছিল ভাৰতবৰ্ষৰ উন্নতি আৰু ভাৰতক উন্নত দেশলৈ ৰূপান্তৰ কৰা আৰু বিশ্বৰ ভিতৰতে এক শক্তিশালী আৰু উন্নত দেশ হিচাপে ভাৰতক গঢ়ি তোলা।

**মহাপ্ৰয়ান ঃ** ২৭ জুলাই, ২০১৫ তাৰিখে সন্ধিয়া ৬-২৫ বজাত এজন অতিথি অধ্যাপক হিচাপে শ্বিলঙৰ ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্ট (আই আই এম)ৰ প্ৰেক্ষাগৃহত ভাষণ দিবলৈ প্ৰবেশ কৰিছিল। বিষয় আছিল "বাসোপযোগী ধৰিত্ৰী"। বক্তৃতা আৰম্ভণি কৰোতেই কালাম হঠাতে মঞ্চৰ ওপৰতে ঢলি পৰিছিল। নিশা ৮.৩০ বজাত যুগনায়ক গৰাকী জনতাৰ মাজৰ পৰা চিৰ দিনৰ পৰা গুচি যায়। শিক্ষাৰ নাও বাই বাই শিক্ষা দি থাকোতেই আৰু স্বপ্নৰ চিন্তা কৰি থাকোতেই গুচি গ'ল সংসাৰৰ পৰা আৰু থৈ গ'ল আমাৰ সকলোৰে মাজত কীৰ্তি, গৰিমা, স্বপ্ন দেখাৰ সাহস আৰু একাগ্ৰতাৰ লক্ষ্য। □

# ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ (৩)



ৰবীন কুলি
প্ৰাক্তন ছাত্ৰ, অৰ্থনীতি বিজ্ঞান বিভাগ

অৱতৰণিকা ঃ *"মানুহে মোৰ বিষয়ে কি কয় মই তালৈ ভ্ৰূক্ষেপ নকৰোঁ, মই চিন্তা কৰোঁ কেৱল মোৰ ভুলবোৰৰ বিষয়ে"* - চক্ৰেটিছ্।

ভাল ছাত্ৰ হ'ব নোৱাৰিলোঁ। এইয়া মোৰ এই সম্পৰ্কীয় তৃতীয়টো ধাৰাবাহিক লেখা। এজন ছাত্ৰ ভাল হ'ব নোৱাৰাৰ হাজাৰটা কাৰণ থাকে বা থাকিব পাৰে। ইয়াৰ আলোচনা হয়তো অনন্ত। ইতিমধ্যে মই এই লেখাৰ উদ্দেশ্য বা লক্ষ্য সম্পৰ্কে আলোচনা কৰিছোঁ। এই সম্পৰ্কে আৰু বিশেষ বহলাই কোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। মাথো এই কথা মই উল্লেখ কৰি ভাল পাম যে, এই লেখাৰ যোগেদি বিভিন্ন শিক্ষাৰ্থী উপকৃত হোৱা বুলি মই বিভিন্ন মাধ্যমেৰে জানিব পাৰিছোঁ। অন্য অৰ্থত মই এনেকৈ ক'ব পাৰোঁ মোৰ ভুল জানিব পাৰি কেতবোৰ লোকে সঠিক শিক্ষা লাভ কৰিব পাৰিছে। গতিকে আমাৰ বিফল জনৰ পৰাও বহুত কথা শিকিবলৈ থাকে। মাথো আমাক লাগে বৈজ্ঞানিক মানসিকতা। কিছুমান ভুল সংশোধন কৰাৰ আমি সুযোগ নাপাওঁ। কিন্তু সেই ভুল যদি কৰাৰ সুযোগ কোনোবাই নাপাই সিয়ো এক সোণালী শিক্ষা হ'ব পাৰে।

বক্তা হোৱাৰ দুঃ স্বপ্ন ঃ

*"If I am to speak ten minutes, I need a week for preparation; if fifeen minutes three days; if half an hour, two days; if an hour, I am ready now."* - Woodrow Wilson."

বক্তা নহয় সু-বক্তা হোৱাৰ স্বপ্নও আছিল মোৰ। ভাল ছাত্ৰ হ'ব নোৱাৰাৰ অন্যতম ইও এক কাৰণ। বক্তৃতাও এক বিদ্যা-কলা। এই বিদ্যাও কিমান জটিল ওপৰত আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি Woodrow Wilson ৰ মন্তব্যৰ পৰা সহজে ধাৰণা কৰিব পাৰি।

ময়ো মোৰ বক্তৃতাবোৰ শুৱলা কৰাৰ যত্ন কৰিছিলো। আকৰ্ষণীয়, হৃদয়স্পৰ্শী কৰাৰ অহোপুৰুষাৰ্থ কৰিছিলোঁ। য'ত সুবিধা পাওঁ, তাতেই বক্তৃতা দি মানুহক আকৰ্ষণ কৰাৰ যত্ন কৰিছিলো। কিন্তু মই হয়তো মানুহক বিৰক্ত কৰিছিলোঁ। কাৰণ আজিৰ তাৰিখলৈ মই অসমীয়া ভাষাই ভালদৰে উচ্চাৰণ কৰিব নোৱাৰোঁ।

হয়, মাথো মোৰ সময়বোৰ নষ্ট কৰিলোঁ।

লেখক হোৱাৰ দুঃ স্বপ্ন ঃ

*"যিজন মানুহে বাক্য এটা সাজিব পাৰে আৰু বাক্যটো সাজি আনন্দ পাই তেওঁকেই লেখক বুলি কোৱা হয়।"* ৰবাৰ্ট লিণ্ডে'ৰ এই বক্তব্য মোৰ ভাল ছাত্ৰ হ'ব নোৱাৰাৰ অন্যতম তথা মুখ্য কাৰণ। সঁচা কথা মই এই বাক্যৰ প্ৰথম খণ্ড প্ৰায় পাহৰি থাকিছিলো। মাথো দ্বিতীয় খণ্ডৰ বাক্যটো সাজি যিয়ে আনন্দ পাই তেওঁকেই লেখক বুলি কোৱা হয় বুলি ভাবি ভুল কৰিলোঁ। বাক্য সাজিব পাৰিছিলোঁ নে নাই; সেইয়া মই নাজানো। কিন্তু বাক্য সাজি যে পৃথিৱীৰ সকলো আনন্দ জয় কৰিব পাৰিছিলোঁ ই ধ্ৰুৱ সত্য। বাক্যবোৰ সাজিছিলোঁ, পাতিছিলোঁ, ভাবিছিলো, হাঁহিছিলোঁ, বাক্যবোৰৰ সৈতে কান্দিছিলো। এটা লেখা কেনেবাকৈ ক'ৰবাত প্ৰকাশ পালে পৃথিৱী জয়ৰ আনন্দ পাইছিলো। লেখক হোৱাৰ আগতে এজন ভাল পাঠক হ'ব লাগিছিল।

মই ভিন্ন কিতাপ পঢ়িলো (এই সম্পৰ্কে আন খণ্ডত লিখিছো)

মই কি লিখিছিলো....

গল্প

কবিতা
উপন্যাস
প্ৰবন্ধ
জীৱনী?

গল্প লিখাটো আছিল মোৰ প্ৰিয়, কবিতা মোৰ প্ৰাণ, উপন্যাস অদূৰ লক্ষ্য, প্ৰবন্ধ মোৰ শক্তি আৰু জীৱনী আছিল প্ৰেৰণা। কিন্তু, মই পাহৰি পেলাইছিলো লেখক হ'বলৈ অন্ততঃ এক শতাংশ প্ৰতিভাৰ প্ৰয়োজনীয়তা আছে। যিটো মোৰ হয়তো নাছিল। আটাইতকৈ ডাঙৰ অপৰাধ কৰিছিলো একে সময়তে সকলো সুকুমাৰ-কলা আয়ত্ব কৰাৰ অপৰাধ।

হয়। মই গানো লিখিছিলো। চিলাপথাৰ ক'লেজৰ Boys' Toilet ত লিখা গান এটা মনত পৰিছে। মই Toilet লৈ বুলি গৈ আছিলোঁ। এগৰাকী প্ৰৱক্তাই ক্লাচ কৰি থকাৰ অৱস্থাৰ পৰাই হঠাৎ দুৱাৰ মুখলৈ ওলাই আছিল - মোৰ চকুত চকু পৰিছিল। হঠাৎ মোৰ অন্তৰৰ পৰা শব্দ নিগৰি আহিছিল —

*"মই বিচাৰোঁ তোমাকে*
*যেনেকৈ বিচাৰে পখিলাই ফুলক*
*পখিলাটি হৈ উৰি উৰি গৈ*
*আকাশ চুমিম মই*
*ভাগৰি পৰিলে*
*তোমাৰে কোলাত*
*আকৌ আহি পৰিম মই ....।"*

পাহৰি যোৱাৰ ভয়ত বা অন্তৰৰ তীব্ৰ তাড়নাত মই গানটো Toilet ৰ ভিতৰতে এখন সৰু কাগজৰ টুকুৰাত লিখি পেলাইছিলোঁ। কিন্তু, কোনেও যেন ভুল নুবুজে। প্ৰৱক্তাগৰাকীৰ প্ৰতি মোৰ আপুনি ভৱাৰ দৰে আকৰ্ষণ নাছিল। এওঁৰ ব্যক্তিত্বৰ আচৰণেহে মোক বহু সময়ত আকৰ্ষণ কৰিছিল আৰু তেওঁ আছিল বিবাহিতা।

অৰ্থনীতিৰ গভীৰ অৰ্থ অনুধাৱন কৰিবলৈ যত্ন কৰাৰ সময়ত কবিতাৰ শব্দই গল্পৰ চিত্ৰপটত মোৰ মন প্ৰাণ থৌকি-বাথৌ প্ৰায়েই কৰিছিল। মোক ভাৱাক্ৰান্ত কৰিছিল। মাজে সময়ে অৰ্থনীতিৰ ক্লাচত বহি ফাঁকি দি মই কবিতা, গল্প লিখিবলৈ বাধ্যত পৰিছিলোঁ। অৰ্থনীতিৰ অৰ্থবোৰ প্ৰায় পিছপৰি গৈছিল। আগবাঢ়ি গৈছিল সাহিত্যৰ বিভিন্ন দিশ। অতি নিৰ্লজ্জভাৱে কওঁ মই অৰ্থনীতি বিজ্ঞান (মোৰ সন্মানৰ বিষয়) যিমান অধ্যয়ন কৰিছিলোঁ, তাতকৈ এশগুণ বেছি অধ্যয়ন কৰিছিলোঁ সাহিত্য। মাজে মাজে মই ভাবিবলৈ বাধ্য হৈছিলোঁ, অৰ্থনীতি নহয়, মই সাহিত্যহে অধ্যয়ন কৰিব লাগিছিল। অৰ্থনীতি নহয়, সাহিত্যহে আছিল মোৰ প্ৰাণৰ বিষয়। মাজে মাজে মই ভাবিছিলোঁ; মই হয়তো ভুল কৰিলোঁ। আকৌ মাজে সময়ে ভাবো, অৰ্থনীতি যেতিয়া মোৰ ভুল বিষয়, তেন্তে সেই বিষয়ত গুৰুত্ব দিয়াৰ তাৎপৰ্য ক'ত? এইখিনিতে মোৰ মনত পৰিছে মোৰ পঢ়া কোঠালীলৈ অহা সকলোৱে মোক সাহিত্যৰ ছাত্ৰ বুলিহে ভুল কৰিছিল। তেওঁলোকে মোক সাহিত্য চৰ্চাৰ পৰা আঁতৰি থকাৰো পৰামৰ্শ দিছিল। (আগলৈ)

**লেখক হোৱাৰ দুঃস্বপ্ন ঃ**

লেখক হোৱাৰ দুঃস্বপ্ন মোৰ জীৱনলৈ কেতিয়া আহিছিল, এই কথা মই ইয়াত চমুকৈ আলোচনা কৰিম। এই কথা মই ন দি ক'ব পাৰো যে, মোৰ এই সত্বা জাগি উঠিছিল এল. পি. স্কুলত থাকোতেই। অৱশ্যে লিখিত ৰূপত নহয়, কথিত ৰূপত। আজি জন্ম হোৱা গাঁওখনত (বিশেষকৈ মই আৰু মোৰ এজন ল'ৰালিৰ ঘনিষ্ঠ বন্ধুৱে) সাধু কোৱা এটা অনুষ্ঠানৰ আয়োজন কৰিছিলোঁ। অৱশ্যে অনানুষ্ঠানিকভাৱে। নাম দিয়া হৈছিল 'মেলঃ'। মিচিং শব্দ যাৰ অৰ্থ 'সাজি কোৱা কথা বা সাধু'। মোৰ সাধুবোৰ ইমান দীঘলীয়া আছিল যে কেতিয়াবা এক সপ্তাহো এটা সাধুকে কৈ থাকিব লগা হৈছিল। কিন্তু এই সাধুবোৰ অতি আগ্ৰহেৰে মোৰ বন্ধুবোৰে শুনিছিল। অৱশ্যে তেতিয়া আজিৰ দৰে ছপা মাধ্যমৰ কথা কল্পনা কৰিবলৈ পৰিবেশ পোৱা নাছিলো। মোৰ প্ৰথম গল্পটো লিখিছিলো মই ষষ্ঠ নে সপ্তম শ্ৰেণীত থাকোতে। আমাৰ শিক্ষকসকলে কৰ'বাত কিবা লেখা দিব লাগে বুলি কোৱাত মই এটা গল্প (হয়তো সাধু আছিল) লিখিছিলোঁ। কিন্তু গল্পটো দিছিলোঁ নে নাই মোৰ মনত নাই। কিন্তু পিছলৈ মই কাহিনীটো এটা গল্প আকাৰত লিখিছিলোঁ। গল্পটোৰ শিৰোনাম আছিল "অলপ পোহৰ অলপ আন্ধাৰ" (গল্পটো ইতিমধ্যে প্ৰকাশিত)। মোৰ লেখক সংজ্ঞাটো হয়তো লাহে লাহে বাঢ়িও আহিছিল।

মোৰ মনত আছে হাইস্কুলত মই এজন শিক্ষকক সুধিছিলো, " চাৰ, কবিতা কেনেকৈ লিখিব পাৰি?" উত্তৰ আহিল অতি নএগ্ৰাৰ্থক। সেয়ে মই হয়তো কবিতা লিখা নাছিলো।

চিলাপথাৰ ৰেচিডেন্সিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত একাদশ শ্ৰেণীত অধ্যয়নৰত অৱস্থাত মোৰ প্ৰথম কবিতা এটা Wall Magazine ত প্ৰকাশিত হৈছিল (ইংৰাজী কবিতা)। তাৰপিছত মই হয়তো উভতি চোৱা নাছিলোঁ। কাৰণ এইখন বিদ্যালয়ত মোৰ স্বপ্নৰ মানুহবোৰ — কবি, গল্পকাৰ, প্ৰবন্ধকাৰ, নাট্যকাৰ, গীতিকাৰ সকলোৱে আছিল। এইখন বিদ্যালয় এখন

সাহিত্যৰ পথাৰ। সাহিত্যিকেৰে ভৰপূৰ। কিন্তু মই দ্বাদশ শ্ৰেণীত একো (অন্তত বিদ্যালয়ৰ আলোচনীৰ বাবে) লিখিব পৰা নাছিলো। দ্বাদশ শ্ৰেণীত মই তিনিতা প্ৰৱন্ধ লিখি ঢুণ্ডিৰাজ উপাধ্যায় ছাৰক দেখুৱালোঁ। ছাৰে প্ৰৱন্ধটো শুধৰাই দিছিল আৰু নামাকৰণ কৰি দিছিল। একবিংশ শতিকাৰ একলব্য আৰু দ্ৰুনাচাৰ্য। আনৰ কথা নাজানো, মই কিন্তু প্ৰৱন্ধ পঢ়ি বহুত ভাল পাইছিলোঁ। ইতিমধ্যে মই বহুতো কবিতাও লিখিছিলো। অৱশ্যে মই কাকো দেখুওৱা নাছিলোঁ। এইদৰে মই এখন বিদ্যালয়ত সাহিত্যৰ বীজ এটা গুজি দিলোঁ আৰু লেখক হোৱাৰ সপোন দেখিবলৈ আৰম্ভ কৰিলোঁ। চিলাপথাৰ ক'লেজত আহিয়েই এই স্বপ্ন হৈ পৰিল প্ৰত্যাহ্বান স্বৰূপ। ক'লেজ আলোচনীলৈ দিয়া এটা গল্প প্ৰকাশ হোৱাৰ দূৰৰ কথা, হয়তো ডাষ্টবিনটো স্থান নাপালে। মই অতিকৈ ভাগৰি পৰিছিলোঁ আৰু সেয়ে গল্প কি, প্ৰৱন্ধ কি, কবিতা কি, নাটক কি, গভীৰভাৱে অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিলোঁ। মই কিদৰে এইবোৰ অধ্যয়ন কৰিছিলোঁ এই কথা প্ৰথম সংখ্যাত লিখিছিলোঁ। এইবোৰ কৰোঁতে কৰোঁতে মই প্ৰায় পৰীক্ষাৰ কথা পাহৰি পেলাইছিলোঁ। নিজৰ পাঠ্যপুথিৰ কথা পাহৰি পেলাইছিলোঁ। মোৰ মন মগজুত সদাই ব্যস্ত থাকিছিল সাহিত্যৰ ভিন্ন স্বপ্ন, সাহিত্যৰ ভিন্ন সাঁচ। (আগলৈ)

**লক্ষ্য আৰু সপোনৰ মাজত বিভ্ৰান্তি ঃ**

মোৰ ভাল ছাত্ৰ হ'ব নোৱাৰাৰ অন্যতম এটা কাৰণ আছিল লক্ষ্য আৰু সপোনৰ মাজৰ প্ৰভেদ অনুধাৱন কৰাত সৃষ্টি হোৱা দুৰ্গতি। অৰ্থাৎ মই সময়বোৰ অতিবাহিত কৰিব লাগিছিল লক্ষ্যৰ দিশে ধাৱমান হৈ। কিন্তু দুৰ্ভাগ্যক্ৰমে মোৰ অমূল্য সময়বোৰ অতিবাহিত হৈছিল মোৰ সপোন বা Day dream ৰ সৈতে। অন্য অৰ্থত মই সপোনক লক্ষ্য বুলি আৰু লক্ষ্যক সপোন বুলি ভাবিছিলোঁ। কিন্তু শেহতীয়াকৈহে মই বুজি পাইছো লক্ষ্য আৰু সপোনৰ মাজত বিৰাজমান পৰ্বত সম পাৰ্থক্য। এটা ক্ষুদ্ৰ উদাহৰণ দিলে বাক্যটো পৰিস্কাৰ হ'ব। ধৰা হওক এজন ডেকাই এজনী ধুনীয়া গাভৰু ছোৱালী বাটত দেখিলে। প্ৰথম দৃষ্টিত তেওঁৰ গাভৰু জনীৰ প্ৰতি অপাৰ জিজ্ঞাসা জাগিলে আৰু লগে লগে তেওঁ তাইৰ ঠিকনা সংগ্ৰহ কৰিলে আৰু তাইৰ বিষয়ে বহু কথা ভাবিবলৈ আৰম্ভ কৰিলে। যথাঃ ঘৰ বিচাৰি উলিয়াই তাইক মনৰ কথা ক'ব ইত্যাদি ইত্যাদি। এটা কথা ইয়াতে উল্লেখ কৰিব লাগিব, বহুতে ছোৱালীজনীৰ কথা ইমানেই বেছিকৈ ভাবে যে তেওঁৰ যাত্ৰা আৰম্ভই কৰা নহয়। অৱশ্যে মই তেনে যাত্ৰী নহয়। আমাৰ সমাজত এক প্ৰেকাৰৰ যাত্ৰী আছে, যিয়ে যাত্ৰা আৰম্ভ কৰে কিন্তু মাজতে সেই যাত্ৰাৰ লক্ষ্য পাহৰি থাকে। ধৰাহওক সেই নিৰ্দিষ্ট ডেকাজনে নিৰ্দিষ্ট কৰি থোৱা ছোৱালীজনীক বিচাৰি যাওঁতে বাটতে আন এজনী ছোৱালী দেখিলে আৰু তেওঁৰ এনে লাগিল যেন প্ৰথমে দেখা ছোৱালীজনীতকৈ সেইজনী আৰু এখাপ চৰা। লগে লগে তেওঁ নিজৰ লক্ষ্য পৰিহাৰ কৰি শেহতীয়াকৈ দেখা ছোৱালীজনীকে বিচাৰি ওলায়। কাহিনীটো শুনি আপোনাৰ মুখত হাঁহি বিৰিঙি উঠিলেও কিন্তু আমাৰ বহুতৰে জীৱন এনেকৈয়ে পাৰ হয়। সপোনৰ সৈতে খেলোতে খেলোতে লক্ষ্যৰ সৈতে খেলা খেল আৰম্ভই কৰা নহয়। যাৰ পৰিণতিত জীৱনটো বিফল ৰূপত যাপন কৰিবলৈ আমি বাধ্য।

**কোনো কাম সৰু নহয় ঃ**

আমি জীৱনত কৰা কোনো কামেই সৰু নহয়। কোনো কামেই কম গুৰুত্বৰ নহয়। কোনো কাজেই বেছি গুৰুত্বৰো নহয়। সকলো কাজেই সৰুৱেই হওঁক ডাঙৰহে হওঁক (আচলতে কোনো কাম সৰু বা ডাঙৰ নহয়। আমি ভবাটোৱেই তাক সৰু বা ডাঙৰ কৰে) সমান মনোযোগেৰে কৰা উচিত। অন্যথা অতীতত কৰা সামান্য ভুলেও আগৰ জীৱনৰ বাবে অভিশাপ হৈ পৰিব পাৰে।

**জীৱন ৰথ ঃ**

জীৱন ৰথত উঠিলো
জীৱন ৰণত জিনিম বুলি
সকলো পাইছিলো ৰণৰ বাবে
অস্ত্ৰ-শস্ত্ৰ আদি
শতবাৰ অসফলত
সহস্ৰ প্ৰয়াস
সামান্য জিনিলোঁ সাফল্য লভিলোঁ
পাইছিলো সুখৰ সমাৰ
যৌৱনৰ অভিনৱ শক্তিত
মোৰ মনত আগ্নেয়গিৰি উদ্গিৰণ হ'ল
এইবাৰ মোৰ শত্ৰু
ক্ষীণ মীণ
ক্ষুদ্ৰ ৰাজ্যৰ দুৰ্বল ৰজা ...
ভাবিলোঁ
পলকতে বাওঁহস্তে লুটিম তাক
লুট পাট কৰি সবল কৰা মন
উলটিলো ক্ষীণ-মীন ৰজাৰ কাষ
আচৰ্য্য
ক্ষীণ হ'ল শকত

দুৰ্বল হ'ল সবল
ৰোগীবোৰ নিৰোগী
লাগিল জঞ্জাল
শতবাৰ কৰিলো প্ৰয়াস
নথিং কেন বি দান (Nothing can be done)
নিংশেষ মোৰ সৈন্য-সামন্ত
সকলো পৰিল শেষ
মোৰ জীৱন
ক্ষীণ মীন
ৰজাৰ ওচৰতে শেষ।

**আনক পৰিবৰ্তন কৰিবলৈ যত্ন কৰা ঃ**

এইটো সকলোৰে জনা কথা আনক পৰিবৰ্তন কৰিবলৈ যত্ন কৰাতকৈ নিজকহে পৰিবৰ্তন কৰিবলৈ যত্ন কৰিব লাগে। কিন্তু, অতি দুৰ্ভাগ্যৰ কথা কলেজীয়া জীৱনত মই আনক পৰিবৰ্তন কৰাত ইমানেই ব্যস্ত হ'লো নিজৰ কথা মনত ৰখাৰ আহৰিয়েই নাপালোঁ।

**মই আচলতে কলৈ গৈ আছোঁ ঃ**

লক্ষ্য স্থিৰ নহ'লে স্থান প্ৰাপ্তি জানো সম্ভৱ? কলেজীয়া জীৱনত মই কৰা আটাইতকৈ ডাঙৰ ভুলৰ ভিতৰত আছিল মই নিজে এটা প্ৰশ্নৰ উত্তৰ পাব নোৱাৰিলোঁ মই কোন? আৰু মই কলৈ গৈ আছো? লক্ষ্য যদি স্থিৰ নহয়, উদ্দেশ্য সফল নহয়।

*"সুখ নাই সুখ নাই কতো ধৰুৱাৰ*
*অণুমাত্ৰ সুখ নাই চিৰ ৰোগীয়াৰ।"*

কেৱল ধৰুৱা বা ৰোগীয়া নহয়। বৰঞ্চ উভয়ে মোৰ কলেজীয়া জীৱন গ্ৰাস কৰি পেলালে। কলেজীয়া জীৱনৰ প্ৰতি মুহূৰ্তই মই ধাৰ আৰু ৰোগৰ কথা ভাবি পাৰ কৰিব লগাত পৰিছিলো। যিয়ে মই ভাল ছাত্ৰ হ'ব পৰাকৈ থকা গুণ বহু পৰিমাণে লাঘৱ কৰিছিল।

ৰোগীয় মোক কৰিছিল ধাৰুৱা
ধাৰুৱাই মোৰ মন কৰিছিল ৰোগীয়া
কোনে মোক তুলি তালি কৰিলে ডাঙৰ
মৌসনা মিঠা মাতে পাহৰি ভাগৰ
কৰিছিল স্নেহ মোক দুগালত চুমা খাই
তেৱে মোৰ পুজনীয়া মৰমৰ আই।

মোৰ ভাল ছাত্ৰ হ'ব নোৱাৰাৰ অন্যতম কাৰণ আছিল মই আইক ভাল পাব নোৱাৰিছিলোঁ। অৱশ্যে এই কথা মই কাকো মুকলিকৈ কোৱা নাছিলো।

**Every Morning we must celebrate what we have:**

"Morning shows the day" — কথাষাৰ আমাৰ সকলোৰে জ্ঞাত। মোৰ কলেজীয়া জীৱনৰ পুৱাবোৰক মই কোনে দিনেই উপভোগ্য কৰি তুলিব নোৱাৰিছিলোঁ। মই ভাৱি থাকিবলৈ আৰম্ভ কৰিলো মোৰ দিনটো বা কেনেকৈ যায়। ৰাতিপুৱাই কোনো কাম কৰি আনন্দ উপভোগ কৰাৰ পৰিবৰ্তে মই নিৰলে প্ৰাতঃ ভ্ৰমণ কৰি মনৰ মাজত কথা পাতিহে ভালপোৱা হ'লোঁ। আগদিনাৰ দুখবোৰে ৰাতিপুৱাটো বেজাৰ কৰিপাৰ কৰা হ'লো। এতেকে, কোনো দিনেই মোৰ এটা শুভ ৰাতিপুৱা আৰম্ভ কৰা নহ'ল।

"When work is pleasure, life is a joy! when work is duty, life is slavery" - Maxim Gorky

সকলো কামকেই মই বোজা হিচাপে লোৱাতো আছিল মোৰ কলেজীয়া জীৱনৰ বিফলতাৰ অন্যতম কাৰণ। কিতাপ পঢ়াটো মোৰ বাবে কেৱল নিচা নহয়। মোৰ মানসিক আহাৰো অথবা মই বহু সময়ত কিতাপ পঢ়াটো এটা বোজা হিচাপে লৈছিলো আৰু বিভিন্ন সমস্যাৰ বোজাৰে মই মানসিক শক্তি ভাৰাক্ৰান্ত কৰি ৰাখিছিলোঁ।

কোনো কামৰ পৰাই মই আনন্দ লাভ কৰিবলৈ সক্ষম হোৱা নাছিলো বৰঞ্চ সেইবোৰ হৈ পৰিছিল একো একোটা বোজা। যিবোৰে মোক এফালৰ পৰা ধ্বংস কৰি আহিছিল।

**বিফলতাৰ প্ৰতি ভয় ঃ**

বিফলতাৰ প্ৰতি কৰা ভয়ে বহু সফলতাৰ পৰা মোৰ জীৱন বিৰত কৰালে। বিফল হোৱাৰ ভয়ত মোৰ কোনো কামেই কৰাৰ সাহস নাছিল। মোৰ এটা অবৈজ্ঞানিক ধৰণা আছিল — মই কি কাৰণে সফল হোৱা উচিত বা সফল হ'ব লাগিবই এই কথা মই বহু সময়ত পাহৰি পেলাইছিলোঁ। আচলতে বিফলতাৰপৰা আমাৰ শিকিবলৈ থাকে বহু জীৱনৰ মন্ত্ৰ। অৰ্থাৎ বিফলতাই আমাৰ ভৱিষ্যত জীৱন। অৰ্থাৎ বিফলতাই আমাৰ ভৱিষ্যত জীৱন সফল কৰাত মূখ্য ভুমিকা গ্ৰহণ কৰে।

"Winners don't do different things but they do things differently" — কোনেও হয়তো বিশ্বাস নকৰিব এই সাধাৰণ কথাৰ অসাধাৰণ অৰ্থ। মই অনুধাৱনেই কৰিব নোৱাৰিলোঁ মোৰ নতুনৰ প্ৰতি আছিল অপাৰ আগ্ৰহ। মই সদাই নতুনক বিচাৰি গৈছিলোঁ। কিন্তু এই প্ৰক্ৰিয়া অনন্ত হ'ল।

মই নতুন কৰাৰ যত্ন কৰিছিলো হয়, কিন্তু পুৰণি কামেই

নতুন পদ্ধতিৰে কৰাৰ কথা এবাৰো ভবা নাছিলোঁ। কিন্তু মই ইমান প্ৰতিভাশালী নাছিলো যে, একেবাৰে নতুন বস্তুকো উদ্ভাৱন কৰিম।

**ঈশ্বৰৰ প্ৰতি নতুন ধাৰণা ঃ**

ইতিমধ্যেই মই উল্লেখ কৰিছো কলেজীয়া জীৱনত মই বহু নতুন ধাৰণা নিজৰ মাজতে সৃষ্টি কৰিছিলোঁ। ইয়াৰ আগৰ অংশত মই মোৰ প্ৰেমৰ প্ৰতি থকা নতুন ধাৰণাৰ কথা আলচ কৰিছিলোঁ। ঈশ্বৰ এটা মূৰ্ত বা বিমূৰ্ত ধাৰণা। এইবোৰ মোৰ আলোচনাৰ বিষয়বস্তু নহয়। কিন্তু এটা কথা সত্য যে মই ঈশ্বৰ একেবাৰেই বিশ্বাস নকৰা হৈ পৰিলো। পূজা কৰা বহু দূৰৰ কথা। Both Ghost and God I don't belief. ঈশ্বৰৰ কথা কওঁতে আপোনাৰ মনলৈ আমনি আহিছে। এবাৰ ঈশ্বৰ সম্পৰ্কে এজন মানুহে এটা কথা কোৱা মনত পৰে। তেওঁ কৈছিল, আমি জানো কাহানিবা অক্সিজেন দেখিছো, অথচ আমি অক্সিজেন থকা বুলিহে বিশ্বাস কৰি লওঁ। একেদৰে আমি ভগবানক নেদেখো। কিন্তু, তেওঁ অস্তিত্বৰ বিশ্বাস কৰি লোৱা যুগুত। মোৰ পোনপটীয়া উত্তৰ — মুখ আৰু নাক বন্ধ কৰি উশাহ নোলোৱাকৈ আমি মুহূৰ্তও থাকিব নোৱাৰোঁ। এতেকে আমি তাৰ অস্তিত্ব মানি ল'বলৈ বাধ্য। তাৰ নাম অক্সিজেন বোলক বা যিয়ে বোলক, কিন্তু কোনোবাই মোক এনে প্ৰমাণ দিব পাৰিবনে যাৰ দ্বাৰা মই ঈশ্বৰৰ অস্তিত্বৰ কথা মানিবলৈ বাধ্যত পৰিম। এতেকে মই মোৰ মূৰৰ পৰা ঈশ্বৰৰ পূজা নামৰ বিমূৰ্ত ধাৰণা হেৰুৱাই পেলালোঁ।

**পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া ভিক্ষাৰী ঃ**

ভিক্ষাই মোৰ জীৱন
যৌৱন
মানুহে খেদে মোক
মানুহে হাঁহে মোক
তথাপি নাই অন্য অৰ্থ মোৰ ......।

কলেজীয়া জীৱনৰ মোৰ আটাইতকৈ ভয়ংকৰ ৰূপত আবিস্কাৰ কৰা সময়তো আছিল, যি সময়ত মই নিজকে পৃথিৱীৰ আটাইতকৈ দুৰ্ভগীয়া ভিক্ষাৰীৰ ৰূপত আবিস্কাৰ কৰিছিলো। সচাঁ কথা মোৰ এনে কিছুমান সময় আহিছিল, য'ত মোৰ ভিক্ষা কৰাৰ বাহিৰে আন একো উপায় নাছিল। মই পাৰ্যমানে কাতৰ ভিক্ষা কৰিছিলোঁ। কিন্তু হঠাৎ মই এদিন নিজক বৰ দুৰ্ভগীয়া অৱস্থাত আবিষ্কাৰ কৰিলোঁ। মই যাৰ সৈতে কথা পাতিছিলো তেওঁৱেই বাৰু মই কিবা খুজিম বুলি ভয় কৰে নেকি? মই লাহে লাহে মানুহৰ ওচৰলৈ যাব নোৱাৰা হৈ পৰিলো। মোৰ এনে লাগিছিল যেন মানুহবোৰে মোৰ সৈতে কথা পাতিব নিবিচাৰে? পৃথিৱীৰ সকলো ভিক্ষাৰীৰে মানসিক অৱস্থা এনেকুৱা নেকি?

**দোষ আৰু দুখৰ চৰ্চা ঃ**

যেতিয়াই সুযোগ সুবিধা পাওঁ যিকোনো মানুহৰ লগত মই আলোচনা কৰিছিলো মোৰ দোষ আৰু দুখবোৰ। মই পাহৰি পেলাইছিলো মোৰ কিছু আনন্দ আছে। মোৰ কিছু গুণ আছে। মই মাথো দৌৰি ফুৰিছিলো দোষ আৰু দুখৰ সৈতে। মই যেন এনেকৈ ভবিছিলো পৃথিৱীৰ আটাইতকৈ দোষী আৰু আটাইতকৈ দুখী ময়েই। ই আছিল মোৰ কলেজীয়া জীৱনৰ আটাইতকৈ ডাঙৰ দোষ।

**I am a believer in punctuality, though it makes me lonely.**

প্ৰখ্যাত লেখক মৰোৱেই ঠিকে কৈছে। নিয়মানুৱৰ্তীতা বা নীৰৱতা সকলোৰে বাবে প্ৰয়োজনীয়। কিন্তু ই কেতিয়াবা মাজে সময়ে আমাক বৰ অকলশৰীয়া কৰে। মই ইতিমধ্যে উল্লেখ কৰিছো কলেজীয়া জীৱনত মোৰ দুই এজনহে বন্ধু আছিল। মই অকলশৰে থাকি ভাল পাইছিলোঁ। কিন্তু মোৰ মাজে সময়ে বৰ অকলশৰীয়া লাগিছিল যিটো সহ্য কৰা মোৰ বাবে বৰ টান হৈ পৰিছিল। মোৰ মন গধুৰ হৈ পৰিছিল।

**You never conquer the mountain's; you only conquer yourself.**

প্ৰথম নিজক জয় কৰা
তাৰ পিছত জিনিবা জগত

কিন্তু মই যেন নিজকে জিনিবলৈ কোনো দিনেই যত্ন কৰা নাছিলোঁ। জিনিবলৈ স্বাভাৱিক।

**A = X + Y + Z**

আইনষ্টাইনে জীৱন সম্পৰ্কে এটা অতি উত্তম ফৰ্মুলা দিছে ঃ — A = X + Y + Z

ইয়াত A মানে এটা সফল জীৱন
য'ত X মানে কাম
Y মানে খেল
Z মানে নিৰৱতা

তেওঁৰ ভাষাত If 'A' is a success in life, then 'Z' is keeping your mouth shut.

কিন্তু মোৰ কলেজীয়া জীৱনত X মানে আছিল অলীক কল্পনা, Y মানে আছিল দুঃচিন্তা, আৰু Z মানে আছিল বিপক্ষেই হওঁক বা সপক্ষেই হওঁক চিঞৰা।

**প্ৰেম ঃ**

ইয়াৰ আগৰ দুটা খণ্ডত মই মোৰ প্ৰেম সম্পৰ্কীয় কিছু কথা আলচ কৰিছিলোঁ। জীৱনৰ অন্য এক নামেই হ'ল প্ৰেম। কিন্তু প্ৰেমেও আমাৰ বাবে কাল ৰূপ ধাৰণ কৰিব পাৰে আৰু ইয়াৰ বিস্তৃত বিৱৰণ মই আগৰ খণ্ডত লিখিছোঁ। আগ্ৰহী পাঠকে পঢ়িব পাৰিব।

*নিমিষতে বিষাদে ধৰেহি আগত*
*এৰি অহা প্ৰেমৰ দাপোনে*
*অতীতৰ মধুৰ সপোন*

— যতীন্দ্ৰ নাথ দুৱৰা

কবিয়ে কোৱাৰ দৰে মুহূৰ্তই মুহূৰ্তই মোৰ এৰি অহা প্ৰেমে মোক আমনি কৰিছিল। অতীতৰ মধুৰ স্মৃতিবোৰ সুঁৱৰি মই বৰ্তমানবোৰ বিনষ্ট কৰিছিলোঁ। এৰি অহা প্ৰেমৰ দাপোনত নিজকে চাই চাই হাঁহিছিলোঁ, কান্দিছিলোঁ, নাচিছিলোঁ, গাইছিলোঁ। মোৰ যেন আশা আছিল অতীতবোৰ ঘূৰি আহিব। কেতিয়াবা লিখিছিলোঁ —

*জানো জানো কিমান পুখুৰীত*
*পদুম ফুলে*
*জানো জানো কিমান মৰম বুকুত*
*তোমাৰ মোলে।*
*কেতিয়াবা কান্দি কান্দি লিখিছিলো*
*মইতো আজিও বিছাৰো তোমাক*
*দিবানে আজিও মৰমৰ জোনাক*

(ৰবীন)

কেতিয়াবা নদীৰ পাৰে পাৰে হাবিত নিৰলে গাইছিলোঁ —

*অ! মোৰ কলিজা আজিও*
*মই বলীয়া*
*তোমাক কাবত নাপাই*
*হ'লো মতলীয়া*

(ৰবীন)

কেতিয়াবা কওঁ —

*মৰম কৰি*
*নকৰিলো কৰম*
*এৰিলো ধৰম*
*ৰচিলো নিজৰ মৰণ*

(ৰবীন)

কেতিয়াবা গাওঁ —

*চাওঁতে চাওঁতে হায় / মইনাৰ মাত নাই*
*প্ৰাণ পক্ষী উৰি গুচি গ'ল*
*চাওঁতে চাওঁতে হায়, সন্ধিয়াৰ ৰঙাবেলি*
*পল সাগৰত বুৰ গ'ল।*

(আনন্দ চন্দ্ৰ আগৰৱালা)

*মাজে মাজে যত্ন কৰো*
*সুঁৱৰি সুঁৱৰি কিয় অতীতৰ স্মৃতি*
*মিছাতে নিজে দুখ পোৱা?*
*মুখনি খেলান কিয় মিছাতে চকুলো*
*অতীতক পাহৰি পেলোৱা*

(যতীন্দ্ৰ নাথ দুৱৰা)

**উপসংহাৰ ঃ**

ভাল আৰু বেয়া, ভুল আৰু শুদ্ধ, দোষ আৰু গুণৰ সমষ্টিয়েই জীৱন। স্বাভাৱিকতে সকলোৱে ভাল হ'ব নোৱাৰে। অন্য অৰ্থত জীৱনত কৰা সকলো কাম ভাল হ'ব নোৱাৰে। শুদ্ধখিনি নিৰ্ধাৰণ কৰিবলৈ অশুদ্ধ পথটো ভৰি দিওঁ। বেয়াখিনিয়েহে ভালখিনি নিৰ্ধাৰণ কৰিব পাৰে। কিন্তু সকলোৰে এটা সীমা থাকে। সেই সীমা অতিক্ৰম কৰি, বেয়া কৰি আৰু অধিকতম বেয়া হৈ পৰে। ভুলৰ শুধৰণিৰ আৰু আৱশ্যক নাথাকে। এতেকে চক্ৰেটিচৰ নিয়ম মানি চলাই মানবতাৰ ধৰ্ম হোৱা উচিত। তেওঁ কৈছিল, " মানুহে যদি সত্যত জীৱনটো পৰীক্ষা কৰি নাথাকে, তেন্তে জীৱনটো যাপন কৰাৰ যোগ্য নহয়।" □ □ □

## বিভিন্ন ক্ষেত্ৰত নিজস্ব প্ৰতিভাৰে উজ্বলি উঠা চিলাপথাৰৰ কেইগৰাকীমান ব্যক্তি (২) —

*ডাঙৰ মানুহ হ'লেও অনবৰতে মাকো মাৰি থকা বা ঢপলিয়াই থকা তেওঁ সামান্য মানুহহে । গতিকে তুমিও চেষ্টা কৰি থাকা ।*

*— ড° এ. পি. জে. আব্দুল কালাম*

চিলাপথাৰ, সৰু হ'লেও এখন ব্যৱসায়িক চহৰ । বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ চিলাপথাৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ চহৰ । অঞ্চলটোত শিল্পী, সাহিত্যিক, খেলুৱৈ, সমাজকৰ্মী, সাংস্কৃতিক কৰ্মী, শিক্ষাবিদ, বিশিষ্ট সমাজকৰ্মী লোকৰ সংখ্যাও কম নহয় । তেওঁলোকৰ আশাসুধীয়া প্ৰচেষ্টাৰ বাবেই চিলাপথাৰবাসীৰ মাজত শান্তি-সম্প্ৰীতি বহুসময়ত দুগুণে বৃদ্ধি পাইছে । তেওঁলোকৰ বাবেই চিলাপথাৰবাসীয়ে বহুসময়ত চিলাপথাৰবাসী হিচাপে গৌৰৱ কৰিবলৈ সুবিধা পাইছে । উঠি অহা প্ৰজন্মৰ বাবে তেওঁলোক প্ৰেৰণাৰ উৎস । আমি চিলাপথাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ ফালৰপৰা বৃহত্তৰ চিলাপথাৰ অঞ্চলটোৰ যিসকল ব্যক্তিয়ে সমাজ সু-শৃংখল কৰাত, চিলাপথাৰবাসীক গৌৰৱ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে, তেওঁলোকৰ বিষয়ে বিগত বৰ্ষৰ পৰা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনত তথ্য সহকাৰে প্ৰকাশ কৰা হৈছে । সেই ধাৰা অক্ষুন্ন ৰাখি এই সংখ্যাত চিলাপথাৰৰ দুগৰাকী বিশিষ্ট ব্যক্তিৰে বিষয়ে প্ৰকাশ—

# দাপোনৰ ভাষাৰ জড়িয়তে বিশ্বত প্ৰসিদ্ধি লাভ কৰা 'ড° উত্তম দাস' — এক অনন্য প্ৰতিভা

**তথ্য সংগ্ৰহ — পৰেশ পাইত**




১৯৭৬ চনৰ চেপ্তেম্বৰ মাহৰ ১৪ তাৰিখে চিলাপথাৰ কুলামুৰা গাঁৰত উত্তম দাসৰ জন্ম হয়। তেওঁৰ পিতৃ জ্যোতিষ দাস আৰু মাতৃ মিনতি দাস। মুঠ ৬ জন ককাই-ভাইৰ সতে এটি অতি সাধাৰণ পৰিয়ালত তেওঁ ডাঙৰ-দীঘল হৈছিল। কিন্তু সৃষ্টিশীল মনৰ অধিকাৰী হোৱাৰ বাবে উত্তম দাসৰ মনত ল'ৰালি কালৰ পৰাই নতুন কিবা এটা সৃষ্টি কৰাৰ প্ৰৱণতাই গা কৰি উঠিছিল। তেতিয়া কোনে জানিছিল এই সাধাৰণ ব্যক্তিজনৰ ভিতৰত যে ইমান সম্ভৱনা লুকাই আছে? আনকি মাক-দেউতাক, শিক্ষক, সহপাঠী কোনেও উমান পোৱা নাছিল তেওঁৰ সুপ্ত প্ৰতিভাৰ কথা।

চিলাপথাৰ নগৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা সাং কৰি চিলাপথাৰ আৱসিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা কালত (প্ৰায় ১২ বছৰ বসয়ত) উত্তম দাসৰ মনত ওলোটাকৈ হাতৰ আখৰ লিখা প্ৰৱণতাৰ সঞ্চাৰ হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষা (১৯৯২)ত উত্তীৰ্ণ হোৱাৰ পিছত তেখেত উচ্চ শিক্ষাৰ বাবে ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ পৰা স্নাতক (বিজ্ঞান) ডিগ্ৰী লাভ কৰি, শিলিগুৰিত এডভান্স ডিপ্লমা ইন কম্পিউটাৰ নেটৱৰ্কত শিক্ষা গ্ৰহণ কৰি থকা অৱস্থাতে ওলোটাকৈ আখৰ লিখা কৰ্মত ব্ৰতী হয়। তেখেতৰ একাগ্ৰতা, অধ্যৱসায় আৰু নিৰলস চেষ্টাৰ ফলত ইংৰাজীত ওলোটাকৈ আখৰ লিখাত আৰু পঢ়াতো পাৰ্গত

হয়।

শিক্ষা জীৱন শেষ কৰা পিছত তেওঁ প্ৰথমে গুভৰিক গ্ৰুপ লিমিটেড্ আৰু পাছলৈ আই. চি. আই. চি. আইত চাকৰিত যোগদান কৰে। চাকৰি কালত সময় পালেই তেওঁ দাপোনৰ ভাষা সৃষ্টিৰ বাগিত ব্যস্ত হৈ পৰিছিল। এই সৃষ্টিৰ প্ৰতি তেখেতৰ অনুৰাগ ইমানেই প্ৰৱল আছিল যে, অৱশেষত বহুজাতিক কোম্পানীৰ চাকৰি পৰিত্যাগ কৰি নিজ সৃষ্টি কৰ্মত সম্পূৰ্ণৰূপে আত্মনিয়োগ কৰে। তেখেতৰ ভাষাৰে "মই এই পদ্ধতিত লিখিবলৈ আৰু পঢ়িবলৈ শিকিলোঁ কাৰণ শৈশৱ কালৰ পৰাই মোৰ ভিন্ন ৰূপত লিখাৰ প্ৰৱণতা আছিল। এটা নতুন কিবা কৰাৰ তাগিদাতেই এই কৰ্মৰ প্ৰতি পৰৱৰ্তী কালত অধিক আসক্ত হৈ পৰিল।

গভীৰভাৱে আসক্ত হৈ পৰাৰ বাবেই ২০০৪ চনৰ নৱেম্বৰ মাহত তেখেতে স্বামী বিবেকানন্দৰ "মেডিটেচন এণ্ড ইটচ প্ৰিপাৰেচন" পুথিখন ইংৰাজীত দাপোনৰ ভাষাত লিখি উলিয়ায়। এইখনেই দাপোনৰ ভাষাত লিখা পূৰ্ণ পৰ্যায়ৰ প্ৰথম পুথি। তাৰ পিছত তেখেতে মন মেলিলে বাইবেলখন লিখাৰ বাবে। ২০০৪ চনৰ ডিচেম্বৰ মাহৰ পৰা একেৰাহে কঠোৰ শ্ৰম কৰি পাঁচ মাহৰ ভিতৰত সাতটা খণ্ডত বাইবেলখন দাপোনৰ ভাষাত লিখি উলিয়ায়। উক্ত বাইবেলখনৰ এটা কপি ২০০৫ চনৰ ১৮ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ ডনবস্ক স্কুলত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমৰ আৰ্কবিশ্বপ থমাছ মনাম্পৰামপিলৰ হাতত খ্ৰীষ্টমাচৰ উপহাৰ হিচাপে ভেটিকান ষষ্ঠদশ পোপ বেনেডিক্টলৈ প্ৰেৰণৰ বাবে। তেখেতৰ এই শিল্পকৰ্ম স্ব-চকুৰে প্ৰত্যক্ষ কৰি বিস্ময়বিভূত হৈ স্বতঃস্ফুৰ্ত ভাবে আৰ্কবিশ্বপৰ মুখৰ পৰা নিসৃত হৈছিল— "বাইবেলখন ভিন্ন ৰচনাশৈলীৰে অনুলিপি কৰা দেখি মই আচৰিত আৰু হতবাব হৈছোঁ। এইটো ঠিক ল'ৰাজনৰ এক অনুপম সৃষ্টি।"

উত্তম দাসৰ এই বিস্ময়কৰ অৰ্পূব সৃষ্টিৰ কথা সেই সময়ৰ অসমৰ প্ৰতিখন বাতৰি কাকত আৰু ভাৰতৰ প্ৰায় সকলো বাতৰি কাকতত যেনে — দি হিন্দু, দি ইকনমিকছ্ টাইম, দি টেলিগ্ৰাফ, দি চেণ্টিনেল আদি আৰু বিশ্বৰ বিভিন্ন বাতৰি কাকত যেনে— টাইমছ্ অফ ওমান, মেইল গাৰ্জিয়ান (দঃ আফ্ৰিকা), ডি মানডে এক্সপ্ৰেছ, গালফ টাইমছ্, এমিৰেট্‌ছ টুদে, দি ছিডনি মৰ্নিং হেৰলড্ (অষ্ট্ৰেলিয়া), দি গাল্ফ, ডেইলী গাল্ফ টাইমছ্, দি পেলিলচুলা (কাটাৰ), বাহৰেইন ট্ৰিবুন, ৱানাডু (জৰ্দন), সাউথ এচিয়া নিউজ, ইণ্টাৰনেচনেল (বাংলাদেশ), গ্লোবেল ৰিপটৰ বিভিন্ন দেশীয় সংস্কৰণত যেনে — আমেৰিকা, চীন, দক্ষিণ আফ্ৰিকা, মাৰবিয়া, মণ্টনেগা, হংকং, শ্ৰীলংকা, কানাডা, নিউজিলেণ্ড আৰু ইজৰাইল আদিত বিস্তাৰে প্ৰকাশ পাইছে। আনকি বিশ্বৰ বিভিন্ন অন লাইন বাতৰি কাকতত উত্তম দাসৰ ব্যক্তিক্ৰমধৰ্মী শিল্প কলাৰ বিষয়ে ব্যাপকভাৱে প্ৰকাশ হৈছে। ইচ্ছুক পাঠকে Yahoo Search ত Bible Uttam Das Silapathar টাইপ কৰি চাৰ্চ কৰিলে এই বিষয়ে বিশেষভাৱে জানিব পাৰিব।

উত্তম দাসৰ সৃষ্টিৰ সৌৰভ অকল বাতৰি কাকতেই বিলোৱা নাই, তেখেতৰ এই অনবদ্য অৱদানৰ বিষয়ে বিভিন্ন ইলেক্ট্ৰনিক মাধ্যমত, যেনে— বি. বি. চি., দূৰদৰ্শন, সাহাৰা সময়, জি নিউজ ষ্টৰ, ই.টি.ভি, এন.ই.টি.ভি., প্ৰাগ নিউজ, নিউজ লাইভ আদিত ঢাক-ঢোল পিটি একাধিকবাৰ সম্প্ৰচাৰ কৰিছে। তদুপৰি বিভিন্ন টি.ভি. চেনেলবোৰেও তেখেতক লৈ প্ৰগ্ৰেম কৰিছে আৰু সম্প্ৰচাৰ কৰিছে। উত্তম দাসক লৈ জি.টি.ভি.ৰ 'চাব্বাছ্ ইণ্ডিয়া'ত অনুষ্ঠান পৰিৱেশন কৰিছে।


অশেষ সাধনা, অনলস শ্ৰম আৰু নিৰলস প্ৰচেষ্টাৰ বলতহে যে তেখেতে এই শিল্প কলা আয়ত্ব কৰিব পাৰিছে তাত কোনো সন্দেহ নাই। কিন্তু ইমান সাধনা, শ্ৰম আৰু প্ৰচেষ্টাৰ বলত তেখেতে উদ্ভাৱন কৰা এই দাপোনৰ ভাষা 'কি কামত আহিব' বুলি বহুতৰ মনত প্ৰশ্নৰ উদয় হৈছে। উত্তৰত ক'ব পাৰি আন আন শিল্পকলাৰ দৰে দাপোনৰ ভাষাইও আমাৰ মনৰ উৎকৰ্ষ সাধন কৰিব পাৰে। দাপোনৰ ভাষাৰ বিষয়ে দি চেণ্টিনেল কাকতে কয় "ই লিখাৰ এটা নতুন দিশ উন্মোচন কৰিলে।" দি টেলিগ্ৰাফৰ মতে— "ওলোটাকৈ লিখা আৰু পঢ়াটো এবিধ কলা।" আহমেদাবাদৰ ইছ্ৰোৰ বিশিষ্ট বিজ্ঞানী ৰাজু দাসৰ মতে দাপোনৰ ভাষাই গুপ্ত বাৰ্তাৰ ক্ষেত্ৰতেই নহয়, সাংকেতিক লিপিৰ গুপ্ত বাৰ্তাৰ ক্ষেত্ৰতো উন্নতি সাধিব।"

দাপোনৰ ভাষা প্ৰচাৰ আৰু প্ৰসাৰতাৰ বাবে এতিয়ালৈকে যিমানখিনি হৈছে সেয়া তেখেতৰ একক প্ৰচেষ্টাতে হৈছে। ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰতাৰ বাবে তেখেতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত প্ৰদৰ্শন কৰিছে আৰু এই শিল্প কলা চৰ্চাৰ বাবে বিভিন্নজনক অনুপ্ৰাণিত কৰিছে। কিন্তু ইয়াৰ সাৰ্থক প্ৰচাৰ, প্ৰসাৰ আৰু ফলপ্ৰসু ব্যৱহাৰ বাবে তেখেতৰ একক প্ৰচেষ্টাই যথেষ্ট নহয়। যদি কোনো চৰকাৰী-বেচৰকাৰী সংস্থা, স্বেচ্ছাসেৱী সংস্থা বা ব্যক্তিয়ে সহায়ৰ হাত আগবঢ়ায়, তেন্তে নিশ্চয় ইয়াৰ সঠিক ব্যৱহাৰৰ দ্বাৰা সমাজৰ হিত সাধন কৰিব পৰা যাব বুলি তেখেতৰ বিশ্বাস।

ওলোটা আখৰেৰে ৬ টাকৈ খণ্ডত লিখি উলিওৱা দা

হলী বাইবেল'ৰ বাবে উত্তম দাসক ২০০৬ চনতে প্ৰদান কৰা হ'ল 'লিম্‌কা বুক অব ৰেকৰ্ড'ৰ খিতাপ। ইয়াৰ পাছতেই ক্ৰমে ২০১৩ আৰু ২০১৪ চনত ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ্, এছিয়া বুক অৱ ৰেকৰ্ডছ্, ৱৰ্ল্ড ৰেকৰ্ডছ্ ইণ্ডিয়া, ৰেকৰ্ড হল্ডাৰ্ছ্ ৰিপাব্লিক, ইউনিক ৱৰ্ল্ড ৰেকৰ্ড, এভাৰেষ্ট ৱৰ্ল্ড ৰেকৰ্ড, মিৰাকল ৱৰ্ল্ড ৰেকৰ্ড, গল্ডেন বুল অফ্ ৱৰ্ল্ড ৰেকৰ্ডছ্ আদিত নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি যুৱক জনে তেওঁৰ দাপোনৰ ভাষাতে ওলোটাকৈ লিখি উলিওৱা 'নামঘোষা' গ্ৰন্থখনৰ বাবে ২০১৩ চনত ইণ্ডিয়া বুক অৱ ৰেকৰ্ডত দ্বিতীয় বাৰলৈ স্বীকৃতি লাভ কৰে। শেহতীয়াকৈ চলিত বৰ্ষৰ ২৩ মাৰ্চ ইউ.কে.ৰ ৱৰ্ল্ড ৰেকৰ্ড ছ'চাইটীয়ে উত্তম দাসক ভিয়েট নামত আনুষ্ঠানিকভাৱে অনাৰেৰী ডক্টৰেট প্ৰদান কৰে। তেওঁৰ এই সাফল্যণ ধাৰা অব্যাহত থাকক, আমি মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা তাৰেই আন্তৰিকতাৰে কামনা কৰিছোঁ। □ □ □

# এক জীৱন্ত কৰ্মশালা — গোপাল চন্দ্ৰ দেৱ



তথ্য সংগ্ৰহ — ৰবীন কুলি

(খ)

*"সবাই ঘরের পালে যাবায় বেলা*
*আমার দেখে হাসে*
*মনে লজ্জা লাগে মোর*
*আমি সবে আজি বসন খানি তেনে*
*মুখের পরে*
*যেন ভিখারিণীর মত*
*কেই ওধাম "কি চাও তুমি" থাকি*
*নিরুওরে*
*করি দুটি নয়ন মত।"*

— ৰবীন্দ্ৰনাথ ঠাকুৰ

নিজৰ জীৱনৰ বাবে যি পথ বাচি লৈছে সেই পথকে উত্তম পথ বুলি মান্য কৰি, সেই পথেৰে নিজৰ জীৱন জয় কৰাৰ সফলতম কৌশল আয়ত্তকৰণৰ প্ৰক্ৰিয়াকে জীৱন শৈলী বুলিব পাৰি।

মই এজন শিক্ষক, মইনো কি কৰিব পাৰোঁ বুলি সংকীৰ্ণ মনোভাৱ লৈ জীৱনৰ মূল্যৱান সময়বোৰ অতিবাহিত কৰাতকৈ মই এজন শিক্ষক, মই শিক্ষক হৈ জীৱনটো কেনেকৈ সফলতম কৰি তুলিব পাৰিম তাৰ পুৰুষাৰ্থ কৰি জীৱনটো অতিবাহিত কৰাতো সফলতম জীৱনৰ চানেকী। এনে এজন সফলতম জীৱন্ত শিক্ষক হ'ল গোপাল চন্দ্ৰ দেৱ।

He is teacher.
তেওঁ শিক্ষক।

বিখ্যাত ফৰাচী লেখক আঁদ্ৰে মালৰোছৰেৰ আত্মজীৱনী 'Anti Memoirs'ৰ এক তৃতীয়াংশ পণ্ডিত জৱহাৰলাল নেহেৰুৰ প্ৰশংসাসূচক বাক্যৰে ভৰপূৰ। তথাপি মালৰোছৰ এটা মাত্ৰ বাক্যৰেই নেহৰুৰ ওপৰত থকা তেওঁ দৃষ্টিভংগী সহজে অনুমান কৰিব পাৰি। তেওঁ লিখিছে —

He was India
অৰ্থাৎ নেহৰুৱেই ভাৰত।

The living workshop of Twentyfirst Century. একবিংশ শতিকাৰ জীৱন্ত কৰ্মশালা গোপাল চন্দ্ৰ দেৱৰ বিষয়ে লিখিবলৈ গৈ অভাজনেও এটা মাত্ৰ বাক্য ব্যৱহাৰ কৰাৰ প্ৰাসঙ্গিকতা অনুভৱ কৰিছোঁ।

He is teacher
তেওঁ শিক্ষক
শিক্ষক গোপাল চন্দ্ৰ দেৱ
গোপাল চন্দ্ৰ দেৱ শিক্ষক।

(গ)

## The living workshop
## Gopal Chandra Deb

আজি অসমৰ প্ৰাথমিক, উচ্চ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰখনত এটি পৰিচিত নাম গোপাল চন্দ্ৰ দেৱ। নিজৰ কৰ্মৰ প্ৰতিভাৰে, কৰ্মকে ধৰ্মলৈ ৰূপান্তৰ কৰা গোপাল চন্দ্ৰ দেৱৰ প্ৰতিটো কৰ্মত আছে নতুনত্বৰ মৌসনা গুণ। উদ্ভাৱনী শিক্ষক দেৱৰ কৰ্মৰ নমুনাই কেৱল শিক্ষাৰ্থীৰ সপোন সাৰ্থক কৰাই নহয়, বৰঞ্চ এখেতৰ কৰ্ম-সংস্কৃতি আজি দেশৰ বিভিন্ন বৌদ্ধিক আৰু শৈক্ষিক মহলত বাৰুকৈয়ে চৰ্চা লাভ কৰিছে। শিক্ষকৰ আঁৰ-বেৰ ভাঙি সামাজিক শিক্ষক হোৱা গোপল চন্দ্ৰ দেৱ আজি বৈদ্যুতিন মাধ্যমৰ ডালে-পাটে উজ্বলি উঠিছে। তেওঁ আজি কেৱল ভৈৰৱপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষক নহয়, বৰঞ্চ ৰাজ্যৰ শিক্ষক।

ধেমাজিৰ শিক্ষক

অসমৰ শিক্ষক

ভাৰতৰ শিক্ষক।

(ঘ)

**একবিংশ শতিকাত সাগৰত দলং সজা মানুহজন ঃ**

ৰামে সীতাক উদ্ধাৰৰ নিমিত্তে লংকা যাত্ৰাৰ সময়ত সাগৰৰ পথত সেতু নিৰ্মাণৰ আঁৰত আছিল ৰামৰ পৰম ভক্ত হনুমান।

বিভিন্ন কাৰণত আজি অসমৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাক অচল, অনুপযোগী, অপ্ৰাসংগীক বুলি দ্বিধাহীনভাৱে ক'ব পাৰি। কিন্তু ইয়াক উপযোগী ৰূপত তুলি ধৰি বৰ্তমানৰ গোলকীয় বিশ্বৰ উপযোগী কৰি তুলিবলৈ শিক্ষাৰ্থীৰ বাবে জীৱন-যৌৱন একাকাৰ কৰি আছে এচাম দেৱতুল্য শিক্ষকে। তাৰে এজন পৰম নমস্য শিক্ষক গোপাল চন্দ্ৰ দেৱ।

আজি চৰকাৰী বিদ্যালয়বোৰৰ পয়াঁলগা অৱস্থাৰ কথা সৰ্বজন বিদিত। বিভিন্ন কাৰণত আজিৰ চৰকাৰী শিক্ষা ব্যৱস্থা অচল, সময়ৰ অনুপযোগী বুলি দ্বিধাহীনভাৱে ইতিমধ্যে উল্লেখ কৰি আহিছো। এই সকলো প্ৰত্যাহ্বান নেওচি শিক্ষাৰ্থীৰ বৌদ্ধিক-সামাজিক, শাৰীৰিক আৰু জীৱনবোধৰ শিক্ষা বিবিধ মাধ্যমেৰে প্ৰদান কৰা ভৈৰৱপুৰ নেতাজী মধ্য ইংৰাজী বিদ্যালয়ে বৰ্তমান অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী বিদ্যালয়ৰ বাবে অনুকৰণীয় এখন বিদ্যালয়।

(ঙ)

সীমাৰ ভিতৰত থাকি অসীম সাফল্য।

শিক্ষকতাৰ গণ্ডীৰ ভিতৰত থাকিও বিভিন্ন লেখা-মেলা, সমধুৰ ভাষণে সমাজ উদ্বোদ্ধ কৰা শ্ৰীযুত গোপাল চন্দ্ৰ দেৱৰ সাফল্য অসীম।

মিনা ক্লাব, শিশু কল্যাণ বাকচ, মূল্যবোধৰ বাচক, শিশু কল্যাণ পুঁজি আদি অলেখ উদ্ভাৱনীমূলক কামেৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰা বিদ্যালয়খনৰ শ্ৰেণী কক্ষ, পুথি ভঁৰাল, প্ৰাতঃ সভাৰ ধৰণ, বিদ্যালয়ৰ চৌপাশ, পৰিস্কাৰ-পৰিচন্নতাৰ কৌশল, শিক্ষন আদি সকলোতে গোপাল চন্দ্ৰ দেৱ আদৰ্শ।

১৯৫৮ চনৰ পহিলা চেপ্তেম্বৰত জন্ম গ্ৰহণ কৰা শ্ৰীযুত গোপাল চন্দ্ৰ দেৱ ব্যক্তিগত পৰ্যায়ত অলেখ সন্মানৰ গৰাকী। শেহতীয়াকৈ তেওঁ অসম চৰকাৰৰ পৰা ৰাজ্যিক কৃতী শিক্ষকৰ সন্মান লাভ কৰিছে। অহা ৩০ চেপ্তেম্বৰ, ২০১৮ তাৰিখে তেখেতৰ অৱসৰৰ দিন। অৱসৰৰ পাছতো তেখেতৰ সাফল্যৰ ধাৰা অব্যাহত থাকক। আমি তাকেই কামনা কৰিছোঁ।

□□□

# সাম্প্রতিক সময়ত পৃথিৱীৰ আটাইতকৈ ভাল কামটো কৰি থকা অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েং দেৱৰ সৈতে এক অন্তৰংগ আলাপ

যাদৱ পায়েং সম্প্ৰতি বিশ্বৰ এক পৰিচিত নাম। যিজনে প্ৰায় ৫৫০ হেক্টৰ মাটিত নিজা প্ৰচেষ্টাৰে গছ ৰুই এখন বৃহৎ অৰণ্যৰ সৃষ্টি কৰিলে। যিখন অৰণ্যক এতিয়া মূলাই কাঠনি নামেৰে বিশ্বই জানে। অৰণ্যখনত এতিয়া বিভিন্ন প্ৰজাতিৰ গছ, চৰাই, ঢেকিয়াপতীয়া বাঘ, হৰিণা, গঁড়, সাপ, নেউল আদি বিভিন্ন বনৰীয়া প্ৰাণীয়ে পৰিপূৰ্ণ। ২০১২ চনৰ ২২ এপ্ৰিলত ধৰিত্ৰী দিৱসৰ লগত সংগতি ৰাখি নতুন দিল্লীত অনুষ্ঠিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেওঁক "ভাৰতৰ অৰণ্য মানৱ" বিভূষণেৰে সন্মানিত কৰে। ২০১৫ চনত তেওঁলৈ ভাৰত চৰকাৰে পদ্মশ্ৰী বঁটাও আগবঢ়ায়। এনে এক বিশাল ব্যক্তিত্বৰ সৈতে আমাৰ চিলাপথাৰ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক পৰেশ পাইত আৰু ছাত্ৰ টংকেশ্বৰ পেগুৱে এটি সাক্ষাৎ গ্ৰহণ কৰিছিল। চিলাপথাৰ মহাবিদ্যালয় আলোচনীখনৰ পাঠকৰ বাবে তেওঁৰ সৈতে হোৱা কথোপকথন সম্পাদিত ৰূপত আগবঢ়ালোঁ-



▶ নমস্কাৰ। ছাৰ আপুনি কেৱল মুখেৰে নহয়, হাতে কামে কৰি অৰণ্যক ভাল পোৱাৰ, অৰণ্যক সুৰক্ষিত কৰাৰ নিদৰ্শন বহন কৰিছে। তাৰ বাবে আপোনাক চিলাপথাৰ মহাবিদ্যালয়ৰ তৰফৰপৰা ধন্যবাদ। ছাৰ আপুনি এইক্ষেত্ৰখনত কাম কৰাৰ বাবে প্ৰেৰণা ক'ৰ পৰা, কেনেকৈ পালে সেই সম্পৰ্কে অলপ বহলাই ক'ব নেকি?

▶▶ প্ৰেৰণা মানে এনেকুৱা ধৰণৰ, মিচিং জনগোষ্ঠীৰ মানুহে সদায় প্ৰকৃতিৰ পৰাই লয় আৰু প্ৰকৃতিক দিয়ে। আমি আজি বহুত কথা কিতাপ পঢ়ি শিকিছোঁ হয়। কিন্তু আমাৰ ককা-আইতাহঁতে কিতাপৰ পৰিৱৰ্তে প্ৰকৃতিৰ পৰাহে বহুত কথা শিকিছিল। তেওঁলোক মূলতঃ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আছিল। আমাৰ মিচিং জনগোষ্ঠীৰ লোকসকলে প্ৰকৃতিৰপৰা জ্ঞান আয়ত্ব কৰি আপং প্ৰস্তুত কৰিছিল। আপং প্ৰস্তুত কৰোঁতে যিটো ঔষধ ব্যৱহাৰ কৰে, সেইটো আয়ুৰ্বেদিক গুণসম্পন্ন। যিটো খালে কেন্সাৰ ৰোগ নহয় বুলি বৰ্তমান বিজ্ঞানীসকলে গৱেষণা কৰি গম পাইছে। সেই হিচাপে আমাৰ ককা-আইতাসকল বিজ্ঞানীয়েই আছিল। তেখেতসকলে জৈৱ বৈচিত্ৰ্যৰে ভৰা প্ৰকৃতিৰপৰা

বহুত কথাই শিকিছিলো। এইবোৰেই আছিল মোৰ প্ৰেৰণা। ককা, আইতাৰ আশীৰ্বাদেও এইক্ষেত্ৰত মোক সহায় কৰিছিল।

▸ ছাৰ আপোনাৰ উপনাম মুলাই। মুলাই কাঠনি নামেৰেই আপোনাৰ তত্বাৱধানত হোৱা অৰণ্যখন আজি পৰিচিত। ছাৰ, বৰ্তমান অৰণ্যখনৰ মাটি কালি, অৰণ্যখনৰ অৱস্থিতি আৰু অৰণ্যখনত কি কি কাঠ অথবা জীৱ-জন্তু আছে সেই সম্পৰ্কে অলপ কওকচোন।

▸▸ এই অৰণ্যখনত বৰ্তমান ৫৫০ হেক্টৰ তাৰ মানে ৪৫০০ বিঘা মাটি আছে। অৰণ্যখন গছ-গছনিৰে ভৰা আৰু তাত শতাধিক হৰিণ আছে। য'ত হৰিণ থাকে তাত বাঘো থাকে। ঢেকীয়াপটীয়া, নাহৰফুটুকী, গঁড়, হাতী আৰু বিলুপ্ত প্ৰজাতিৰ চেগুন গছ আৰু বিশ্বৰ বিভিন্ন প্ৰজাতিৰ প্ৰায় ৮০ শতাংশ চৰাই বৰ্তমান অৰণ্যখনত আছে।

▸ আজি অৰণ্যখন যিটো পৰ্যায়ত উপনীত হৈছেহি, সেই পৰ্যায়ত উপনীত হওঁতে আপুনি নিশ্চয়কৈ বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। সেই প্ৰত্যাহ্বানবোৰ আপুনি কেনেদৰে সমাধান কৰিছিল?

▸▸ সেই কথাবিলাক এনেকুৱা, মোক কেতিয়াবা কোনোবাই বেয়াকৈ ক'লেও মই তেতিয়া ভাবিছিলোঁ, হে ভগৱান সিহঁতক জ্ঞান দিয়া। মই কোনোদিন আনৰ কথা শুনি পিছলৈ চোৱা নাছিলোঁ। যিহেতু কুকুৰে সদায় ভুকি থাকে কিন্তু হাতীয়ে কেতিয়াও ঘুৰি নেচায়। সেইবোৰ কথা সৰুতে শিকিছিলোঁ। মই দশম মান শ্ৰেণীলৈ পঢ়িলেও; য'ত পঢ়িছিলোঁ, তাত বটানিকেল্ (উদ্ভিদ বিজ্ঞান) বিভাগৰ এজন বিজ্ঞানী আছিল। তেখেতৰ নাম ড° জগন্নাথ বেজবৰুৱা। তৃতীয় শ্ৰেণীৰ পৰা মই তেওঁৰ ল'ৰা-ছোৱালীৰ সৈতে একেলগে পঢ়িছিলোঁ। তেতিয়াৰ পৰাই মই গছ-গছনি ৰোৱা, গছ-গছনি ভাল পোৱা, চৰাই-চিৰকটি ভাল পোৱা, জীৱ-জন্তু ভাল পোৱা আদিবোৰ তেওঁৰপৰা শিকিছিলোঁ। সেই কাৰণে মই সেইবোৰ কৰি ভালপাওঁ আৰু কৰি আছোঁ।

▸ 'মুলাই কাঠনি' অৰণ্যখন গঢ় দিয়াত আপোনাক কোনো ব্যক্তি বা সংগঠনে সহায় কৰিছিল নেকি? যদি কৰিছিল কেনেদৰে কৰিছিল? লগতে অৰণ্যখন গঢ় দিয়াৰ ক্ষেত্ৰত আন কোনো ব্যক্তি অথবা সংগঠন আপোনাৰ বাধাৰ প্ৰাচীৰ হৈ থিয় দিছিল নেকি?

▸▸ তেনেকৈ কেতিয়াও প্ৰতিবাদ কৰা নাছিল। আমাৰ তাত থকা মানুহে বিলাকে বাঘে গৰু খালে কেতিয়াও বেয়া নাপায়। বাঘে গৰু খালে বেমাৰ নহয় বুলিহে বিশ্বাস কৰে। সেই কাৰণে বাঘৰ ওপৰত বহুত বিশ্বাস আৰু কোনো দিন বাঘ নামেৰে। সেই কাৰণে আমি জীৱ-জন্তু ভাল পাওঁ আৰু চৰাই-চিৰকাটি ভাল পাওঁ। তাত থকা মানুহ বিলাকে গছ-গছনি ভাল পাই আৰু গছ ৰোৱাৰ অভ্যাস আছে। হাতীয়ে আহাৰ বিচাৰি বহুবাৰ গাঁৱৰ মানুহৰ ঘৰ-দুৱাৰ ভাঙি দিছে। যেতিয়া হাতীয়ে ঘৰ-দুৱাৰ ভাঙে তেতিয়া অৱশ্যে মোৰ ওপৰত খং কৰি "আপুনি গছবোৰ নুৰুৱা হ'লে হাবিৰ হাতীয়ে আমাৰ ঘৰ নেভাঙিলেহেঁতেন" বুলি প্ৰতিবাদ কৰিছিল। বহুতে গছবিলাক কাটি-পেলাব লাগিব বুলিও কৈছিল আৰু বহুবাৰ সাংগামাও কৰিছিল। কৰিলেও সেইবোৰ ঘূৰি চোৱা নাই আৰু তেতিয়া মই কৈছো — "মই গছ-গছনি কাটিব নোৱাৰোঁ আৰু কাটিব নিদিওঁ। আপোনালোকে গছ কটাৰ আগতে মোক কাটিব লাগিব। তাৰ পিছত গছ কাটিব। মোৰ গছেতো ঘৰ ভঙা নাই। আপোনালোকৰ ঘৰ হাতীয়ে ভাঙিলে। তাৰ বাবে এম.এল.এ. আৰু এম.পি. আছে, তেওঁলোকৰ লগত যোগাযোগ কৰক। মই গছ কাটিব নিদিওঁ।" সেইবোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'লেও এতিয়া মানুহে বুজি উঠিছে। এই হাবিখনৰ পৰা এতিয়া ঠাইডোখৰলৈ দেশ-বিদেশৰ পৰ্যটক আহিছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰ্যটক অহা দেখি স্থানীয় মানুহে আচৰিত ভাবিছে।

▸ আপুনি কেনেকৈ আৰু কেতিয়াৰ পৰা এই কামৰ বাবে জনসাধাৰণৰ দৃষ্টিত পৰে, সেই সম্পৰ্কে কওকচোন অলপ।

▸ সেয়া ২০০৮ চনৰ কথা। তেতিয়া অসমৰ সংবাদ মাধ্যমৰ লোকো আহিছিল। প্ৰথম দিনা সাতজন আহিছিল। যিদিনা সংবাদ মাধ্যমৰ লোক আহিছিল সেই দিনা নটাকৈ গৰুক বাঘে মাৰিছে। সেইদিনা হাবিখনত তিনিটা গঁড় আছিল আৰু ১৫০ টা হাতী আছিল। সেয়ে প্ৰথম অৱস্থাত সাংবাদিক কেইজনক মই চোৰাং চিকাৰী বুলিয়েই ভাবিছিলোঁ। মই সংবাদ মাধ্যমৰ ব্যক্তি বুলি নাজানো। তেওঁলোকক সেইদিনা ঘূৰাই পঠিয়াইছিলোঁ। পিছদিনা মাঘৰ বিহু আছিল। তেওঁলোকে মোক এখন চেলেং চাদৰ, ৫০০ টকা, এখন প্ৰমাণ পত্ৰ আৰু এখন গামোচা পিন্ধাই কৈছিল— "আপুনি বহুত ভাল কাম কৰিছে। কৰি যাওক।" কিন্তু মোৰ বিষয়ে তেতিয়ালৈ প্ৰবন্ধ আকাৰে ওলোৱা নাছিল। ২০১০ চনৰ ২৫ জানুৱাৰীত জিতু কলিতাই মোৰ বিষয়ে প্ৰথম প্ৰবন্ধ লিখিছিল। এই লেখাৰ আঁত ধৰিয়েই পৰৱৰ্তী সময়ত বিভিন্ন দেশী-বিদেশী সংবাদ মাধ্যম, দল-সংগঠনে অৰণ্যখন চাবলৈ আহে আৰু অৰণ্যখনক লৈ বাতৰি

পৰিৱেশন কৰে। পাছত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে মোক ভাৰতৰ অৰণ্য মানৱ বিভূষণেৰে সন্মানিত কৰাত মই জনসাধাৰণৰ চকুত পৰোঁ।

▸ আপোনাৰ নাম যেতিয়া পদ্মশ্ৰী বটাৰ বাবে ঘোষণা কৰিছিল, তেতিয়া আপোনাৰ কেনে অনুভৱ হৈছিল।

▸▸ ২০১৫ চনৰ ২৬ জানুৱাৰীৰ দিনা চৰকাৰৰ ফালৰপৰা মোলৈ পদ্মশ্ৰী সন্মান আগবঢ়াব বুলি ঘোষণা কৰা শুনিবলৈ পাইছিলোঁ আৰু এই সন্মান মোক প্ৰদান কৰা হৈছিল ৮ এপ্ৰিল ২০১৫ তাৰিখে। অৱশ্যে মোক এই সন্মান প্ৰদান কৰা আগতেই আমেৰিকাৰ কেইজনমান তথ্যচিত্ৰ নিৰ্মাতাই মোৰ হাবিখনৰ বিষয়ে তথ্যচিত্ৰ নিৰ্মাণ কৰি চাৰিবাৰকৈ 'কেন এৱাৰ্ড' পাইছিল। একেদৰেই মুম্বাইৰ এজনী ছোৱালীয়ে মোক আৰু মোৰ হাবিখনক লৈ তথ্যচিত্ৰ নিৰ্মাণ কৰি ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ছোৱালীজনীক এই পুৰস্কাৰ প্ৰদান কৰা সময়ত ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু ৰাষ্ট্ৰপতিয়ে মোক চিনি নাপাইছিল। পাছত গৃহমন্ত্ৰালয়ৰ পৰা এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ আহি মোৰ তথ্য পাতি সংগ্ৰহ কৰে আৰু মোৰ এই কাৰ্যৰ বাবে পদ্মশ্ৰী সন্মান প্ৰদান কৰে।

▸ আপুনি অসমৰ উপৰি অসমৰ বাহিৰত, নতুবা ভাৰতৰ বাহিৰত অৰণ্য সম্পৰ্কে বক্তব্য আগবঢ়াবলৈ আমন্ত্ৰণ পাইছে নেকি? যদি পাইছে সেই সম্পৰ্কে অলপ কওকচোন।

▸▸ সেই সম্পৰ্কে ক'বলৈ গলে - প্ৰথমে মোৰ পাচপৰ্ট নাই, ভিচা নাই। মোক জৱহৰলাল নেহেৰু বিশ্ববিদ্যালয়ে ভাৰতৰ অৰণ্য মানৱ সন্মানটো যেতিয়া দিছিল তাৰ পাছত এখন সভাত লগ পাই ড° এ. পি. জে. আব্দুল কালম ছাৰে মোৰ মূৰত হাতদি কৈছিল— "মিচিং জনগোষ্ঠীৰ মাজত জন্ম লাভ কৰি আপুনি বিশ্বৰ আটাইতকৈ ভাল কাম কৰি আছে আৰু বিশ্ববাসীৰ কাৰণে কৰি যাব লাগিব।" আৰু লগতে কৈছিল — "আপুনি বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় নতুবা ডাঙৰ ডাঙৰ সভাবোৰলৈ নাযাব।" পৰৱৰ্তী সময়ত মোক *"Events of globalization Corference, Paris"*ত গছ পুলি ৰুবৰ বাবে আমন্ত্ৰণ কৰিছিল। তেতিয়া মোৰ ভিচা আৰু পাচপৰ্ট নাছিল। সেইবাৰ যোৰহাটৰ উপযুক্ত মহোদয়ে আটাইবোৰ যোগাৰ কৰি দিছিল। পেৰিছত যেতিয়া গছ পুলিটো ৰুইছিলোঁ, তেতিয়া সেই অধিবেশনত উপস্থিত থকা বিজ্ঞানীসকলে কৈছিল যে এতিয়া গছৰ অবিহনে পৃথিৱীক কোনেও বচাব নোৱাৰে। তাত মই এজোপা পাইন গছ ৰুইছিলো যিজোপা এতিয়া প্ৰায় ১৬ ফুট ওখ হৈছে বুলি জানিব পাৰিছোঁ।

▸ আপুনি এতিয়ালৈকে কি কি সম্বৰ্ধনা পাইছে? এই সম্পৰ্কে আমাক অলপ জনাব নেকি?

▸▸ সম্বৰ্ধনা মানে এনেকুৱা — জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ দ্বাৰা ভাৰতৰ অৰণ্য মানৱ আৰু ভাৰত চৰকাৰৰ দ্বাৰা পদ্মশ্ৰী সন্মানৰ উপৰিও *Events of Golobalazation Conference-Paris, Economical Climate Change,* ড° এ.পি.জে. আব্দুল কালাম ট্ৰাষ্ট, মহাত্মা গান্ধী ট্ৰাষ্ট আদিয়ে পুৰস্কাৰ দিছিল। সেইদৰে ভাৰতৰ বিভিন্ন স্কুল, কলেজ আদিত বহুতো সন্মান পাইছোঁ। অসম আৰু ভাৰতৰ বিভিন্ন দল সংগঠনেও মোক বিভিন্ন সন্মান প্ৰদান কৰিছে।


▸ সাম্প্ৰতিক বিশ্বৰ পৰিৱেশ সম্পৰ্কত আপোনাৰ মতামত?

▸▸ সাম্প্ৰতিক যিটো পৰিৱেশ, এই পৰিবেশৰ দ্বাৰা দেশৰ উন্নতি নহয়। পৃথিৱীৰ উন্নতি নহয়। আমাৰ শিক্ষা ব্যৱস্থাত এল.পি.স্কুলৰপৰা পৰিবেশ সম্পৰ্কে শিক্ষা দিব লাগিব আৰু এই শিক্ষা প্ৰেক্টিকেল হ'ব লাগিব। তাৰ বাবে প্ৰতিজন ছাত্ৰই একোটাকৈ গছ পুলি ৰুব লাগিব। আৰু গছ পুলিটো ডাঙৰ কৰাৰ দায়িত্বও ছাত্ৰজনৰেই হ'ব। এনেকৈ প্ৰতি বছৰে গছ পুলি ৰুলে ভাৰতবৰ্ষত বহুত গছ গছনিৰ সংখ্যা বাঢ়িব। ছাত্ৰ-ছাত্ৰীয়ে ৰোৱা গছবোৰ যেতিয়া ডাঙৰ হ'ব, সেই গছ কেতিয়াও আনক কাটিব নিদিব। সেই গছত পৰা চৰাই-চিৰিকটি আনক মাৰিব নিদিব। এনেকৈয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃতিৰ প্ৰতি মৰম বাঢ়িব। সিহঁতেই নতুন পৃথিৱী গঢ়িব।

▸ আপোনাৰ জীৱনৰ আটাইতকৈ ভাল লগা মুহূৰ্তটোৰ বিষয়ে অলপ ক'ব নেকি?

▸▸ মোৰ আটাইতকৈ ভাল লগা মুহূৰ্ত হ'ল বিশ্বই যেতিয়া সংস্কাৰ লাভ কৰিছে আৰু মোক বিশ্ববাসীয়ে আকোৱালী লৈছে। ৰিঅ অলিম্পিকত মোক মাষ্টাৰ উইলিয়াম ডক্টৰে কৈছিল যে, "যে ৰিঅ অলিম্পিক কমিটিয়ে দুই মিনিটৰ কাৰণে আপোনাৰ ওপৰত নিৰ্মিত তথ্যচিত্ৰখন দেখাব বিচাৰিছে। গতিকে আপুনি অনুমতি প্ৰদান কৰিব লাগে। নিৰ্দিষ্ট দিনা যেতিয়া ৰাতি চাৰে বাৰ বজাত খেল আৰম্ভ হ'ল, তেতিয়া বিশ্বৰ সকলো খেলুৱৈয়ে দুটাকৈ গছ পুলি ৰুইছিল। সেইটো মোৰ গৌৰৱ নহয়, ভাৰতৰ গৌৰৱ নহয়, সেয়া আছিল বিশ্বৰ গৌৰৱ। সেই কাৰণে সেইটো মুহূৰ্ত মোৰ কাৰণে আটাইতকৈ ভাল লগা।

▸ অসম চৰকাৰে যোৱা বছৰ বিনামূলীয়া নামভৰ্তিৰ বিনিময়ত একোটাকৈ গছ পুলি ৰুবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাইছিল। সেই সম্পৰ্কে আপোনাৰ মতামত।




▸▸ মতামত মানে শিক্ষা মন্ত্ৰীক কৈছোঁ যে গোটেই শিক্ষা ব্যৱস্থাটো সংস্কাৰ কৰিবলৈ পৰিৱেশ বিজ্ঞান বিষয়টো এল. পি. স্কুলৰ পৰা দিব লাগে। আৰু সৰু কালৰ পৰা যেতিয়া মগজুত পৰিৱেশ বিজ্ঞান বিষয়টি সোমাই যাব, তেতিয়া পৃথিৱীখনক তেওঁলোকে সুন্দৰকৈ গঢ়িব। সেই কাৰণে মই ভাবো ৰাজ্য চৰকাৰে বিনামূলীয়া নামভৰ্ত্তিৰ বাবে গছ পুলি ৰোৱা কাৰ্যটো এটা ভাল পদক্ষেপ।

▸ বৰ্তমান অসমত জনবিস্ফোৰণৰ বাবেই হওক, নতুবা অন্য কাৰণতেই হওক অসমৰ বহু বনাঞ্চলত জনসাধাৰণে ভূমি অধিগ্ৰহণ কৰা দেখা গৈছে। সেই সম্পৰ্কত আপোনাৰ ক'ব লগা।

▸▸ ইয়াত ক'ব লগা বহু আছে। আমি মানুহেই সদায় জীয়াই থাকিব লাগিব নেকি? আৰু বাকীবোৰ থাকিব নালাগে? গছ-গছনি থাকিব নালাগে? জীৱ-জন্তু, চৰাই-চিৰিকটিও থাকিব নালাগে? উত্তৰ পূৰ্বাঞ্চলত যিটো জলবায়ু সেই জলবায়ুৰ লগত সম্বন্ধ ৰাখিয়েই ইয়াৰ প্ৰাণী জগত সৃষ্টি হৈছে। ইয়াত যিবোৰ প্ৰাণী আছে সেইবোৰ জৈৱ-বৈচিত্ৰ্যৰে অৱদান। এনে জৈৱিক বৈচিত্ৰ্য বিশ্বৰ কোনো এখন ৰাজ্যত নাই। ইয়াক সংৰক্ষণ কৰিব নজনাটোহে অসমবাসীৰ দোষ বা উত্তৰ পূৰ্বাঞ্চলৰ দোষ। জৈৱ বৈচিত্ৰ্যৰে ভৰা এই উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ নামত কেৱল গছ কটা বাদে একোৱে কৰা হোৱা নাই। অন্য বিকাশ কৰা নাই। আৰু এতিয়া যিবোৰ ডেম বনাইছে, গছ-গছনি কাটি বনাইছে। য'ত কেৱল মানুহহে জীয়াই থাকিব লাগে আৰু বাকীবোৰ জীয়াই থাকিব নালাগে। লগতে বিভিন্ন কাৰণত মানুহে হাবি-জংঘল কাটি বসতি স্থাপন কৰিছে। এনে কাৰ্য একেবাৰে ভাল হোৱা নাই আৰু ইয়াৰ পৰিণাম এদিন সকলোৱে ভুগিব লাগিব।

▸ যুৱ প্ৰজন্মলৈ আপোনাৰ কিবা পৰামৰ্শ?

▸▸ আমিটো বুঢ়াই হ'লো। বুঢ়া হ'লে মাত নলয়। অসমত তিনি কোটি বিশ লাখ জনসংখ্যা আছে। সেই তিনি কোটি বিশলাখ জনসংখ্যাত কিমান ল'ৰা-ছোৱালী আছে? যেতিয়া সেই ল'ৰা-ছোৱালী বিলাক সজাগ হ'ব, তেতিয়া গছ কটাটো বন্ধ কৰিব। গছ কটা বন্ধ কৰাতো কেৱল ডিপাৰ্টমেণ্টৰে বা পুলিছৰে কৰ্তব্য নহয়। আমাৰ নৱ প্ৰজন্মৰো এই ক্ষেত্ৰত বহুত কৰণীয় আছে। নৱ প্ৰজন্মই প্ৰকৃতিৰ ওপৰত অধিক গুৰুত্ব দিব লাগে। প্ৰকৃতিক নিজৰ বুলি ভাবি ল'ব লাগিব, প্ৰকৃতিক ভাল পাবলৈ শিকিব লাগিব। আৰু মই আশা কৰিছোঁ উঠি অহা নতুন চামে এই ক্ষেত্ৰত সঠিক পদক্ষেপ গ্ৰহণ কৰিব।

▸ সম্প্ৰতি অসমত সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পক লৈ বিদ্বৎ মহলৰ মাজত এক চেপা উত্তেজনাই বিৰাজ কৰিছে। বহুতৰ মতে এই প্ৰকল্পটোৱে অসমৰ ব্ৰহ্মপুত্ৰ নদী আৰু অসমৰ কৃষকসকলৰ বৰ বেয়াকৈ অনিষ্ট কৰিব। এই সম্পৰ্কে আপুনি কি ক'ব।

▸▸ সেইটো মুঠতে বন্ধ কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰক কোনো কাৰণত উত্তৰ পূৰ্বাঞ্চলত এনে জলবিদ্যুৎ প্ৰকল্প বনাই প্ৰকৃতি ধ্বংস কৰিবলৈ দিব নালাগে। প্ৰকৃতি ধ্বংস কৰাৰ কাৰো অধিকাৰ নাই। □ □ □



# মোৰ জীৱনৰ আটাইতকৈ ভাল লগা ভ্ৰমণৰ কাহিনী

লক্ষী দেউৰী
স্নাতক দ্বিতীয় ষান্মাসিক

ভ্ৰমণ বুলিলে সাধাৰণতে মানুহে বা কোনো লোকে এঠাইৰ পৰা আন এঠাইলৈ যোৱাকে বুজায়। অৰ্থাৎ কিছুমান উদ্দেশ্য লৈ বা নেদেখা, নজনা, নোচোৱা ঠাইসমূহ চাবলৈ বা সেই প্ৰকৃতিৰ বিষয়ে ভালদৰে জানিবলৈ নতুন এখন ঠাই পৰিভ্ৰমণ কৰাকে বুজা যায়।

সঁচাকৈ মানুহ যিমান দুখ-সুখৰ মাজত থাকিলেও এই ভ্ৰমণৰ অনুভূতি এদিন মনলৈ আহেই। মোৰো ঠিক তেনেদৰে এদিন ভ্ৰমণ কৰিবলৈ মন গ'ল। সেই দিনা ৰাতি ভাত, পানী খাই বিচনাতে বহি মই মনে মনে ভবি আছিলো যে মই বাৰু এই বাৰ ক'ত ফুৰিবলৈ যাম? কলৈ যাম ঠিৰাং কৰিব পৰা নাই, কলেজত সকলো লগৰবোৰে গুৱাহাটী, শ্বিলং, বিভিন্ন ধৰণৰ দূৰ-দূৰণিৰ চহৰসমূহ ভ্ৰমণ কৰিবলৈ যোৱাৰ কথা কৈছে। এবাৰ এবাৰ সেই দূৰৰ ঠাইবোৰ চাবলৈও মন গৈছিল কিন্তু কি কৰিম মোৰ ঘৰৰ আৰ্থিক অৱস্থা ইমান ভাল নহয়, আৰু ভাবিলো মই এতিয়া পঢ়ি আছো ইমান খৰচ পাতি হৈয়ে আছে, তাতে সেইবোৰ ঠাইলৈ যাবলৈ খৰচ বা কিমান হ'ব? আচলতে আমাৰ ছোৱালীবোৰ কৰবাত ফুৰিবলৈ বা নতুন ঠাই এখনলৈ যাওঁ বুলি ক'লে প্ৰথমে প্ৰয়োজন হয় ভাল পোছাক এযোৰ, চেন্দেল-কুৰ্তা ইত্যাদি। তাতে ইমান দূৰ কিমান খৰচ হ'ব পাৰে এইবোৰ কথা ভাৱি মই নিজেই নাযাওঁ বুলি থিৰাং কৰিলোঁ আৰু ইমানবোৰ Tension মা, দেউতাক দিবলৈ মন নগ'ল। যাওঁ বুলি কোৱা হ'লে দিলেহেঁতেন। কাৰণ সকলো মা, দেউতাই আমাৰ আশা পূৰণ হোৱাটোৱেই বিচাৰে। কিন্তু মই এইবোৰ কথা একো নকলো।

এনেকৈ ভাবি ভাবি শুই থাকোতেই মোৰ লগৰ আমাৰ চিলাপথাৰ মহাবিদ্যালতে পঢ়া পপী দেউৰীয়ে সিহঁতৰ ঘৰলৈ যোৱাৰ কথা ক'লে। তাইৰ ঘৰ জাগুনত। কলেজৰ ছাত্ৰী নিবাসত থাকি পঢ়া আমাৰ অসমীয়া বিভাগৰ মোৰ Best Friend।

পপী ঃ হেল্ল।

মই ঃ ওম কোন লক্ষী ভাত খালানে?

পপী ঃ ওম খালোঁ। কি কৰি আছা?

মই ঃ এহ। কিনো কৰিম মোৰ বৰকৈ ক'ৰবাত ফুৰিবলৈ মন গৈছে। কলৈ যাম তাকে ভাবি আছোঁ।

পপী ঃ (হাঁহি হাঁহি) কি ফুৰিবলৈ মন হৈছে। ক'ত? কলেজৰ লগৰবোৰে কৈছে নহয় গুৱাহাটী শ্বিলং যাবা আকৌ। মই নাযাওঁ তুমিতো জানাই ঘৰৰ কথা। তোমালোক যাবা আৰু সকলোৰে

ভালদৰে।

মই : এহ হ'ব আৰু মই যাম বুলি কোৱাই নাই। তুমি তোমাৰ History মেলিয়ে দিলা। মইনো কৌনচা মহাজনৰ ছোৱালীহে। মইও নাযাওঁ ইমান দূৰত ফুৰিবলৈ। কিন্তু মোৰ কৰবাত ফুৰিবলৈ মন গৈছে।

পপী : এটা কাম কৰা তুমি, মোৰ লগতে আমাৰ জাগুণলৈ ওলোৱা। আমাৰ এতিয়া এনেও এসপ্তাহ মান ব'হাগৰ বিহুৰ বাবে বন্ধ থাকিবই নহয়। মোকো মা, পাপাই মাতি আছে অকলে যাবহোৱা লাগিছে। তুমি লগত গলে ভাল লাগিব। Please যাও বলা?

মই : ওম, কথাটো ভাবিব লাগিব। মা হতে বা কি কয়?

পপী : কি কয় নহয়, তোমাৰ মা, পাপাৰ লগত মই কথা পাতিম তুমি যাবই লাগিব আমাৰ গাঁৱলৈ।

মই : হ'ব দিয়া কিবা এটা কৰিম আৰু এতিয়া হ'ব বহুত ৰাতি হ'ল By, Good Night।

সিদিনাখন তেওঁ আমাৰ মা, দেউতাৰ আগত ভালদৰে ক'লে যে আমাৰ জাগুনলৈ এইবাৰ তেওঁক ফুৰিবলৈ লৈ যাওঁ আপোনালোকে একো Tension ল'ব নালাগে। মোৰ লগত গলে তেওঁৰ একো অসুবিধা নহয়। মা, পাপা হতে কথাটো মানি ল'বলৈ অলপ শংকা কৰিছিল যদিও আমাৰ বন্ধুত্বৰ ভাৱ দেখি যাবলৈ অনুমতি দিলে।

পপীৰ লগতেই মই জাগুনলৈ যাবলৈ থিৱাং কৰিলো। সিদিনা আছিল এপ্ৰিল মাহৰ ০৬/০৪/২০১৬ তাৰিখ দেওবাৰ। আমি পুৱা ৪.৩০ মানতে দুয়োজনী আমাৰ ঘৰৰ পৰাই জাগুণ যাবলৈ সাজু হ'লোঁ। জাগুনলৈ আমাৰ চিলাপথাৰৰ পৰা বৰমুৰীয়া অকাজান হৈ ব্ৰহ্মপুত্ৰৰ বগীবিল ঘাট হৈ যাব লাগে। চৰকাৰী ফেৰীখন ৬.১৫ মানত চলে বুলি আমি ল'ৰা-লৰিকৈ চিলাপথাৰ পৰাই মা, দেউতাৰ আশীৰ্বাদ লৈ এখন অ'টত উঠি যাত্ৰা আৰম্ভ কৰিলোঁ। দুয়োজনীৰ অটৰ ভাৰা লৈছিল ১৪০ টকা। আমি ঘাটত পাওঁগৈ মানে ৬.০০ টামান বাজিছিল। আমি দুয়ো ফেৰীখনতে বেগকেইটা ৰাখি নদীৰ কাষতে কেইখনমান হোটেল, দোকান দেখিলোঁ। আমি তাৰে ওচৰৰ এখন দোকানৰ পৰা চিপ্স, কুৰকুৰী কেইপেকেটমান কিনি বেগত ভৰাই ল'লো। যাওঁতে ফেৰীত বহি খাবলৈ।

সকলোৱে যেন নাওঁ নচলালৈকে নিজৰ নিজৰ ভ্ৰমণৰ উদ্দেশ্যেৰে তাত ৰৈ আছে। মোৰো ৰৈ থাকিবলৈ যেন আমনি লাগিছিল। মোৰ মনত পৰিল ব্ৰহ্মপুত্ৰ নদীৰ এখন ফটো তুলিবলৈ। আমি নাওঁখন চলাৰ আগতেই কেই কপিমান ফটো তুলি ল'লো মোৰ মোবাইলত। ০৬.১৫ হোৱাৰ লগে লগে ফেৰীখন চলিবলৈ আৰম্ভ কৰিলে। আৰু লগে লগে ইমান মানুহ ভিৰ হৈ গ'ল যে দেখিয়েই আচৰিত হ'লোঁ। মানুহবোৰ চৰকাৰী ফেৰীত যাম বুলি নদীৰ কাষতে ৰৈ আছিল। আচল কথাটো পাছতহে গম-পালো। চৰকাৰী ফেৰীত কম ভাড়া লয়। এজনত মাত্ৰ ২০ টকা আৰু Public ফেৰীত ভাৰা লয় ৬০ টকা। সেইবাবে সকলোৱে কম খৰচতে যাবলৈ ৰৈ আছিল। পপীয়ে মোক হঠাৎ আহি হাতত ধৰি তাইৰ কাষতে বহুৱাই ল'লে। আৰু ক'লে প্ৰথমতে নবহিলে চিত নাপাই আৰু চিত নাপালে ইমান দেৰিলৈকে থিয় হৈ যোৱাটো বৰ কষ্ট হ'ব। সঁচাকৈ মানুহবোৰে যে বহিবলৈ ঠায়ে নোপোৱা হৈ গৈছে। মহিলাবোৰ কোনোমতে গৈছিল আৰু পুৰুষবোৰ বাহিৰত থিয় হৈ গৈছিল। নাওঁখনত বিভিন্ন ধৰণৰ সম্প্ৰদায়ৰ লোক গৈছিল। সকলোৱে নিজৰ নিজৰ আপোনবোৰৰ লগত কথা পাতি গৈছিল। মাজে মাজে সকলো একেবাৰে নিশ্চুপ হৈ যায়। ময়ো একো নোকোৱাকৈ ফেৰীত উঠি মানুহবোৰকে চাই আছিলোঁ। পপীয়ে মাজে মাজে এষাৰ-দুষাৰ কথা কৈ থাকে। এনেতে ফেৰীত এজন জ্যেষ্ঠ লোকে হাতত চাহ আৰু পপ-বিস্কুত লৈ খাবা নেকি বুলি ফেৰীত থকা মানুহবোৰক বিলাই ফুৰিছিল। আমি দুয়োজনীয়ে ৪০ টকা দি একাপ চাহ আৰু বিস্কুত খালোঁ। চাহৰ সোৱাদ ইমান ভাল নাছিল। আমি উঠা ফেৰিখনত তিনিখন সৰু গাড়ী, দুখন বাইক উঠাৰ লগতে মানুহ যে ইমান ভিৰ হৈছিল মোৰ মনে মনে ভয় লাগি আছিল। কিন্তু কাকো একো নোকোৱাকৈ মই ইফালে সিফালে চাই আছিলো। তেনেতে মই নাওৰ ভিতৰত কেইটামান ৰচীৰে বান্ধি থোৱা চকা আঁৰি থোৱা দেখি পপীক সেইবোৰ কি হয় বুলি সুধাত তেওঁ কৈছিল যে "যদি নাওঁখন কেনেবাকৈ পানীত ডুব যায় তেতিয়া সেই চকা-কেইটা লৈ থাকিলে পানীত ডুব যোৱাৰ পৰা ৰক্ষা পৰিব।" মই আচৰিত হৈ ক'লো ইমান মানুহ ফেৰীত আছে কিন্তু অকল কেইটামানহে চকা ! "কেইজনৰনো প্ৰাণ ৰক্ষা পৰিব?" মোৰ কথা শুনি পপীয়ে ধেমেলীয়া সুৰত ক'লে - "এহ যাৰ কপালত আছে বাছিব বাকীবোৰ ডুবি মৰিব।" এটা সময়ত আমি নিৰ্মীয়মান বগীবিল দলঙৰ তল পালোহি। লক্ষীয়ে মোৰ ফালে চাই ক'লে— "সৌ ফালে চোৱা, ব্ৰহ্মপুত্ৰৰ ওপৰত বগীবিল দলংখন কিমান ধুনীয়াকৈ বনাই আছে। মই খিৰিকীৰ কাষলৈ গৈ ওপৰ ফালে চালোঁ, সঁচাকৈ ইমান ওখ আৰু ইমান ডাঙৰ, ডাঙৰ খুটাৰে বনাই আছে, মই ডাঙৰকৈ অলপ চিঞৰি কলো, "Oh my God ইমান দ' পানীত কেনেকৈ পুতিলে বাৰু খুটাবোৰ?"

ডেৰ-দুই ঘণ্টামানৰ পাছত সিপাৰ পালোগৈ। এনেতে ফেৰীৰ পৰা এনে কিছুমান দৃশ্য দেখিলো, দেখিয়েই মোৰ হাঁহি

উঠিছিল। আমি ফেৰীৰ পৰা নামিব পৰাই নাই। সিপাৰৰ ড্ৰাইভাৰবোৰ কেনেকৈ যে মোৰ গাড়ীত উঠক, মোৰ গাড়ীত উঠক বুলি চিঞৰি আছিল। আৰু কিছুমানে আকৌ একেজন যাত্ৰীকে টনা-টনি কৰি নিজৰ মাজতে তৰ্কা-তৰ্কি লাগিছিল। আমি মাত্ৰ নাওঁৰ পৰা নামিব পালোহে, হঠাৎ এজন ড্ৰাইভাৰ আহি মোৰ হাতৰ পৰা বেগটো কাঢ়ি মোৰ গাড়ীত ব'লা বুলি লৈ গৈছিল। পপীয়ে আমি জাগুণৰ গাড়ীত যাম বুলি ড্ৰাইভাৰজনৰ পৰা বেগটো লৈ আনিলে আৰু ক'লে আমি জাগুণৰ বাছত যাম। ড্ৰাইভাৰজনে ক'লে — ভণ্টী, ইয়াৰ পৰা জাগুনৰ বাছ নোপোৱা নহয়, ব'লা মই ডিব্ৰুগড়ত তোমালোকক জাগুনৰ গাড়ীত তুলি দিম বুলি আকৌ ল'ৰা-লৰিকৈ আমাৰ বেগকেইটা আনি দুখন চিত ব্লক কৰিলে। আমিও সেই গাড়ীৰেই ডিব্ৰুগড় পালোহি আৰু বাছত বহি জাগুণলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। এনেকৈ আমি প্ৰায় ১২ মান বজাত তিনিচুকীয়া পালোগৈ। তিনিচুকীয়াত বাছখন আধা ঘণ্টামান ৰ'ল আৰু সেই সময়তে সকলোৱে বাছৰ পৰা নামি হোটেলত কিবা কিবি খাবলৈ বুলি গ'ল আমিয়ো তিনিচুকীয়াৰে এখন হোটেলত পৰ্ঠা-পুৰী খাই পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। আমি জাগুণ পাওঁগৈ মানে প্ৰায় ৪.৩০ মান বাজিছিল। ডিব্ৰুগড় পৰা জাগুণলৈকে মাজত বহুত ঠাই পাৰহৈ আহিছিলোঁ। সেইবোৰ হ'ল তিনিচুকীয়া, দুলীয়াজান, ডিগবৈ, মাৰ্ঘেৰীটা, লিডু, লেখাপানী ইত্যাদি। ঠাইসমূহ তেওঁ মোক দেখুৱাই আহিছিল যদিও মোৰ ইমান ভালকৈ মনত নৰল। কিন্তু লিডু নামৰ ঠাইডোখৰ চাই বৰ ভাল লাগিছিল। কাৰণ পাহাৰীয়া ঠাইত যে কেনেকৈ চাহ পাতৰ বাগানবোৰ শাৰী শাৰীকৈ আছে আৰু সেই লিডু নামৰ ঠাইতে কয়লা খনিও বহুত আছে।

জাগুণৰ পৰা পপী সিহঁতৰ গাওঁলৈ তিনি কিলোমিটাৰ দূৰ সোমাই যাব লাগে। তেওঁলোকৰ গাঁওখনৰ নাম হ'ল সোণালী জনজাতি দেউৰী গাঁও। জাগুণৰ পৰা পপীৰ দেউতাকে আমাক বাইকত আগবঢ়াই নিবলৈ আহিছিল। পপীহঁতৰ চাংঘৰ দেখিয়েই মোৰ ইমান ভাল লাগিছিল যেন ওপৰলৈ পতা-পত উঠি যাম। কিন্তু নিজৰ মনক বান্ধি ৰাখিলোঁ যে মই আলহী ছোৱালী বুলি। কিন্তু সিহঁতৰ ঘৰৰ মানুহবোৰ ইমান সহজ সৰল যে মোৰ নিজৰ ঘৰতে থকা যেন অনুভৱ হৈছিল। আমাক ভিতৰলৈ মাতি নিলে আৰু কাপোৰ-কানি সলাই লৈ মুখ-হাত ধুই অলপ জিৰণী লৈ চাহ খালোঁ। আমাৰ ভোক লাগি অহা বুলি লক্ষীৰ মাকে সোনকালে সেইদিনা খোৱাৰ ব্যৱস্থা কৰিলে। খাই বৈ টি. ভি. চাওঁতে সকলোকে চিনাকি ল'লো যে পপীৰ দুজনী ভণ্টী, এজন ভাইটি আৰু মা, পাপা আছে। সকলোৱে সেইদিনা লগ পাই ইমান ফুৰ্টীয়ে লক্ষী যে পপীয়ে যিফালে যায় ভায়েক ভনীয়েকহঁতেও তাৰ পিছে পিছে ঘূৰি ফুৰিছে আৰু সিহঁতৰ মাজত ঘটা ভাল লগা ঘটনাবোৰ কথা কৈ কৈ বায়েকৰ লগত হাঁহিছে। মাজে মাজে মোক দেখি থমকি ৰৈছিল। পিছত মোৰ লগতো তেওঁলোক সহজ হৈ গ'ল। সদায় এনেকৈয়ে ফুৰ্টী কৰি আমি জাগুনত এসপ্তাহ দিন পাৰ কৰিলোঁ। তাৰ পাছত ঘৰলৈ উভতি আহিলোঁ।

ভ্ৰমণ কাহিনীৰ আটাইতকৈ ভাল লগা কাৰণ সমূহ হ'ল—

(১) পপী হঁতৰ ঘৰৰ মানুহবোৰ সহজ-সৰল আছিল।

(২) জাগুন ঠাইখন সেউজীয়া চাহ বাগানেৰে ভৰা।

(৩) গাঁৱৰ মানুহবোৰো বহুত ইমান সহজ-সৰল আছিল। তেওঁ লোকৰ মাজৰ আচাৰ-ব্যৱহাৰে আছিল বহুত ভাল। আহা-বহা, আমি দুখীয়া মানুহ এনে কুৱাই বেয়া নাযাবা, কি খাবা বাৰু সুদাকে চাহকে একাপ খোৱা এনেধৰণৰ শব্দবোৰ যে মোৰ মনটো বৰকৈ সান্ত জনাইছিল।

(৪) গাঁৱৰ মাজতে এখন এল. পি. স্কুলো আছে। সেই স্কুলত ওচৰৰ ৰাভা, মিচিং, নেপালী আদি সম্প্ৰদায়ৰ লোকৰ ল'ৰা-ছোৱালীবোৰ পঢ়িবলৈ আহে। সেই স্কুলৰ প্ৰধান শিক্ষক লক্ষীৰ দেউতা শ্ৰীযুত গৌতম দেউৰী।

(৫) তেওঁলোকৰ গাঁৱৰ মাজতে এখন ৰঙ্গ-মঞ্চো আছে। তাত অৱশ্যে ব'হাগী বিদায় সভা পাতিব বুলি আলোচনা চলি আছিল। আমি এসপ্তাহত ঘূৰি আহিব লগা হোৱাত সেই অনুষ্ঠান চাব নাপালো।


(৬) শেষত মোৰ জাগুণৰ সকলো দিশেই যেনে— নদ-নদী, বায়ু-বতাহ, গছ-গছনি, ঘৰ-দুৱাৰ, ৰাস্তা ঘাট ইত্যাদি মানুহৰ, আচাৰ-ব্যৱহাৰ, মৰম-চেনেহ সকলো ভাল লাগিল।

শেষত মই ইয়াকে অনুৰোধ কৰোঁ কেতিয়াক আপোনালোকো আমাৰ গাঁওখনলৈ আহিব। সৰু সহজ-সৰল মৰম-চেনেহ আদৰ লবলৈ।

□ □ □

# Education Tour to Kolkata

**Bipasha Chakraborty**
HS 2nd Year



Few months back we had been to the capital of West Bangal- Kolkata for our educational tour. An amazing journey started on $20^{th}$ of December 2017, in duded the first three toppers from every class, accompanied three teachers Dr. Abdul Mutalib, Nabin Chandra Kardong Sir & Miss Yesingfa Gogoi.

Well, the evening of $20^{th}$ December 2017 was very crowded in the Railway Station (Silapathar), as we were starting our journey on that day and the train was at 8:10, we all arrived the station by 7:45, parents, friends and many more telatives of every students who were going for the trip cane to see off. The train arrived at 8:10 and we started our journey with 30 students and 3 teachers, who did an amazing job throught the journey.

We reached Rangia next morning around 5:00 and rested there for a few hours. Since the train was late it arrived Ragia at 12.45 and our journey from Rangia to Howrah (Kolkata) begun.

We reached Kolkata at 11.45 in $22^{nd}$ December 2017 and from there we went to our Dormitory, where we stayed. As we reached to our room we got freshed up and took little rest and we than we went for our lunch. After lunch we were taken to Science City, it was so enjoyable there and after exploring Science City we were taken to "Nandan" (India's largest Cinema Hall) "Sadan" (Sahitya Academy) then after warning Nardan and Sadan we were taken to travel through Metro. Through Metro we came back and did our dinner and came back to room.

$23^{rd}$ December begun with another exciting feeling, we wake up and got ready and look bus, we were now going to Alipur Zoo (India's Oldest Zoo) We saw various species of birds, animals, reptiles, etc. After the zoo it was now the time for National Library (Country's Largest Library) we went there and we were taken inside in queue and were shown the procedure for selecting the books of different languages.

After National Library we were taken for our lunch and then went to Victoria Memorial. The name of the monument of which we had only heard in the books was in front of our eyes. It was so beautiful, so marvelous and the scenic beauty of its gardens, parks, ponds were so

beautiful. We went inside the Memorial and saw the status of Lord Curzon, Lord William Hastings, Queen Victoria and many other weapons, clothes and painting. The painting signifies the talent, the art, the patriatan of the people of our country.

After Victoria we went for shopping and everyone was busy in buying the clothes, watches, room decorars, etc. comes to an end.

24th of Dec. we went to railway station, we were going to Bishwa Bharati Shantiniketan, Bolpur. Through local train we went to Bolpur. And that is the time we realized how crowded India is actually.

We reached the Bolpur around 12:45 and from the station we were taken to where we were about to stay. After reaching there we took rest and were taken for lunch. After lunch we left for Shantiniketan, their we saw the live portrait of the ancient education, Gurukul system, etc. It was very beautiful there and after spending few hours we went to fair, popularly known as Poush Mela. The main thing about the fair is that, here own can only find handicrafts. It is Asia's largest fair celebrated once in a year. There we saw Boule dance, many other things and thus, the day came to an end. 25th of Dec. last day of our trip, we reached Bolpur, station and were travelling to Kolkata. We reached Kolkata at 12:45 and we did our lunch and were sitting in the Howrah station, our train was at 5:00. Time passed and the train arrived we took our baggage's and moved towards train. And the time came to say goodbye to Kolkata. With this excitement joy, happiness, the trip came to an end.

Even though the trip had came to an end we brought a big suitcase of our memories, the new friends the memory of exploring new city without our parents and with 30 strange people was quite interesting.

Last but not the least we want to thank to the three teachers who accompanied us, the care they took for each one of us, for their love, thanks to all three of them. Without them it would never have been possible.

We would also thank to our Principal, Dr. Lakhinath Pegu, for allowing us and for offering us this kind of trips. We would also like to thank the government of Assam for offering this kind of trips to various colleges and schools. □



# অসমৰ সংস্কৃতি ঃ এক চমু অৱলোকন

**পল্লৱী দুৱৰা**

স্নাতক চতুৰ্থ ষাণ্মাসিক

অসমীয়া বিভাগ



সংস্কৃতি কি? কাক বোলে? ইয়াৰ উত্তৰ সহজে দিয়া টান। দুই এজন লেখকে আলোচনা প্ৰসঙ্গত উত্থাপন কৰিছে যদিও তেনে ধৰণৰ প্ৰাসংগিক আলোচনাই শুদ্ধ সংজ্ঞা নিৰূপন কৰিব নোৱাৰে। পাশ্চাত্যৰ পণ্ডিতসকলে ইতিমধ্যে নৃতত্ব, ভাষাতত্ব, সমাজ বিজ্ঞান আদি বিভিন্ন দিশৰ পৰা সংস্কৃতিৰ সংজ্ঞা নিৰূপনৰ প্ৰচেষ্টা চলাইছে। তাৰে কেইজনমান লেখকৰ মতে সংস্কৃতি আৰু অসমীয়া সংস্কৃতিৰ সংজ্ঞা এনেধৰণে দিছে সংস্কৃতি কোনো এটা নিৰ্দিষ্ট জাতি বা জনগোষ্ঠীৰ একচেতিয়া সম্পতি নহয়। ই মানৱ সৃষ্ট আৰু মানুহৰ মাজত পৰিৱৰ্তিত ৰূপত জীয়াই থাকে। পৃথিৱীৰ প্ৰত্যেকটো জাতি বা জনগোষ্ঠীৰ সংস্কৃতিক সমলৰ সমন্বয়ত অসমীয়া সংস্কৃতি গঠিত হৈছে।

অসমীয়া সংস্কৃতি বুলিলে অসমীয়া জীৱন নিৰ্বাহ প্ৰণালীৰ সমগ্ৰতাক সাঙুৰি লয়। অসমীয়া, সমাজৰ মানুহে কিছুমান ৰীতি-নীতি আচাৰ ব্যৱহাৰ, ধৰ্ম- উৎসৱ, অনুষ্ঠান আদিৰ মাজেৰে জীৱন নিৰ্বাহ কৰিছে আৰু ইয়াৰ যৌগিক ৰূপটোৱেই হ'ল অসমীয়া সংস্কৃতি। অৰ্থাৎ জনসাধাৰণৰ জীৱন পদ্ধতিয়েই হ'ল সংস্কৃতি।

অসমীয়া সংস্কৃতি কোনো এটা নিৰ্দিষ্ট সময়ত গঢ় লোৱা সংস্কৃতি নহয়। ইয়াৰ ইতিহাস অতি প্ৰাচীন। শতাব্দীৰ পাছত শতাব্দী ধৰি ক্ৰমবিকাশৰ পথত আগবাঢ়ি আহিছে অসমীয়া সংস্কৃতি। কিন্তু তাৰে মাজতে অসমীয়া সংস্কৃতি পৰিৱৰ্তন হোৱা দেখা যায়। আদিম অৱস্থাত অসমৰ বুকুত আৰ্য, মঙ্গোলীয় জাতি জনজাতি বসবাস কৰি সাংস্কৃতিক পৰিপুষ্টি সাধন কৰিছিল। ঠিক সেইদৰে পৰৱৰ্তী সময়ৰ মোগলৰ বিভিন্ন সংস্কৃতিৰ উপাদানে অসমীয়া সংস্কৃতিৰ বৰঘৰ বন্ধাত সহায় কৰিছে। আহোমৰ ৰাজত্বকালৰ সময়ছোৱাত অসমীয়া সংস্কৃতিৰ সৰ্বদিশত এটা সুশৃংখল ৰূপ ধাৰণ কৰে। এই সময়ছোৱা অসমীয়া সংস্কৃতিৰ ভেঁটি প্ৰতিষ্ঠাৰ যুগ বুলি কোৱা হয়। ইয়াৰ পিছত অসমলৈ বৃটিছৰ আগমন ঘটে। ঠিক তেতিয়া অসমীয়া সংস্কৃতিৰ কিছু পৰিৱৰ্তন পৰিলক্ষিত হয়। সময়ে সময়ে বিভিন্ন জাতি-গোষ্ঠীয়ে বসবাস কৰি অহা অসম ভূমিত জনগোষ্ঠীয় কৃষ্টিৰে গঢ়ি উঠা সংস্কৃতি যেন সমন্বয়ৰ সংস্কৃতি। অসমীয়া সংস্কৃতি মাথো কেইটিমান জনগোষ্ঠীৰ দ্বাৰা প্ৰভাৱিত নহয় বৰং ইয়াত মৰাণ, বৰাহী, চুতীয়া, কছাৰী, বড়ো, লালুং, গাৰো, ভূঞা, কোঁচ, কাৰ্বি, তিৱা, ৰাভা, নেপালী, মিচিং, নগা আদি ভালেমান জাতি জনগোষ্ঠীৰ মিশ্ৰিত কৃষ্টিৰ এক বৃহৎ সমন্বয়।

অসমীয়া সংস্কৃতি মূল ভাৰতীয় সংস্কৃতিৰ অবিচ্ছেদ্য অংগ যদিও জনগোষ্ঠীয় সমন্বয়ৰ বাবে অসমীয়া সংস্কৃতিয়ে স্বকীয়তা ৰক্ষা কৰি আহিছে। অসমীয়া সংস্কৃতি, লোককৃষ্টি মূলতঃ কৃষিভিত্তিক। 'বিহু' অসমীয়া সংস্কৃতিৰ প্ৰধান আৰু অপৰিহাৰ্য অংগ।

জাতি-জনজাতি, ধৰ্ম, ভাষা, সম্প্ৰদায় আদিক উৰ্দ্ধত ৰাখি বিহুক অসমৰ সমাজে জাতীয় উৎসৱ হিচাপে পালন কৰে। অসমৰ বিহু তিনিটা ব'হাগ বিহু বা ৰঙালী বিহু, মাঘ বিহু বা ভোগালী বিহু আৰু কাতি বিহু বা কঙালী বিহু। মূলতঃ বসন্তৰ

ৰঙালী বিহুয়ে অসমীয়াৰ মনত অনাবিল আনন্দ আৰু হেপাঁহ সৃষ্টি কৰে। তিনিটা বিহুৰ ভিতৰত ৰঙালী বিহুতেই অসমীয়াই আবেগ ঢালি দিয়ে। ৰঙালী বিহুত ঢোল-পেপাঁ, গগণাৰ মাতত আকাশ বতাহ মুখৰিত কৰি অসম তোলপাৰ কৰে আৰু আনহাতে জীয়ৰীয়ে ব্যৱহাৰ কৰা সাজপাৰ মুগা ৰিহাৰ সমাদৰে সংস্কৃতিৰ অন্য এক ধ্বজাবাহক হিচাপে পৰিচয় দিয়ে। বিহুৱে অসমীয়া সংস্কৃতিৰ এক অন্য মাত্ৰা প্ৰদান কৰিছে।

বিভিন্ন প্ৰতীক আৰু বস্তুৱে সংস্কৃতি এটাৰ পৰিচয় বহন কৰে। অসমীয়া সংস্কৃতিৰ মাজত দেখা এনে কিছুমান সম্পদ হ'ল তামোল পাণ, গামোছা, শৰাই, জাপি ইত্যাদি। তামোল পাণৰ ব্যৱহাৰ অসমীয়া সংস্কৃতিৰ এটা প্ৰধান অংগ। দোষীজনে তামোল পাণ আগবঢ়াই ক্ষমা ভিক্ষা মাগে। গামোচাখনকো এক সাংস্কৃতিক তথা সন্মানৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰা হয়। ঠিক সেইদৰে শৰাই, জাপিও অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ।

অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত সাজপাৰত চেলেং চাদৰ, মুগা মেখেলা প্ৰধান। মহিলাসকলে ৰিহা, মুগা মেখেলা চেলেং আদি লয়। ঠিক সেইদৰে পুৰুষসকলৰ চুৰিয়া, গোমচেং, গামোচা আদিয়েই হ'ল প্ৰধান সাজপাৰ। আ-অলংকাৰৰ ভিতৰত দুগদুগী, কেৰুমণি, থুৰীয়া, গামখাৰু, জোনবিৰি, ঢোলবিৰি।

অসমৰ খাদ্য বা অসমীয়া আহাৰ, অসম প্ৰদেশৰ স্থানীয় বাসিন্দা সকলৰ খাদ্য প্ৰণালী। অসমৰ খাদ্যৰ দুটিমান চকুত পৰা বৈশিষ্ট্য হ'ল—

(ক) অসমীয়া খাদ্যত নূন্যতম মছলাৰ ব্যৱহাৰ।
(খ) সুগন্ধিযুক্ত পাতৰ ব্যৱহাৰ। (যেনে— ধনিয়া, নৰসিংহ পাত)
(গ) সেউজীয়া শাকৰ সমাহাৰ।
(ঘ) বনৰীয়া শাকৰ লগত টেঙাৰ ব্যৱহাৰ।

অসমৰ মূল খাদ্য হ'ল ভাত (Coocked Rice)। প্ৰায় সকলো খাদ্যই ভাতৰ লগত সম্পৰ্ক থকা। অসমীয়া আহাৰ সাধাৰণতে "খাৰ" বা শাকেৰে আৰম্ভ হয় আৰু "টেঙা" ব্যঞ্জনৰে সমাপ্ত হয়। খাৰ আৰু টেঙাৰ ব্যৱহাৰ অসমীয়া খাদ্যৰ অন্যতম বৈশিষ্ট্য।

অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত ক্ৰমে এক পৰিবৰ্তনে গা কৰি উঠিছে। এটা কথা ঠিক যে সময়ৰ পৰিবৰ্তনৰ লগে লগে সংস্কৃতিৰ ধাৰণাৰো পৰিৱৰ্তন হয়। এই পৰিৱৰ্ত গাঁও, নগৰ সকলোতে কম বেছি পৰিমাণে এতিয়া বিয়পি পৰিছে। অসমীয়া সংস্কৃতিৰ কথা ক'লেই আমাৰ মনলৈ আহে জাতীয় উৎসৱ বিহু। তিনিওটা বিহুক কেন্দ্ৰ কৰিয়েই আমাৰ সমাজত প্ৰচলিত বিভিন্ন আচাৰ ব্যৱহাৰ নৃত্য-গীত, খাদ্যাভ্যাস, সাজপাৰ আদিৰ মাজেৰেই অসমীয়া জাতিৰ এক নিজস্ব পৰিচয় বহন কৰি আহিছে। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে নগৰসমূহৰ দৰে গাঁওসমূহতো বিহুক কেন্দ্ৰ কৰি গঢ়ি উঠা সেই পুৰণিৰ আৱেগ কিছু ম্লান পৰিছে। মানুহৰ ঘৰে ঘৰে হুঁচৰি গাই বিহুৰ বতৰত গৃহস্থক আশীৰ্বাদ দিয়া, গৰু বিহুৰ দিনা একেলগে নদী লৈ গৈ গৰুক নোৱাই-ধুৱাই মাহ হালধী ঘঁহি গা-ধোওৱা, মাঘৰ বিহুত মেজি, ভেলাঘৰ সাজি ভোজ- ভাত খোৱা, কাতি বিহুত তুলসীৰ তলত আৰু পথাৰত চাকি দিয়া আদি কাৰ্য প্ৰায়েই নোহোৱা হৈ পৰিছে। ভিডিঅ' গেম, কম্পিউটাৰ আদিয়ে জোনাক নিশা সন্ধিয়া আইতাৰ মুখৰ সাধুৰ প্ৰচলন কমাই আনিছে। ইয়াৰ উপৰিও সাজ-সজ্জা, খাৱন-শোৱন, আ-অলংকাৰ, খেল-ধেমালি, কেশবিন্যাস, প্ৰসাধন আদিৰ ক্ষেত্ৰতো নতুন নতুন বস্তুৱে চকুত চমক লগাবলৈ ধৰিলে।

অসমীয়া সংস্কৃতিলৈ অহা এই সংকতৰ কাৰণ কেৱল নগৰীয়া সংস্কৃতিয়েই নহয়। বহু অসমীয়া সংস্কৃতি ক্ৰমে ক্ৰমে আমাৰ সমাজৰ পৰ হেৰাই যোৱাৰ কাৰণ কিছুমান হৈছে প্ৰাকৃতিক পৰিৱেশ, নিবনুৱা সমস্যা, ধাৰ্মীয় গোড়ামী, শিক্ষা নীতিৰ সময় সূচীৰ আসোঁৱাহ, জনসংখ্যা বৃদ্ধি আৰু অৰ্থনৈতিক অস্থিৰতা আদি। বৰ্তমান দেখিবলৈ পোৱা যায় যে বাৰিষাৰ সময়ত অসমৰ প্ৰায় অঞ্চলতে বানপানী হয়। যাৰ ফলত উকা পথাৰে উদং ভঁৰালৰ সৃষ্টি কৰিছে। আনহাতে ভোজ-ভাত খোৱা, কাতি বিহুত শস্য উৎপাদন বাবে পথাৰত চাকি-বন্তি দিয়া আদি পৰম্পৰাসমূহ নিজে নিজে মেলানি মাগিছে। সংস্থাপনৰ সপোন আৰু নিবনুৱা সমস্যাৰ বাবে গাঁৱৰ বহুতো ডেকা-জীয়ৰী নগৰমুখী হ'ব লগীয়া হৈছে। ফলত বিহুৰ বতৰত কৰ্ম সংস্থাপনৰ বাবে বাপুটি সাহোন বিহুটি উদ্‌যাপন কৰিব নোৱাৰা হৈছে। এইদৰেই শিক্ষানীতিৰ সময় সূচীৰ আঁসোৱাহ, জনসংখ্যা বৃদ্ধি আদি অসমীয়া সংস্কৃতিৰ পৰিৱৰ্তনৰ কাৰণ হৈ পৰিছে। ইয়াৰ লগতে বৰ্তমান গাঁওসমূহত দেখা দিয়া ৰাজনৈতিক অৰিয়া অৰি আৰু নামঘৰকেন্দ্ৰীক বিভেদসমূহেও ভাওনা সবাহ অনুষ্ঠিত কৰাত অন্তৰায় হিচাপে দেখা দিছে। যিবোৰ এতিয়া আমাৰ চিনাকি গাঁৱৰ সহজলভ্য দৃশ্য হৈ পৰিছে।

এইদৰে মন কৰিলে দেখা যায় যে বহুতো আনুষংগিক কাৰণেই বৰ্তমান অসমীয়া সংস্কৃতিলৈ সংকত কঢ়িয়াই আনিছে। এনে ক্ষেত্ৰত আমি আত্মসমালোচনাৰে আমাৰ আসোঁৱাহসমূহ দুৰ কৰিবলৈ চেষ্টা কৰিলে নিশ্চয় আহিব বিচৰা সংকটসমূহ কিছু আঁতৰ হ'ব। অৱশ্যে ইয়াৰ বাবে লাগিব এটা সাংস্কৃতিক মন আৰু অসমীয়া সংস্কৃতি জীয়াই ৰখাৰ দৃঢ় সংকল্প।

□ □ □



# "হাজংসকলৰ লোক সংস্কৃতি আৰু লোক বিশ্বাস"

**কৰবী হাজং**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

উত্তৰ পূব ভাৰতৰ আটাইতকৈ পিছপৰা জনগোষ্ঠী হ'ল হাজংসকল। হাজংসকল বিশেষকৈ ৰাজনৈতিকভাৱে অৱহেলিত বাবেই সাম্প্ৰতিক কালত শিক্ষা, অৰ্থনৈতিক আৰু সাংস্কৃতিক আদি দিশত যথেষ্ট পিছপৰি আছে। নৃগোষ্ঠীয় ফালৰ পৰা হাজংসকল মঙ্গোলীয় প্ৰজাতিৰ লোক। বৰ্তমান হাজং জনগোষ্ঠীয় লোকসকল মেঘালয় ৰাজ্যৰ গাৰোপাহাৰৰ কিছু অংশত অসমৰ গোৱালপাৰাৰ লগতে আন আন জিলাসমূহতো আছে। কাৰ্বি আংলং জিলা আৰু অৰুণাচল ৰাজ্যৰ ঠাই বিশেষে বসবাস কৰি আছে। অতীতত হাজংসকলৰ সামাজিক গঠন এনে ধৰণৰ আছিল — অধিকাৰী, বৈষ্ণৱ, হাজং, খাটোৱাল, দাৰিকীয়া আদি।

'হাজং' নামৰ উৎপত্তি সম্পৰ্কে মতভেদ দেখা যায়। কিছুমানৰ মতে হাজং নামৰ উৎপত্তি গাৰো ভাষাৰ "হাজং"ৰ পৰা আহিছে। হা - অৰ্থাৎ মাটি, জাং- অৰ্থাৎ পোক। যিহেতু হাজংসকলে মাটি কৰ্ষণ কৰি জীৱিকা নিবাহ কৰে। সেইবাবে গাৰোসকলে তেওঁলোকক মাটি-পোক বুলি অভিহিত কৰাটো কোনো ডাঙৰ কথা নহয়। সেয়ে বহুতে 'হাজং'ৰ পৰাই হাজং হৈছিল বুলি ক'ব খোজে। আমাৰ এই প্ৰবন্ধত হাজং জনগোষ্ঠীয় লোকসকলৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, লোক নৃত্য, সাজ-পাৰ, বাদ্য আদিৰ বিষয়ে আলোচনা কৰা হ'ব।

অসমৰ আন আন জনগোষ্ঠীৰ দৰে হাজংসকলেো লোক সংস্কৃতিৰ ভঁৰাল চহকী আৰু ইয়াক পৰম্পৰাগতভাৱে পালন কৰি আহিছে। সেইসমূহ যেনে— বাইস' পূজা, মনসা পূজা, কাৰ্তিক পূজা, পাৰ্বতী পূজা, বাঁশ পূজা, চ'ৰ খেলা পৰ্ব, লেৱাটানা গাহেন, ৰসী গাহেন, গছি পূতা, ধান ধাওয়া ইত্যাদি লোক সংস্কৃতি পালন কৰি বিশ্বাস কৰি আহিছে। এইসমূহ উৎসৱৰ ভিতৰত কেৱল বাইস পূজাৰ বিষয়ে এই প্ৰবন্ধত উল্লেখ কৰা।

**বাইস' বা বাস্তু পূজা ঃ**

হাজংসকলৰ মূল দেৱতা হৈছে বাইস বা বাস্তু দেৱতা। হাজংসকলে প্ৰকৃতিৰ নানান অপায়-অমঙ্গলৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে আৰু সুখে-সন্তোষে থাকিবৰ কাৰণেই বাইস দেৱতাৰ পূজা কৰে। গৃহস্থই নিজাববীয়াকৈ নিজৰ ঘৰত এই পূজা কৰিলে তাক ঘৰ বাইস দেও বুলি কয়। দ্বিতীয়তে, এখন চুবুৰি বা গাঁৱৰ ৰাইজে এই পূজা কৰিলে তাক গাঁৱৰ বাইস বা বুঢ়া বাস্তু বুলি কোৱা হয়। আনহাতে সাৰ্বজনীনভাৱেও কোনো কোনো অঞ্চলত বাইস পূজা কৰে। ৰাজহুৱাভাৱে কৰা এনে পূজাক পাগলা বাস্তু পূজা বুলিও জনা যায়।

বুঢ়া বাইস' বা গাঁৱৰ বাইস' দেওৰ সাধাৰণতে গাঁৱৰ পৰা কিছু নিলগত, আওঁহতীয়া ঠাইত নিৰ্দিষ্ট থানত পূজা কৰা হয়। এই থান সমাজত সংৰক্ষণ হৈ থাকে। বাইস দেওৰ লগতে থানত কেইবাটাও আন আন দেৱ-দেৱীৰ থান থাকে। আঁহত গছ বা তেনে ধৰণৰ গছৰ তলত থানবোৰ শাৰীপাতি সজোৱা হয়। বুঢ়া বাইসৰ (প্ৰতীকি অৰ্থত শিৱকে বুজোৱা হৈছে) লগতে কামাখ্যা, লক্ষ্মী পাবনী, চৰাবৰী, বাৰ দেও, আন্ধাহুৰা, হম্‌হমী, দম্‌দমী, দাদ্‌ৰী, খাংখাঙী, হাংহাঙী আদি দেৱ-দেৱীকো শাৰী পাতি পূজা

কৰা হয়। বাইস দেউয়ে মূল দেও কাৰণে এই থানখনক বাইসশালী/বাস্তুশালী বোলা হয়। হাজংসকলৰ প্ৰতিখন গাঁৱৰ বা চুবুৰীৰ মাজত একোটাকৈ বাইসশালী আছে। তেওঁলোকে বছৰৰ প্ৰথম মাহ ব'হাগত এই পূজা কৰে। হাজংসকলৰ লোক বিশ্বাস মতে বাইস পূজা কৰাৰ পাছতহে খেতিৰ কামত নামিব পাৰে। প্ৰকৃতিৰ বিভিন্ন অশুভ ক্ৰিয়া কলাপ, অপায়-অমঙ্গলৰ পৰা পৰিত্ৰাণ পাবলৈ হাজংসকলে এই পূজা অনুষ্ঠিত কৰে। বাইস বা বাস্তুৰ সাধাৰণ অৰ্থ হ'ল ঘৰৰ ভেটি বা আশ্ৰয়স্থান। কিন্তু হাজংসকলৰ এই বাস্তু বা বাইস দেৱতা হ'ল আশ্ৰয়স্থান বা বসতি কৰি থকা ঠাইৰ ৰক্ষাকাৰী তথা প্ৰতি পালনকাৰী দেৱতা। আনহাতে পাগলা বাস্তু দেৱতাৰ সন্দৰ্ভত জনশ্ৰুতি মতে জনা যায় যে প্ৰায় দুশ বছৰৰ আগেয়ে গাৰো পাহাৰ সীমান্ত ময়মন সিং জিলাৰ দশকাহনীয়া অঞ্চলৰ হাজং বসতি প্ৰধান ভলুকা গাঁৱত পোন প্ৰথমে পাগলা বাস্তু পূজাৰ শুভাৰম্ভ হয়। কাৰ্যত আছে যে উক্ত অঞ্চলত এবাৰ অতি খৰাং বতৰে দেখা দিছিল। অনাবৃষ্টিৰ ফলত হাজং জনগোষ্ঠীৰ নবান নামৰ এজন সংসাৰ বিৰাগী উদাসীন লোক আছিল। তেওঁ আচলতে কোনো এজন যোগসিদ্ধ মহাপুৰুষৰ কৃপা লাভ কৰা সাধু আছিল। তেওঁৰ অগতানুগতিক জীৱনধাৰাৰ বাবে মানুহে তেওঁক পাগলা বুলিহে জানিছিল। সেইজন সাধু পুৰুষে কৃষিজীৱি লোকসকলৰ দুৰ্দশা দেখি ভলুকা গাঁৱত খেতি পথাৰত প্ৰথম বাইস দেৱতাৰ থান স্থাপন কৰি পূজা কৰে। কৃষিজীৱি হাজংসকলে সেই পূজাত সহযোগ কৰি অনাবৃষ্টিৰ পৰা পৰিত্ৰাণ পাবলৈ বাইস দেৱতাক প্ৰাৰ্থনা কৰে। জনা যায়, এই পূজাৰ সামগ্ৰী আছিল চাউল, গাখীৰ, কল, ফল-ফুল আদি আৰু সেই সামগ্ৰীসমূহ পানীৰে নুধুৱাকৈ বাইস দেৱতালৈ নিবেদন কৰা হৈছিল। অৰ্থাৎ যোগসিদ্ধ নবানে পানী নোহোৱাকৈ এই পূজা কৰিছিল। কোৱা হয় উক্ত পূজাৰ পিছতে অঞ্চলত বৰষুণ নামি আহিছিল। সম্প্ৰতি এই শ্ৰী শ্ৰী পাগলা বাস্তু পূজা গোৱালপাৰা জিলাৰ ধামৰ অঞ্চল, ওদালগুৰি জিলাৰ ধনশিৰি হাজং বস্তিত আৰু ধেমাজি জিলাৰ শ্ৰীৰামপুৰ হাজং গাঁৱত ৰাজহুৱাভাৱে পালন কৰা হয়।

**লোক নৃত্য ঃ**

হাজংসকলৰ লোক নৃত্য হ'ল লেৱাটানা (লেৱা-লতা, টানা-টনা)। লেৱাতনা নৃত্যত নৃত্যৰ লগে লগে গীত গায়। এইবোৰ প্ৰেমমূলক। উজনি অসমৰ বিহুগীতৰ লগত ইয়াৰ যথেষ্ট সাদৃশ্য আছে। লেৱাটানা নাম দিয়াৰ এটি আখ্যান আছে। আখ্যানটি এনে ধৰণৰ — অতীজত এই নৃত্য গীতৰ আখৰা কৰি ঘৰে ঘৰে গাভৰু ছোৱালী চোৰাৰ গুপ্ত প্ৰথা আছিল। ইয়াৰ অন্তত যি গৰাকী গাভৰু পচন্দ হয়, সেই গৰাকীৰ সৈতে বিবাহ পাতিবৰ ইচ্ছা প্ৰকাশ কৰে। সেয়ে কৃষিকৰ্মৰ সামৰণি মাৰি, পথাৰৰ ধান ভঁৰালত সুমুৱাই, ঘটকক লগোৱাই গাভৰুৰ অভিভাৱকলৈ কন্যা খুজি প্ৰস্তাৱ পঠিয়ায়। অভিভাৱকে সন্মতি প্ৰদান কৰিলে সোনকালে বিবাহ আয়োজন কৰে। সম্ভৱ যৌৱনৰ প্ৰতীক হিচাপে লেৱাটানা নৃত্য-গীত পৰম্পৰাগত ভাৱে পালন কৰি আহিছে।

লেৱাটানা নৃত্য-গীতত চাৰাঙ্গি, বাঁহী, দোতৰা, ঢোল আৰু তাল বজায়। ইয়াৰ গীতবোৰ চুটি চুটি আৰু একতাল বিশিষ্ট সুৰৰ। এই গীতত ছোৱালীয়ে বুকু ঢকা এখন ফুলাম গামোচা (আগন), হাতত একোখনকৈ ৰুমাল থাকে। বকুৰপৰা ভৰি তলুৱাত লগাকৈ ৰঙীণ পাটানি (পাতিন) পৰিধান কৰে। ল'ৰাবোৰে দুখন গামোচা পৰিধান কৰে। এখন শিৰস্ত্ৰাণ হিচাপে লয় আৰু আনখন আঠুমূৰীয়াকৈ ধুতি পিন্ধে। ডেকা-গাভৰু সকলে দুফালে দুশাৰী হৈ নৃত্য গীত কৰে।

**সাজ পাৰ (ৰঙা পাতিন) ঃ**

হাজং মহিলাসকলে স্বহস্তে তৈয়াৰ কৰি বৈ উলিয়াই ৰঙা পাতিন। এই বস্ত্ৰত ৰং প্ৰয়োগৰ ক্ষেত্ৰত উজ্জ্বল ৰং ব্যৱহাৰ কৰা হয়। সাঁত টা ৰঙৰ সমষ্টিত এই বস্ত্ৰ তৈয়াৰ কৰা হয়। ৰাঙা পাতিন দৈনন্দিন ব্যৱহাৰ কৰা এক পৰম্পৰাগত বস্ত্ৰ। এই বস্ত্ৰত ফুল বছা নহয়, কিন্তু বৰ্তমান যুগৰ পৰিৱৰ্তনত এইবোৰতো ফুল বাছিল। এক নতুন ৰূপ দিয়া দেখা যায়। ৰঙা ৰঙক মুখ্য কৰি লৈ, ওপৰ আৰু তলৰ ফালে সমান্তৰাল ভাৱে সমজোখৰ এক চাপা, তিনি চাপা বুলি ঠিক পাৰিব লেখিয়াকৈ তিনি ইঞ্চি মান জোখৰ ঠাইত নিজৰ পচন্দৰ মতে ৰং ব্যৱহাৰ কৰে। ৰঙা পাতনিখনত ৰঙা ৰঙক মুখ্য কৰি লোৱা হৈছে যদিও আৰু সৰু সৰু সীৰলুৰ দৰে আঁচ টানি সু-শৃংখলা ভাৱে বিভিন্ন ৰঙৰ সমাহাৰ দেখা যায়। হাজংসকলৰ এই ৰাঙা পাতিনখনত ৰঙৰ যি সমাহাৰ দেখা যায় সেয়া তেওঁলোকৰ নান্দনিক দিশত স্বকীয়।

**ফুলা আগন ঃ**

হাজং মহিলাই ওপৰ ভাগ অৰ্থাৎ বুকু ঢাকিবৰ বাবে ফুলা আগন নামৰ এবিধ ফুলাম কাপোৰ বৈ লয়। এই বস্ত্ৰখনত শিপিনীয়ে নানান তৰহৰ ফুল বাছি লৈ তৈয়াৰ কৰে। এই বস্ত্ৰতো নিজৰ ইচ্ছা অনুযায়ী বিভিন্ন ৰং ব্যৱহাৰ কৰি সৰু ডাঙৰ ফুল বাছি লৈ পৰিপূৰ্ণ কৰা হয়। ওপৰত আলোচনা কৰা দুয়োবিধ বস্ত্ৰ হাজং সামাজিক বিবাহত অতি প্ৰয়োজন। বিয়াত ন

কইনাজনীৰ লগতে সধবা বা ন গৰাকী বা পাঁচ গৰাকী আয়তীৰ লগতে গাঁৱৰ জীয়াৰী সকলেও এই সাজ পৰিধান কৰি তেওঁলোকৰ পৰম্পৰা ৰক্ষা কৰি আহিছে।

**লোক বাদ্য ঃ**

হাজং জনজীৱনত বাদ্যৰ প্ৰচলন প্ৰাচীন কালৰে পৰা চলি আহিছে। নিজৰ চেও-চাপৰিৰে বজোৱা শব্দধ্বনি আৰু সুৰৰ তালে তালে গীত গোৱা নৃত্য কৰা এইবোৰো প্ৰাচীন কালৰে পৰা চলি আহিছে। হাজং সমাজত প্ৰচলিত বাদ্যযন্ত্ৰসমূহ অইন অইন জনগোষ্ঠী সকলৰ মাজত প্ৰচলিত বাদ্যযন্ত্ৰৰ স'তে যথেষ্ট মিল থকা দেখা যায়। যেনে ঢাকী (ডাঙৰ ঢোল), ঢোল, শিঙা হাৰান্দি (সাৰাঙ্গী) বাঁহী, দোতৰা, কৰতাল, খুটি-তাল, নাগৰো, গগনা, টোকা, পেপা ইত্যাদি। এইবোৰক সমূহীয়া বাদ্যও বুলিব পাৰি। মাথোঁ তেওঁলোকে প্ৰয়োজন বোধে স্ব-হস্তে তৈয়াৰ কৰি লৈ নিজস্ব ধৰণে তাল, চেও-চাপৰি বজাই নানান দেৱ দেৱীৰ আৰাধনা, পূজা-পৰ্ব উৎসৱ আদিত বজোৱা হয় গঢ়োতাক শিল্পী অথবা লোক কলা শিল্পী বুলি কব পাৰোঁ। সেয়ে বাদ্যযন্ত্ৰসমূহো লোক কলাৰ সম্পদ হৈ পৰিছে, আৰু লোক সংস্কৃতিৰ ভঁড়াল চহকী কৰিছে।

**বিবাহ মণ্ডপ ঃ**

হাজং সমাজত বিয়া কাৰ্য পৰিচালনা কৰিবলৈ এখন কলাসুলভ ভাৱে 'বিয়া মণ্ডপ' সাজি লয়। দৰাৰ দুহাত বহলাই দি সমাজ জোখৰ চাৰিওফালে চাৰিটা গাঁত খান্দি, গাতত এযোৰকৈ পাণ-তামোল আৰু কিছু মুদ্ৰা ৰাখি গাঁতত কলগছ পুতিব লাগে। এই কাৰ্য কৰোতে আয়তিসকলে উৰুলি দিয়ো। চাফ-চিকুণকৈ লেপি-মচি লৈ বিয়া মণ্ডপখনত আয়তীসকলে (আয়ৰক) এদোন বা তাতোকৈ অধিক ধানেৰে মণ্ডপ পৰিপূৰ্ণ কৰে। পিছত তাত যোল্ল গছি গছা-চাকি, যোল্লটি ঘট, কেঁচা কলৰ আখি, পাণ-তামোল, হৰতকি দুৰ্বাহ, কপাহ, বেলপাত, আমপাত, ঘি-মধু, ধূপ-ধূণা, সেন্দুৰ আদি ডলা অথবা কোলাত সুন্দৰকৈ সজাই লয়। চাকিৰ উজ্জ্বল পোহৰ আৰু ধূপ ধূণাৰ গোন্ধে আমোল-মোলাই থকা উক্ত মণ্ডপখনতে হাজংসকলে সামাজিক বিবাহ কাৰ্য সম্পন্ন কৰে।

উল্লেখনীয় যে, মণ্ডপৰ ওপৰ ভাগত উলু খেৰেৰে ছাউনি কৰি লৈ চান্দ্ৰৰ কপোৰ আঁৰিব লাগে (চন্দ্ৰতাপ)। মণ্ডপৰ একাষত এখন তৰোৱাল ৰখা হয়। মণ্ডপত তৰোৱাল ৰখাৰ কাৰণ হ'ল, হাজংসকলে ক্ষত্ৰিয় বংশধৰ বুলি বিশ্বাস কৰে। মাটিৰ ঘট আৰু গছাসমূহত নানা ধৰণৰ চিত্ৰ আঁকি লোৱা হয়। এই লোক-কলাবিধক হাজংসকলে বৰ্তমানলৈকে পৰম্পৰাগতভাৱে সমাজত জীয়াই ৰাখিছে। অসমৰ আন আন জনগোষ্ঠীৰ দৰে হাজংসকলৰ মাজতো ব'হাগ বিহু, মাঘ বিহু, আৰু কাতি বিহু এই তিনিওটা বিহুক স্ব-ৰীতি-নীতিৰে, পৰম্পৰাগতভাৱে পালন কৰি মানি চলি আহিছে। ব'হাগ বিহুক 'বিছুৱা', মাঘ বিহুক 'পুষণা' আৰু কাতি বিহুক 'কাতি গাছা' বুলি কোৱা হয়। □ □ □


সহায়ক গ্ৰন্থ ঃ

১। হাজং সমাজ আৰু সংস্কৃতিত দৃষ্টিপাত — ৰতন কুমাৰ ৰায় হাজং।

২। অসমৰ লোক সংস্কৃতি — চাও লোকেশ্বৰ গগৈ।




# মিচিং সমাজৰ পঃৰাগ উৎসৱ



চিত্ৰলেখা দলে
স্নাতক চতুৰ্থ যান্মাসিক
ৰাজনীতি বিভাগ


পঃৰাগ— পঃৰাগ হৈছে মিচিং সমাজৰ এক উৎসৱ। এই পঃৰাগ উৎসৱ গাঁওখনৰ মঙ্গলৰ কাৰণে আৰু আপদ-বিপদৰ পৰা আগজাননী পাবৰ কাৰণে কৰা হয়। পঃৰাগ উৎসৱত এজন মিবু থাকে। মিবু হ'ল আদি মিচিং সমাজত আদি দৈৱিক শক্তিৰ প্ৰক্ৰিয়াৰে দেও-ভূত প্ৰেতৰ লগত সংযোগ কৰি সমাজৰ মঙ্গলৰ কাৰণে পূজা-পাতল দিয়া, অপায়-অমঙ্গল, আপদ-বিপদৰ আগজাননী দিওঁতা এজন পুৰোহিত লোকক বুজায়। এই মিবুজনে পঃৰাগ উৎসৱত 'আঃবং' নামৰ এবিধ স্তুতিমূলক গীত পৰিবেশন কৰে আৰু সমবেত ৰাইজে মিবুজনে গোৱা আঃবাং গীতৰ সুৰ, তাল, মান আৰু লয় মিলাই বৃত্তাকাৰে ঘূৰি ঘূৰি আঃবাং গীত পৰিবেশন কৰাকে মিচিং ভাষাত 'মিবু দাগনাম' বোলে। মিবুজনে বিভিন্ন ধৰণৰ মানে হ'ল দৈৱ শক্তি প্ৰাপ্তক বুজায় আৰু পাঃৰ সোমালেহে মিবুজনে গাঁওখনৰ আপদ-বিপদ, বাধা-বিঘিনি, অপায়-অমঙ্গল, বেমাৰ-আজাৰ, খেতি-পথাৰ, গৰু-ম'হ আদিৰ বিপদৰ আগজাননী দিয়ে। এই আগজাননী দিয়াৰ পাছত পাঃৰ সোমোৱা মিবুজনলৈ আগতে মন্ত্ৰপূত কৰি জাৰি থোৱা চাউল মিগম ৰুঃতুমে মিবুজনৰ গালৈ ছটিয়াই দিলে পাঃৰ ভঙ্গ হয়। পাঃৰ ভঙ্গ হ'লে মিবু দাগনাম পৰ্ব সমাপ্ত হয়। ইয়াৰ পাছত মুৰং ঘৰৰ জুইশালৰ কাষত থকাঁ আসনত মিবুজনে বিশ্ৰাম লৈ এঘুমটি মাৰে আৰু উপস্থিত ৰাইজৰ কিছুৱে মৃৰং ঘৰতে বিশ্ৰাম কৰে।

তৃতীয় দিনাৰ পঃৰাগ উৎসৱ 'জীয়ৰী' সকলৰ নামত উৎসৰ্গা কৰা হয়। দূৰ-দূৰণীত বিয়া সোমোৱা সকলে নিজৰ নিজৰ স্বামীৰ সৈতে গাঁৱত উপস্থিত হয়গৈ। দূৰ-দূৰণীৰ পৰা অহা জীয়ৰী সকলক মৃৰং ঘৰতে ভোজন কৰোৱা হয়। চতুৰ্থ দিনা গাঁৱৰ বোৱাৰী অৰ্থাৎ বিবাহিতা তিৰোতাসকলক ভোজন কৰোৱা হয়। সেই দিনা ৰাতিৰ ভাগত 'পঃঙ্কং নুঃপেন' কাৰ্যৰে মিৰঃ মিবুজনে পঃৰাগ উৎসৱ অনুষ্ঠানিক বিদায়ৰ আগজাননী দিয়ে। এই পঃনুং নুঃপেন কাৰ্যনুষ্ঠানত মিবুজনে বিভিন্ন ধৰণৰ বিলাপৰ আঃবাং গীতবোৰ পৰিবেশন কৰি সমবেত ৰাইজ আৰু মিনম দৰ অন্তৰ জয় কৰিব বিচাৰে আৰু জীয়াই থাকিলে পুনঃ একেলগে লগ পোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। পঃনুং নুঃপেন মানে হ'ল পঃবৰ একেলগে পৰা একেৰাহে পাঁচ দিন পৰ্যন্ত পঃৰ আপং অৰ্থাৎ চোকা সোৱাদ যুক্ত মদিৰা বৈ আহি সকলোৰে অন্তৰ আপ্লুত কৰা প্ৰবাহৰ ধাৰা ভঙ্গ কৰাক বুজায়। পু-নুং নুঃপেনত মিবুজনে আৰু উপস্থিত মৃমবৃৰ-য়াংমে আৰু মিনম দলে মিলি প-বৰ তাঃচুকটো পাঁচবাৰ প্ৰদক্ষিণ কৰি বিভিন্ন ধৰণৰ আঃবাং গীতবোৰ গায়।

পঞ্চম দিনা গাঁৱৰ সাধাৰণ ৰাইজে বাকী থকা গাহৰিবোৰ সাধাৰণ নিয়মেৰে বধ কৰি ৰান্ধি-বাঢ়ি ভোজন কৰে। পঞ্চদিনৰ কাৰ্যসূচীৰে ৰূপায়ন কৰা অতিকৈ চেনেহৰ, অতিকৈ মৰমৰ পঃৰাগ উৎসৱটিৰ অন্ত পেলায়। সেই দিনাই আবেলি পৰত মিনম দলক আৰু মিবুজনক বিদায় সম্ভাষণ জনোৱা হয়।

পঃৰাগ উৎসৱ শেষ হোৱাৰ পাছত এমাহ বা নতুন জোন ওলোৱা পাছত সামাজিক ভাৱে পৃদে-পৃআৰ কৰাৰ পাছতে সেই মৃৰং ঘৰত যিকোনো মুনিহ-তিৰোতাই বা মৃমবৃৰ-য়াংমেহঁতে জিৰণি ল'ব পাৰে। ইচ্ছা কৰিলে মৃমবৃৰঁহতে মৃৰং ঘৰৰ চাং তলত তাতশাল পাতি কাপোৰ কানি বব পাৰে। যিকোনো সামাজিক সভা-সমিতি, আলাপ-আলোচনা নাইবা ৰাজহুৱা বিচাৰ মৃৰং ঘৰত ল'ব পাৰে। কিন্তু এবাৰ পঃৰাগ উৎসৱ হোৱাৰ পাছত পুৰণি মৃৰং ঘৰত পুনঃ দ্বিতীয়বাৰ পঃৰাগ উৎসৱ অনুষ্ঠিতি কৰিব নোৱাৰে। দ্বিতীয়বাৰ পঃৰাগ উৎসৱ অনুষ্ঠিত কৰিবলৈ হ'লে আকৌ নতুন মৃৰং ঘৰ সাজিব লাগিব। পঃৰাগ উৎসৱ নকৰাকৈ এনেয়ে মৃৰং ঘৰ সাজিব নোৱাৰে।

দেখা যায়, পঃৰাগ উৎসৱ কেৱল মিচিং সকলৰ পঃচুম উই আমৰাগেই নহয় ই হ'ল মিচিং সমাজ সংস্কৃতি আৰু সমন্বয়ৰ মিলনৰ থলী। ইয়াত আছে পৰম্পৰে পৰস্পৰক কৰা মৰম-চেনেহ, সহায়-সহযোগিতা, প্ৰেম-প্ৰীতি, ভাতৃত্ববোধ আৰু মিচিং লোক সংস্কৃতিৰ আধাৰ। পঃচুম উই আমৰাগ, পঃৰাগ মিচিং লোক সংস্কৃতিৰ চিৰ প্ৰৱাহমান সুঁতি হৈ বৈ থাকক মিচিং সমাজত চিৰ দিন চিৰকাল। □ □ □



# হেৰুৱা প্ৰেমৰ ঠিকনা বিচাৰি

টংকেশ্বৰ পেগু
পঞ্চম যান্মাসিক, বুৰঞ্জী বিভাগ

নাহৰৰ দেশত তোমাক প্ৰথম লগ পাইছিলোঁ ২০১৬ বৰ্ষৰ আগষ্ট মাহৰ ৩ তাৰিখে। গহীন-গম্ভীৰ খোজ কাটল, মৰম লগা মিঠা মাতে মোক বাৰুকৈয়ে তোমাৰ প্ৰতি আসক্তি কৰিছিল। জীৱনৰ বহু আশা, বহু সপোন, বহু কল্পনা লৈ ভৰি দিছিলো মই নাহৰৰ দেশখনত। অৰ্থাৎ, চিলাপথাৰ মহাবিদ্যালয়ত। তোমাৰ সৈতে চিনাকি হৈছিল মোৰ এজনী বান্ধৱীৰ জৰিয়তে। নাহৰৰ তলে তলে তোমাৰ সৈতে বন্ধুত্বৰ ঠিকনা বিছাৰি গৈছিলোঁ। আমাৰ এই বন্ধুত্বৰ এনাজৰীডাল দিনক দিনে অধিক শক্তিশালী হৈ পৰিছিল। কালক্ৰমত এই বন্ধুত্বৰ ঠিকনাই প্ৰেমৰ ৰূপ লৈছিল। অসম্ভৱ ভাল পাইছিলো তোমাক। তোমাৰ সৰলতাৰ কাৰণে। কিমান সুন্দৰ আছিল তোমাৰ স্বভাৱ-চৰিত্ৰ, আবেগ-অনুভূতি, দেহৰ গঠন। এদিন কলেজত তোমাক নেদেখিলে মোৰ মনটোৱে উগুল-থুগুল কৰিছিল। তোমাৰ সৈতে নাহৰৰ তলে তলে কথা পাতি। তোমাক দেখিলে মোৰ তোমাৰ প্ৰতি প্ৰেমৰ জোৱাৰ আৰু বেছি উথলি উঠিছিল সাগৰৰ দৰে।

আজিকালি মই অকলশৰীয়া, অকলে অকলে নাহৰৰ তলে তলে তোমাৰ সেই হেৰুৱা স্মৃতিবোৰ বিচাৰি ফুৰোঁ। য'ত নেকি মোৰ জীৱনৰ বহু ঘাট-প্ৰতিঘাট, বহু তিতা-মিঠা অভিজ্ঞতা এই নাহৰৰ পাতে পাতে নিমজ্জিত হৈ আছে। আজি বহুত দিন হ'ল। তোমাৰ একো খা-খবৰ নোপোৱা। আজি বৰকৈ মনত পৰিছে মোৰ তোমালৈ। তুমিটো এতিয়া জীৱনৰ সেউজীয়া সপোনবোৰৰ লগতে ব্যস্ত। মাজে মাজে তোমাক নাহৰৰ তলে তলে তোমাৰ বান্ধৱীৰ সৈতে হাঁহি-ধেমালি কৰি কথা পাতি থকা দেখা পাওঁ। কেতিয়াবা নীলা ছাতিৰ তলে তলে গহীন-গম্ভীৰ খোজ-কাটলেৰে কলেজৰ সন্মুখত দেখা পাওঁ। কি কৰিম, দেখিও নেদেখাৰ ভাও জুৰো। তুমি আগৰ দৰে হৈ থকা নাই। সময় বৰ নিষ্ঠুৰ। কোনেও ক'ব নোৱাৰে সময়ক এই নিষ্ঠুৰতাৰ কথা। তোমাৰ এই সেউজীয়া সপোনবোৰৰ মাজত এতিয়া আৰু মই নাই। বহু দূৰলৈ গুছি গ'লা তুমি।

তোমাৰ বাৰু মনত আছেনে সেই দিনবোৰৰ কথা? যেতিয়া মই তোমাক আনিবলৈ জুন-জুলাই মাহৰ প্ৰখৰ ৰ'দ-বৰষুণকো নেওঁচি তোমাৰ অপেক্ষাত ৰৈ থকা অট' ষ্টেণ্ডৰ কথা। শ্ৰেণীকোঠাৰ ক্লাছ শেষ হোৱাৰ পাছত তোমাক থৈ অহাৰ কথা। তোমাৰ অলপো মনত নপৰে নে? এই যে তোমাৰ নীলা ছাটিটোৰ তলতে সোমাই জীৱনৰ বহু কথা পাতিছিলো তোমাৰ মনত নাই নে? নাই তুমি চাগে মোক পাহৰি পেলাইছা। তোমাৰ অলপো মনত নপৰে নে আমি পাৰ কৰা সেই আনন্দৰ দিনবোৰৰ কথা। দুয়ো একেলগে পাৰ কৰা আনন্দৰ মুহূৰ্তবোৰৰ কথা। তুমি হয়তো এতিয়া পাহৰি গৈছা, নাইবা পাহৰাৰ অভিনয় কৰিছা। তুমি হয়তো পাহৰি যাব পাৰা অতীতৰ সেই দিনবোৰৰ কথা। পাহৰি যাব পাৰা কলেজৰ শ্ৰেণী কোঠাই কোঠাই কটোৱা প্ৰতিটো মুহূৰ্তৰ কথা। য'ত নেকি আছিল জীৱনৰ সকলো দুখ যান্ত্ৰণা নেওচি তোমাৰ সৈতে কটোৱা সেই সুখৰ দিনবোৰৰ কথা। তুমি পাহৰি গৈছা। কিন্তু মই যে এতিয়াও পাহৰিব পৰা নাই। তুমি অবিহনে দিনবোৰ কেনেকৈ পাৰ কৰিছো সেয়া হয়তো মই ভাষাৰে ক'ব নোৱাৰিম। মই তোমাক এইটোৱে ক'ব বিচাৰো যে তুমিহীনতাত মই সচাঁকৈয়ে বৰ অকলশৰীয়া হৈ পৰিছো।

মই জানো এতিয়া আৰু তুমি মোৰ হৈ থকা নাই। আমাৰ ভালপোৱাত জাতি ব্যৱস্থাই বাধাৰ প্ৰাচীৰ ৰূপে থিয় দিলে। আমাৰ ভালপোৱাক দুয়োখন ঘৰৰ মানুহে গ্ৰহণ কৰিব নোৱাৰে।

যান্ত্ৰিক সভ্যতাৰে ভৰা এই পৃথিৱীত কেতিয়াবা যদি অকণমান আহৰি পোৱা, তেনেহলে এবাৰ মাত্ৰ আহিবা মোৰ খবৰ ল'বলৈ। হয়তো তেতিয়ালৈ মই জীয়াই নাথাকিম। তথাপি তুমি সুধিবা মোৰ ওচৰ-চুবুৰীয়াক।

তেওঁলোকে হয়তো দিব তোমাক মোৰ মৃত্যুৰ বতৰা।□

গল্প

# মীৰাৰ জীৱনৰ যন্ত্ৰণা


মাধৱী বুঢ়াগোহাঁই

স্নাতক চতুৰ্থ যান্মাসিক, অসমীয়া বিভাগ




মীৰা, অ' মীৰা - মীৰাই দৌৰি আহি মাকৰ ওচৰ পায়। 'অ' মা কোৱা কিয় মাতিছিলা ? মাকে কয়— মই যাওঁ, তই সিহঁত দুটাক চাবি। দুয়োটাকে অকলে এৰিলে বৰ কাজিয়া লাগে। তই ভালদৰে চকু দিবি। মীৰাই মাকৰ ওচৰলৈ গৈ ক'লে— মা তুমি কামলৈ যাব নালাগে। কালি ৰাতি তোমাৰ 'গা' টো বেয়া। ৰাতিটো শুৱা নাই। মাকে তাইৰ মুখত হাত বুলাই ক'লে— মই গা ভাল পালোঁ সোণ। তই চিন্তা নকৰিবি মই যদি কামলৈ নাযাওঁ ৰাতিলৈ আজি চাউল তেল একোৱে নাই আৰু তোৰো পৰীক্ষা ওচৰ চাপিচেহি, তোকো দুখন মান কিতাপ কিনি দিব লাগে। মীৰাই মূৰটো মাকৰ কান্ধত পেলাই থোকা মাতেৰে কলে আমাৰ বাবে তুমি বহুত কষ্ট পাইছা ন 'মা'। মাকে এটা মিচিকিয়া হাহি মাৰি কলে এইয়া মাকৰ দায়িত্ব সোণ। মই এতিয়া কষ্ট কৰিছোঁ পাছলৈ তহতি ভাল মানুহ হৈ মোক চোৱা চিতা কৰিবি। মাকৰ কথা শুনি মীৰা দুখতে ভাগী পৰিল যদিও মাকক দেখুৱাই এটা হাঁহি এটা মাৰিলে। আৰু মাকে কামলৈ ওলাই গ'ল।

মীৰাৰ ঘৰত তাই, তাইৰ মাক আৰু এহাল ১২ বছৰীয়া যঁজা ভায়েক ভনীয়েক। এবছৰৰ আগতে দেউতাক এটা দূৰ্ঘটনা মৃত্যু হৈছে। তেতিয়াৰ পৰাই মাকে বৰ কষ্ট কৰি সিহঁতক খোৱা বোৱা, পঢ়া শুনা কৰিবলৈ যোগাৰ দিছিল। মীৰা আৰু দুমাহৰ পিছতে H.S. পৰিক্ষা দিব। মাকৰ সেইবাবে দুখ ঘৰৰ খোৱা বোৱা কামতে পইচা খৰচ কৰোতে মীৰাৰ লাগতিয়াল কিতাপ কিনি দিব পৰা নাই। মীৰা শান্ত সহজ সৰল ছোৱালী তাই কোনো দিন মাকক বস্তু দাবী কৰি পোৱা নাই। কিন্তু তাইৰ ভাইক আৰু ভনীয়েক বৰ দুষ্ট। সিহঁতক যি লাগে বুলি কয় তাকে আনি দিবই লাগিব। দুষ্ট যদিও সিহতক মীৰাই বৰ মৰম কৰে। মাক কামলৈ যোৱাৰ পাছত সিহতৰ মাকৰ দায়িত্ব মীৰাই লয়।

ঘৰৰ ইটো সিটো কাম কৰি থাকোতে বাহিৰত কাৰোবাৰ মাত শুনা পাই মীৰা ওলাই আহি দেখে যে পদুলিত এখন 'অট' আৰু অটৰ পৰা মাক আৰু ওচৰৰ ৰমলা খুৰীয়েক নামিছেহি। তাই দৌৰি গৈ মাকৰ ওচৰ পাই সুধিলে— কি হ'ল মা ? গৈছিলা হে, আজি কাম নহল নেকি। ৰমলা খুৰীয়েকে মীৰাক কলে, কাম হৈছিল কিন্তু তোমাৰ মাৰ গাটো ভাল নলগাত মই ঘৰলৈকে লৈ আহিলো। তাত ৰ'দত কাম কৰিলে বেছিহে গা বেয়া লাগিব। মীৰাই মাকৰ ওচৰলৈ গৈ ক'লে মই তোমাক কৈছিলো নহয় যাব নালাগে বুলি। তুমি মোৰ কথা নুশুনি গৈছিলা। মাকে তাই অভিমান কৰা দেখি হাঁহি মাৰি কলে, মোৰ বেছি গা বেয়া নহয়। খুৰীয়ে জোৰ কৰাত ঘৰলৈ গুচি আহিলো। এনেতে পাছৰ পৰা মাত লগালেহি "কি হ'ল ৰাইজ সকলো পদূলিত আছেহি যে কাৰোবাক বিয়া দিছে নেকি। ঘূৰি চাই দেখিলে মীৰাৰ সখী সীমা। মীৰা মাকে সীমাৰ ওচৰলৈ গৈ ক'লে 'অ' মোৰ সোণজনী বিয়া নহয়। মই এফালৰ পৰা আহি পাইছোহি এতিয়া। বল আই ভিতৰলৈ ব'ল বুলি কৈ সীমাক মীৰাৰ মাকে ভিতৰলে লৈ আহিল। ভিতৰত মাকে সীমাক বহিবলৈ কোৱাত সীমাই মাকৰ ওচৰলৈ গৈ ক'লে মা মই বহি নাথাকো আপোনালোকে জানেই কাইলৈ ভন্টীৰ বিয়া। আজি সেইবাবে মই মীৰাক ৰাতিটোৰ বাবে আমাৰ ঘৰলৈ নিবলৈ আহিছো যদি আপুনি অনুমতি দিয়ে। মীৰাই কলে, সীমা বেয়া নাপাবা মই যাব নোৱাৰিম। মাৰ গাটো ভাল নহয়, মই গলে কাম কৰিবলৈ মানুহে নাই। কিন্তু মাকে মীৰাৰ কথা নুশুনি সীমাক কলে "মীৰা আজি তহঁতৰ ঘৰলৈ যাব। মই অনুমতি দিছো।" মীৰাই আপত্তি কৰিছিল যদিও মাকে তাইক জোৰ কৰি পথালে। মাকে কলে বেচেৰী কিমান আশত তোক নিবলৈ আহিছে। তাইয়ো তোৰ দেউতাৰ ঘটনাটোৰ পাছত আমাৰ ঘৰত এমাহ মান থাকিলেহি। তোক আজিহে নিব আহিছে। তই না নকৰিবি আই। মাকৰ কথা পেলাব নোৱাৰি মীৰাই ভায়েক-ভনীয়েকক ভৰি হাত ধুবলৈ কৈ ঘৰৰ ইটো

সিটো কাম কৰি সীমাৰ লগত গ'ল। বিয়াৰ উদুলি মুদুলিৰ মাজতো মীৰাৰ বেমাৰী মাকলৈ মনত পৰে; কি বা কৰিছে মাই! ভাইটি সতে আমনি দিছে নেকি! বহুত প্ৰশ্ন তাইৰ মনলৈ আহি থাকিল। পিছ নিশা সকলোৱে শুবলৈ ললে। তাই আৰু তাইৰ সখীয়েক সীমাই একেলগে শুলে। ৰাতিপুৱাৰ সময়ত সীমাৰ ঘৰৰ চোতালত চাইকেলৰ বেলৰ মাত মীৰাই ঘপকৰে সাৰ পাই উঠি আহিব লওতে সীমাই তাইক সাবটি ধৰি শুবলৈ কলে। "দেউতাহঁত বাহিৰত আছেই কোনোবা তামোলৰ বেপাৰী আহিছে চাগে, তুমি কিয় উঠিছা শুই থাকা।" মীৰাই আকৌ বিছনাত পৰিলে আৰু বাহিৰত কোনে কথা পাতে শুনি থাকিল। ভিতৰৰ পৰা সীমাৰ দেউতাক এটা গল কাহ মাৰি ওলাই আহি মাত লগালে ঔ আপুনি! ইমান ৰাতিপুৱাই যে?" মানুহজনে উত্তৰ দিলে। "হয়, মীৰাক মাতকচোন তাই লগত কথা এটা আছে।" মীৰাই মানুহ জনৰ মাতটো চিনাকী যেন লগাত বিছনাৰ পৰা দৌৰি উঠি আহিলে। বাহিৰত আহি দেখে সিহঁতৰ গাঁওৰ ভদ্ৰ খুৰাক ৰৈ আছে। মীৰাই খুৰাকক সুধিলে "খুৰা ইমান ৰাতিপুৱাই আহিলা যে, সকলো থিকে আছেটো?" ভদ্ৰয়ে তাইলৈ চায় ক'লে, সকলো ঠিকে আছে কিন্তু মাৰ হে...। মাৰ কি হৈছে খুৰা মীৰাই চিঞৰি উঠে। মীৰাৰ চিঞৰ শুনি সকলোৱে শুৱাৰ পৰা উঠি মিৰা ওচৰ পালেহি। ভদ্ৰয়ে ক'লে - "নাই, বিশেষ একো হোৱা নাই, গাটো বোলে অলপ বেয়া। তোমাক সোনকালে লৈ যাবলৈ পথালে।" মীৰাৰ দুচকুৰে চকুলো বৈ গ'ল আৰু ভদ্ৰক কলে, "বলা খুৰা, মোক মাৰ ওচৰলৈ লৈ বলা" বুলি চাইকেলত উঠিল। ঘৰৰ পদূলি পাই দেখিলে চোতালত বহুত মানুহ। ভায়েক আৰু ভনীয়েকক ৰমলা খুৰীয়েকে কোলাত লৈ আছে। তাই চাইকেলৰ পৰা নামি দৌৰি চোতাললৈ আহি দেখিলে চোতালত বগা কাপোৰে কাৰোবাৰ নস্বৰ দেহ এটা ঢকা আছে আৰু ওচৰত ধুপ লগাই থৈছে। তাই সকলোৰে মুখলৈ চাই মাকক নেদেখি ভিতৰলৈ 'মা' অ' 'মা' বুলি দৌৰ মাৰিলে। পাছে পাছে ভদ্ৰও সোমায় গৈ তাইক চোতাললৈ লৈ আনি ঢাকি থোৱা শটোৰ পৰা বগা কাপোৰখন দাঙি দিলে। তাই দেখিলে এইয়াচোন তাইৰ মাক। মানে মা আৰু ...। তাই মাকক সাৱটি ধৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাইৰ কান্দোনত সকলোৰে মাত হেৰাই গ'ল। সকলোৰে চকুত কেৱল চকুপানী। সকলোৰে মুখত এটাই কথা - নিয়তিৰ কি খেলা। দেউতাকৰ মৃত্যু হোৱা এবছৰ হৈছিলহে আকৌ মাকক এই নিষ্পাপ শিশু কেইটাৰ পৰা দূৰলৈ লৈ গ'ল।

এনেদৰে এদিন দুদিনকৈ দিন বাগৰিবলৈ ধৰিলে। মাক-দেউতাক নোহোৱা ঘৰখনত মীৰাই ভায়েক-ভনীয়েকৰ বাবে মাক আৰু দেউতাকৰ দায়িত্ব ল'গ লগা হ'ল। এই ঘটনাটোৰ দুমাহৰ পাছতেই মীৰাৰ H.S. পৰিক্ষা। মনৰ বেজাৰত পৰিক্ষা দিলে কিন্তু বৰ ভাল নহ'ল, বিজ্ঞান বিষয় লৈ কোনো-তেনে পাছ হ'ল। আৰু পঢ়াৰ কথা নাভাবি তাই অত-তত কাম কৰিবলৈ ধৰিলে। মাক-দেউতাকে সিহতক ভালকৈ পঢ়াই ভাল মানুহ কৰাৰ বৰ হেপাহ আছিল। কিন্তু সেই সপোন বুকুত বান্ধি তেওঁলোকে পৃথিৱীৰ পৰা বিদায় মাগিলে। মীৰাই ভাবিলে, তাই আৰু পঢ়া শুনা কৰিব নোৱাৰিলে যদিও ভায়েক-ভনীয়েকক ভাল দৰে পঢ়াই সিহতক ভাল মানুহ কৰাৱ আৰু মাক-দেউতাকৰ আশা পূৰণ কৰিব। তাৰ বাবে তাইৰ যিমান কষ্ট হয় হ'ব। তাই ঘৰৰ ওচৰৰ মৌজাদাৰৰ ঘৰত বন কৰা ছোৱালী হিচাপে থাকিবলৈ ললে। মৌজাদাৰৰ ঘৰৰ মানুহে মাক দেউতাক নাইকীয়া ছোৱালী বুলি বৰ মৰম কৰে। ঘৰলৈ যোৱাৰ সময়ত সদাই মীৰাক ভায়েক-ভনীয়েকৰ কাৰণে বিভিন্ন ধৰণৰ খোৱা বস্তু দি পঠাই। তায়ো খুব ভাল পায় তেওঁলোকৰ মানুহ বোৰক। এদিন মৌজাদাৰৰ ঘৰলৈ অহা আলহি এজনক চাহ দিবলৈ যাঁওতে মৌজাদাৰে আলহিজনক কলে - "এইক পাৰিলে আপোনাৰ অফিচতে এটা কাম যোগাৰ কৰি দিব চোন। মাক-দেউতাক নাইকিয়া ছোৱালী, ঘৰত ভায়েক-ভনীয়েকহালৰ খোৱা-পিন্ধা, পঢ়া আদি খৰচ সকলো তাইৰ ওপৰতে। তাই আৰু কিমান লোকৰ ঘৰে ঘৰে কাম কৰি এই খৰচখিনি উলিয়াব?" মৌজাদাৰৰ কথা শুনি মানুহজনে মীৰাক এখন কাৰ্ড দিলে আৰু কলে - ইয়াত মোৰ সকলো ঠিকনা দিয়া আছে। মোৰ অফিচলৈ যাবা, মই তোমাক কিবা এটা কামদিবলৈ চেষ্টা কৰিম। পিছ দিনা ঘৰৰ সকলো কাম খৰ ধৰ কৈ কৰি ভায়েক-ভনীয়েকক ইস্কুললৈ পঠাই তাই সেই অফিচটোলৈ গ'ল। মানুহজনে মীৰাক কোৱা মতে পিয়নৰ কাম এটা দিলে। দিনৰ দিনটো লোকৰ ঘৰে ঘৰে কাম কৰাতকৈ পিয়নৰ কামটো পোৱাত তাই বৰ আনন্দ পালে। ঘূৰি যাওঁতে ঘৰলৈ মাংস লৈ ভায়েক-ভনীয়েকক তাই খবৰটো দি আনন্দ মনে এহাজ খালে। মীৰা অফিচলৈ সদায় সময়মতে গৈ অফিচৰ কাম নিয়মিয়াকৈ কৰে। অফিচৰ আন কৰ্মচাৰীয়ে তাইক পিয়ন বুলি বৰ গুৰুত্ব নিদিয়ে যদিও তাইক অফিচৰ চকিদাৰজনে বৰ মৰম কৰে। চকিদাৰ জন বিয়া বাৰু নকৰোৱা। ঘৰত নিজৰ বুলিবলৈ কোনো নাই। সেইবাবে তাইক নিজৰ ছোৱালীৰ নিচিনাকৈ মৰম কৰে। এনেকৈয়ে এদিন দুদিনকৈ সময় বাগৰিবলৈ ধৰিলে। ভায়েক-ভনীয়েকহাল ডাঙৰ হ'ল। মেট্ৰিকত দুয়োটাৰে ৰিজাল্ট ভাল হ'ল। দুয়োটাকে তাই ভাল কলেজত নাম লগাই দিলে। তায়ো অফিচলৈ যায়, সিহতো কলেজ যায়। বৰ ব্যস্ত হৈ পৰিল সিহঁত। এদিন মীৰাক অফিচৰ মালিকে তেওঁৰ ওচৰলৈ মাতি আনি ক'লে - "মীৰা তোমাৰ নিয়ম শৃংখলা, কামৰ পদ্ধতি, আচাৰ ব্যৱহাৰ দেখি মই সচাই বৰ আনন্দিত হৈছো। সঁচাই তুমি পিয়নৰ কামটোতকৈ ওপৰৰ কাম পোৱাৰহে যোগ্য।" মীৰাই হাঁহি মাৰি উত্তৰ দিলে - "ধন্যবাদ ছাৰ। মোৰ কাম আপোনাৰ ভাল লগা বাবে। কিন্তু মোক এই কামটোতকৈ বেছি

ভাল কামো নালাগে। এইটোৱেই মোৰ বাবে উপযুক্ত।" মালিকজনে কলে, মীৰা মই এটা কথা ভাবিছো তুমি কি কোৱা নাজানো, মোৰ মনলৈ কথাষাৰ অহা বাবেহে কব বিচাৰো। হয় ছাৰ কওঁক আপোনাৰ মনত যি প্ৰশ্ন আছে মোক চিধা চিধি সুধিব পাৰে। মীৰাই ক'লে। মালিকজনে খিৰিকীৰ ওচৰলৈ গৈ পৰদাখন অলপ কোঁচাই বাহিৰলৈ চাই কলে, - "মীৰা মোৰ ঘৰত মোৰ আপোন বুলিবলৈ একমাত্ৰ পুত্ৰটিৰ বাদে কোনো নাই। এই বিশাল সম্পত্তি খাবলৈও মানুহ নাই। মোৰ লৰাটোৰ বাবে বিয়া কৰাবলৈ বহু দিনৰ পৰা এজনি ছোৱালী বিছাৰি আছিলো। কিন্তু আজি অনুভৱ কৰিছো মোৰ লৰাটোৰ কাৰণে তোমাৰ বাদে অন্য ছোৱালী যোগ্য নহয়। এতিয়া তোমাৰ কথা, তুমি কি কোৱা। মীৰাই কথাটো শুনি বৰ আনন্দ পালে। ইমান এটা ভাল প্ৰস্তাৱ তাইৰ নিচিনা ছোৱালী এজনীলৈ দিছে। তাই লগে লগে কথাটোত সন্মতি দিলে। মালিকজনে কলে, "কিন্তু মীৰা তাতো এটা কথা। তোমাক আগতে কোৱা হোৱা নাই। মোৰ লৰাটো এজন মানসিক ৰোগী।" কি? মীৰাই চক খাই চিঞৰি উঠিল। "হয় মীৰা, এটা ডঙৰ আঘাতে তাক ৰোগীয়া কৰিলে। মিৰাই সুধি পেলালে - কিন্তু ইমান টকা পইচা থকাৰ পাছতো আপুনি তেওঁক কিয় উন্নত চিকিৎসা কৰোৱা নাই?" মীৰাৰ কথাত মালিকে দীঘল এটা হুমুনিয়াহ মাৰি কলে, "তাক চিকিৎসা কৰিবলৈ আৰু উন্নত ঠাই নাই। সকলোলৈকে নিলো, কিন্তু কোনো ফল নাপালো। সকলোতে এটাই কথা তেওঁৰ যিটো কথাৰ বাবে এই ৰোগটো হৈছিল সেই সময়ৰ কিছুমান মানুহ, কিছুমান ঘটনাইহে তেওঁৰ এই ৰোগটো ভাল কৰিব পাৰিব।" মীৰাই মালিক জনক সুধিলে, "তেওঁ এনে কি আঘাত পাইছিল যি আঘাতৰ কাৰণে এই ৰোগ দেখা দিলে।" মালিকে কলে, মাকৰ মৃত্যুৰ পাছত সি মোৰ লগতে ডাঙৰ হোৱা। মাকৰ মৰম কি বস্তু বুজিয়ে নাপালে। সি স্কুলত পঢ়ি থাকোতে প্ৰীতি শৰ্মা নামৰ এজনী ছোৱালী ভাল পাইছিল। কিন্তু আমি নিম্ন শ্ৰেণীৰ মানুহ কাৰণে ছোৱালীজনীৰ মাক দেউতাকে এই সম্পৰ্কত বাধা দিলে আৰু ছোৱালীজনীক লৈ বেলেগ কৰবালৈ গ'লগৈ। মই বহুততে বিছাৰিলো কিন্তু তেওঁলোকৰ বাতৰি নাপালো। মীৰাই দুখন হাতেৰে নিজৰ মুখখন মোহাৰি চকী খনত বহী পৰিল। খন্তেক নিস্তব্ধতাৰ পাছত মীলাই কলে, "চাৰ এই বিয়াখনৰ বিষয়ে মই মোৰ ভাইটি-ভন্টীৰ লগত কথা পাতিহে কব পাৰিম।" এতিয়া মই যাও বুলি মীৰা ওলাই আহিল। আহিয়ে তাই চকিদাৰ ৰমেশক সকলো কথা বিৱৰি কলে। ৰমেশে কলে, "তোমাৰ জীৱনটোৰ ওপৰত সম্পূৰ্ণ তোমাৰ দায়িত্ব। তুমি যি শুদ্ধ বুলি ভাৱা তাকে কৰা। মোৰ আশীৰ্বাদ আছে।" সেইদিনা ৰাতি ভাত পানী খাই তাই ভায়েক-ভনীয়েকক ওচৰলৈ মাতি সকলো কথা কলে। তাইৰ ভনীয়েকৰ এটাই কথা, আজি কালি মানুহক জীয়াই থাকিবলৈ বহুত পইচাৰ প্ৰয়োজন ।সেইবাবে এই বিয়াত তই সন্মতি দে, মানুহ জনক তই বিয়াৰ পাছত আগৰ কথাবোৰ মনত পেলাবলৈ চেষ্টা কৰিলে হয়তু এদিন তেওঁ ভাল হ'ব আৰু তোৰ ওপৰত আমাৰ বিশ্বাস আছে, তই তেওঁক সুস্থ কৰি তুলিব পাৰিবি। ভায়েক-ভনীয়েকৰ কথা শুনি তাই ওৰে ৰাতিটো ভাবি থাকিল কথাবোৰ; সঁচাই সিহঁত আৰু ভাল মানুহ হ'বলৈ হ'লে আৰু বহুত পইচা লাগিব। কিন্তু পিয়নৰ চাকৰিৰ পইচাই তেতিয়া নোযোৰে। তাই সিদ্ধান্ত ললে, মালিকৰ পুতেকৰ লগতে তাই বিয়াত বহিব। ঘৰখনৰ ভালৰ বাবে, ভায়েক- ভনীয়েকৰ ভৱিষ্যতৰ কাৰণে মীৰাই গোটেই জীৱন এজন মানসিক ৰোগীৰ লগত কটাবলৈ সিদ্ধান্ত ললে। পুৱা দহ বজাত তাই অফিচ গৈ পালে। টেবুলত বেগটো থৈ তাই চকীখনত বহি পৰিল। তাইক একেবোৰ কথাই অহৰ্নিষে আমনি কৰিছে। অফিচত গৈও তাই যেন শান্তি পোৱা নাই। এনেতে বাহিৰৰ পৰা মাত লগালে 'আই'। মীৰাই ঘূৰি চাই দেখিলে দুৱাৰ মুখত চকিদাৰ ৰমেচ। তাই ৰমেশক দেখি হাঁহি মাৰি মাত দিলে। "অ' ৰমেশ কাই, বাহিৰতে আছা যে, ভিতৰলৈ আহা আক।" ৰমেশে দুখুজ মান আহি টেবুলত খেলি মেলি হৈ থকা কাগজবোৰ থিক কৰি কলে, তোমাক চাৰে মাতিছে। তাই হাঁহি থকা মুখ খন যেন আকৌ সেমেকি গ'ল। মই চাৰৰ ওচৰৰ পৰা আহোঁ বুলি তাই কোঠাৰ পৰা ওলাই গ'ল। তাই মালিকৰ আগত বিয়াৰ সন্মতি দিলে। মীৰাই বিয়াৰ প্ৰস্তাৱটোত সন্মতি দিয়াৰ বাবে মালিক ধৰণী ফুকনে বৰ সন্তোষ পালে। দুমাহৰ পিছতে সিহতঁৰ ধুম-ধামেৰে বিয়া পাতি দিলে। ভায়েক-ভনীয়েকেৰো বহুত ফুৰ্টী। বায়েকক ধনীমানুহৰ ঘৰলৈ বিয়া পাতিছে। আনফালে মালিক ধৰণী ফুকনৰ আনন্দৰ সীমা নাই। ইমান ধুনীয়া, সৎ স্বভাৱৰ ছোৱালী তেওঁৰ পুতেকৰ কাৰণে পোৱাত। কিন্তু মীৰাৰহে যেন মনত আনন্দ, মুখত হাঁহি একোৱেই নাই। সকলোকে দেখুৱাই হাঁহি মাতি আছে কিন্তু ভিতৰি ভিতৰি যেন তাই একেবাৰে ভাগি পৰিছে। এনেকৈয়ে দিন পাৰ হ'ল। মীৰাৰ শহুৰেকৰ গা ভাল নোহোৱা হ'ল। গোটেই অফিচৰ দায়িত্ব তাইৰ ওপৰত পৰিল। আন ফালে ভায়েক-ভনীয়েকৰ লগতো ক্ৰমান্বয়ে যোগাযোগ নোহোৱা হৈ পৰিল। সিহঁতে মীৰাই ফোন কৰিলেও ফোন নধৰা হ'ল। এদিন হঠাতে এটা খবৰে তাই বৰকৈ দুখ দিলে। তাই কাৰোবাৰ পৰা গম পালে যে ভায়েক-ভনীয়েকে দুয়োটাই ভাল চাকৰি পালে আৰু দুয়োটাই বিয়াও কৰালে। সিহতক ভাল মানুহ কৰিবলৈ নিজৰ পঢ়া-শুনা বাদ দি মাক-দেউতাকৰ দায়িত্ব পালন কৰা বাইকজনীকো খবৰ দিবলৈ পাহৰিলে। মীৰাৰ দুখ লাগিল যদিও তাই মনৰ পৰা আশীৰ্বাদ কৰিলে যাতে সিহঁত সুখী হ'ব পাৰে। সিহঁত ডাঙৰ মানুহ হ'ল। অন্ততঃ মাক-বাপেকৰ সপোনবোৰ পূৰ হ'ল। তাকে ভাবি তাই শান্তি পালে। শহুৰেক অফিচলৈ যাব নোৱাৰা হোৱাত তাই কামৰ

বোজা বেছি হ'বলৈ ধৰিলে। আনফালে তাইৰ ৰোগীয়া স্বামী জন আছেই। কেতিয়াবা হগোঁৱাই, কেতিয়াবা কন্দুৱাই, কেতিয়াবা আকৌ নচোৱাই। হলেও তাই সেইখন ঘৰৰ বাবে সকলো কৰিবলৈ সাজু। ৰোগীয়া যদিও স্বামীক তাই ভগৱানৰ দৰে ব্যৱহাৰ কৰে। তাইৰ বিয়া দুবছৰৰ পাছতেই তাই শহুৰেকৰ মৃত্যু ঘটিল। দিনটোৰ বাবে তাই অফিচলৈ যাব লগা হ'ল। বেমাৰী স্বামীক ঘৰৰ কাম কৰা ছোৱালী জনীৰ হাতত দি মীৰা অফিচলৈ আহে। অফিচত প্ৰত্যেক সৰু-সুৰা কামবোৰত চকিদাৰ ৰমেশে তাইক বহুত সহায় কৰে। এদিন কামৰ বহুত ভিৰ। সেই সময়তে চকিদাৰ ৰমেশে মীৰাক কলে 'আই' তোমাক বিচাৰি দুগৰাকী মহিলা আৰু দুজন ভদ্ৰ লোক আহিছে। মীৰাই কামৰ সময়ত নো কোন আহিছে বুলি বিৰক্তি বোধ কৰিলে যদিও ৰমেচক তেওঁলোকক মাতি দিবলৈ কলে। অলপ দেৰি পাছত দুৱাৰ মুখত এটা চিনাকী মাত 'বা'। মীৰাই ওপৰলৈ চাই আঁচৰিত। তাইৰ সেই মৰমৰ ভনীয়েক আৰু ভায়েক। তাই হাতত থকা কলমটো টেবুলতে পেলাই চকীখন থেলি অতৰাই দৌৰি আহি দুইতাকে দুহাতেৰে সাৱটি ধৰি কান্দিবলৈ ধৰিলে। বহু পৰ তেনেদৰে যোৱাৰ পাছত ভায়েকে তেওঁৰ পত্নী আৰু ভনীয়েকৰ স্বামীৰ লগত চিনাকি কৰাই দিলে। অলপ সময় সকলোৰে মাজত কথা বাৰ্তা চলিল। ৰমেশে সকলোকে চাহ দিলেহি। মীৰাই সিহঁতক ঘৰলৈ লগ ধৰিছিল যদিও তেওঁলোকে বেলেগ এদিন আহিম বুলি কলে। সকলো কথা পতাৰ পাছত যাবলৈ ওলাল। তেওঁলোক যাবৰ সময়ত ভায়েকে তাইক কলে, "বা কাইলৈ তই এপাক আমাৰ আগৰ ঘৰলৈ যাবিচোন। বহুত দিন হ'ল আমি গোটেই কেইটা একে লগ হোৱাই নাই। এতিয়া এওঁলোকো আহিছে। সেই পুৰণি ঘৰটোতে সকলোৰে লগ হম।" ভনীয়েকেও কলে "অ' বা সকলোৰে লগ হম কাইলৈ; যাবি দেই। সকলোৰে এসাঁজ খাম। তাঁতে আমাৰ আলহী দুজনকো নিমন্ত্ৰণ কৰিছো।" মীৰাই সিহঁতৰ কথা শুনি বৰ আনন্দ পালে। ইমান দিনৰ মূৰত যে সিহঁতি তাইক লগ পোৱা কথা ভাবিছে আৰু জন্ম হোৱা ঘৰটো যে পাহৰা নাই। সিহঁতক তাই যাম বুলি বিদায় দিলে আৰু পিছদিনাখনৰ বাবে অফিচৰ দায়িত্ব অন্য এজনক দিলে। কিমান দিনৰ মূৰত যে গোটেইকেইটা এক লগ হ'ব। আজি তাই মাক দেউতাকলৈ বৰকৈ মনত পৰিল। বিশেষকৈ মাকলৈ। আজি যদি মাক থাকিল হেঁতেন, সিহঁতৰ এই উন্নতি দেখি মাকৰ সমান সুখি মানুহ আৰু কোনো হ'লহেঁতেন। এইবোৰ কথাকে ভাবি তাই ৰাতিটো প্ৰায় ওজাগৰেই পাৰ কৰালে। পাছদিনা ঘৰৰ কাম বন কৰি মানুহ জনক গা-পা ধুৱাই, খুৱাৰ যোগাৰ কৰি কাম কৰা ছোৱালী জনীৰ হাতত মানুহজনৰ দায়িত্ব দি ঘৰলৈ বুলি পলি মেলিলে। ঘৰলৈ গৈ দেখে ঘৰটো সিহতে সুন্দৰভাৱে থৈছে। কিন্তু মাক-দেউতাকৰ ফটো একপিও ঘৰটোত নাই। তাই লৰা লৰিকৈ ভিতৰ ৰুমত থকা মাক-দেউতাকৰ ফটো একপি পাই আনি বাহিৰত আৰি দিলে। তাই যোৱা দেখি ভায়েক-ভনীয়েকে আদৰ সাদৰ কৰিলে। সিহঁতৰ তেনে ব্যৱহাৰে তাইক বৰ আনন্দ দিলে। তাই ভাবিলে তাই সিঁহতক এনেয়ে ইমান দিন বেয়া পাই আছিল, কিন্তু সিঁহতৰ তাইলৈ মৰম আজিও কমা নাই। এনে দৰে সকলোৰে চাহ খালে। বাহিৰত গাড়ী মাত শুনি মীৰাৰ ভায়েকে ওলাই গ'ল আৰু দুজন মানুহক আদৰ-সাদৰ কৰি ভিতৰলৈ আগবঢ়াই আনিলে। মীৰাই দেখিলে দুজন ভদ্ৰ লোক হাতত এটা বেগ। মীৰা সতে তেওঁলোকক বহিবলৈ দিলে। মীৰাৰ ভায়েকে সকলোকে আলহী কিজন লগত চিনাকী কৰাই দিলে। কথা-বতৰাৰ মাজতে সকলোৰে চাহ খোৱাত লাগিল। কথাৰ মাজতে মীৰাৰ ভায়েকে মীৰা ওচৰলৈ গৈ ক'লে, "'বা' এখেত লোকক মই কিয় মাতিছো, কিয় আহিছে, তই গম পাইছ জানো?" মীৰাই হাঁহি মাৰি কলে, "তহঁতৰ লগৰ, তহঁতি মাতিছ। তাতে নো আকৌ কিয় আহিছে মই কিয় সুধিম? আহিছে আৰু তহঁতৰ ওচৰলৈ।" ভায়েকে কলে, "কিন্তু এওঁলোক আজি এটা বিশেষ কামতহে আহিছে; সেইবাবে আমি টোকো মাতিছো।" মীৰাই ভায়েকৰ মুখ খনলৈ চায় তাক বৰ চিন্তাত থকা যেন দেখিলে আৰু তাই বহাৰ পৰা উঠি ভায়েকৰ ওচৰলৈ গৈ তাৰ হাতখন ধৰি কলে "ভাইটি কি হৈছে খোলা খোলিকৈ কচোন।" ভায়েকে কওঁ নকওঁকৈ কথাষাৰ আৰম্ভ কৰিলে "'বা' আমি এটা কথা ভাৱিছো চাকৰি বাবে আমি দুয়োটাই বাহিৰত থাকো। যিহেতো আমাৰ এতিয়া এখন এখন সংসাৰ হ'ল, সেইবাবে আমি দুটাই তাতে ফ্লেট কিনিম বুলি ভাবিছো।" মীৰাই হাঁহি মাৰি কলে "আৰে সেইটো কথা কবলৈ তই ইমান চিন্তা কৰিব লাগে নে? এতিয়া তহতি ডাঙৰ হলি। নিজৰ ভাল বেয়াটো নিজে চাব লাগিব। এইটো কথা শুনি মই ভালহে পাইছো। মা-দেউতা থকাহলে আজি বৰ আনন্দিত হ'ল হেতেঁন। আমাৰ তিনিওটাকে ভাল মানুহ কৰিবৰ বাবে কম কষ্ট কৰিছিল নে?" মীৰাৰ হাঁহি মুখ খন দেখি ভয়েকে আকৌ তাইক কবলৈ ধৰিলে, "'বা' আমি যিহেতু ইয়াত নাথাক, সেইবাবে আমি এই ঘৰ-মাটি বিক্ৰি কৰি তাতে ফ্লেট কিনাৰ কথা ভাবিছো। ভণ্টী আৰু মই দুয়োটাই একমত। তই কি ভাব? এই মাটি বিক্ৰি কৰিবলৈ তোৰ চহীটো দৰকাৰ।" মীৰাৰ চকু ৰঙা পৰি গ'ল আৰু ভনীয়েকৰ মুখলৈ চাই কলে — "অ' মোৰ চহীটো দৰকাৰ কাৰণেহে মোক ইমান মৰম লগাই মাতি আনিলি। যদি দৰকাৰ নহ'ল হেঁতেন তেতিয়া হ'লে মই ক'ত আছো কি খাইছো খৱৰ নললি হেঁতেন। ক'ত লবি, খবৰটো বাদ দে, বিয়া পতাৰ দৰে ইমান ডাঙৰ কথাটোও এবাৰো নকলি। এইবোৰ খবৰ লবিনে? কি হয় মই তহঁতৰ?" মীৰাই কান্দি কান্দি কথাবোৰ কৈ গ'ল। ভনীয়েকে তাইক আহি বুজাব খুজিছিল কিন্তু তাই কলে "মোক তহঁতি একো বুজাব নালাগে। যি বুজিব

লাগে মই থিকেই বুজিছো। তইঁত ইমান স্বাৰ্থপৰ কেনেকৈ হ'লি? মই শিকোৱাটো নাছিলো। মা-দেউতাইও শিকোৱা নাছিল ইমান স্বাৰ্থপৰ হ'বলৈ। ''ভায়েকে মীৰাৰ ওচৰলৈ আহি ক'লে, "'বা' বিয়াৰ কথা তোক নোকোৱাটো আমাৰ ভূল হৈছিল, আমি মানি লৈছো। কিন্তু কিয় কোৱা নহ'ল সেইবোৰ পাছত ক'ম। এতিয়া এখেতসকলৰ দেৰি হৈছে। তই এই কাগজবোৰত চহী কৰি দে। ভায়েকে আগবঢ়াই দিয়া কাগজ বোৰ সকলোৰে চকুৰ আগত দলিয়াই দি ক'লে, এই সম্পত্তিৰ মালিক দেউতা আৰু মা, যিহেতু দেউতা আৰু মা এই পৃথিৱীত নাই সেইবাবে এই সম্পত্তি কোনেও বিক্ৰী কৰিব নোৱাৰ। এই সম্পত্তি দেউতাৰ বৰ আশাৰ সম্পত্তি আৰু এই ঘৰতে মা দেউতাই শেষ নিশ্বাস ত্যগ কৰিছিল। এই পৃথিৱীত তেওঁলোক নাই যদিও আমাৰ হৃদয়ত আৰু এই ঘৰৰ মাজতে সদায় আছে। সেইবাবে এই ঘৰ মাটি বিক্ৰী কৰিব নোৱাৰ।" ভনীয়েকে মীৰাৰ ওচৰলৈ গৈ কলে, "'বা' বেছি আবেগিক হৈ লাভ নাই মৃতককিজনৰ কথা ভাবি আমি জিয়াই থকা কেইজনে কিয় কষ্ট পাব লাগে? তই নাভাবিবি এই সম্পত্তি বিক্ৰী কৰি তাৰ ভাগ অকল আমি দুটাই ল'ম। ইয়াৰ ভাগ তোকো দিম।" ভনীয়েকে কথা শেষ কৰিব নাপাওঁতেই মীৰা গৈ যোৰেৰে তাইক এক চৰ দিলেগৈ আৰু ক'লে "তহঁতৰ নিচিনা মোক টকাৰ ভূতে লম্ভা নাই। মোৰ সম্পত্তি বিক্ৰী কৰি টকা লোৱাৰ ইচ্ছা নাই! মা-দেউতাৰ মৰমৰ সম্পত্তি বিক্ৰী কৰাৰ কথা তইঁতেহে ভাবিব পাৰিছ কাৰণ তহঁত স্বাৰ্থপৰ।" মীৰাৰ এনে আচৰণ দেখি ভায়েক-ভনীয়েকে আলহীৰ আগত লাজ পালে। ভায়েকে মীৰাৰ ওচৰলৈ গৈ খঙেৰে কলে, "চা তই ঘৰৰ ডাঙৰ বাবে তোৰ চহী দৰকাৰ। তোক মাতিলো আৰু তই এনে আচৰণ কৰিছ। তই যে কৈছ এয়া দেউতাৰ মাৰ সম্পত্তি, মাক-দেউতাকৰ মৃত্যুৰ পাছত সম্পত্তি পুতেকে পাই কিন্তু মইটো তেনে অধিকাৰ বিচাৰিবলৈ যোৱা নাই। সম্পত্তি বিক্ৰী কৰি মই তিনিওটাই ভগাই লোৱাৰ কথা কৈছো, তই তাতো কিয় সন্মত হোৱা নাই? নে আমি যোৱাৰ পাছত এই সম্পত্তিৰ মালিক তই হোৱাৰ সপোন দেখিছ? অচিনাকি মানুহৰ আগত ভায়েকৰ এনে কথাই মীৰাৰ মনটো ভাঙি পেলালে। তাই চহী কৰিবলৈ দিয়া কাগজখন হাতত লৈ চহী কৰি ভায়েকৰ ওচৰলৈ গৈ কাগজখন আগবঢ়াই দি কলে, মোক এই সম্পত্তিৰ ভাগ অকণো নালাগে। মোৰ শহুৰৰ ঘৰৰ সম্পত্তি খাবলৈকে মানুহ নাই। মাত্ৰ মা দেউতাৰ এই মৰমৰ ঘৰখন বিক্ৰী কৰাৰ পৰাহে বাধা দিছিলো। কিন্তু তহতে মোক বুজিয়েই নাপালি। এইখন কাগজ ল। ইয়াত মই চহী কৰি দিছো। ই কেৱল সম্পত্তি বিক্ৰীৰে চহী নহয় আমাৰ মাজত থকা সম্পৰ্কৰ এনাজৰি চিগি যোৱা চহী। আজিৰ পৰা আমাৰ মাজৰ ভাই-ভনী-বাই এই সম্পৰ্কৰ এনাজৰি মই চিঙি পেলাইছো। আজিৰ পৰা মোৰ ভাই ভনী কোনো নাই বুলি মীৰাই চকীৰ পৰা বেগটো লৈ চাদৰ আচলেৰে চকু পানী মোহৰি ঘৰৰ পৰা ওলাই আহিল। ৰাস্তাটোত আহি থাকোতে ভায়েকৰ কথাবোৰে তাইক বৰকৈ কন্দোৱাই আছিল। এনেতে মাৰাৰ মবাইলটো বাজি উঠিল। তাই বেগৰ পৰা মবাইলটো উলিয়াই ৰিচিভ কৰিলে। ইফালৰ পৰা কণ্ঠস্বৰ ভাঁহী আহিল — হেল্লো বাউদেও। মীৰাৰ ঘৰত কাম কৰা গৌৰীৰ মাত। তাইৰ মাত শুনি মীৰা উচপ খাই উঠিল আৰু কলে, গৌৰী কি হ'ল ক'। গৌৰীয়ে কান্দি কান্দি কলে বাইদেউ দাদা ...। মীৰাই ডাঙৰকৈ মাত দি কলে দাদা! কি হ'ল তেখেতৰ? কি হৈছে গৌৰী? তই, তই কান্দিচ কিয় গৌৰী? গৌৰীয়ে ঠোকা-ঠোকি মাতেৰে কলে, দাদা পকাত পৰিল। মুৰত দুখ পাইছে। এতিয়ালৈকে চেঞ্চ অহা নাই। আমি মেডিকেললৈ নি আছো আপুনি আহক। এইবুলি কৈ গৌৰীয়ে ফোনটো কাটি দিলে। মীৰাই লৰা লৰিকৈ মেডিকেললৈ গ'ল। মানুহ জনৰ অৱস্থা দেখি মীৰা ভাগি পৰিল। কথাবোৰ কবলৈও তাইৰ ওচৰত গৌৰী আৰু ৰমেশ চকীদাৰৰ বাহিৰে কোনো নাই। এনেকৈয়ে দুই তিনিদিন গ'ল। মীৰাৰ স্বামীৰ অকনো ভাল হোৱা নাই। মীৰাক ডাক্টৰে কলে যে "তেখেতক ব্ৰেইনৰ অপাৰেচন কৰিব লাগিব। অপাৰেচনৰ পাছত যদি বাচি থাকে তেনেহলে তেওঁ আকৌ মানসিক শক্তি ঘূৰাই পাব পাৰে।" ডাক্টৰৰ কথা শুনি বৰ চিন্তাত পৰিল। মীৰাই ডাক্টৰক কলে যিমান টকা খৰচ হয় হব, অপাৰেচনটো আপোনালোকে ভালদৰে কৰাৰ ব্যৱস্থা কৰক। ডাক্টৰে অপাৰেচনৰ যা যোগাৰ কৰিলে, অপাৰেচন ৰুমত মানুহজনক সোমোৱাৰ পৰা মীৰাৰ চিন্তা বাঢ়িবলৈ ধৰিলে। তাই একেবাৰে ভাগী পৰিল যদিও বহুত ধৈৰ্য্যৰে মনত এটি আশাৰ ৰেঙনি লৈ মীৰাই অপেক্ষা কৰিলে। বহুত সময় লাগিল অপাৰেচনটোত। অষ্ট্ৰোপচাৰ কক্ষৰ পৰা ওলায় আহি ডাক্টৰে মীৰাক উদ্দেশ্য কলে, "Congratulations! আপোনাৰ স্বামীৰ অপাৰেচনটো সফল হৈছে। এতিয়া তেখেত বিপদমুক্ত। কিন্তু তেখেতক আপোনালোকে কাইলৈহে লগ ধৰিব পাৰিব মানসিক ৰোগী হোৱাৰ বাবে এতিয়া আমি তেওঁক খুব নিৰাপদে ৰাখিব লাগিব। দুই এদিন অসুবিধা কৰিব পাছত থিক হ'ব, কিন্তু তেওঁক আপোনালোকে মনত দুখ পোৱা কথা কেতিয়াও নকব। যিমান পাৰে তেওঁ ভালপোৱা বস্তুবোৰ দিবলৈ চেষ্টা কৰিব।" মীৰাৰ মনটো এতিয়াহে অলপ ভাল লাগিল। ডাক্টৰৰ কথাবোৰ শুনি পাছ দিন মীৰাই মানুহ জনক লগ ধৰিবলৈ বৰ হেপাহেৰে বাট চালে। তাই যে নিজৰ মানুহজনক প্ৰথমবাৰৰ বাবে সুস্থ অৱস্থাত লগ পাব। ইমান দিন একেলগে থাকে যদিও ইজনে সিজনক ভালদৰে চিনি নোপোৱাৰ দৰে। এতিয়া ভালকৈ লগ পাব, চিনাকি হব, মনৰ কথা হেপাহ পলুৱাই পাতিব। এই কথাবোৰ ভাবি মীৰাৰ মন ভাল লাগি গ'ল। এনেতে তাইৰ পাছ ফালৰ পৰা এগৰাকী মহিলা মাত শুনি মীৰাই উভতি চাই দেখে এগৰাকী

সুন্দৰ মহিলা, কিন্তু তাইৰ চুলি আউলি-বাউলি, শাৰীৰ এটা আগ মাটিত চুঁচৰি আছে। কান্দি থকাৰ লগতে তাই ফোপাইও আছে। মীৰাই লৰা লৰিকৈ তাইৰ ওচৰলৈ আহি তাইক ধৰি চকী এখনত বহোৱাই দিলে। মানুহজনীয়ে মীৰাক হাতযোৰ কৰি ক'লে "মোক এবাৰ ৰজতক চাবলৈ দিয়ক, মোৰ তাৰ লগত কথা পাতিবলৈ দিয়ক। সি চাগে মোক ভুল বুজি আছে। না, না, সি মোক ভুল নুবুজে। সি মোক ভাল পায়। সি মোক মৰমহে কৰিব।" মহিলা গৰাকীৰ এনে আচৰণ দেখি মীৰা আচৰিত হ'ল, তাতে মহিলা গৰাকীয়ে মীৰাৰ স্বামীৰ নাম লৈ আছে। কি হৈছে মীৰাই একোকে ধৰিব পৰা নাই। এনেদৰে অলপ সময় যোৱাৰ পাছত এজন বয়সীয়া ব্যক্তি তেওঁলোকৰ ওচৰ পালেহি। মানুহজনে আহিয়ে ছোৱালীজনীক ধৰি কলে, "মাজনী কিয় গাড়ীৰ পৰা নামি তেনেকৈ গুচি আহিলা? মই তাত তোমাক বিচাৰি ফুৰিছো। তোমাক মই ইয়ালৈকে লৈ আহিছিলো। কিন্তু মই বজাৰ কৰিবলৈ লওঁতে তুমি গুচি আহিলা।" এনে সময়তে এগৰাকী sister আহি মীৰাক কলেহি, "আপোনৰ পেচেন্টক লগ কৰিব পাৰিব।" মীৰাই sister ৰ লগতে ৰুমটোলৈ সোমাই গল। পাছে পাছে সেই ছোৱালীজনী আৰু মানুহজনো সোমাই আহিল। মীৰাই তাইৰ স্বামীক বহি থকা দেখি হিয়াখন হাত পৰি গ'ল। কিন্তু পাচফালৰ পৰা সেই ছোৱালীজনী দৌৰি গৈ মীৰাক ঠেলা মাৰি আঁতৰাই মীৰাৰ স্বামীক সাৱটি ধৰিলে। মীৰাই দেখি আচৰিত হ'ল, তাইৰ স্বামীয়েও ছোৱালীজনীক সাৱটি ধৰি কান্দি কান্দি কৈছে, "ইমান দিন মোৰ পৰা আতৰি তুমি কেনৈ গৈছিলা?" ছোৱালীজনীয়ে তাৰ গাল দুখনত দুহাতেৰে মৰম কৰি কৰি কলে, "এতিয়া আহিছো, তোমাৰ পৰা আৰু কেতিয়াও আঁতৰি নযাওঁ।" ওচৰত বৈ থকা ডাক্টৰ জন আৰু মীৰাই একো ধৰিব পৰা নাই। ছোৱালীজনীৰ লগতে অহা ব্যক্তিজনে সুৰসুৰাই কান্দিবলৈ ধৰিলে। মীৰা আৰু ডাক্টৰজনে মানুহজনক সকলো কথা ভাঙি পাতি কবলৈ কোৱাত মানুহজনে কলে, "এই ছোৱালীজনী মোৰ ছোৱালী। তইৰ নাম প্ৰীয়া। পঢ়ি থকাৰ অৱস্থাত সিহঁত দুটাই ইটোৱে সিটোক ভাল পাইছিল। কিন্তু সম্পৰ্ক যোৰা লাগিবলৈ নিদি প্ৰীয়াক ধনী ল'ৰা এটালৈ বিয়া দিছিলো। কিন্তু বেছি দিন সংসাৰ কৰিবলৈ নাপাওঁতেই মানুহঘৰে তাইক বৰ অত্যাচাৰ কৰিলে। ঘৰলৈ উভতাই অনাৰ পাছত তাই মানসিক ভাৱে ভাগি পৰিলে। তাই কি কৰে, কি খায়, ক'ত আছে, সকলো কথা কেতিয়াবা পাহৰি পেলায়। কালি লগৰ এজনীয়ে ৰজতৰ এই দুৰ্ঘটনাৰ কথা কোৱাত তাই তাক চাবলৈ আহিবলৈ শান্তি দিয়া নাই।" ডাক্টৰজনে কলে, "অ' সেইবাবেই তেওঁতে প্ৰায়ে টোপনিত উচপ খাই প্ৰীয়া বুলি চিঞৰে। আপোনালোকোও তেওঁলোকক আঁতৰাই নিয়াৰ কথা নাভাবিব, নহ'লে তেওঁ মনত আঘাট পাব। তেনে হ'লে কিন্তু ৰজতক এই অৱস্থাত ঘূৰাই পাবলৈ টান হ'ব।" সকলো কথা ডাক্টৰৰ মুখৰ পৰা শুনাৰ পাছত মীৰাৰ বৰ দুখ লাগিল। তাইৰ সকলো আপোন মানুহ আঁতৰি গ'ল। এতিয়া বাৰু তাইৰ স্বামীও আঁতৰি যাব নেকি? কথাবোৰ ভাবি ভাবি মীৰা বাহিৰৰ চকীখনত অকলে বহি পৰিল। অলপ দেৰি পিছত ৰমেশ মীৰাৰ ওচৰ পাই তাইক ৰজতৰ ওচৰলৈ লৈ গ'ল। ৰমেশক দেখি ৰজতে আতৰ পৰাই মাত লগালে। "ৰমেশকাই ভালনে? ইমান দিনে তুমি ক'ত গৈছিলা দেখা নাছিলো যে? আৰু মোৰ দেউতা ক'ত? মোক মেডিকেলত থৈ দেউতা ক'লৈ গ'ল। ৰমেচে দেউতাকৰ মৃত্যু কথা কবলৈ লওঁতেই মীৰাই ইংগিতেৰে নকবলৈ কলে। মীৰা অলপ ওচৰ চাপি গৈ কলে, "দেউতা অফিচৰ কামত বাহিৰলৈ যাব লগা হ'ল।" তেতিয়া ৰজতে মীৰাৰ মুখলৈ চাই কলে, "আপোনাক চিনি পোৱা নাই যে?" চকিদাৰ ৰমেশে ৰজতৰ ওচৰলৈ লৰা লৰিকৈ আহি কলে, "ৰজত বুপা কি কৈছা এইবোৰ? এয়া তোমাৰ পত্নী মীৰা।" ৰজতে হাঁহি মাৰি কলে মই বিয়া নপতাকেই পত্নী কৰ পৰা হ'ল।? কি ধেমালি কৰিছা ৰমেচকাই?" ৰমেচে বহুবাৰ বুজালতো ৰজতে বুজি নাপালে। সি কলে, মই কেৱল প্ৰিয়াৰ প্ৰেমত পৰিছিলো, তাইক ভাল পালো, পায় আছো আৰু বিয়া তাইকে কৰাম। তাইৰ বাহিৰে আৰু বেলেগৰ কথা মোৰ আগত নকবা ৰমেশ কাই। সকলোৱে বহুত বুজাবলৈ চেষ্টা কৰিলে যদিও ৰজত কোনো প্ৰধ্যে মান্তি নহল। ডাক্টৰে কলে, "তেখেতক এইবোৰ কথা কৈ কষ্ট নিদিব। যি লাগে সেই বোৰ দিবলৈহে চেষ্টা কৰিব।" মীৰাই সকলো বোৰ দেখি-শুনি জঠৰ হৈ পৰিল। ৰজতে ডাক্টৰক বিলিজ দিবলৈ বৰ জোৰ কৰিলে। তাৰ পাছদিনা ৰজতক বিলিজ দিলে। ৰজতৰ ঘৰলৈ যাবলৈ পাই বৰ আনন্দ। ঘৰলৈ গৈ প্ৰিয়াৰ লগত তাৰ বিয়া হ'ব, সেইকথা ভাবি বৰ আপ্লুত হৈ পৰিল। ঘৰ গৈ পাই দেউতাকৰ মৃত্যুৰ কথাও জানিব পাৰিলে। ঘৰত ৰজতে তেওঁৰ আৰু মীৰাৰ বিয়াৰ ফটো দেখি অবাক হ'ল যদিও সি এই বিয়া মানি নললে। পাছদিনা বস্তু বাহিনি সামৰি ৰজতে সকলো সম্পত্তি মীৰাক চমজাই প্ৰিয়াহতঁৰ পৰিয়ালটোৰ লগত গুচি গ'ল। মীৰা অকলশৰীয়া হৈ থাকি গ'ল। দুচকুত মাথোন চকুপানীৰ বাহিৰে মীৰাৰ যেন এই সংসাৰত একো নোহোৱা হ'ল। না তাইৰ ভাই-ভনী আছে, না স্বামী আছে না কোনোবা আপোন মানুহ। এইবোৰ ভাবি ভাবি মীৰাই এদিন মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। মীৰাই এতিয়া কেতিয়াবা ৰেল ষ্টেচনত কেতিয়াবা দোকানৰ বাৰাণ্ডাত পৰি থাকে। তাই খাই কি? পিন্ধে কি? থাকে ক'ত? এই কথা ভাবিবলৈ এতিয়া কাৰো আহৰি নাই। জীৱনৰ প্ৰতিটো সময় প্ৰতিটো ক্ষণ আনৰ বাবে চিন্তা কৰা মীৰাৰ এতিয়া আপোন মানুহৰ অভাৱ। মীৰা এতিয়া অকলশৰীয়া। □ □ □

গল্প



# এক্সপ্ৰেছ গেঞ্জি

বেবি পাদী
স্নাতক চতুৰ্থ যন্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

কাণুৰামে কাম কৰি আহি ঘৰৰ চোতাল পাইছেহে। হঠাৎ মনত পৰিল তাৰ ভায়েকে চহৰৰ পৰা আনি দিয়া আৰু বহুদিন যতনে ৰাখি আজিহে গাত লগাই পথাৰলৈ গৈ কাম কৰোঁতে বোকা লাগিব বুলি পথাৰত খুলি থৈ অহা এক্সপ্ৰেছ গেঞ্জিটোৰ কথা। তেওঁৰ গোটেই কাপোৰ আগদিনা ঘৈণীয়েকে ধুই দিছিল। দিনত ৰ'দ নিদিয়া বাবে কাপোৰবোৰ শুকোৱাব নোৱাৰিলে। সেইকাৰণে বহু যতনে ৰখা গেঞ্জিটো পিন্ধি পথাৰলৈ যাব লগা হৈছিল। কাণুৰামৰ নিজৰ বুলিবলৈ মাত্ৰ এজনেই ভায়েক, অৰূপ চহৰত থাকে। কোনোবা চৰকাৰী কাৰ্যালয়ত কেৰাণী চাকৰি কৰে। কাণুৰামহঁতৰ মাক-দেউতাক বহুদিন আগতে ঢুকাল। মাক-দেউতাক মৰাৰ পাছত ঘৰৰ সকলো কামৰ দায়িত্ব কাণুৰামে ল'ব লগা হৈছিল। তেতিয়া অৰূপ দশম শ্ৰেণীত পঢ়ি আছিল। কাণুৰামে পঢ়-শুনা সৰুতে বাদ দি পথাৰৰ কামত লাগিল আৰু অশেষ কষ্ট কৰি অৰূপৰ পঢ়া-শুনাৰ সুবিধাকন কৰি দিছিল। অৰূপ পঢ়াত বহুত ভাল আছিল। মেট্ৰিক আৰু উচ্চতৰ মধ্যমিক দুয়োটাতে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। কিন্তু চাকৰিৰ তাগিদাত উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰিয়েই পঢ়া-শুনাৰ আশা সামৰিব লগা হৈছিল। কাণুৰামৰ দুজন লৰা আৰু এজনী ছোৱালী। ডাঙৰ ল'ৰা কংকন খুড়াকৰ লগত থাকি চহৰতে পঢ়া-শুনা কৰে। ব'হাগ বিহুত অৰূপ আহি ঘৰৰ সকলোকে কাপোৰ কানি দি থৈ যোৱা আজি এমাহ হ'ল। কাণুৰাম আৰু অৰূপৰ মাজত বহুত আন্তৰিকতা, মৰম-চেনেহ। অৰূপে চহৰত থাকিলেও ককায়েকৰ কথা কেতিয়াও নাপাহৰে বা কাহানিও পাহৰিবলৈ চেষ্টাও নকৰে। এইবাৰৰ বিহুত ঘৰৰ অন্যবিলাকৰ লগতে ককায়েকলৈ বুলি আনিছিল এটা চাৰ্ট, এটা কলা ৰঙৰ পেন্ট আৰু এটা এক্সপ্ৰেছ গেঞ্জি। ভায়েকে আনি দিয়া প্ৰতিটো বস্তু কাণুৰামৰ কাৰণে অতি মৰমৰ। সেইকাৰণে অতি আদৰেৰে ৰাখি থোৱা গেঞ্জিটো আজি পথাৰলৈ পিন্ধি গৈ তাত খুলি থৈ পাহৰি অহাত সি লগে লগে গেঞ্জিটো বিচাৰি প্ৰায় আধা কিঃমিঃ দূৰত থকা পথাৰলৈ দৌৰি গ'ল। পথাৰ পায় পথাৰৰ চাৰিওফালে গেঞ্জিটো বিচাৰি চলাথ কৰিলে, কিন্তু কি আচৰিত, অলপ আগতে খুলি থৈ অহা গেঞ্জিটো পথাৰত নাই। কোনে নিলে? আকৌ এবাৰ পথাৰৰ চাৰিওফালে ঘূৰি গেঞ্জিটো তন্ন তন্নকৈ বিচাৰিলে। নাই, পথাৰৰ ক'তো গেঞ্জিটো নাই। তাৰ মনত পৰিল ঘৰলৈ আহোতে ৰাস্তাৰ কাষতে থকা আহঁত গছজোপাৰ তলত জিৰণী লোৱাৰ কথা। তাতো গেঞ্জিটো থাকি যাব পাৰে। লগে লগে আহঁত গছজোপাৰ ওচৰলৈ গৈ চালে। নাই, তাতো নাই। তেনেতে তাৰ ওচৰতে কাম কৰা বুদুৰামৰ কথা মনত পৰিল। বুদুৰামে গেঞ্জিটোৰ বিষয়ে নিশ্চয় গম পাব কাৰণ সি তেওঁক গেঞ্জিটো পিন্ধি পথাৰলৈ অহা দেখা পাইছিল আৰু তেওঁ কাম সামৰি ঘৰলৈ যাওঁতে বুদুৰাম পথাৰতে কাম কৰি আছিল। কাণুৰাম চিধাই বুদুৰামৰ ঘৰৰ ফালে খোজ দিলে। বুদুৰামৰ ঘৰলৈ গৈ তেওঁ বুদুৰামৰ ঘৈণীয়েকক লগ পালে। বুদুৰাম ঘৰত নাই পথাৰৰ পৰা আহিয়েই কৰবালৈ ওলাই গৈছে বুলি কাণুৰামক বুদুৰামৰ ঘৈণীয়েকে জনালে। বুদুৰামৰ ঘৈণীয়েকে কিবা দৰকাৰী কথা আছিল নেকি বুলি সুধাত বিশেষ একো নকৈ জৰুৰী কাম এটা আছিল বুলি কৈ বুদুৰামৰ ঘৰৰ পৰা কাণুৰাম গুচি আহিল। অতি দুখ মনে ঘৰলৈ আহি ঘৈণীয়েকৰ পৰা এগিলাচ পানী খুজিলে। ঘৈণীয়েকে এটা খালী গিলাচ আৰু প্ৰায় তিনি লিটাৰৰ জগ এটা কাণুৰামৰ হাতত দি ক'লে পথাৰৰ পৰা আহিয়েই হঠাৎ ইমান সময় ক'ত হেৰালনো? কাণুৰামে পানীৰ জগটো হাতত লৈ ঘৈণীয়েকক ক'লে কিনো ক'ম? কিবা এটা অতি আদৰৰ বস্তু হেৰুৱাইছো। বহু সময় বহু ঠাই বিচাৰিও পোৱা নাই। মনটো বহুত দুখ লাগিছে। ঘৈণীয়েকে ক'লে, কি আদৰৰ বস্তু হেৰুৱাইছে নো? গা-পা ধুই, ভাত পানী খাই লওক তাৰ পিছত বিচাৰিব। ময়ে বিচাৰি দিম। প্ৰথমে মূৰত বান্ধি থোৱা কাপোৰ খন খুলি লওক। ঘৈণীয়েকৰ মুখৰ পৰা এই শব্দ শুনাৰ লগে লগে বস্তুটো বিচাৰি পালো বুলি কৈ হাতত লৈ থকা জগটো একে ঢুকে খাই শেষ কৰি দিলে। সি পথাৰত গেঞ্জিটো খুলি মূৰত বান্ধি লোৱা কথাটো ইমান সময় তাৰ মনতে পৰা নাছিল।



# বন্ধুত্ব

সাগৰ দত্ত
স্নাতক পঞ্চম যান্মাসিক

দীয়া আৰু ৰাহুল দুয়োজনৰ মাজত সৰুৰে পৰা ভাল বন্ধুত্ব আছিল। দীয়া আছিল এক সম্ভ্ৰান্ত পৰিয়ালৰ একমাত্ৰ সন্তান। ৰাহুল হ'ল সিহঁতৰ ঘৰতে কাম কৰা কৰ্মচাৰী। দীয়া আৰু ৰাহুলে একেলগে সৰুৰে পৰা খেলা-ধূলা, ডাঙৰ হোৱা এজনে আনজনক নেদেখিলে অলপ সময়ো থাকিব নোৱাৰে। সিহঁতৰ মাজত ইমান মিল যে, এজনে দুখ পালে আনজনে কষ্ট পায়। দুয়োজনে একেলগে বিদ্যালয়লৈ যায়। ৰাহুল আৰু দীয়া পঢ়া-শুনাত বহুত ভাল আছিল। দীয়াৰ মাক-দেউতাকে ৰাহুলক দীয়াৰ দৰেই মৰম চেনেহ কৰে। দিন বাগৰিল। এটা সময়ত দুয়ো মেট্ৰিক পৰীক্ষা দিলে। দুয়োটাৱে পৰীক্ষৰ ৰিজাল্ট ওলাল। ৰাহুলে দুটা বিষয়ত লেটাৰ পাই প্ৰথম স্থান লাভ কৰিছিল। আনহাতে দীয়ায়ো এটা বিষয়ত লেটাৰ পাই প্ৰথম স্থান লাভ কৰিছিল। দীয়াৰ দেউতাকে আগৰে পৰা ভাবি থৈছিল, দীয়াক পঢ়িবলৈ চহৰলৈ পঠিয়াম বুলি। ৰাহুলৰ দেউতাকৰ ঘৰৰ আৰ্থিক দুৰ্বলতাৰ বাবে গাঁৱৰে এখন ক'লেজত এড্‌মিশ্বন কৰি দিলে। ৰাহুলক এৰি দীয়াই চহৰলৈ যাব বিচৰা নাছিল। দেউতাকৰ কথা অমান্য কৰিব নোৱাৰাৰ বাবে দীয়াৰ মাক-দেউতাক আৰু সকলোতকৈ প্ৰিয় বন্ধু ৰাহুলক এৰি তাই কেনেকৈ থাকিব সেইকথা ভাবি তাইৰ বহুত কষ্ট হৈছিল। চহৰত হোষ্টেলত থাকিয়েই দীয়া ক'লেজত পঢ়িব। ৰাহুলে দীয়াক এৰি কোনোদিনেই অকলে থকা নাই বাবে তাৰ কলেজত মনেই নবহে। ৰাহুল আৰু দীয়াই মাজে মাজে ফোনেৰে যোগাযোগ কৰে। ৰাহুলৰ নিজৰ মোবাইল ফোন নাই। লগৰীয়াৰ মোবাইলৰ পৰাহে ফোন কৰে আৰু সুখ-দুখৰ খবৰ লয়। দীয়াই চহৰলৈ গৈ নতুন বন্ধু-বান্ধৱী পাই [illegible]

[illegible] চহৰলৈ গৈ নতুন বন্ধু-বান্ধৱী পাই [illegible] নাহে ৰাহুলক পাহৰিবলৈ ধৰিলে। ৰাহুলে ফোন কৰে কিন্তু দীয়াৰ মোবাইলত ফোন নালাগে। শেষত কোনো খবৰ নোপোৱাৰ বাবে চহৰলৈ দীয়াক দেখা কৰিবলৈ গ'ল। দীয়াই তাইৰ বন্ধু-বান্ধৱীৰ লগত ব্যস্ত হৈ থাকে। ৰাহুলৰ কথা ভাবিবলৈ তাইৰ সময়েই নাই। ৰাহুল দীয়াৰ কলেজত উপস্থিত হ'ল। ৰাহুলৰ চিনাকী এজনে তেওঁক দীয়াৰ ওচৰলৈ লৈ গ'ল। ৰাহুলক দেখি দীয়াই সুধিলে— "ৰাহুল কেতিয়া আহিলা আৰু ভালে আছানে? অ' মই এতিয়াই আহিলো, মই ভালে আছো তোমাৰ কেনেকুৱা? বহুত দিন ধৰি তোমাৰ ফোন নাপাই তোমাক দেখা কৰিবলৈ আহিলো।" তাৰ পিছত দীয়াৰ বন্ধু বিলাকে দীয়াক সুধিলে এইজন কোন? তেতিয়া দীয়াই তাৰ বাল্যকালৰ বন্ধুক সিহঁতৰ ঘৰৰ কৰ্মচাৰী ল'ৰা বুলি পৰিচয় দিলে আৰু ঘৰৰ পৰা মোৰ খবৰ ল'বলৈ পঠিয়াইছে বুলি সকলোকে ক'লে। ৰাহুলে সপোনতো ভবা নাছিল, দীয়াই এদিন তাক এনেদৰে মানুহৰ ওচৰত সৰু কৰিব বুলি। ধন-দৌলত, টকা-পইচাই যেন এনে এটা গভীৰ সম্বন্ধক ভাঙি চুৰমাৰ কৰি দিব পাৰে। চহৰত আহি যে মানুহ ইমান পৰিবৰ্তন হয়, ৰাহুলে দীয়াক দেখিহে বুজিব পাৰিলে। দীয়াৰ কথাত আঘাত পাই ৰাহুলৰ অন্তৰখন কাঁচৰ দৰে ভাগি টুকুৰা-টুকুৰ হৈ পৰিল। চহৰৰ বন্ধু-বান্ধৱীৰ কাৰণে মোক, সৰুকালৰ বন্ধুত্বক এনেকৈ অপমান কৰিব পাৰিলেনে। ভাবিলে যে, চহৰত ভাল কলেজত পঢ়িলেই কি ভাল মানুহ হ'ব পাৰি? গাঁৱত পঢ়ি কিবা কৰি দেখুৱাব নোৱাৰিম নে? তেতিয়াৰ পৰা মনত এটা বিশ্বাস লৈ ৰাহুলে কলেজলৈ যায়। ৰাহুলৰ সেই বিশ্বাস সফল হ'ল। পঢ়া-শুনা শেষ হোৱাৰ পাছতেই ৰাহুলে শিক্ষকৰ চাকৰি পালে। আৰু ভালদৰে নপঢ়ি বন্ধু-বান্ধৱীৰ লগত থাকি সময় বিলাক পাৰ কৰাৰ কাৰণে দীয়াৰ পঢ়া-শুনা বেয়া হ'ল আৰু চহৰৰ ভাল কলেজত পঢ়িও তাই চাকৰি নাপালে। দীয়াই চহৰৰ পৰা ঘূৰি আহি দেখিলে, ৰাহুলে এখন চৰকাৰী বিদ্যালয়ত চাকৰি পাইছে। তেতিয়া দীয়াই বুজি পালে যে, ধন সম্পত্তি অহংকাৰ দেখুৱাই কোনো লাভ নাই। সকলো সময়ত [illegible] অহংকাৰ দেখুৱাই কোনো [illegible]

লাভ নাই। সকলো সময়ত মানুহৰ পৰিস্থিতি একে নাথাকে। দীয়াই এই কথা অনুভৱ কৰিব পাৰি খুব নিজে নিজে লজ্জাবোধ কৰিলে।

# অসমৰ ক্ৰীড়া প্ৰতিভাসমূহ

ৰামকৃষ্ণ ধমলা
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

ক্ৰীড়া প্ৰতিভাৰ যোগেদি মানবীয় প্ৰমূল্যবোধৰ ধাৰা বিশ্বৰ বুকুত শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰিব পাৰি। অসমৰ ৩৩ খন জিলাৰ বিভিন্ন জাতি-উপজাতি, ভাষা ভাষীৰ লোকসকলে আমাৰ সাতামপুৰুষীয়া মিলা-প্ৰীতি অটুট ৰাখিছে। আমি এতিয়া বিশ্বৰ বুকুত আমাক যোগ্যতা সহকাৰে প্ৰতিষ্ঠা কৰিব লাগিব। ইয়াৰ বাবে শক্তিশালী আৰু অন্যতম উপযুক্ত মাধ্যম হ'ল ক্ৰীড়া। অলিম্পিকে বিশ্বৰ বাবে শান্তি, সমন্বয় আৰু ভাতৃত্ববোধৰ বাৰ্তা প্ৰেৰণ কৰিছে। ক্ৰীড়াৰ এই মহানতা আজি সমগ্ৰ বিশ্বই ভালদৰে উপলব্ধি কৰিছে।

অসমৰ ক্ৰীড়া ক্ষেত্ৰখনক উজ্বলাই তোলা ব্যক্তিসকলৰ বা ভিতৰত যিসকল ব্যক্তিৰ নাম প্ৰথমেই ল'ব পাৰি তাৰ ভিতৰত ফুটবলত নৈপুন্যতাৰ পৰিচয় দিয়া পিলিক চৌধুৰী অন্যতম। অসমৰ সেই সময়ৰ অন্যতম শ্ৰেষ্ঠ খেলুৱৈ বুলি ক'ব পাৰি।



ভাৰতীয় ক্ৰীড়া ইতিহাসৰ অন্যতম অসমীয়া ক্ৰীড়াবিদ হ'ল শিৱ থাপা। তেখেতে ইতিমধ্যে দুখনকৈ অলিম্পিকত ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰিছে। গুৱাহাটী মহানগৰীৰ বিৰুবাৰীৰ পদম থাপাৰ পুত্ৰ শিৱ থাপাই যোৰহাট জিলাৰ বৰহোলাত অনুষ্ঠিত হোৱা এখন খেলৰ পৰাই স্বপ্ৰতিভাৱে জিলিকি উঠিবলৈ সক্ষম হৈছিল। অসমৰ বিভিন্ন জিলাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ত পুনে, ছত্তিশগড়, নইডা, ঝাৰখণ্ড, তামিলনাডু, মুম্বাই আৰু জামছেদপুৰত অনুষ্ঠিত হোৱা বিভিন্ন খেলত জয়ী হ'বলৈ সক্ষম হৈছিল। আনহাতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাছিয়া, ইৰাণ, ছিংগাপুৰ, লণ্ডনত হোৱা প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি বিজয়ী হ'বলৈ সক্ষম হৈছিল। শেহতীয়াকৈ থাপাই অৰ্জুন বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। এইজনা মহান খেলুৱৈ অসমীয়াৰ বাবে সদায় গৌৰৱৰ পাত্ৰ হৈ থাকিব। শিৱ থাপা হ'ল একেৰাহে অলিম্পিকত ভাগ লোৱা দ্বিতীয়জন অসমীয়া আৰু অৰ্জুন বটা লাভ কৰা তৃতীয়জন অসমীয়া। এনেধৰণৰ কৃতিত্বৰ বাবে আমি গৌৰৱান্বিত।




ভাৰতীয় ক্ৰীড়া জগতত উজ্বলি উঠা আন এজন খেলুৱৈ ক্ৰিকেটাৰ পৰাগ দাসৰ পুত্ৰ ৰিয়ান দাস। চলিত বৰ্ষৰ জানুৱাৰী-ফেব্ৰুৱাৰী মহাত নিউজিলেণ্ডত অনুষ্ঠিত হৈ যোৱা ১৯ অনুৰ্ধ্বৰ বিশ্বকাপ ক্ৰিকেটত তেওঁ ভাৰতীয় দলৰ হৈ খেলাৰ সুযোগ লাভ কৰিছিল। বিশ্ব বিজয়ী হ'বলৈ সক্ষম হোৱা ভাৰতীয় দলত আমাৰ অসমীয়া এজনো যে আছিল,তাৰ বাবে আমি সকলোৱে তেওঁক লৈ গৌৰৱান্বিত। অসমৰ ক্ৰিকেট দলৰ প্ৰাক্তন বলিং প্ৰশিক্ষক জাভেদ জামানে ৰিয়ান পৰাগৰ প্ৰশংসাত পৰ্বতমুখী হৈ কয়, "আমি ৰিয়ানক লৈ বহু আৰ্শাবাদী। মই তেওঁক বেটিং কৰা দেখিছোঁ আৰু তেওঁ যথেষ্ট কৌশলী বেটছমেন। মই নিশ্চিত যে অহা দুই তিনি বছৰৰ ভিতৰত ৰিয়ানে ভাৰতীয় জাতীয় দলৰ পোছাক পৰিধান কৰিব।



গুৱাহাটীত অনুষ্ঠিত এটা প্ৰতিভা সন্ধানী পৰীক্ষাত জয়ন্ত তালুকদাৰে আৰ্চাৰীত নিজৰ প্ৰতিভা আৰু যোগ্যতাৰ উমান দিয়ে আৰু ইয়াৰ পাছতেই তেওঁ প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰণ লাভ কৰে। ইয়াৰ আগলৈকে তেওঁ এই ক্ৰীড়া বিধৰ লগত পৰিচিত নাছিল। এই সুবিধা লাভ কৰি ১৩ বছৰীয়া তালুকদাৰে ২০০০ চনত জামছেদপুৰৰ টাটা আৰ্চাৰী একাডেমীত যোগদান কৰে আৰু তাত প্ৰশিক্ষণ লোৱা ভাৰতৰ বিভিন্ন স্থানৰ ৫০ জন প্ৰশিক্ষাৰ্থীৰ ভিতৰত তেওঁৱেই শীৰ্ষস্থান অৰ্জন কৰে। তাৰ কিছুদিনৰ পাছতেই তেওঁ ভাৰতৰ ৰাষ্ট্ৰীয় জুনিয়ৰ আৰ্চাৰী খেলুৱৈ হিচাপে নিৰ্বাচিত হৈ ২০১২ চনত লণ্ডন অলিম্পিকলৈ একমাত্ৰ ভাৰতীয় পুৰুষ আৰ্চাৰ হিচাপে অংশগ্ৰহণ কৰে। জয়ন্ত তালুকদাৰৰ সফলতাক স্বীকৃতি দি ভাৰত চৰকাৰে তেওঁলৈ অতি কম সময়তে ২০০৬ চনৰ অৰ্জুন বঁটা আগবঢ়ায় আৰু ২০০৭ চনৰ ২৯ আগষ্টত তেওঁক এই বঁটা প্ৰদান কৰে।

যিদৰে অসমীয়া পুৰুষসকলে নিজ দেশৰ হৈ অংশগ্ৰহণ কৰাৰ সুবিধা পাইছে। তেনেদৰে অসমীয়া মহিলাইও নিজৰ নাম উজ্জ্বলাবলৈ সক্ষম হৈছে। ভাৰতীয় মহিলা ক্ৰিকেটৰ 'এ' দললৈ নিবাচিত ঢকুৱাখানাৰ মনীষা দাস প্ৰথম বাৰৰ বাবে ভাৰতীয় 'এ' দললৈ নিৰ্বাচিত অসমীয়া মহিলা। যথেষ্ট পৰিশ্ৰম আৰু সংগ্ৰামৰ মাজেৰে ঢকুৱাখানৰ পৰা আৰম্ভ কৰিছিল ক্ৰিকেট কেৰিয়াৰ। ইংলেণ্ডৰ লগত হ'বলগীয়া ৱাৰ্মআপ মেচত খেলিবলৈ সুযোগ লাভ কৰিছে। ঢকুৱাখানৰ দৰে এক বান বিধ্বস্ত ঠাইৰ পৰা আজি তেওঁ ভাৰতীয় দলত স্থান লাভ কৰিবলৈ সক্ষম হৈছে— তেওঁ আমাৰ বাবে অনুপ্ৰেৰণা হৈ থাকিব।

বৰ্তমান সময়ত পঢ়া শুনাৰ লগতে খেলা-ধূলা বিষয়টোও গুৰুত্বপূৰ্ণ হৈ পৰিছে। এই খেলা-ধূলাই আমাৰ শাৰীৰিক, মানসিক আৰু আবেগিক বিকাশ সাধন কৰে। সেয়ে, খেলা-ধূলা আজিৰ দিনটোত অতি প্ৰয়োজনীয় হৈ পৰিছে। দৈনিক অনুশীলনৰ জৰিয়তে এজন ভাল খেলুৱৈ হোৱাটো সম্ভৱ। কিন্তু আমাৰ মহিলাসকলৰ ক্ষেত্ৰত দৈনিক অনুশীলন কৰাটো সম্ভৱ হৈ নুঠে। তথাপি মহিলাসকলে যদি সেই বাধা অতিক্ৰম কৰি আগুৱাই যায় তেন্তে তেওঁলোকে জীৱনত নিশ্চয় সফলতা লাভ কৰিব।


আজিৰ দিনত পুৰুষসকলৰ লগে লগে মহিলাসকলো বহুদূৰ আগুৱাই গৈছে। আমাৰ অসমীয়া মহিলাসকল কিন্তু বহুসময়ত ইয়াৰ ব্যতিক্ৰম। এই ক্ষেত্ৰত অভিভাৱকসকলৰ কন্যা সন্তানৰ প্ৰতি থকা মানসিকতাও অন্যতম এক কাৰণ।

সেইবাবে মই অসমবাসীৰ অভিভাৱকক এষাৰ কথা কওঁ যে অসমীয়াসকলক ইটা বালিৰ ঘৰৰ প্ৰয়োজন নাই মাথো প্ৰয়োজন আছে এজন এজন শিক্ষক অভিভাৱকৰ।



হিমা দাস ঃ ভাৰতীয় ক্ৰীড়াংগণৰ ক্ষেত্ৰখনত অসমৰ অন্য এক নতুন চাঞ্চল্য হিমা দাস। ২০০০ চনৰ ৯ জানুৱাৰীত নগাঁও জিলাৰ ধিঙত হিমা দাসৰ জন্ম হৈছিল। তেওঁৰ পিতৃ ৰঞ্জিত দাস আৰু মাতৃ জোনালী দাস। হিমা তেওঁলোকৰ ছয়জন সন্তানৰ ভিতৰত আটাইকৈ সৰু। সৰুৰে পৰা খেলৰ প্ৰতি হিমাৰ আগ্ৰহ আছিল অসীম। পৰৱৰ্তী সময়ত তেওঁ দৌৰকে গুৰুত্ব প্ৰদান কৰি সেই খেলতেই অধিক সক্ষম হ'বলৈ যৎপৰোনাস্তি চেষ্টা কৰে। শেষত, প্ৰশিক্ষক নিপন দাস আৰু নৱজিৎ মালাকাৰে তেওঁৰ প্ৰতিভাৰ প্ৰমাণ পাই উন্নত প্ৰশিক্ষণেৰে বিশ্বৰ দৌৰৰ ক্ষেত্ৰখনলৈ তেওঁক আগবঢ়াই দিয়ে।

হিমায়ে ২০১৮ চনত ফিনলেণ্ডৰ টেম্পায়াৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় এথলেটিক্স সন্থাৰ ১৯ অনুৰ্ধ বিশ্ব চেম্পিয়নচিপত সোণৰ পদক পাবলৈ সক্ষম হয়। এই প্ৰতিযোগিতাত তেওঁ সময় লয় ৫১.৪৬ ছেকেণ্ড। ২০১৮ চনত অষ্ট্ৰেলিয়াৰ গোল্ডপোষ্টত অনুষ্ঠিত কমনৱেলথ গেমছত মহিলাৰ ৪০০ মিটাৰ প্ৰতিযোগিতাত ফাইনেল পৰ্যন্ত আগুৱাই গৈ ষষ্ঠ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। হিমা দাস এতিয়া ভাৰতৰ চিনাকী নাম। অতি শেহতীয়াকৈ তেওঁৰ ওপৰত বলিউড তাৰকা অক্ষয় কুমাৰে বোলছবি নিৰ্মাণৰ পোষকতা কৰিছে।




# স্বচ্ছতা সম্পৰ্কত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভংগী

## (১)
## স্বচ্ছ ভাৰত অভিযান আৰু আমাৰ কৰণীয়

**কিশোৰ খৰেল**
চতুৰ্থ যান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

আমাৰ এই ভাৰতবৰ্ষখন অতি সৌন্দৰ্যৰে ভৰা দেশ। স্বচ্ছতাই হ'ল এখন দেশৰ প্ৰত্যেক নাগৰিকৰ পৰিচয়। নিজৰ পৰিচয় অবিহেন কোনো ব্যক্তিয়ে নিজৰ কৰ্মজীৱনৰ মাজেদি আগুৱাই যাব নোৱাৰে। কিন্তু, স্বচ্ছতাৰ যোগেদি প্ৰত্যেক ব্যক্তিয়ে নিজৰ কৰ্মজীৱনৰ আটাইখিনি কাম সম্পন্ন কৰিব পাৰে। কিন্তু আমাৰ স্বচ্ছতা আৰু পৱিত্ৰতা আমাৰ দৈনন্দিন জীৱনৰ পূজা-পাতল, ঘৰ-দুৱাৰ আদিৰ মাজতে সীমিত থকা দেখা যায়। এইটো আমাৰ বাবে অতি দুখদায়ক বিষয়। আমাৰ ঘৰখন চাফা কৰি বিভিন্ন ধৰণৰ লেটেৰা বস্তুসমূহ আমি ৰাস্তা-ঘাট আদিত পেলাই দিওঁ।

স্বচ্ছ ভাৰত অভিযান হ'ল ভাৰত চৰকাৰে হাতত লোৱা আৰু সমগ্ৰ ভাৰতবৰ্ষত চলি থকা এক চাফাই অভিযান। যাৰ দ্বাৰা আমাৰ ভাৰতবৰ্ষখনক স্বচ্ছ কৰি ৰাখিব পাৰি। স্বচ্ছ ভাৰত অভিযানত খোৱা পানী প্ৰত্যেক ঘৰলৈ প্ৰেৰণ কৰা, ৰাস্তা ঘাট চাফা কৰা, শৌচালয় নিৰ্মাণ কৰা, গ্ৰামীণ ঠাইসমূহ স্বচ্ছ কৰি ৰখা আদি সকলো দিশ সামৰি লোৱা হৈছে। স্বচ্ছ ভাৰত অভিযানক "ক্লিন ইণ্ডিয়া মিচন" বুলিও জনা যায়। ভাৰতবৰ্ষক স্বচ্ছ কৰি ৰখা সপোন জাতিৰ-পিতা মহাত্মা গান্ধীয়ে দেখিছিল। এই সন্দৰ্ভত তেওঁ কৈছিল যে, "স্বচ্ছতা স্বাধীনতাতকৈ বেছি মহত্বপূৰ্ণ। মহাত্মা গান্ধীয়ে এইটোৱে ক'ব বিছাৰিছিল যে, স্বচ্ছতাই হ'ল স্বাস্থ্য আৰু শান্তি পূৰ্ণ জীৱন যাপন কৰাৰ প্ৰধান উপায়।

স্বচ্ছ ভাৰত অভিয়ান ২ অক্টোবৰ, ২০১৪ চনত গান্ধী জয়ন্তী দিনা ভাৰতৰ প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াদেৱে নতুন দিল্লীৰ ৰাজঘাটত আৰম্ভ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, ভাৰতবৰ্ষখন স্বচ্ছ কৰি ৰখা কোনো এজন ব্যক্তিৰ বা চৰকাৰৰ কাম নহয়। এই কাম ভাৰতবৰ্ষত বাস কৰা ১২৫ কোটি ভাৰতী মই কৰা কাম। যাৰ দ্বাৰা ভাৰতক স্বচ্ছ কৰি ৰাখিব পাৰি। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজে হাতত ঝাড়ুলৈ পুলিচ ষ্টেচন, মন্দিৰ আদিত স্বচ্ছতা অভিযান আৰম্ভ কৰিছিল। লগতে প্ৰধান মন্ত্ৰীয়ে দেশবাসীলৈ এইটোৱে কৈছিল যে, "নিজে লেতেৰা নকৰোঁ আৰু আনকো কৰিব নিদিওঁ।" স্বচ্ছ ভাৰত অভিযানত যোগদান দিয়া বিভিন্ন ব্যক্তিসকলৰ ভিতৰত কেইজনমান ব্যক্তি হ'ল শচিন তেণ্ডুলকাৰ, বাবা ৰামদেৱ, অনিল আম্বানী, কমল হাচন, চলমান খান, প্ৰিয়ংকা ছোপ্ৰা, অমিতাভ বচ্চন, আমিৰ খান আদি।

স্বচ্ছতাৰ সন্দৰ্ভত মোৰ অনুভৱ এনেধৰণৰ — স্বচ্ছতা প্ৰথম আমি নিজে আৰম্ভ কৰা উচিত। সেইবাবে সৰ্বপ্ৰথমে নিজে চাফা হৈ থকা উচিত। যদিহে আমি নিজে চাফা হৈ নাথাকো, তেন্তে আমি আনকো চাফা কৰি ৰাখিব নোৱাৰোঁ। স্বচ্ছতাক প্ৰথমে নিজৰ ঘৰৰ পৰাই আৰম্ভ কৰিব লাগে। ঘৰৰ পৰা আৰম্ভ কৰি পৰৱতী সময়ত ৰাস্তা-ঘাট, মঠ-মন্দিৰ, নিজ অঞ্চল আদিত

স্বচ্ছতা অভিযান চলোৱা দৰকাৰ। এইদৰে আমি স্বচ্ছতাক নিজৰ কৰণীয় কাম হিচাপে লৈ নিজেও লেতেৰা নকৰি আৰু আনকো লেতেৰা কৰিব নিদিয়াকৈ স্বচ্ছতাৰ প্ৰতি দৃঢ়ভাৱে লাগিলে, নিশ্চয় এদিন আমাৰ ভাৰতবৰ্ষখন সৌন্দৰ্যময়, মনোৰম, শান্তিপূৰ্ণ দেশ হিচাপে পৰিগণিত হ'ব। সেইবাবে স্বচ্ছতা হ'ল সকলোৰে বাবে এক কৰণীয় কাম।

## (২)
## স্বচ্ছ ভাৰত গঢ়াত মোৰ কৰণীয়


**হিমাশ্ৰী গগৈ**
স্নাতক তৃতীয় যান্মাসিক, অসমীয়া বিভাগ


আমাৰ দেশ ভাৰতবৰ্ষৰ উত্তৰ পূব কোণত অৱস্থিত মোৰ মাতৃভূমি অসম। এই অসমখনিৰ ৰূপ বিনন্দীয়া। প্ৰাকৃতিক পৰিবেশেৰে ভৰপূৰ। নদ-নদী, পাহৰ-ভৈয়াম আদিৰে পৰিপূৰ্ণ। প্ৰাকৃতিক সম্পদত চহকী আমাৰ অসম। এই অসমৰ অন্তৰ্গত ৩৩ খন জিলাৰ ভিতৰত অন্যতম এখন জিলা হৈছে ধেমাজি জিলা। জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে মিলনৰ সেতু গঢ়ি ধেমাজি জিলাত বিভিন্ন জাতি জনগোষ্ঠীসকলে বসবাস কৰি আহিছে। ধেমাজি জিলা দুটা মহকুমাৰে গঠিত। ধেমাজি আৰু জোনাই। জোনাই মহকুমাৰ চিচিবৰগাঁও ৰাজহচক্ৰৰ চিলাপথাৰ থানাৰ অন্তৰ্গত চিলাপথাৰ মহাবিদ্যালয়ৰ তৃতীয় যান্মাসিকৰ ছাত্ৰী মই।

জাতিৰ পিতা মহাত্মা গান্ধীৰ সপোনৰ দেশ গঢ়ি তোলাৰ সপোন পৰিপূৰ্ণ কৰাৰ মানসেৰে ভাৰত চৰকাৰৰ নিৰ্দেশ অনুসৰি "স্বচ্ছ ভাৰত" আঁচনি হাতত লোৱা হৈছে। দেশৰ প্ৰতিখন ৰাজ্যৰ, জিলাই জিলাই এই আঁচনি হাতত লোৱা হৈছে। অসম চৰকাৰেও অসমৰ অন্যান্য অঞ্চলবোৰত "স্বচ্ছ ভাৰত" আঁচনিখন ৰূপায়ণ কৰিবলৈ যত্ন কৰিছে। জিলা প্ৰশাসন, স্থানীয় প্ৰশাসন, নগৰ নিকাই সমূহে এই আঁচনি হাতত লৈছে। কাৰণ মাথো এটাই গান্ধীজীৰ সপোনৰ দেশখন পৰিষ্কাৰ-পৰিছন্নতাৰ মাজেৰে গঢ়ি তোলা।

সেই হেতুকে চিলাপথাৰতো এই আঁচনিখন হাতত লোৱা হয়। কিন্তু আমি স্বচ্ছ পৰিবেশ গঢ়ি তুলিবলৈ হ'লে প্ৰথমে নিজৰ মনটোক নিকা আৰু পৰিষ্কাৰ কৰিব লাগিব। তেতিয়াহে সম্পূৰ্ণ স্বচ্ছ ভাৰত গঢ়ি তুলিব পৰা যাব। প্ৰথমতে আমি নিজৰ ঘৰখন, নিজৰ অঞ্চলটো চাফা কৰিব লাগিব। তাৰ পাছতহে বাকী কাম। আৰু এটা কথা আমি অকলে "স্বচ্ছ ভাৰত" গঢ়ি তুলিব নোৱাৰে, প্ৰতিজন জনগণ সজাগ হৈ কামবোৰ নিয়াৰিকৈ কৰি সেয়েহে এই অভিযানে পূৰ্ণতা পাব। কথাতে কয় নহয়, "ৰাইজে নখ জোকাৰিলে নৈ বয়"। কথাষাৰ সঁচা। কিয়নো অকলে নোৱাৰা কাম যদি আমি সকলোৱে মিলি কৰোঁ, তেতিয়া আমি সহজতে সুফল পাম। আজিকালি চৰকাৰে স্থানীয় প্ৰশাসনৰ উপৰিও আত্মসহায়ক গোট আৰু গ্ৰাম্য সংগঠনবোৰ ১০ জনীৰ পৰা আৰম্ভ কৰি ১০০ জনী মহিলাক লৈ গঠন কৰি দিছে। কিয়নো মহিলাসকলে নিজৰ ঘৰখনৰ লগতে স্থানীয় অঞ্চলবোৰ পৰিষ্কাৰ কৰাত অধিক কাৰ্যকৰী ভূমিকা পালন কৰে।

এখন মহাবিদ্যালয়ৰ ছাত্ৰী হিচাপে মোৰ কৰ্তব্য আছে যে মই কিদৰে ঘৰখন, অঞ্চলটো আৰু নিজৰ মহাবিদ্যালয়খন স্বচ্ছ ভাৰতত অন্তৰ্গত কৰিব পাৰোঁ। এই ক্ষেত্ৰত সমাজৰ প্ৰতিজন সচেতন ব্যক্তিক কেনেদৰে জড়িত কৰাব পাৰোঁ সিও মোৰ বাবে এক প্ৰয়োজনীয় কাৰ্য হ'ব। জ্যেষ্ঠসকলক শ্ৰদ্ধাৰে আৰু সমনীয়া আৰু সৰু সকলক মৰমেৰে বুজালেহে আমি এই কৰ্মৰাজীত সফল হ'ব পাৰিম। তেওঁলোকক অৱগত কৰিব লাগিব যে, লেতেৰা-অবৰ্জনাবোৰ য'তে-ত'তে নোপেলাই এডোখৰ ঠাইত জমা কৰি থ'ব লাগে। কিয়নো স্থানীয় প্ৰশাসনে এইবোৰ লৈ নিৰ্দিষ্ট ঠাইত জমা কৰি নিষ্কাশনৰ ব্যৱস্থা কৰে। গান্ধীজীৰ সপোনৰ স্বচ্ছ ভাৰত গঢ়ি তুলিবলৈ হ'লে আমি নিজক নিকা আৰু চাফা হিচাপে গঢ়ি তুলিব লাগিব। তাৰ পাছত ঘৰখনি, আঞ্চলটো, সমাজখন। তেতিয়াহে প্ৰকৃততে আমি ক'ব পাৰিম যে আমি স্বচ্ছ ভাৰতৰ এজন প্ৰকৃত সু-নাগৰিক।

## (৩)
## মহাবিদ্যালয়খন স্বচ্ছ কৰাত আমাৰ কৰণীয়


**সোণমনী নাওহলীয়া**
স্নাতক ষষ্ঠ যান্মাসিক, অসমীয়া বিভাগ


প্ৰত্যেকখন বিদ্যালয়, মহাবিদ্যালয়ক আমি জ্ঞানৰ মন্দিৰ বুলি কওঁ। এই জ্ঞানৰ মন্দিৰতে আমাৰ ভাগ্য নিৰ্ণয় হয়। এনে এটা পবিত্ৰ স্থানক আমি স্বচ্ছ কৰি ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। নিজৰ দায়িত্বত ফাকি দিয়াটো আটাতকৈ ডাঙৰ অধৰাধ। আমি নৱপ্ৰজন্মই এনেধৰণৰ অপৰাধৰ পৰা হাত সাৰিবলৈ আমাৰ কৰণীয় প্ৰত্যেকটো কাম কৰিবলৈ আমি সাজু হোৱা উচিত। আমাৰ মহাবিদ্যালয়খন স্বচ্ছ কৰি ৰখাত আমি কিছুমান কাম হাতত ল'ব পাৰোঁ। যেনে—

১। আমি মহাবিদ্যালয়ৰ স্বচ্ছতাত প্ৰথম পদক্ষেপ হিচাপে ল'ব পাৰোঁ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজে খোৱা চিপছ, চকলেট, বিস্কুট আদিৰ ৰাকলিসমূহ ডাষ্টবিনত পেলাব লাগে।

অথবা সুবিধাকৈ ডাষ্টবিন নাপালে পকেটত ভৰাই থৈ, পিছত সুবিধা অনুযায়ী ডাষ্টবিন ব্যৱহাৰ কৰিব লাগে। মুঠতে আমি খোৱা কোনো বস্তুৰে বাকলি যাতে ৰাষ্টাই ঘাতে, বিদ্যালয়, মহাবিদ্যালয়, ঘৰৰ চৌহদত কেতিয়াও নপৰে তাৰ প্ৰতি সতৰ্ক হোৱাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।

২। মহাবিদ্যালয় চৌহদত গুটকা জাতীয় বস্তু খাব নালাগে। কাৰণ সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে গুটকা, তিৰংগা ইত্যাদি সমূহ খাই মহাবিদ্যালয় চাৰি বেৰত পিকাই মহাবিদ্যালয়ৰ পৰিবেশ বিনষ্ট কৰিব নালাগে।

৩। মহাবিদ্যালয়ৰ চৌহদটো সপ্তাহত এবাৰকৈ ঝাৰো মাৰিব পাৰোঁ। আমি সকলোৱে যদি মহাবিদ্যালয়ৰ স্বাৰ্থত এনে এটা পদক্ষেপ হাতত ল'ব পাৰোঁ, তেনেহ'লে আমাৰ মহাবিদ্যালয়খন সকলোৰে চকুত নিকা মহাবিদ্যালয় হ'ব।

৪। মহাবিদ্যালয়ৰ সন্মুখৰ দলঙৰ তলৰ নৈখনত যাতে কোনো কাৰণতে আৱৰ্জনাৰ দম নহয় তাৰ প্ৰতি আমি সকলোৱে চোকা নজৰ দিয়াটো খুব প্ৰয়োজন। কাৰণ মহাবিদ্যালয় স্বচ্ছতাত ইয়ো ব্যাঘাত জন্মাব পাৰে।

এনেদৰে যদি আমাৰ ঘৰখনত, বিদ্যালয়খনত, মহাবিদ্যালয়খনত, চহৰখনত আমি এনে নিয়ম মানি চলোঁ, তেন্তে আমাৰ ভাৰতখন কেতিয়াও লেতেৰা নহ'ব।

*"স্বচ্ছ ভাৰত স্বচ্ছ মিচন*
*নিকা সমাজ আমাৰ অসম"*

(৪)

## মোৰ সপোনৰ চিলাপথাৰ মহাবিদ্যালয়

**নীৰৱ দাস**
স্নাতক প্ৰথম ষাম্মাসিক, অসমীয়া বিভাগ


ছাত্ৰ জীৱনতে বিদ্যালয়সমূহ যেনে— প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়, মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা সময়ছোৱাত ছাত্ৰ-ছাত্ৰীৰ বাবে এই বিশেষ আৰু গুৰুত্বপূৰ্ণ সময়। এই সময়ছোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে নিজৰ ভৱিষ্যত গঢ়াৰ নিয়ম। এই সময়তে ছাত্ৰ-ছাত্ৰীয়ে আচাৰ ব্যৱহাৰ, নিয়ম নীতি, মিলাপ্ৰীতি আদি সকলো দিশ ভাল দৰে বুজি পায়। প্ৰায়ে বিদ্যালয়বোৰত এই দিশসমূহ দেখিবলৈ পোৱা যায়। মোৰ এই সপোনৰ চিলাপথাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষা গুৰুৱে নিয়ম শৃংখলা বজায় কাম কৰে। এই মহাবিদ্যালয়ৰ শিক্ষা গুৰু সকলে আমাক শিক্ষা দান দিয়ে, নানা ভৱিষ্যতৰ সোণালী বাট মুকলি কৰি দিয়ে। শিক্ষা গুৰুসকলৰ আশা এই মহবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে এজন এজন সু-নাগৰিক হোৱাৰ লগতে মহাবিদ্যালয়খনৰ নাম উজ্বলাওক। এই সপোনৰ বিদ্যালয়খন আগতকৈও বহু উন্নতি পথত আগ বাঢ়িছে। মহাবিদ্যালয়খনে শেহতীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে বহুতো পদক্ষেপ হাতত লোৱা দেখিবলৈ পোৱা গৈছে। এই বিদ্যালয়খনত অধ্যয়ন কৰি আমাৰ নিচিনা সকলো ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হৈছে বুলি ক'ব পাৰো। এই মহাবিদ্যালয়ৰ প্ৰত্যেকজন শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ নতুন নতুন চিন্তাই কঢ়িয়াই আনিব এটি সুন্দৰ ভৱিষ্যত। আমাৰ এই মহাবিদ্যালয়খন সকলো দিশতে আগবাঢ়ি এখন সুন্দৰ আৰু উজ্জ্বল মহাবিদ্যালয় হওক।

**মহাবিদ্যালয়খন স্বচ্ছ কৰি ৰখাত আমাৰ কৰ্তব্যঃ** বৰ্তমান সময়ত গোটেই বিশ্বতে গোলকীয় উষ্ণতা বৃদ্ধি পাই আহিছে। প্ৰদূষণৰ মাত্ৰা দিনে দিনে ইমান বাঢ়িছে যে এটা সময়ত পৰিৱেশৰ উপাদানসমূহ শেষ হৈ যোৱাৰ সম্ভৱনা আহি পৰিছে। আমি ইচ্ছা কৰিলে গোটেই বিশ্বকে স্বচ্ছ কৰিব পাৰোঁ। তাৰবাবে আমি প্ৰথমে নিজৰ ঘৰখন, গাঁওখন, আমি জ্ঞানৰ মন্দিৰ বুলি পূজা কৰা মহাবিদ্যালয়খন স্বচ্ছ কৰি ৰাখিব লাগিব।

মহাবিদ্যালয়খন স্বচ্ছতাৰে ৰখাটো প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে দায়িত্ব। মহাবিদ্যালয়ত থকা ডাষ্টবিনবোৰৰ উচিত ব্যৱহাৰ কৰিব লাগে। পৰিস্কাৰ পৰিচ্ছন্নতাত মহাবিদ্যালয়খনৰ পৰিচয় পাব পাৰি। মহাবিদ্যালয়লৈ আহোতে য'তে ত'তে যান-বাহন সমূহ নাৰাখি নিৰ্দিষ্ট স্থানত থ'ব লাগে। মহাবিদ্যালয়ৰ শৌচাগাৰবোৰৰ অৱস্থা একেবাৰে লেতেৰা হৈ থাকে। এইসমূহ আমি নিজে চাফা নকৰিলেও মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলক অৱগত কৰিব লাগে। বহুতো ছাত্ৰ-ছাত্ৰীক দেখা যায় তামোল জাতীয় বিভিন্ন ধৰণৰ বস্তু খাই মহাবিদ্যালয়ৰ পকীবেৰসমূহত পিক পেলাই লেতেৰা কৰে। এনেধৰণৰ কুকাৰ্য নিজেও নকৰি আৰু আনকো কৰিবলৈ সুবিধা দিব নালাগে। □



# আমাৰ গাঁওবোৰৰ বিষয়ে যৎকিঞ্চিৎ
# (২)



চিলাপথাৰ অসমৰ ধেমাজি জিলাত অৱস্থিত এখন ব্যৱসায়িক নগৰ। ধেমাজিৰ পাছতে চিলাপথাৰ নগৰখন ধেমাজি জিলাৰ প্ৰধান ঠাই। ই অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত। নগৰখন ব্ৰহ্মপুত্ৰৰ উত্তৰৰ দিশে ১৬কি. মি. আঁতৰত অৱস্থিত। নগৰখনৰ কেন্দ্ৰ পৰা অসম অৰুণাচল সীমান্তত অৱস্থিত লিকাবালি নগৰলৈ দূৰত্ব ৭ কি. মি.। গুৱাহাটীৰপৰা কলীয়া ভুমুৰা হৈ প্ৰায় ৫০০ কি. মি. বাট। ধেমাজি জিলা সদৰৰ পৰা নগৰখনলৈ দূৰত্ব প্ৰায় ৩৫ কি. মি.। জিলাখনৰ আন এখন প্ৰধান ঠাই জোনাই। চিলাপথাৰ জোনাই বিধান সভা সমষ্টিৰ অন্তৰ্গত। এই জোনাইলৈ চিলাপথাৰৰ পৰা দূৰত্ব ৭২ কি. মি.। চিলাপথাৰৰ মাজ-মজিয়াতে অৱস্থিত মহাবিদ্যালয়খনেই হৈছে চিলাপথাৰ মহাবিদ্যালয়। মহাবিদ্যালয়খনলৈ বৃহত্তৰ চিলাপথাৰ অঞ্চলটোৰ উপৰিও ধেমাজি জিলাৰ বিভিন্ন ঠাইৰপৰা ছাত্ৰ-ছাত্ৰী পঢ়িবলৈ আহে। আমাৰ এই সমীক্ষাসূচক প্ৰবন্ধটোত মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীবোৰ যিসমূহ গাঁৱৰ পৰা আহিছে, সেই গাঁওসমূহৰ ভিতৰৰ ৭ খন গাঁৱৰ বিষয়ে এটা থূল মূল ধাৰণা দিবলৈ যত্ন কৰা হৈছে।

## ২ নং মেছাকী টঙানী

পুনম দলে
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আমাৰ গাঁওখনৰ নাম ২নং মেছাকী টঙানী। আমাৰ ধেমাজি জিলা চিলাপথাৰৰ পৰা প্ৰায় ১৬-১৭ কিলোমিটাৰ দুৰত্বত আমাৰ ২নং মেছাকী টঙানী গাঁওখন অৱস্থিত। ডাকঘৰ - মেছাকী টঙানী, পিন নং - ৭৮৭১১০, থানা - চিলাপথাৰ, জিলা - ধেমাজি (অসম)।

আমাৰ গাঁৱত শিক্ষানুষ্ঠানৰ ভিতৰত চাৰিখন প্ৰাথমিক বিদ্যালয়, এখন মিনিফেক্ট্ৰ আছে। চাৰিখন এম. ই স্কুল আৰু চাৰিখন উচ্চ মাধ্যমিক বিদ্যালয় আছে। গাঁওখনত শিক্ষিত লোকৰ সংখ্যা প্ৰায় ৮০ শতাংশ আৰু আমাৰ গাঁওখনত শিক্ষিত নিবনুৱাৰ সংখ্যা কম নহয়।

আমাৰ মিচিং সমাজৰ প্ৰধান উৎসৱ হ'ল - আলি-আই লৃগাং। আলি-আই-লৃগাং প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনা আমাৰ গাঁওখনে উলহ-মালহেৰে উদ্‌যাপন কৰে। উৎসৱৰ দিনা গাঁওৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী আদি সকলোৱে মুৰংঘৰত একগোট হৈ গুম্‌ৰাগ নৃত্য পৰিৱেশন কৰে আৰু পুৰাং আপিন, নগিন-পৰ আপং খায়। এই দিনা খেতি শুভাৰম্ভ কৰাৰ নিয়ম-নীতি পালন কৰা হয়। আমাৰ গাঁৱত দঃবুৰ পূজা আৰু বিহু প্ৰতি বছৰেই পালন কৰি আহিছে। মিচিং লোকসকলে অতীতৰেপৰা

পূৰ্ব-পুৰুষৰ পূজা কৰে।

আমাৰ গাঁৱৰ প্ৰধান সমস্যা হ'ল - বানপানীৰ সমস্যা। বাৰিষা গাঁওখনত বানপানী হ'লে খেতি পথাৰত বানপানীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰে। বিশেষকৈ আমাৰ গাঁওৰ লোকসকল ধান-খেতিত জড়িত হয়।

আমাৰ গাঁওখনত টঙানী নদী আছে। সেই টঙানী নদীয়ে বাৰিষাৰ সময়ত খেতি-পথাৰ নষ্ট কৰে আৰু আমাৰ গাঁওখনত এটা চৰকাৰী P.H.C. আছে।

তলত আমাৰ গাঁওখনৰ সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা হ'ল-

১) আমাৰ গাঁওখনৰ নাম — ২নং মেছাকী টঙানী।
২) ৰাজ্য — অসম।
৩) জিলা — ধেমাজি (অসম)।
৪) পৰিয়াল বা ঘৰৰ সংখ্যা — প্ৰায় ২০০ ঘৰ।
৫) শিক্ষিতৰ হাৰ — প্ৰায় ৮০ শতাংশ।
৬) প্ৰধান খেতি — ধান।
৭) প্ৰধান বৃত্তি — কৃষি।
৮) চাকৰি কৰা লোকৰ সংখ্যা — ৩৫ জন
৯) আমাৰ গাঁওখনৰ শিক্ষানুষ্ঠান — এম. ই স্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয় চাৰিখনকৈ আছে।

□ □ □

# দেউৰীঘাট গাঁও

**নৱজ্যোতি দলে**
স্নাতক পঞ্চম যান্মাসিক, শিক্ষা তত্ব বিভাগ

ধেমাজি জিলাৰ চিচিবৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত মুক্তিয়াৰ গাঁও পঞ্চায়তৰ ১ নং বাৰ্ডেই হৈছে দেউৰীঘাট গাঁও। ২৪০ টা ঘৰ আৰু ১৫০০ সংখ্যাৰে গঠিত আমাৰ দেউৰীঘাট গাঁওখন। ডাকঘৰ ঃ বুটি সুঁতি। পিন নং ঃ ৭৮৭১১০, থানা ঃ চিলাপথাৰ, জিলা ঃ ধেমাজি (অসম)।

দেউৰীঘাট গাঁওখন মিচিং জনগোষ্ঠীৰে পৰিপূৰ্ণ। মাত্ৰ দহ-পোন্ধৰ ঘৰহে বিহাৰী সম্প্ৰদায়ৰ লোক আছে। গাঁওখনত ধৰ্মীয় অনুষ্ঠান বুলিবলৈ নামঘৰ চাৰিটা, গীৰ্জা এটা আৰু মুৰংঘৰ এটা আছে। আমাৰ গাঁৱত খ্ৰীষ্টান আৰু ভাগৱতী ধৰ্মাৱলম্বী লোকো আছে।

আমাৰ গাঁৱত শিক্ষানুষ্ঠানৰ ভিতৰত দুখন প্ৰাথমিক বিদ্যালয়, এখন মধ্য ইংৰাজী বিদ্যালয়, এখন উচ্চ মাধ্যমিক বিদ্যালয়, এখন ইংৰাজী মাধ্যমৰ স্কুল আৰু তিনিখন অঙ্গনবাড়ী মিনি কেন্দ্ৰ আছে। গাঁওখনত শিক্ষিত লোকৰ সংখ্যা ৭০ শতাংশ।

আমাৰ গাঁৱৰ লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় কৃষি। ধান, সৰিয়হ, আলু, মাটি মাহ, নহৰু, ৰঙালাও আদি খেতি কৰি জীৱন নিৰ্বাহ কৰি আহিছে যদিও ধান খেতিয়েই প্ৰধান খেতি। গাঁওখন টঙানী নদী আৰু বুঢ়িসুঁতি নদীৰ মাজত অৱস্থিত। বাৰিষা টঙানী নদী আৰু ব্ৰহ্মপুত্ৰৰ পানীয়ে গাঁওখনক বুৰাই পেলায়। কেতিয়াবা বাৰিষাৰ বানপানীয়ে খেতি বুৰাই পেলায়। যাৰ ফলত গাঁৱৰ লোকসকলে বহু কষ্টত দিন পাৰ কৰিবলগীয়া হয়।

গাঁওখনৰ স্বাস্থ্য ব্যৱস্থা উন্নত। গাঁওখনত দেউৰীঘাট ৰাজ্যিক চিকিৎসালয় আৰু ১২ কিঃমিঃ দূৰত্বত মেছাকী টঙানী ৫নং স্বাস্থ্যকেন্দ্ৰ অৱস্থিত। গাঁওখনৰ সকলো ব্যক্তিয়ে স্বাস্থ্যৰ প্ৰতি সজাগ বুলি ক'ব পাৰি।

গাঁওখনৰ যাতায়াত ব্যৱস্থা ২০০০-২০০১ চনলৈ একেবাৰে বেয়া আছিল। বৰ্তমান গাঁওখনৰ যাতায়ত ব্যৱস্থা যথেষ্টখিনি উন্নত হৈছে বুলি ক'ব পাৰি।

সাংস্কৃতিক ক্ষেত্ৰত আমাৰ গাঁওখন কোনোগুনে কম নহয়। বিশেষকৈ মিচিং জনজাতিসকলৰ আলি-আই-লৃগাং, দঃবুৰ পূজা, ভাওনা, পঃৰাগ উৎসৱ আদি পালন কৰা হয়।

অতি কম দিনৰ ভিতৰত আমাৰ গাঁওখন এই সমস্যাবোৰৰ পৰা হাত সাৰি এখন আদৰ্শ গাঁৱলৈ পৰিণত হ'ব বুলি আমাৰ বিশ্বাস।

□ □ □

# কছেক গাঁও

**দিব্যজ্যোতি পেগু**
স্নাতক তৃতীয় ষান্মাসিক, বুৰঞ্জী বিভাগ

ধেমাজি জিলাৰ অন্তৰ্গত চিলাপথাৰৰ কুলাজানৰ পৰা প্ৰায় ৫ কিঃমিঃ নিলগত আমাৰ কছেক গাঁওখন অৱস্থিত। আমাৰ গাঁওখনত মুলতঃ মিছিং জনগোষ্ঠীৰ লোক বাস কৰে। গাঁওখন ধৰ্মীয় অনুষ্ঠান বুলিবলৈ নামঘৰ,মুৰংঘৰ আৰু গীৰ্জা আছে।

গাঁওখনৰ শৈক্ষিক ব্যৱস্থা উন্নত বুলিব পাৰি। গাঁওখনত এখন প্ৰাথমিক বিদ্যালয়, ছোৱালী হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। গাঁওখনৰ মুঠ শিক্ষিত লোকৰ হাৰ ৯৫ শতাংশ সেয়ে গাঁওখনত পঢ়াৰ এটা সুস্থিৰ পৰিবেশ আছে বুলিব পাৰি। গাঁওখনৰ বহুতো লোক B.A., B. Com., B.Sc., M.A., M.Sc. আৰু Ph.D. উত্তীৰ্ণ লোক আছে। ইয়াৰ উপৰি অসমৰ বাহিৰত অভিযান্ত্ৰিক আৰু ডাক্তৰ পঢ়া ছাত্ৰও আছে।

আমাৰ কছেক গাঁওখনৰ জীৱন জীৱিকাৰ প্ৰধান উপায় হ'ল কৃষি। গাঁওখন টঙানী নদী আৰু বুঢ়িসুঁতি নদীৰ লগতে ব্ৰহ্মপুত্ৰৰ কাষৰীয়া হয় বাবে খেতি বাতি ভাল হয়। কিন্তু ব্ৰহ্মপুত্ৰৰ বলীয়া বানে বাৰিষা কালত গাঁওখনৰ সকলো খেতি ধ্বংস কৰে।

ফলত গাঁওখনৰ লোকসকলে বহুতো কষ্টত দিন কটাবলগীয়া হয়। বাৰিষা হোৱা বাবে গাঁওখনৰ যোগাযোগ ব্যৱস্থা বহুতো বেয়া। বাৰিষা কালত বানপানীয়ে সকলো বাট-পথ বুৰাই পেলাই খেতি পথাৰৰ লগত ঘৰবোৰ জলমগ্ন কৰি সম্পূৰ্ণ শোচনীয় কৰি পেলায়।

গাঁওখন সাংস্কৃতিক দিশত এখোজ আগবঢ়া। বিশেষকৈ গাঁওখনৰ প্ৰধান উৎসৱ আলি-আয়ে-লৃগাং, পঃৰাগ, দঃবুৰ, মাঘ বিহু আৰু বহাগ বিহু প্ৰতি বছৰে গাঁওখনে উলহ-মালহেৰে পালন কৰে। গাঁৱৰ লোকে অতীতৰ পৰা পৰম্পৰাগতভাৱে কৰি অহা পূজা-পাতল কৰি আহিছে।

এই সকলোবোৰৰ পৰা ক'ব পাৰি যে ভৱিষ্যতে গাঁওখনৰ সকলো সমস্যাৰ পৰা হাত-সাৰি এখন আদৰ্শ গাঁৱত পৰিণত হ'ব।

কছেক *গাঁওখনৰ ঠিকনা*

| | | |
|---|---|---|
| ১) | গাঁৱৰ নাম | ঃ কছেক |
| ২) | ডাকঘৰ | ঃ বুঢ়ীসুঁতি |
| ৩) | পুলিচ ষ্টেচন | ঃ চিলাপথাৰ |
| ৪) | জিলা | ঃ ধেমাজি |
| ৫) | পিন | ঃ ৭৮৭১১০ |
| ৬) | ঘৰ সংখ্যা | ঃ ৫৫ |
| ৭) | জনসংখ্যা | ঃ ৩৫০ প্ৰায় |
| ৮) | শিক্ষিত হাৰ | ঃ ৯১ শতাংশ |
| ৯) | স্বাক্ষৰতা হাৰ | ঃ ৯৯ শতাংশ |
| ১০) | চৰকাৰী চাকৰি | ঃ ২২ |
| ১১) | ডিগ্ৰীধাৰী | ঃ ৭৫ |

□ □ □

## চিলাসূতী গাঁও

হিৰণ্য দলে
স্নাতক পঞ্চম ষাণ্মাসিক

আমাৰ গাঁওখনৰ নাম চিলাসূতী গাঁও। আমাৰ গাঁওখনৰ ধেমাজি জিলাৰ চিলাপথাৰৰ পৰা প্ৰায় ৪/৫ কিলোমিটাৰ মান দূৰত্বত অৱস্থিত। ডাকঘৰ - ভগৱান, পিন নং ৭৮৭০৫৯, থানা চিলাপথাৰ, জিলা - ধেমাজি (অসম)।

আমাৰ গাঁওখনৰ প্ৰধান উৎসৱ আলি-আয়ে-লৃগাং। আমাৰ গাঁওখনতো উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। আমাৰ গাঁৱৰ লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় কৃষি। কিন্তু ডিমৌ নদীয়ে কৃষি অনিষ্ট কৰাৰ বাবে গাঁৱৰ লোকসকলে বহুত কষ্টত দিন পাৰ কৰিবলগীয়া হয়। আমাৰ গাঁওখনৰ যোগাযোগ ব্যৱস্থা ক'বলৈ গ'লে ভাল। আমাৰ ঘৰৰ পৰা প্ৰায় ৩ মিনিটমান বাট আহি ৰাষ্ট্ৰীয় ঘাই পথ পোৱা যায়। খোৱা পানীৰ কাৰণে ঘৰে ঘৰে টিউবৱেলৰ ব্যৱস্থা আছে।

গাঁৱত প্ৰায় ৭০ শতাংশ লোকেই কৃষি জীৱি। কৃষিয়েই জীয়াই থকাৰ পথ। অৱশ্যে বহুলোকে দিন হাজিৰাও কৰে। বহু সংখ্যক লোকেই চাকৰিও কৰে। ইয়াৰ উপৰিও দুই এজন লোকে ব্যৱসায় কৰিও জীৱন নিৰ্বাহ কৰি আছে। আমাৰ গাঁৱৰ শিক্ষিত হাৰ ক'বলৈ গলে ভালেই। ইয়াৰ উপৰিও অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পঢ়া ছাত্ৰও আছে। আমাৰ গাঁৱৰ প্ৰধান সমস্যা হ'ল বানপানীৰ সমস্যা। বাৰিষাত গাঁওখনত বানপানী নহ'লেও খেতি পথাৰত কেতিয়াবা বানপানীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰে। বিশেষকৈ আমাৰ গাঁওখনৰ লোক সকলে ধান খেতি কৰে। কেতিয়াবা বাৰিষাৰ বানপানীয়ে ধান খেতি বুৰায় পেলাই শস্যৰ বিস্তৰ ক্ষতি কৰে। আৰু এটা প্ৰধান সমস্যা হ'ল নিবনুৱা সমস্যা। আমাৰ গাঁৱত বহুতো ডিগ্ৰীধাৰী লোক আছে যদিও চৰকাৰী চাকৰি কৰা লোকৰ সংখ্যা কম।

তলত আমাৰ গাঁওখনৰ সম্পূৰ্ণ ঠিকনা উল্লেখ কৰা হ'ল ঃ—

| | | |
|---|---|---|
| ১। | আমাৰ গাঁওখনৰ নাম | চিলাসুঁতি |
| ২। | ৰাজ্য | অসম |
| ৩। | জিলা | ধেমাজি |
| ৪। | পিন | ৭৮৭০৫৯ |
| ৫। | থানা | চিলাপথাৰ |
| ৬। | পৰিয়াল বা ঘৰৰ সংখ্যা | ৪৫ ঘৰ (প্ৰায়) |
| ৭। | জনসংখ্যা | প্ৰায় ৫৫০ জন |
| ৮। | শিক্ষিত হাৰ | ৯৯ শতাংশ |
| ৯। | ডিগ্ৰীধাৰী লোকৰ সংখ্যা প্ৰায় | প্ৰায় ১৮০ |
| ১০। | চৰকাৰী চাকৰি কৰা লোকৰ সংখ্যা | ১৫ জন |
| ১১। | প্ৰধান বৃত্তি | কৃষি |
| ১২। | প্ৰধান খেতি | ধান |

□ □ □

# ডিমৌ

**বিন্দীয়া দেৱী**
স্নাতক পঞ্চম ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

অসমৰ ধেমাজি জিলাৰ অৰ্ন্তগত ডিমৌ এখন বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণৰ থলী। ইয়াৰে উত্তৰে অৰুণাচল পাহাৰ, দক্ষিনে চিমেন মুখ ৰাজ্যিক চিকিৎসালয়, পুবে চিমেন নদী আৰু পশ্চিমে ডিমৌ নদী এই দুয়োখন নদীৰ মাজতে আমাৰ অতি মৰমৰ মনোমোহা ডিমৌ চাৰিআলি।

আমাৰ শুনামতে ডিমৌ চাৰিআলিত থকা দোকান পোহৰবোৰ বেছি পুৰণি নহয়, আজি কিছু বছৰৰ আগলৈকে হেনো ঠাই ডোখৰ কিছু জংঘল ভৰি আছিল। আজিৰ দৰে কোনো স্কুল কলেজ গঢ়ি উঠা নাছিল। মাথো আছিল ৰেলষ্টেচন এটা আৰু ষ্টেচনৰ কাষত লাগি থকা সাপ্তাহিক বজাৰ। যি আজিও বিৰাজমান। এই বজাৰত হেনো আগতে বহু জাতি-জনজাতি লগত মৰা-মৰি কটা-কটি হৈছিল। বিশেষকৈ মদ সুৰাপান আৰু জুৱা খেল লৈ বিভিন্নজনৰ লগত বিভিন্ন মতভেদ হৈছিল। সময়ত এই প্ৰকাণ্ড ৰূপ লৈ থানা পুলিচ আহিব লগাও হৈছিল। কিন্তু আজিৰ উঠি অহা শিক্ষিত যুৱক-যুৱতী বাহিৰৰ পৰা অহা কিছু শিক্ষিত ব্যক্তিৰ আদৰ্শ লৈ তেনেবোৰ কাণ্ড লুপ্ত হ'ল।

আমাৰ শুণামতে ডিমৌ চাৰিআলিৰ নিবাসী সংগ্ৰামী পুৰুষ স্বৰ্গীয় অশ্বিনী পাংগিংদেৱে আছিল হেনো প্ৰথম ডিমৌ চাৰিআলিৰ সৃষ্টিকাৰী। তেখেতে হেনো ঠিক চাৰিআলিৰ মাজত মধুৰী পাতেৰে এচলীয়া জুপুৰী ঘৰ সাজি প্ৰথমে 'চাহ' বেচিছিল। এই চাৰিআলিৰ তেখেতৰ চেষ্টাৰ বলত হেনো ডিমৌ ৰেল ষ্টেচনটো গঢ়ি উঠিছিল। এই ক্ষেত্ৰত তেখেতে কাৰাবাস খাটিব লগীয়া হৈছিল। আৰু তেখেতে গঢ়ি তোলা প্ৰায় তিনিখন প্ৰাথমিক বিদ্যালয় আজি এই ডিমৌ অঞ্চলত চৰকাৰীকৰণ হ'ল। তেখেতে আজি আমাৰ মাজত নাই যদিও আমাৰ ডিমৌ চাৰিআলিৰ বাবে যি অৱদান দি গ'ল সেয়া সকলোৰে চিৰস্মৰণীয়। বৰ্তমানে ডিমৌ চাৰিআলিত কেইবাখনো দামী দোকান পোহৰ গঢ়ি উঠিছে। এই ডিমৌ চাৰিআলিৰ আৰু ৰাজ্যিক চিকিৎসালৰ ঠিক মাজ ভাগত আছে লামা পালে নামৰ গাঁওখন।

এই গাঁওখনৰ মাজত প্ৰায় ৪০ ঘৰ মান নেপালী জনগোষ্ঠীৰ লোকৰ বাসস্থান অৱস্থিত। এই গাঁওখনৰ প্ৰায় ভাগ লোকৰ মূল জীৱিকা হ'ল কৃষি আৰু বেপাৰ বাণিজ্য। এই গাঁওখনৰ ঠিক সোমাজত এখন গনেশ মন্দিৰ অৰ্থাৎ (সাপ্তাহিক নামঘৰ) অৱস্থিত। এই মন্দিৰত প্ৰত্যেক মঙ্গলবাৰৰ দিনাখন নাম কীৰ্তন অনুষ্ঠিত হয়।

জাকত জিলিকা ভৰপূৰ আনন্দপূৰ্ণ শান্তিৰ পৰিবেশ এই গাঁওখনত। এই গাঁওখনক আদৰ্শ গাঁও হিচাপেও নামাকৰণ কৰা হৈছে। এনেধৰণৰ জাকত জিলিকা আৰু আনন্দৰ গাঁওখনত বৰ্তমান শিক্ষিক যুৱক-যুৱতীৰ চকুৰ আগত এটাই বহুত দুখ লগা কথা আমাৰ চকুত দেখা পৰিছে। সেইটো হ'ল আজি লৈ চৰকাৰী চাকৰি লাভ কৰা ব্যক্তি এই গাঁওখনত নাই। এয়াই অভাৱ আৰু দুখৰ বিষয় আমাৰ চকুৰ আগত।

বৰ্তমান এই গাঁওখনত বহুতো যুৱক-যুৱতী শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰি গৈ আছে। এনেধৰণৰ অগ্ৰগতিয়ে ভৱিষ্যত জীৱনলৈ এই গাঁওখনক গৌৰৱান্বিত কৰি তুলিব বুলি আমি আশা কৰো।

এয়াই হ'ল আমাৰ ডিমৌ চাৰিআলিৰ পৰা প্ৰায় ২ কিলোমিটাৰ দূৰৈত অৱস্থিত 'লামা পালে' বৰ্তমানৰ আদৰ্শ গাঁওৰ চমু বিৱৰণ।

□ □ □

# চেচুদীঘলি গাঁও

**বেবি পাদী**
চতুৰ্থ ষান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

অসমৰ ধেমাজি জিলাৰ চিলাপথাৰৰ পৰা প্ৰায় ১৮-১৯ কিঃমিঃ দুৰত্বত মধ্য চিচি টঙানী গাঁও পঞ্চায়তৰ দুই (২) নং ৱাৰ্ডেই হৈছে আমাৰ চেচুদিঘলী গাঁও।

চিচি টঙানী গাঁও পঞ্চায়ত বুলি ক'লে জোনাই সমষ্টিৰ অৰ্থাৎ ধেমাজি জিলাৰ সকলো লোকেই এই অঞ্চলটো অতি পিছপৰা অঞ্চল বুলি জানে। কিন্তু আমাৰ চিচি টঙানী অঞ্চলটো এতিয়া আগতকৈ বহুত উন্নতি হোৱা দেখা গৈছে।

আমাৰ চেচুদিঘলী গাঁওখন কেৱল মিচিং জনগোষ্ঠীৰে পৰিপূৰ্ণ। আমাৰ গাঁওখন প্ৰায় ৩০০ ঘৰ আৰু ১০০০-১২০০ জনসংখ্যাৰে গঠিত। ইয়াৰে অধিক সংখ্যক লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল। কম সংখ্যক লোকেহে চৰকাৰী চাকৰিত নিৰ্ভৰশীল। কাৰণ আমাৰ গাঁওখনত শিক্ষিত মানুহৰ সংখ্যা কম। ১০০ শতাংশৰ ভিতৰত ৭০ শতাংশ কৃষিৰ ওপৰত, ২০ শতাংশ ব্যৱসায় আৰু ১০ শতাংশহে চাকৰিত জড়িত।

**আমাৰ গাঁওখনৰ নামকৰণ ঃ** ১৯৫০ চনৰ আগতে আমাৰ গাঁওখন আছিল গৰুমূৰা বুলি এখন গাঁৱত। এই গাঁওখন অসমৰ বুকুয়েদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ নিচেই কাষত আছিল। এই

গৰু মৃৰা গাঁওখন এটা সময়ত ভাগ ভাগ হয় দুই তিনিখন গাঁও হয়। তাৰে এখন গাঁও হ'ল আমাৰ চেচুদিঘলী গাঁও। আগৰ দিনৰ মানুহে কোৱা মতে অৰ্থাৎ আমাৰ ককা-আইতাহঁতে কোৱা মতে চেচুদিঘলী গাঁওখন বহুত ভয়ানক ঠাই আছিল। তাত নানা ধৰণৰ জীৱ-জন্তু, পশু-পক্ষী, গছ-গছনি দেখিবলৈ পোৱা গৈছিল। তাত বিভিন্ন ধৰণৰ ডাঙৰ ডাঙৰ গছ-গছনিও দেখিবলৈ পোৱা গৈছিল। তাৰে ভিতৰত সেই গাঁওখনত চেচু গছ বেছিকৈ দেখিবলৈ পোৱা গৈছিল। সেয়েহে আমাৰ গাঁওখনৰ নাম দিলে চেচুদিঘলী।

**গাঁওখনৰ ভৌগোলিক অৱস্থান ঃ** গাঁওখনৰ ভৌগোলিক অৱস্থা বুলিবলৈ উত্তৰে আছে টঙানী নদী, নদীৰ সিপাৰত চহবাৰি গাঁও; দক্ষিণে বগীবিল দলং বা ব্ৰহ্মপুত্ৰ নদী, কাযত পুমি গাঁও, পূৱে মেছাকী টঙানী গাঁও, ঙমুখ জান গাঁও আৰু পশ্চিমে মেৰ-দেবেৰা, বেকেলী আদি গাঁওৱে আগুৰি আছে।

আমাৰ গাঁওত দুখনকৈ প্ৰাথমিক বিদ্যালয় আৰু দুখন ইংৰাজী মাধ্যমৰ স্কুল আছে।

**শিক্ষা ঃ** আমাৰ গাঁওখন শিক্ষাৰ ক্ষেত্ৰত অতি পিছপৰা। কাৰণ প্ৰাথমিক শিক্ষা লাভ কৰি উচ্চ শিক্ষালৈকে শিক্ষা গ্ৰহণ নকৰাকৈ অৰ্থনৈতিক অভাৱত শিক্ষা এৰি দিবলগীয় হয়। সেয়ে আমাৰ গাঁওখন শিক্ষাৰ ক্ষেত্ৰত অতি পিছপৰা। এতিয়া শিক্ষাৰ কাৰণে চৰকাৰে বিভিন্ন সুবিধা দিছে যদিও আমাৰ গাঁওত শিক্ষিত হাৰ ইমান বৃদ্ধি হোৱা দেখিবলৈ পোৱা নাই। কাৰণ কিছুমানৰ ঘৰ অৱস্থা একেবাৰে শোচনীয়। তলত আমাৰ গাঁওখনৰ তথ্যসমূহ দাঙি ধৰা হ'ল —

১) প্ৰাথমিক শিক্ষাত উত্তীৰ্ণ ঃ ২০০ জন।
২) উচ্চ শিক্ষা ঃ ১৪০ জন।
৩) স্নাতক ঃ ৭০-৮০ জন।
৪) চৰকাৰী কৰ্মচাৰী ঃ ২০ জন।
৫) ব্যৱসায় বাণিজ্য ঃ ৪০-৫০ জন।
৬) অন্যান্য ঃ ৪০-৫০ জন।

**উৎসৱ ঃ** উৎসৱ বুলি ক'বলৈ আমাৰ গাঁওখনত আলি-আঃয়ে-লৃগাংকে প্ৰধান কৃষিভিত্তিক উৎসৱ হিচাপে উদ্‌যাপন কৰা দেখা যায়। এই উৎসৱটো ফাগুন মাহৰ প্ৰথম বুধবাৰ দিনা উদ্‌যাপন কৰা হয়। ইয়াৰ বাহিৰেও বহাগ বিহু, কাতি বিহু, মাঘ বিহু, দীপাৱলী, দুৰ্গা পূজা আদি উৎসৱ উদ্‌যাপন কৰা দেখা যায়।

**যাতায়াত আৰু যোগাযোগ ব্যৱস্থা ঃ** ২০০৪-০৫ চনলৈকে গাঁওখনৰ যাতায়াত ব্যৱস্থা একেবাৰে শোচনীয় আছিল। চিলাপথাৰ, কুলাজান, অকাজান আদিলৈ খোজ কাঢ়ি যাব লগীয়া হৈছিল। বগীবিল দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লগে লগে যাতায়াত ব্যৱস্থা সুচল হৈ পৰিল। বৰ্তমান যাতায়াত ব্যৱস্থাত বিশেষ অসুবিধা নাই।

আমাৰ গাঁওখনত খ্ৰীষ্টান, হিন্দু, বৈষ্ণৱ আদি বিভিন্ন ধৰণৰ ধৰ্মৰ মানুহ আছে। দুটা হিন্দু ধৰ্মৰ মন্দিৰ আৰু এটা গীৰ্জা আছে। বৈষ্ণৱসকলে নিজৰ ঘৰতে নামঘৰ বনোৱা দেখা যায়।

আমাৰ গাঁওখনত মিলি, বড়ি, পেগু, পাদী, টাইদ, কুটুম, কুলি, দলে, কাৰ্দ্দং আদি বিভিন্ন উপাধিৰে পৰিপূৰ্ণ। সকলোৱে মিলাপ্ৰীতিৰে গাঁওখনত বসবাস কৰা দেখা পোৱা যায়।

**আমাৰ গাঁওখনৰ সম্পূৰ্ণ ঠিকনা ঃ**

| | | |
|---|---|---|
| গাঁও | ঃ | চেচুদীঘলি |
| ডাক | ঃ | পিপলগুৰি |
| জিলা | ঃ | ধেমাজি |
| থানা | ঃ | চিলাপথাৰ |
| ৰাজ্য | ঃ | অসম |
| পিন নং | ঃ | ৭৮৭১১০ |
| মহকুমা | ঃ | জোনাই |

□ □ □

# আমলখী পাইত গাঁও

**নিবাৰণ পাইত**
দ্বিতীয় ষান্মাসিক, ইংৰাজী বিভাগ

ধেমাজি জিলাৰ নিৰ্মীয়মান বগীবিল দলঙৰ পৰা প্ৰায় চাৰি কিঃমিঃ দূৰত্বত আমাৰ আমলক্ষী পাইত গাঁওখন অৱস্থিত। আমাৰ অঞ্চলটোক বিশেষকৈ চিচি টঙানি বুলি জনাজাত। গাঁওখনৰ ডাকঘৰ ঃ পিপলগুৰি, পিন নং ৭৮৭১১০, থানা ঃ চিলাপথাৰ, জিলা ঃ ধেমাজি। গাঁওখন জনসংখ্যাৰ ফালৰপৰা চাবলৈ গ'লে বৃহত্তৰ বুলি ক'ব পাৰি। গাঁৱত প্ৰায় ১১০ ঘৰ মানুহে বসবাস কৰে। আমাৰ এই গাঁওখনত কেৱল মিচিং জনজাতিৰ লোকহে বসবাস কৰি আছে।

**গাঁৱৰ ভৌগোলিক অৱস্থান, পৰিচয় আৰু জীৱিকাৰ উপায় ঃ**

গাঁওখনৰ উত্তৰে মেৰ দেবেৰা, দক্ষিণে জতিয়া চাপৰি, পূবে পিপলগুৰি আৰু পূৰ্ণে গাঁও আৰু পশ্চিমে টঙানী নদীখন বৈ আছো। অৱশ্যে টঙানী নদীখন সৰু। আমাৰ গাঁৱৰ লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় হ'ল কৃষি বা খেতি। গাঁৱৰ প্ৰত্যেক মানুহ খেতিৰ ওপৰত নিৰ্ভৰশীল। ইয়াত ধান, মাটিমাহ, সৰিয়হ, নহৰু, আলু, ৰঙালাও আৰু শাক-পাচলি আদি।

আমলখী পাইত গাঁওখনৰ নাম ৰখাৰ কাৰণ আছিল গাঁওখনত ডাঙৰ ডাঙৰ আমলখী গছ আৰু পাইত উপাধিৰ মানুহ অধিক থকাৰ বাবে গাঁওখনক আমলখী পাইত ৰখা হ'ল।

গাঁওখনৰ শিক্ষাৰ দিশতো চাবলৈ গ'লে এখন ব্যক্তিগত

ইংৰাজী বিদ্যালয় আৰু এখন প্ৰাথমিক বিদ্যালয় আছে। গাঁৱৰ পৰা প্ৰায় এক কিঃমিঃ দুৰত্বত থকা দেবেৰা জান ট্ৰাইবেল হাইস্কুলতে আমাৰ গাঁৱৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চশিক্ষা গ্ৰহণ কৰে। আমাৰ গাঁৱৰ প্ৰায় ৮০ শতাংশ লোকেই শিক্ষিত।

বৰ্তমানলৈকে গাঁওখনৰ শিক্ষিত লোকৰ পৰীসংখ্যা এনেধৰণৰ

১) মেট্ৰিক উত্তীৰ্ণ ঃ ১৫০ জন।

২) প্ৰাক স্নাতক ঃ ৭০ জন।

৩) স্নাতক ঃ ৫০ জন।

৪) অশিক্ষিত ঃ ২০ শতাংশ।

৫) চৰকাৰী কৰ্মচাৰীৰ সংখ্যা ঃ ১৫ জন।

**বানপানীৰ সমস্যা ঃ** বাৰিষাৰ বতৰত আমাৰ গাঁওখনৰ প্ৰায় অধিকাংশ লোকেই বানপানীৰ কবলত পৰে। যাৰ ফলত আমাৰ গাঁৱৰ খেতি-বাতিৰ লগতে পশুধনবো বিস্তৰ ক্ষতি হয়। লগতে যাতায়াত ক্ষেত্ৰতো গাঁওবাসী যথেষ্ঠ অসুবিধাৰ সন্মুখিন হ'ব লগাত পৰে।


**যাতায়াতৰ ব্যৱস্থা ঃ** যাতায়াতৰ দিশত চাবলৈ গ'লে পূৰ্বতকৈ বৰ্তমান বহুত উন্নত হৈছে। আলি-পদূলি ভালকৈ নিৰ্মাণ কৰা হৈছে।

**ধৰ্ম ঃ** ধৰ্মৰ ফালে চাবলৈ গলে মূলতঃ হিন্দু ধৰ্মৰ লোকৰ সংখ্যা বেচি যদিও খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকে কেইঘৰমান আছে।

**সংস্কৃতি ঃ** পৰম্পৰাগতভাৱে মিচিংসকলে নদীৰ পাৰত চাং ঘৰ সাজি বসবাস কৰি আহিছে যদিও বৰ্তমান চাং ঘৰ কমি আহিছে। মিচিংসকলৰ প্ৰধান উৎসৱটো 'আলি-আয়ে লৃগাং' আমাৰ গাঁওখনটো অতি উলহ-মালহেৰে পালন কৰা হয়। তাৰ উপৰিও অন্যান্য পূজা-পাৰ্বনো গাঁৱৰ সকলো ৰাইজ একত্ৰিত হৈ পালক কৰে।


**সমাজ ব্যৱস্থা ঃ** সমাজ ব্যৱস্থা বুলি কওঁতে আমাৰ গাঁওখনে এক সংহতিৰ নিৰ্দশন ডাঙি ধৰিবলৈ সক্ষম হৈছে। যিকোনো ৰাজহুৱা কামত গাঁৱৰ সকলো লোক একগোট হৈ সম্পাদন কৰে।

শেষত আমাৰ গাঁওখন আৰু উন্নত হোৱাৰ লগতে ভাতৃতবোধেৰে সমাদৃত হোৱাৰ কামনা কৰিছোঁ।



# Critical Reviews of the Books of Dr. APJ Abdul Kalam

**Debina Pamegham**
Assistant Professor, Dept. of Pol. Science




Dr. A.P.J. Abdul Kalam was a prominent Indian Scientist and 11th President of India. He worked in some of the most important organizations (DRDO and ISRO) of the country. He also played an important role in the second Pokhran nuclear test in 1998. Dr. Kalam was also associated with India's space programme and missile development programme. Therefore, he is also called 'Missile Man'. In 2002, Kalam was elected 11th President of India. After 5 years of service, he returned to teaching, eriting and public service. He was honoured with several prestigious awards including, India's highest civilian honour 'Bharat Ratna' in 1997.

1. ***India 2020 : A Vision for the New Millennium***

   Publishing Year : 1998

   *Overview*

This book, as it turns out, is far more than a mere problems/challenges-and-solutions stuff... it is the dream of a great India, a man who had given his entire life in the service of the nation. It is in every way a vision, a passionate dream; but one that is well presented, sorted out, supported with extensive research, facts and data – and does justice to most of the problems and challenges our nation faces in its quest for developed nation status. It justifies its title in letter and spirit : A Vision for the New Millennium Critical Reviews of the Books of Dr. APJ Abdul Kalam.

The authors have identified all key variables that impact and influence the current status: population distribution and dependency, GDP factors, social variables, income distribution etc in a short but deeply incisive chapter that sets your grey cells on overdrive. From that exercise, the strategy to be adopted flows effortlessly, giving a complete picture of each sector, with a chapter devoted to each:

- Food, Agriculture & Processing
- Materials and the Future
- Chemical Industries and Our Biological Wealth.
- Manufacturing for the Future
- Services as People's Wealth
- Strategic Industries
- Health Care for All
- The Enabling Infrastructure

2. *Wings of Fire : An Autobiography*
**Publishing Year : 1999**
*Overview*

*Wings of Fire* in an autobiography capable of inspiring even a common man into becoming a technologist. A well composed novel which revolves around the life of Mr. Kalam, a renowned scientist as he shares his experiences and the minutest of details of his life. This autobiography comprises a balance of details of the technological and political challenges faced to prosper in its aeronautical and space programme. It is also a success story of Dr. Kalam's participative management practices.

Also, it gives an insight into the lives of Hindus and Muslims of India and their relationships among each other and among multi religious communities in India. *Wings of Fire* in an account of a young boy who tries to achieve his dreams beating all odds. The story emphasizes the importance of family, relatives and friends in helping achieve each other's goals and turning dreams to reality. It teaches us to become a patriotic citizen of our country shown in the book as a determinant India and countless effort of its scientists in achieving superiority in aeronautical, space and rocket technology.

This book offers an important lesson of finding success from failures of India space and rocket infrastructural programmes. A good presentation of the role of other renowned scientist moulding our country's future. This book is full of information and is a recommended choice for every student, because this book has the influence and power to motivate a person to stand out in life. *Wings of Fire* is a unique model of accomplishing one's goals, while fulfilling the promise to its country.

3. *Ignited Minds : Unleashing the Power within India*
**Publishing Year : 2002**
***Overview***

This book consists of many inspirational messages by APJ Abdul Kalam. Dr. Kalam has dedicated *Ignited Minds* to an intermediate school child, named Snehal Thakkar, whome he met at school (named Anandalaya in Anand, Gujarat, Anandalaya Education Society) and while talking to her students, a question had come up: "Who is our enemy?" Kalam recalled that many answers camp up, but the answer on which all agreed came form her (Snehal Thakkar): "Our enemy is poverty". The small book of 205 pages contains, dynamic and original ideas, examines attitudes afflicting the Indians, and present prescription for rapid growth of India to enable the country to emerge as a developed country. The scientist and the seer inside Kalam has addressed the book to young citizen(s) of India. This book has been the most wanted and demanded all over the world after the death of Abdul Kalam.

4. ***The Luminous Sparks : A biography in Verse and Colours***
**Publishing Year : 2004**
***Overview***

*The Luminous Sparks*, the Collection of selected poems of APJ Abdul Kalam are poet's saplings of love meant to change the hearts – sparks to ignite the inner divinity. A hidden energy vibrates in the lines of the poems. Poems are as simple and ideas as transparent as is the persona of the poet. The transparent persona and simple but inspiring thoughts are the first lesson of leadership that flow to the reader from the poems.

The saint and the scientist in him go hand in hand and reach the mystic heights. The human walls of separatism melt and bring forth the song of harmony-, Harmony knows only delight of creator'- Sometimes the innocent tears shimmer and other times the righteous anger roars and calls those who sow the venom of separatism as educated serpents.

5. ***Guiding Souls : Dialogues on the Purpose of Life***
**Publishing Year : 2005**
**Co-author : Arun Tiwari**
***Overview***

What is to become or be? How can I set out on my own into a world that seems filled with conflict and strife? How do I cope with day-to-day pressures? How can my life be useful and

happy? These and others such questions are frequently put by the students and young professionals, to the visionary President of India wherever he goes. *Guiding Souls: Dialogues on the Purpose of Life* offers answers to many such questions. Structured as dialogues between Dr. A.P.J. Abdul Kalam and Prof. Arun K. Tiwari, his friend and co-author of *Wings of Fire,* this book outlines a spiritual approach to life. Appealing to the innocent creativity of youth, the book rejects both extremes – hype and hoopla of Globalization and the pessimism of seeing the world as a theatre of conflict – and describes the ultimate goal and mission of humanity as constituting the task of helping evolution on planet Earth. The book covers a wide spectrum of history and human activity. It evokes the presence of some great human beings who walked on this planet as exemplars for the ideals presented in the book.

6. ***Mission of India : A Vision of Indian Youth***
**Publishing Year : 2005**
***Overview***

A Vision for Indian Youth has been written with the intention of challenging the Indian Youth to bring about a positive change in the country by 2020. Kalam starts off by telling the readers that there has never been a time in Indian history such as this, where the nation has 540 million youth and 20 million Indians across the globe. He also states that several developed countries have directed their efforts towards setting up research centres across the country, which has benefited scientists, engineers, and professionals from various spheres. Kalam and Rajan tell the readers about their goal to make India one among the five top economic powers in the world by 2020. In the beginning of this book, kalam present the readers with a question as to whether India can become a developed country. He then provides insights into the current situation in the country, and explains that this goal is a realistic one. In the subsequent chapters, Kalam and Rajan begin to examine the five industries that need to become reasonably self-sufficient in the coming years, and each chapter tells the readers what can be done to bring a positive change in each industry. They also tell the readers about the current education system in the country, and the latest technology that can be used to improve the quality of education. The readers are also given insights into the present health care industry and infrastructural system, which are trademarks of a developed nation. Kalam and Rajan conclude by telling every individual and organization about the role they can play in transforming the nation by 2020 Mission India.

7. ***Inspiring Thoughts : Quotation Service***
**Publishing Year : 2007**
***Overview***

In this book, *Inspiring Thoughts,* the author boosts the morale of the readers in a unique way, which is thought provoking and inspires the readers to act. The author also stirs up the readers to make the correct decisions in the present, which will influence the nation in the future. Kalam directs certain advice towards children, which will help them think higher. This is because he believes that children are the nation's future, and that ambition in these children will help them take the country to greater heights. In *Inspiring Thoughts,* he alsi urges the readers to take the path that hasn't been tread, explore it, and achieve seemingly impossible goals. Although this book is written for a large audience, it highly recommended for those who have experienced failures in life as it will help them start again with renewed passion to succeed. The author conveys the message to the readers in the form of personal sayings.

8. ***You are Born to Blossom : Take My Journey Beyond***
**Publishing Year : 2011**
**Co-author : Arun Tiwari**
***Overview***

This book is an account of how Dr. Kalam visualizes Information and Communication Technology mining the rural talent. Here, Dr. Kalam presents his dream of schools in India at 2020 as symbiotic nerve centres connecting teachers, students and community; personifying

knowledge that exists in the world. He also makes a clarion call to accelerate the process of societal transformation. This would involve raising the standards of governance and safeguarding the sanctity of public institutions. The book uses the metaphor of a tree to describe the process of knowledge bearing fruits of prosperity in the contemporary globalized world where different phases, formative, adult working life, and post – 50 experienced senior citizens, call for different kinds of learning. The book refers to a contextual contribution of a large number of Indian scientists and artists and proves that there is no age bar to blossom. He advocates creation of conditions that favour growth of diverse individual talents skin to a garden and calls for a scientific mind set guided by conscience, consensus and by actions that take our social and moral values into account in building our own systems.

9. ***The Scientific India : A Twenty First Century Guide to the World around Us.***
   **Publishing Year : 2011**
   **Co-author : Y. S. Rajan**
   ***Overview***

This book is divided into the three sections, i.e., space, earth and life. It explain the question of why is it so difficult to place a satellite in orbit. Here the author has explained that how the gravity becomes the main interruption and one has to find a way to ensure that the satellite obtains adequate velocity in order to be injected into an orbit 400 km or more above the earth's surface. There are different types of the satellite which serves the different purpose for the betterment of the state.

The authors have also explained that what kind of fuel or better say propellants scientists need to give the required force to power the rocket. The common solid propellant used are Carboxy Terminated Butadine (CTPB) and Hydroxy Terminated Poly Butadine (HTPB). The control of rocket, it is one of the crucial steps which requires various studies and sends command to the rocket. In the next part, the authors have explained the future scope in the space studies and research which includes various types of the satellite which can help to give us the real-time data of any natural calamities and disasters. It can also help in space security and military operations, space assets, surveillance and much more.

10. ***Target 3 Billion***
    **Publishing Year : 2011**
    **Co-Author : Srijan Pal Singh**
    ***Overview***

*Target 3 Billion : Innovative Solutions towards Sustainable Development* talks about the many difficulties that rural societies face. These places are often ignored in terms of infrastructure like roads, transportation, and electricity. The authors then talk about how a group of passionate people, or even an individual, can bring change in a short period of time. They discuss how Fabio Luiz de Oliveira Rosa managed to transform a rural region in Brazil by giving the people access to good water supply and electricity. The authors also describe how a community owned region of 400 acres the Magarpatta village, was transformed into a modern township with an IT Park. They also introduce the Bhadariya village, which was a wasteland in the middle of the Thar Desert. Bhadariya posed additional challenges, as most of the villagers were addicted to alcohol, tobacco and other substances. The head of the Bhadariya Ashram, Baba Bhadariya Maharaj, initiated a cooperative program that first began as a campaign for de-addiction of the local people. Once the people were back to their senses, they improved their environment by digging tube wells, planting trees, and practicing methods for water conservation and irrigation. Soon the place was transformed, and became rich with cultivable lands and herds of cattle. *Target 3 Billion: Innovative Solutions towards Sustainable Development* also concentrates on PURA (Providing Urban Amenities in Rural Areas), a programme initiated by Kalam when he was the President of India, The book discusses how this model could significantly help improve the infrastructure of villages, and provide them with fundamental necessities like water and electricity as well as other requirements such as roads and

transportation. The role of technology in development is also explored, as they talk about how Information Technology could be used to provide access to better education and other knowledge in remote areas. The book makes it apparent that the integration of rural economies is essential for achieving sustainable development of the country as a whole.

11. *You are Unique : Scale New Heights by Thoughts and Actions*

**Publishing Year : 2012**

**Co-author: S. Poonam Kohli**

*Overview*

The book, *you are Unique,* is dedicated to finding the greatness that exists inside everyone, while teaching people to harness their creativity, leadership skills, and confidence.

***Summary of the Book***

Dedicated to understanding the hidden traits inside all, Dr. Kalam has written this book with the aim of spreading a much needed message to the masses. He urges readers, the common man, to develop creative leadership skills and long-lasting relationships, thereby helping themselves to achieve happiness by giving the same to others. The book has an immense success ratio, and one of the main lessons one can learn is never to give up. Hope is what dives people even in the darkest times, as Dr. Kalam tries to explain through his book. It helps break the rough walls of conditioning built over the years in our minds, prejudices and perceptions that hinder the path of success, and thus inspires us to work forwards in creating fulfillment whether person al or professional.

The book is written in a poetic language, even though it is prose, with thoughts that are simple and presented simply and clearly. He says that whether it is a successful venture or one that has failed one should always have a clear vision of what one wants, and that one should never underestimate the power that comes with visualizing something, planning it out and taking the correct action upon it. The book has been written in a visually appealing style, precise language and Dr. Kalam has included some real and simple experiences of his lifetime, making this a wonderful read, over and over again.

12. *Turning Points : A Journey through Challenges*

**Publishing Year : 2012**

*Overview*

'Turning Points,' a book that unveils a journey of not just a man, but a billion of hearts nationwide comprising energetic youth, aspiring politicians and experienced men; a journey which unwraps a story of the man, who refines his vision for development of not just India as one, but for per capita, and several parts and parcels breathing therein; a journey where the leader leads, desiring his followers to walk along with him; a journey, serving which, a leader turns old, just to keep his motherland young and full of life; a journey which destines towards dwelling in a developed and well-satisfied nation. Being the twenty first book of Sir A.P.J. Abdul Kalam, his pen stretches out to lakhs of people, versing the glory of his life into a collection of various inspirational and devotional events. These events range from delivering inspirational words to youth via various educational institutions and organized gatherings all across the nation, being appointed as a rocket engineer at ISRO, being appointed as a President, appointing a Prime Minister, visiting places and occasions, and utilizing every single of such opportunity for discussing varied core competencies of our nation and learning from the practices of others. The book disentangles a beautiful tenure of a President, along with defining the transformations of his life, before and after the office of president ship. It gives us a detailed picture of a living legend's Turning Points of life that sculpted his future aims and deeds there from.

13. *Indomitable Spirit*

**Publishing Year : 2013**

*Overview*

*Indomitable Spirit* is a book authored by A.P.J. Abdul Kalam, the former president of India. The cover page of the book says it "brings together

the values, thoughts and ides of President Kalam as reflected in his speeches and addresses. Interspersed with interesting anecdotes and observations, *Indomitable Spirit* represents the quintessential APJ Abdul Kalam – the man, the scientist, the teacher and the President.

The book begins with reproduction of a sentence from President's address to the nation of the eve of 57th Republic Day: "The basis of all systems, social or political, rests uponj the goodness of men. No nation is great or good because parliament enacts this or that, but that its men are great and good. The book ends with these words of Sir C.V. Raman, the Nobel laureate from his address to a group of young graduates in 1969: "I can assert without fear of contradiction that the quality of the Indian mind is equal to the quality of any Teutonic, Nordic or Anglo-Saxon mind. What we lack is perhaps courage, what we lack is perhaps the driving force which takes one anywhere. We have, I think developed an inferiority complex. I think what is needed in India today is the destruction of that defeatist spirit.

***14. Spirit of India***
**Publishing Year : 2013**
***Overview***

In this book we see about reflecting the concerns, aspirations and hopes for the India youth. Getting sampled the fruits of development, Indians are hungry for additional – more education, more possibilities, more development. However, their hopes for prosperous India appear hazardously near to being shattered because the demon of divisive politics, the gaping economic inequalities, the growing terror and unrest within and also at our edges tear in to the vitals of the United States and also the thought of nationhood. Under such conditions how can we preserve the idea of India and goal for development? Addressing these concerns and supplying some solutions is Dr. Kalam who thinks that in the centre of the United States may be the individual which is only if every individual citizen accomplisher success the nation can succeed.

***15. Thoughts for Change : We Can Do It***
**Publishing Year : 2013**
**Co-author: A. Sivathanu Pillai**
***Overview***

In this book spread over five parts, the authors have covered a wide array of subjects not only related to their field, but also those under the gamut of science and technology. The first part, Dynamics of Change begins with the scientific temper and specialization of a number of Indian sages and scholars of India's ancient period of a prosperous and cultured civilization living in well-planned cities and some of the discoveries and inventions of these great minds, which revolutionized science, beating the Western world hollow by some centuries. This chapter also goes into the great obstacles placed before India by way of Western regimes of denial of the fruits of the industrial revolution and the ensuing technological progress in the pre-Independence era and sanctions in the post Independence period, which Indian scientists were able to circumvent by their ingenuity to indigenize.

Part 2, titled Mission Mode Programmes and technological Push, covers science and technology which enabled the Green Revolution, Operation Flood (milk production), industry initiative, nuclear energy, space venture, missile projects, IT and the pharma industry.

Part 3- Futuristic Technologies – is the longest one spread over 170 pages, which begins with Technology through Ages, Bio and nanotechnologies and their Convergence, Robotics, Sensors Technology, Materials and Processing, Nuclear Energy, Space, Missile Technology, Ballistic Missile Defence System (BMDS), Cruise Missile BRAHMOS, Hypersonics, Emerging Battlefield Technologies – C412SR and Green Technologies. It is worth mentioning that on 17 June, 2013, Defence Research and Development Organization (DRDO) announced that the BMDS produced by it is capable of countering missiles with ranges of up to 5,000 kms.

BrahMos, developed jointly in a strategic partnership between India's DRDO and Russia's NPO Mashinostroyeniya, is a stealth cruise missile with a range of 290 km and a speed of Mach 2.8 to 3. Dr. Sivathanu Pillai, CEO and MD of BrahMos Aerospace was recently quoted in media saying: "We take pride in the fact that BrahMos, world's only supersonic cruise missile, a symbol of Indo-Russian co-operation, where India provided the guidance, avionics, software and airframe components, etc., has been successfully delivered to both the Indian Navy and the Indian Army and the serial version for the Indian Air Force too shall be ready in few years time .... The equivalent of BrahMos is yet to be built. And, in the next 20 years, it cannot be intercepted by an enemy."

Part 4, Technology Spin-offs to Society, begins with a blurb of quotes by Dr. Abdul Kalam expressing his rising levels of elation following the successful orbit of India's SLV-3 (satellite launched vehicle) in July 1980; test firing of intermediate range ballistic missile Angi in May 1989; India's five nuclear experiments' in May 1989. His last quote is indeed touching: "When I saw happy tears rolling out from the eyes of the parents of a polio-affected child, on seeing him walking after the fitting of lightweight caliper developed from missile technology – it gave me bliss," The spin-offs covered in this part are from nuclear, space and defence technologies. And some of these spin-offs have proved to be invaluable to medicine, particularly in orthopedics and dental implants, prosthetic devices, acoustic detector for detecting noises from debris and many others.

Part 5, Begins with the English translation of a verse titled Youth by Jalaluddin Rumi, the 13th Century Persian Suli poet, followed by observations on India's growth and appropriate recommendations for what India should become by 2020 and beyond. However, all the desirable aims will be achievable only if corruption can be considerably reduced, as its total elimination does not seem possible – worldwide- as it is an old virus of human nature.

16. *My Journey : Transforming Dreams into Actions.*

**Publishing Year : 2013**

*Overview*

From a small boy growing up ir. Rameswaram, to becoming the country's eleventh President, A.P.J. Abdul Kamal's life has been a tale of extraordinary determinations, courage, perseverance and the desire to excel. In this series of anecdotes and profiles, Dr. Kalam looks back on key moments in his past – some small and some momentous – and tells the reader how each of them inspired him profoundly. With warmth and affection, he talks about the people who left a deep impression on him as he was growing up and as an adult, and the lessons he drew from his interactions with them. He describes those who have been the closest to him – his father with his deep love of God, his mother and her great kindness, his mentors who helped shape his thoughts and outlook. There are heart-warming accounts here of his childhood years spent in a small town by the Bay of Bengal and the many struggles and sacrifices made on the path to becoming a scientist and then the President of India. Dr. Kalam also writes about the times when failure and dejection nearly overtook him and how he prevailed over those obstacles by drawing strength from books and spirituality. Nostalgic, honest and deeply personal, *My Journey* is the story of a life as rich as it is unusual – and the beautiful lessons to be learnt from it.

17. *Governance for Growth in India*

**Publishing Year : 2014**

*Overview*

*Governance for Growth* in India is a wonderful memoir of Dr. Kalam's journey from his days as a graduate in MIT (Madras Institute of Technology) to this date. The book starts with a recent visit to Ropar, Punjab where he is entrusted with the moral responsibility of answering the questions which has eluded the youth of our nation. "Who should we vote for if all the candidates are not worth electing?" And the answer they receive shows the true character of our former president,

the one which we have all come to admire. The book reflects the total life experiences of a man, who has worked with all major aspect of 'The largest democracy' in the world, from IASs to PMs, working under brilliant intellectuals of our nation like Dr. Sarabhai.

Abdul Kalam shares his knowledge and collective experiences in hopes of leading the Indian youth towards a more educated and leadership-oriented environment. I have read Mr. Bhagat's "What Young India Wants" and were left wondering what and how to achieve those goals and in the process be able to uplift our Motherland, the books puts forward few very interesting concepts which if implemented can really bring about a change. The best part of the book is the fact, that it is so well organized into chapters and points, and to top it off, such simple use of English. I'd love to see a Hindi version of this book, to increase its reach. It also talks in exquisite details about various e-governance methods, leadership traits, monitoring policies, responsible citizens, topics which might bore you on a normal day but combine them with a wonderful collection of memories you get the perfect tadka to ponder over.

Few of the references reminded me of late Mr. Rajiv Gandhi's famous words on our (as a country) inability to monitor the money allotted for the poor. He said, "If the central government releases one rupee for the poor, only 10 paisa reaches the needy." The book puts forward a solution on how to eradicate these cases of poor monitoring of government funds, mainly by increasing transparency in the system via public audits, RTI (Right to information), closely knit structure between different bodies of government, etc., so as to increase government answerability.

To sum up, *Governance for Growth* in India shows what a great personality Abdul Kalam is. His prominence and vivid clarity, of which we got a view in *Wings of Fire* is pretty clearly evident here as well. He manages to deliver very clearly a manifesto about what is expected of each and every leader and every citizen of our country to achieve that common goal of "India – A developed Nation" by 2020,

Here are some of the other books written by Dr. APJ Abdul Kalam:

a. *Manifesto for Change*
Publishing Year : 2014
Co-author : V. Ponraj

b. *Forge Your Future : Candid, Forthright, Inspiring*
Publishing Year : 2014

c. *Beyond 2020 : A Vision for Tomorrow's India*
Publishing Year : 2014

d. *The Guiding Light : A Selection of Quotations from My Favourite Books*
Publishing Year : 2015


e. *Reignited : Scientific Pathways to a Brighter Future*
Publishing Year : 2015
Co-author : Srijan Pal Singh

f. *The Family and the Nation*
Publishing Year : 2015
Co-author : Archarya Mahapragya

g. *Transcendence My Spiritual Experiences*
Publishing Year : 2015
Co-author : Arun Towari

**References –**

"Day before death, Kalam enquired about elder brother's health"
"Not aware of any will left by Kalam: Nephew". *Times of India,* 31 July, 2015. Retrieved 31 July 2015.
Sharma, Mahesh; Das, P.K.; Bhalla, P, *Pride of the Nation :*
*Dr. A.P.J. Abdul Kalam* Diamond Pocket Book (P) Ltd., 2004
p.13 ISBN 978-81-288-0806-7. Retrieved 20 June 2012.
Bhushan, K.; Katyal, G. *A.P.J. Abdul Kalam : The Visionary of India.*
New Delhi : A.P.H. Publishing Corporation, 2002 pp. 1-10,153.
ISBN 9788176483803.




হালিমা বেগম
পঞ্চম ষান্মাসিক, অসমীয়া বিভাগ

কাঞ্চন বৰুৱাৰ 'অসীমত যাৰ হেৰাল সীমা' উপন্যাসখন অসমীয়া উপন্যাস সাহিত্যৰ এক মূল্যৱান সম্পদ। উপন্যাসখনৰ কাহিনী কল্পনা আৰু বাস্তৱ সংমিশ্ৰণত গঢ় লৈ উঠা। উপন্যাসখনৰ শিৰোনামটোৱে উপন্যাসখনৰ কাহিনী ভাগৰ স্বৰূপটো দেখুৱাইছে। সহজ-সৰল মনৰ অধিকাৰী এখন সমাজৰ চিত্ৰ ইয়াত ফুটাই তোলা হৈছে। যিহেতু উপন্যাসখনৰ অন্যতম বৈশিষ্ট্য হৈছে অলৌকিকতা। উপন্যাখনত অতি সুন্দৰ এখন কাল্পনিক ৰাজ্যৰ কথা বৰ্ণনা কৰা হৈছে। লগতে পূৰ্বজনমৰ কথা উল্লেখ কৰিছে। সাম্প্ৰতিক সময়ৰ যান্ত্ৰিক জীৱনতকৈ পূৰ্বজনমৰ সৰল জীৱন অতি মধুৰ আছিল তাৰ স্পষ্ট বৰ্ণনা ইয়াত দেখা গৈছে।

কাঞ্চন বৰুৱাৰ এই উপন্যাসখনত পুৰুষৰ লগতে নাৰীৰ সমান সাহসিকতা ত্যাগ সমমৰ্যাদা, পুৰুষৰ নাৰীৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱ আদিক কাহিনীভাগৰ জৰিয়তে সুন্দৰভাৱে বৰ্ণনা কৰিছে। পূৰ্বজনমৰ কথা উল্লেখ কৰি উপন্যাসখনিত যুদ্ধ ক্ষেত্ৰৰো উল্লেখ আছে। য'ত কিছু পৰিমাণে হিংসাত্মক কৰুণাত্মক আৰু অমানৱীয় ৰূপে দেখা দিছে। য'ত পোৱা যায় এখন ৰাজ্যই নিজৰ ক্ষমতাৰ বলেৰে কাহিনী ভাগত উল্লেখিত সপোনৰাজ্যৰ দৰে সুন্দৰ 'কমল নগৰ'খন আক্ৰমণ কৰে আৰু কমল নগৰ চুৰ্ণ বিচুৰ্ণ হৈ যায়।

'অসীমত যাৰ হেৰাল সীমা' কাহিনী ভাগৰ শুভাৰম্ভ হৈছে বি. এম. নামে কেৰাণীজনৰ স্বপ্নৰ জৰিয়তে। যেতিয়া তেওঁ সাৰ পাই সন্মুখত তেখেতৰ বাল্যবন্ধু অজিত যি এজন প্ৰফেছাৰ, পজিৰ এজন কবি, দিলীপ এজন ডাক্তৰ আৰু ফুকন যিজন বি. এমৰ দৰেই এজন কেৰাণী। তেওঁলোকে একেলগে স্কুলীয়া জীৱন, বছৰ দিয়েক কলেজীয়া জীৱন শেষ কৰি ভাগ্য অন্বেষণ কৰিবলৈ দিহা-দিহি পৃথিৱীৰ বুকুত ছিটিকি পৰিছিল। অনেক দিনৰ পাছত আকৌ লগ হ'ল। প্ৰফেছাৰে প্ৰস্তাৱ দিলে দিহিঙৰ পানী উজাই সিহঁত ফুৰিবলৈ যাবলৈ ৰে'ডি হৈ আহিছে। গতিকে বি. এমো যাবলৈ ৰেডি হ'ব লাগে। বি. এম. মান্তি হ'ল যাবলৈ। পোন্ধৰ দিন বাট অতিক্ৰম কৰাৰ পাছত নাৱৰীয়াজনে আগলৈ গোঁসানীৰ কালিকা লগা ঠাই আছে, গতিকে যোৱাটো উচিত নহ'ব বুলি হাক দিয়া স্বত্বেও নাৱৰীয়াজনক তাতে এৰি তেওঁলোক আগুৱাই গ'ল। কিছু দূৰ যোৱাৰ পাছতে তেওঁলোক সেই কালিকা লগা ঠাই পালেগৈ। কিন্তু


অনেক দুৰ্যোগৰ পাছতো তেওঁলোক জীয়াই থাকিল।

ইয়াতেই তেওঁলোকৰ প্ৰফেছাৰ বন্ধু অজিতৰ পূৰ্বজনমৰ কথা মনত পৰিল আৰু সেই কথা বৰ্ণনা কৰি ক'লে যে তেওঁ থকা 'কমল নগৰ'খন এখন স্বৰ্গৰূপী ৰাজ্য আছিল। সেই নগৰৰ বাসিন্দাসকলে নিঃস্বাৰ্থভাৱে এজনে সিজনৰ খবৰ ৰাখে। তেতিয়া অজিতৰ নাম আছিল চন্দন। চন্দনৰ এজনী অতি মৰম লগা, নিষ্পাপ মনৰ ভনীয়েক আছিল, নাম আছিল চম্পা। চম্পাৰ মাক দেউতাক সৰুকালতে মৰি যোৱাত চন্দনৰ মাকেই তাইক তুলি-তালি ডাঙৰ কৰিছিল, গতিকে চন্দনৰ ঘৰখনেই তাইৰ আপোন আছিল। তাই চন্দনক অত্যন্ত ভাল পাইছিল, কিন্তু সেই ভালপোৱা কেৱল এজন ককায়েক ৰূপে নহয়, এজন বন্ধু, এজন প্ৰেমিকা হিচাপেও। কিন্তু তাত নাছিল কোনো কামনা-বাসনা নাইবা স্বাৰ্থ। চন্দনৰ এগৰাকী প্ৰেমিকা আছিল, তাইৰ নাম গৌৰী। তাই অত্যন্ত সুন্দৰী আছিল। কিছু পৰিমাণে অভিমানী আৰু অহংকাৰী আছিল। তথাপি সেয়া কেৱল চন্দনক দেখিলেহে। তাই কমল-নগৰৰ প্ৰধান ৰাজ বিষয়া লক্ষ্মীনাৰায়ণৰ জীয়াৰী। আগতে চন্দনৰ দেউতাকেই প্ৰধান ৰাজবিষয়া আছিল। মৃত্যুৰ সময়ত তেওঁ এই অধিকাৰ লক্ষ্মীনাৰাণক দিছিল। চন্দন, চম্পা, গৌৰীৰ উপৰিও এই নগৰত আছিল চন্দনৰ বন্ধু আলোক, আশোকৰ পত্নী মৰমৰ উমা নবৌ, তেওঁলোকৰ দুটি সন্তান আৰতি, মনি লগতে যদুখুৰা আৰু নবীন আতৈ। এই সকলোৰে সৈতে নগৰবাসী বেচ সুখী আছিল।

কিন্তু হঠাৎ এই নগৰলৈ দুৰ্যোগ নামি আহিল। এদল অচিন শত্ৰুয়ে আহি কমল নগৰ আক্ৰমণ কৰি নগৰ বাসীৰ বুকুৰ তেজেৰে 'কমল নগৰ' ৰাঙলী কৰি পেলালে। সেই তেজে নগৰৰ সকলো সৌন্দৰ্য এফালৰ পৰা ধুই নিলে, লগতে গ'ল চন্দনৰ মৰমৰ ভনীয়েক চম্পাও। যদিও শত্ৰু পক্ষই পৰাজয় বৰণ কৰি উভতি যায় তথাপি 'কমল নগৰ'লৈ পুণৰ সুখ-শান্তি ঘূৰি নাহিল। চম্পাৰ মৃত্যুত চন্দনৰ আত্ম চেতনা হেৰাই যোৱাৰ উপক্ৰম হ'ল। পৰিস্থিতি বিষম দেখি চন্দনৰ মাক আৰু আশোকে যথাবিধিৰে গৌৰী আৰু চন্দনৰ বিবাহ কৰাই দিলে। কিছু পৰিমাণে চন্দনৰ অৱস্থা ভাললৈ আহিল যদিও পূৰ্বৰ দৰে চন্দনে হাঁহি ফূৰ্তি নকৰা হ'ল।

উপন্যাসখনৰ কাহিনী ভাগ কাল্পনিক যদিও ইয়াত পোৱা নীতি-শিক্ষা আমি মন কৰা উচিত। উপন্যাসখনৰ চৰিত্ৰত সমূহৰ মাজেৰে নিষ্পাপ সহজ-সৰল প্ৰেম, ইজনে সিজনৰ প্ৰতি থকা শ্ৰদ্ধা, ত্যাগ, দেশ প্ৰেম, ভক্তি ইত্যাদি সুন্দকৈ প্ৰকাশ পাইছে।

উপন্যাসখনিত শত্ৰুৰ আক্ৰমনৰ ফলত দেখা দিয়া নাৰী শক্তিও মন কৰিবলগীয়া। নিজৰ ৰাজ্য, নিজৰ দেশ, নিজৰ নগৰখন বচাবলৈ সমগ্ৰ কমল নগৰ কেনেদৰে সকলোৱে উঠিপৰি লাগিছিল সেই উপন্যাসখনৰ অন্যতম গুৰুত্বপূৰ্ণ বিষয়। □



# চিলাপথাৰত ড্ৰেইন সপোন কিয় ?

ৰজত দলে
স্নাতক তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ



পৰিকল্পনা এখন দেশৰ স্বচ্ছতাৰ মূল চাবিকাঠি। সুস্থ পৰিকল্পনা অবিহনে এখন দেশ বা এখন গাঁও বা এখন মহাবিদ্যালয় অথবা বিদ্যালয়ৰ বাবে স্বচ্ছতাৰ সপোন কেৱল এক অলীক কল্পনা। আমি যদি বিশ্বৰ আগশাৰী দেশসমূহ চাওঁ, যিবোৰ দেশ স্বচ্ছতাৰ দিশত সদায় আগৰণুৱা, সেই দেশসমূহতত স্বচ্ছতা সম্ভৱ হৈ সজাগতাৰ বাবেহে। স্বচ্ছতাৰ ক্ষেত্ৰত ড্ৰেইনৰ সু-ব্যৱস্থাপনা এক বলিষ্ঠ পদক্ষেপ। (যাৰবাবে স্বচ্ছতা সম্পৰ্কীয় আলোচনা সমূহত ড্ৰেইনক বহুত গুৰুত্ব দিয়া হয়।) কিন্তু পৰিতাপৰ কথা যে, বৃহত্তৰ চিলাপথাৰ অঞ্চলটোত ড্ৰেইনৰ ছবিখন দুখলগাকৈ বেয়া। আজিও চিলাপথাৰ বাসীৰ বাবে ড্ৰেইন এক সপোন।

বেছি দূৰলৈ নগৈ আমি যদি কেৱল চিলাপথাৰ নগৰখনলৈয়ে দৃষ্টি নিক্ষেপ কৰোঁ তেন্তে কতো সু-পৰিকল্পিত ড্ৰেইন আমাৰ চকুত নপৰে। যাৰবাবে প্ৰতিবছৰে বাৰিষা হোৱাৰ লগে লগে চিলাপথাৰ নগৰৰ আশে-পাশে থকা




কিছুমান ঠাই জলমগ্ন হৈ থকা দেখা যায়। আমাৰ মহাবিদ্যালয়ৰ সন্মুখৰে লাচিত নগৰলৈ সোমাই যোৱা মূল পথত এজাক বৰষুণতে জলমগ্ন হৈ পৰা দেখা যায়। যাৰ বাবে নগৰবাসীৰ লগতে চিলাপথাৰ অঞ্চলৰ বহুসংখ্যক মানুহে জীয়াতু ভুগিব লগা হয়।

চিলাপথাৰ নগৰখনৰ অন্য এটা চকুত লগা এনে সমস্যা হৈছে চিলাপথাৰ টাউন এল. পি. স্কুলখন। চহৰখনত মাজ মজিয়াত অৱস্থিত বিদ্যালয়খন বছৰৰ সৰহখিনি সময়েই পানীত ডুব গৈ থাকে। যাৰবাবে বিদ্যালয়খনত অধ্যয়নৰ কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে সৰহখিনি সময়েই পাঠগ্ৰহণৰ পৰা বঞ্চিত হয়।

চিলাপথাৰ বিজ্ঞান মহাবিদ্যালয়ক সংলগ্ন কৰা মথুৰা দাস পথটোৰ অৱস্থিতি একেই। এজাক বৰষুণতে পানীৰে পৰিপূৰ্ণ হৈ পৰে। যাৰ বাবে মহাবিদ্যালয়খনত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ লগতে জ্যোতিনগৰ, অমৃতপুৰ, মালিনীপুৰ আদিৰ বাসিন্দাসকলে যথেষ্ট কষ্টৰ সন্মুখীন হ'ব লগা হয়।

ওপৰত উল্লেখ কৰাৰ দৰে চিলাপথাৰ অঞ্চলৰ আন বহু অঞ্চলত এনে অনেক সমস্যা আছে। এই আটাইবোৰ সমস্যাৰে মূল পৰিকল্পনাৰ অভাৱ। বিশেষকৈ ড্ৰেইনৰ সু-ব্যৱস্থাৰ অভাৱ যাৰ বাবে চিলাপথাৰ বাসীয়ে ড্ৰেইনৰ বাবেই প্ৰতিবছৰে অনেক সমস্যাৰ সন্মুখীন হোৱাৰ লগতে অৰ্থনৈতিক ভাৱেও বহু ক্ষতিৰ সন্মুখীন হ'ব লগা হয়। চিলাপথাৰ বাসীৰ বাবে ড্ৰেইন এতিয়াও সপোন। সু-পৰিকল্পনাৰে ড্ৰেইনৰ ব্যৱস্থা কৰিলেহে চিলাপথাৰ বাসীয়ে এই সমস্যাৰ পৰা পৰিত্ৰাণ পাব বুলি আমাৰ বিশ্বাস। এই সমস্যা সমাধাননেই স্বচ্ছতাৰ দিশত চিলাপথাৰৰ বাবে এক বলিষ্ঠ খোজ।□

সাম্প্ৰতিক সময়ত আটাইতকৈ চৰ্চিত বিষয়টোৱেই হৈছে এন.আৰ.চি.। এন.আৰ.চি. এতিয়াও আমাৰ বাবে ছাঁ-পোহৰৰ মাজতে সীমাৱদ্ধ। সেয়ে এন.আৰ.চি. নো কি আৰু এন.আৰ.চি. সম্পৰ্কে তেওঁ দৃষ্টিভঙ্গী জানিবলৈ সম্পাদনা সমিতিয়ে কেইটামান প্ৰশ্নৰ অৱতাৰণা কৰিছিল। তলত তাৰেই প্ৰতিফলন দেখা গৈছে —




# মোৰ দৃষ্টিত এন. আৰ. চি.ৰ কিছু কথা

দৃষ্টিভঙ্গী — বনজীৎ চুতীয়া
স্নাতক তৃতীয় ষান্মাসিক, শিক্ষাতত্ত্ব বিভাগ

১। বৰ্তমান সমগ্ৰ খলকনি তুলি থকা এটা বিষয় হ'ল এন. আৰ. চি.। অৰ্থাৎ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী। এই সম্পৰ্কত আপোনাৰ ক'ব লগা।

উত্তৰঃ এন. আৰ. চি. অৰ্থাৎ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী হ'ল প্ৰকৃত ভাৰতীয় নাগৰিক সকলৰ এখন তালিকা। বৰ্তমান এই বিষয়টো অতি স্পৰ্শকাতৰ হৈ পৰাৰ কাৰণ হ'ল ভূমিপুত্ৰ বা এই অসমৰ খিলঞ্জীয়া সকলক সুৰক্ষিত কৰিব পৰা ইয়েই একমাত্ৰ উপায়। এন. আৰ. চি. প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ নুঠিলে অসমৰ খিলঞ্জীয়া লোক সকলৰ অস্তিত্ব সংকট বুলি নিঃসন্দেহে ক'ব পাৰি। এই অস্তিত্ব সংকটৰ মুখ্য কাৰণ হ'ল অসমলৈ অবৈধ ভাবে প্ৰবজন হোৱা বাংলাদেশী লোক। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত বৰ্ষই স্বাধীনতা লাভ কৰে আৰু ১৯৫১ চনত দেশত প্ৰথম লোক পিয়ল হয়। ইতিমধ্যেই বহুতো লোকৰ বিভিন্ন কাৰণত তেতিয়াৰ পূৰ্বপাকিস্তান আৰু বৰ্তমানৰ বাংলাদেশৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ বিশেষকৈ অসমলৈ অবৈধ ভাবে অনুপ্ৰৱেশ ঘটিছিল। কিন্তু ১৯৫১ চনৰ লোকপিয়লত সেই সকল অবৈধ বিদেশীৰ নাম সন্নিৱিষ্ট হ'ল। ইয়াৰ পিছতো বিভিন্ন কাৰণত বহুলোকৰ অনুপ্ৰৱেশ ঘটি আছিল। ফলত অসমৰ জনগাঁথনিৰ ব্যাপক পৰিবৰ্তন ঘটিল, থলুৱাৰ অস্তিত্ব বিপন্ন হৈ

পৰিল, ভাষা-সংস্কৃতি আদিৰ ক্ষেত্ৰলৈও গভীৰ সংকট আহিছিল। সেইবাবেই ১৯৭৯ চনত বিদেশী খেদা আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনক 'অসম আন্দোলন' নামেৰে জনা যায়। শ্বহীদ হৈছিল বহু অসমীয়া ডেকা। এই আন্দোলনৰ সময়তেই পোন প্ৰথমবাৰৰ বাবে AASU এ NRC উন্নীতকৰণৰ দাবী তুলিছিল। এই NRC ৰ দ্বাৰা খিলঞ্জীয়াক ৰক্ষা কৰাৰ দাবী জনাইছিল। অৰ্থাৎ য'ত কেৱল প্ৰকৃত ভাৰতীয় নাগৰিক সকলৰহে নাম সন্নিৱিষ্ট থাকিব। প্ৰকৃত ভাৰতীয় আৰু অবৈধ বাংলাদেশী লোক সকলক চিনাক্ত কৰণ কৰি ভাৰতীয় সকলক নাগৰিকত্ব প্ৰদান কৰা প্ৰক্ৰিয়াটোৱেই NRC।

২। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ে অসমৰ খিলঞ্জীয়া লোক সকলক কিমান দূৰ সুৰক্ষিত কৰিব বুলি ভাবে?

উত্তৰঃ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ে অসমৰ খিলঞ্জীয়া লোক সকলক কিমান দূৰ সুৰক্ষিত কৰিব বুলিলে ইয়াক দুই দিশত বিবেচনা কৰাৰ প্ৰয়োজন হ'ব। যদিহে NRC প্ৰক্ৰিয়া সুকলমে সম্পন্ন হয়, অৰ্থাৎ প্ৰকৃত ভাৰতীয় বা কেৱল খিলঞ্জীয়া লোক সকলৰ নাম নাগৰিকৰ তালিকাত সন্নিৱিষ্ট হয় তেতিয়াহে অসমৰ ভূমি পুত্ৰ সকল সকলো ফালৰ পৰাই সুৰক্ষিত হ'ব বুলি ক'ব পাৰি। আনহাতে যদি অবৈধ বিদেশী সকলৰ নামো নাগৰিক পঞ্জীয়ন তালিকাত সন্নিৱিষ্ট হৈ যায় বা বিদেশী বুলি চিনাক্ত কৰণ কৰাৰ পাছতো যদি সেই সকললোকক পুনৰ ঘূৰাই পঠোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেতিয়া খিলঞ্জীয়া সকলৰ অস্তিত্বলৈ অধিক সংকটহে নামি আহিব। অৰ্থাৎ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ে খিলঞ্জীয়াক সুৰক্ষিত কৰিব নোৱাৰিব।

৩। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ দুটা ভাল দিশ আৰু দুটা বেয়া দিশৰ বিষয়ে ক'ব নেকি?

উত্তৰঃ NRC ৰ দুটা ভাল দিশ বুলি কলে প্ৰথমেই উল্লেখ কৰিব লাগিব জাতি-ভেটিৰ কথা। সুদীৰ্ঘ তিনিটা দশক জুৰি খিলঞ্জীয়া সকলে যি আতংকত ভুগিছিল সেই আতংকৰ অৱসান ঘটিব। ৮৫৫ জন শ্বহীদৰ আত্ম বলিদান সাৰ্থক হ'ব বুলি ক'ব পাৰি।

দ্বিতীয়তে NRC ৰ ভাল দিশ হ'ব অসমীয়া জাতিৰ ভাষা, সংস্কৃতি আদিৰ সুৰক্ষা কৱচ হিচাপে বিগত কিছু দশক ধৰি অসমৰ লোকপিয়লৰ তথ্য অনুসৰি দেখা গৈছিল যে অসমত অসমীয়া ভাষীৰ সংখ্যা ক্ৰমে হ্ৰাস পাই আহিছে আৰু তাৰ পৰিৱৰ্তে বঙালী ভাষীৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছিল। এইটো আগন্তুক সময়ত এটা গুৰুত্বপূৰ্ণ সমস্যা হিচাপে থিয় দিলে হেতেন, য'ত অসমীয়া জাতি সংখ্যা লঘুত পৰিণত হৈ অসমীয়া ভাষাৰ অস্তিত্ব হেৰুৱালে হেঁতেন। কিন্তু NRC প্ৰক্ৰিয়াৰ বাবে এই সমূহ বিপদৰ পৰা সমূহ অসমীয়া জাতিৰ সুৰক্ষা নিশ্চিত হ'ব।

আকৌ NRCৰ দুটা বেয়া দিশ বুলিলে আমি প্ৰথমেই উল্লেখ কৰিব লাগিব গোষ্ঠীগত সংঘৰ্ষৰ সম্ভাৱনা। বিভিন্ন ৰাজনৈতিক দলবোৰে ৰাজনৈতিক মুনাফা লাভা-লাভৰ বাবে কেতবোৰ মন্তব্য দিয়াৰ ফলত গোষ্ঠীগত সংঘৰ্ষ হোৱাৰ উপক্ৰম বহুবাৰ হোৱা দেখা গৈছে।

দ্বিতীয়তে NRCৰ এটা বেয়া দিশ হ'ল বিভিন্ন কাৰণত যেনে NRCৰ কৰ্মচাৰীৰ ভূল পৰ্যবেক্ষণৰ বাবে প্ৰকৃত খিলঞ্জীয়া লোকৰ নাম NRCত বাদ পৰি গ'লে তেওঁলোক বিদেশী নাগৰিকৰ তালিকাত সোমাই পৰিব। ইয়াৰ বিপৰীতে NRCত সোমাব নলগীয়া লোকৰ নাম যদি নাগৰিক পঞ্জীত সোমাই যায় তেতিয়া হিতে বিপৰীতহে হোৱাৰ সম্ভৱনা বেছি। □

## আশা

ৰিদ্বীপ পেগু
স্নাতক পঞ্চম ষাণ্মাসিক,
ৰাজনীতিবিজ্ঞান বিভাগ

আশা আছে জীৱনজুৰি
সফল হোৱা নাই
ৰং আছে আঁকিবলৈ
ছবি লোৱা নাই
মন আছে হাঁহিবলৈ
আনন্দহে নাই
দুখ আছে কান্দিবলৈ
আপোন কোনো নাই
মনত আছে বহু সুৰ
গীতৰ ভাষা নাই
মৰম আছে বকু ভৰি
দিবলৈ কোনো নাই ☐





## লুইতপৰীয়া মহান শিল্পীজন

হিৰণ্য দলে
তৃতীয় ষাণ্মাসিক, দৰ্শন বিভাগ

সংগীতৰ পিতৃ তুমি
ভূপেন হাজৰিকা
সকলোকে কন্দুৱাই গুচি গ'লা
গানৰ দ্বাৰা তুমি
বিশ্বক মোহিলা
সংগীতৰ অভিলেখ সৃষ্টি কৰি
বহু সন্মান পালা
হেজাৰ বল বুকুত বান্ধি
আগবাঢ়ি গৈছিলা
যেতিয়ালৈকে থাকিব জীয়াই
অসম আৰু অসমীয়া
তেতিয়ালৈকে জনাব
তোমাক সন্মান আৰু শ্ৰদ্ধা ☐

কবিতা



## যন্ত্ৰণা

**সঞ্জীৱ ৰাজবংশী**
প্ৰথম যান্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

ব্যস্ততাৰ বাবে
আহৰি নাই কাৰোৰে
উদাস গধূলিবোৰত হৃদয়ৰ চিৎকাৰ
মইতো বিচাৰি ফুৰিছোঁ
সেই সকৰুণ আৰ্তনাদ
যিয়ে মোক নিঃসংগ কৰে
সৰা পাতৰ সুৰসুৰণিত
বিচাৰি ফুৰোঁ মুক্তিৰ পথ
বুকুৰ মাজত
উমি উমি জ্বলি উঠিব
প্ৰতিটো পল

### দুখৰ কণিকা

ফুলি ৰ'ব এজোপা
বকুল হৈ
মোৰ হৃদয় সমাধিত

## ভাবুকি

**ৰাম কৃষ্ণ ধামালা**
স্নাতক চতুৰ্থ যন্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

হে সন্ত্ৰাসবাদী
মানৱৰ কলঙ্ক
গোটেই পৃথিৱীতে
চলিছে আজি তোৰ তাণ্ডৱ
ধুমুহাৰ দৰে
হত্যা লুণ্ঠনৰ জোৱাৰ বোৱাই
তই পৰিবি জানো
মৰমক বিহ কৰিব
তোৰ বন্দুকৰ গুলীৰে
স্তব্ধ হ'বলৈ বন বিহগীৰ কাকলি
হত্যা লুণ্ঠনেৰে বন্ধ কৰিব পাৰিবিনে
শান্তিৰ কপৌজনীৰ পাখিৰ ধপধপনি
নোৱাৰ, কেতিয়াও নোৱাৰ
কাৰণ পৃথিৱীৰ সকলো আজি
তোৰ বিপক্ষে
প্ৰকৃতিৰ উতলা তেজে
তহঁতক কৰিব নিঃশেষ
হাজাৰজনে দিছে আজি
তোৰ বিপক্ষে মত
মৃত্যু তোৰ সমাগত





## সুখ আৰু দুখ

**ধনেশ্বৰ টায়েং**
দ্বিতীয় ষান্মাসিক, দৰ্শন বিভাগ

সুখ আৰু দুখ আছে মানুহৰ জীৱনত
সুখ হ'লে মানুহৰ মন জাগে আনন্দত।
দুখ হ'লে মানুহৰ মন থাকে বেজাৰত
সুখ দুখ একে লগে থাকে জীৱনত।
সুখত মানুহ আত্মহাৰা হ'ব নালাগে
দুখতো মানুহ ভাগি পৰিব নালাগে।
ধৈৰ্য্য আৰু সাহসেৰে জীৱনৰ বাটত
আগুৱাই যোৱাতহে জীৱনৰ সাৰ্থকতা।
সুখ ক্ষন্তেকীয়া, দুখ পানীৰ তলৰ কাইট
সুখে মানুহৰ উন্নতি বঢ়ায়
দুখে কষ্টত পেলায়

## তুমি আৰু মই

টংকেশ্বৰ পেগু
চতুৰ্থ ষান্মাসিক

কবিতা
মই তোমাক ভালপাওঁ
কেতিয়াবা নিৰ্জু প্ৰেমিকাৰ দৰে
কেতিয়াবা উন্মাদৰ দৰে
খুউব ভালপাওঁ জানা

কাতিমহীয়া পথাৰৰ
কেচাঁ যৌৱনেই মোক
তোমাৰ প্ৰেমত পেলালে
কবিতা তুমি বাৰু জানানে?
শাৰদী জোনাকৰ স্নিগ্ধ পৰশে
তোমাৰেই বতৰা দিলে
লাহে লাহে...
মোৰ সঙ্গীহীন মূহুৰ্তবোৰত
নিয়ৰ সৰা গধুলিবোৰত
তুমি মোক সঙ্গ দিয়া হ'লা
এইদৰেই প্ৰেম
তোমাৰ স'তে

এছাটি সুখৰ সমীৰ হৈ
তুমি আহা মোৰ কাষলৈ
শাঁত পেলাবলৈ
নাজানো কি মোহিনী
তোমাৰ প্ৰেমতেই
তোমাৰ সান্নিধ্যতেই
মই যেন পৰিপুষ্ট
হয়তো তুমি ভাবিছা
মই কোনো নাম থকা কবি

# মাথো তোমালৈ প্ৰেয়সী

ক্ষিতিশ বৰা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ



তুমি নুবুজাৰ বাবেই
তোমাৰ কাষত
প্ৰতি পলে মৌন হৈ চাওঁ
মোৰ মৌনতাৰ আবেশত
সিচঁৰিত হয়
চৌপাশৰ সেউজীয়া

মই জানো
তোমাৰ হৃদয়ৰ সমস্ত ভাল্‌পোৱা
মোলৈ আছে
তোমাৰ চাৰনিত
বন্ধ হয় হৃদয়ৰ শূণ্যতা
তথাপি নুসুধিবা তুমি তেনে কথা
যি কথাৰ উত্তৰ মই
কাহানিও দিব নোৱাৰো
চুব খুজিও চুব নোৱাৰো
তোমাৰ হৃদয়ৰ শূণ্যতা
শূণ্যতাৰ জখলাৰে জোনাকবোৰ
আঁজুৰি আনিব নোৱাৰো
নোৱাৰো ৰূপকথাৰ কোঁৱৰ হৈ
তোমাৰ বুকুত সাজিব
স্বপ্নৰ কাৰেং
তথাপি নসুধিবা তুমি তেনে কথা
যি কথাৰ উত্তৰ মই
কাহানিও দিব নোৱাৰোঁ

## Success is Counted Sweetest

**Bhuban Mili**
B.A. 5th Semester

Success is Counted Sweetest
By those advanced succed
To Comprehend a nectar
Requires sorest need

Not one of all the purple Host
Who took the flag today
Can tell the definition
So clear of victory

As he defeated dyinkg
On whose forbidden car
The distant strams of triumph
Burst agonized and clear





## The Last Dream I Had

**Mousumi Taye**
B.A. 3th Semester

Was byeond beautiful
Flowers surrounding us
I fell drawn towards him
In its depth, bird sang beautifully
There was a moment
I remembers it so clearly
In which I thought this is where I belong

Just hold on for a while because
You may do somthing
You might regret
Nobody got where they are today
By living for tommorow
Wife is like a rollwe coater
It has its up and down
But it's gonno be alright
HOLD ON TIGHT

Did you forget
What are you...???
For surely the world will noy
Make your pain as your strength
Face, it .... it you will make it.
It's okey to hall a meet down
Cry it down and then refocus on
You will their inspits of it



## উপ-সভাপতিৰ প্ৰতিবেদন

জয় জয়তে চিলাপথাৰ মহাবিদ্যালয়ৰ যিসকল চিৰনমস্য ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত চিলাপথাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে সেই সকল ব্যক্তিক মই বিশেষ ক্ষণত শ্ৰদ্ধাৰে সুৱৰিছোঁ।

মাননীয় চিলাপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, চিৰ সন্মানীয় শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে দাদা-বাইদেউ, বন্ধু-বান্ধৱী লগতে ভাইটি-ভণ্টি আৰু মোক এই পদটিত মনোনীত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে, সেই সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ ২০১৭-১৮ বৰ্ষৰ উপ-সভাপতি হিচাপে মই ১০-০৮-২০১৭ তাৰিখে দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতা সমলভাৱে সমাপন হোৱাত সহযোগিতা আগবঢ়ালোঁ।

মোৰ কাৰ্যকালত বিশেষ কাম হিচাপে ২২-০১-২০১৮ তাৰিখে অনুষ্ঠিত হোৱা সৰস্বতী পূজাৰ দায়িত্ব দিয়া হৈছিল। এই ক্ষেত্ৰত মোক সহায় সহযোগিতা আগবঢ়োৱা তত্বাৱধায়ক সন্মানীয় ড° আব্দুল মুতালিব ছাৰ, প্ৰাঞ্জল দাস ছাৰ, সুনীল টাইদ ছাৰ ভাইটীপ্ৰতিম কৰণ দেৱনাথতথা মোৰ বান্ধৱী বালিকা সোণাৰী লগতে ছাত্ৰ একতা সভাৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মই যি সংকল্প গ্ৰহণ কৰি ২০১৭-২০১৮ বৰ্ষৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ আৰু প্ৰতিশ্ৰুতি দিছিলো সেই প্ৰতিশ্ৰুতি মতে হয়তো কাৰ্য সম্পাদন কৰিব নোৱাৰিলোঁ তাৰ বাবে মই দুঃখিত।

শেষত চিলাপথাৰ মহাবিদ্যালয়ৰ তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয়তু চিলাপথাৰ মহাবিদ্যালয়"
"জয়তু চিলাপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।।"

হালিমা বেগম
উপ-সভাপতি



## Report of the Assistant General Secretary

At the very beginning of my report, I would like to convey my heartiest thanks to all who had elected me as the Assistant General Secretary of the college for the session 2017-18. During my session I have tried to successfully complete the term of office with flying colours.

Secondly, I would like to extend my heartiest love an thanks to all the teaching and non-teaching staff who helped me in every aspect during my tenure. I would also like to convey my sincere gratitude to those person who had established Silapathar College with their hard labour and sacrifice.

Long live Silapathar College
Long Live Silapathar College Students' Union.

***Hiranya Doley***
Asst. General Secretary



## Report from General Sports Secretary-

At the very beginning of my report writing I would like to convey my profound sense of gratefulness to the principal, vice-principal, the member of the teaching staff and the student of Silapathar College. Along with this I would like to convey my thanks and sincere gratitude to those great person who had established Silapathar College with their hard labour and Sacrifies.

I would like to extend my heartiest thanks to all who had elected me as General Sports Secreatry, in the Session 2017-18. During my session I have successfully completed the terms with flying colours.

During my tenure I organized competition in the Annual College week 2017-18. Many of the students were participated in the college week. And I would like to thank the professor in-charges Sri Nabin Chandra Kardong for his active support and also all the members of the students union of the college for their cooperation in every field.

Hoping bright future of our Silapathar College and Silapathar College students Union.

**Madhurjya Kumbang**
General Sport Secretary



## গুৰু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদন আৰম্ভণিতে চিলাপথাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় শিক্ষাৰ জ্যোতি বিলোৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে মোৰ অতি মৰমৰ সহপাঠী বন্ধু বৰ্গ মোৰ চেনেহৰ দাদা-বাইদেউ আৰু ভাইটি-ভণ্টী সকললৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

২০১৭-১৮ বৰ্ষৰ গুৰুক্ৰীড়া বিভাগৰ সম্পাদক পদৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচক মণ্ডলীয়ে মোক যোগ্য বুলি ক্ৰীড়া বিভাগত সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে তাৰ বাবে মই তেওঁলোক ওচৰত চিৰ ঋণী হৈ ৰ'ম।

২০১৭-১৮ বৰ্ষৰ গুৰুক্ৰীড়া বিভাগৰ সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মোৰ উপদেষ্টা হিচাপে শ্ৰদ্ধাৰ দিনেশ পেগু ছাৰৰ সৈতে কাম কৰিবলৈ সুযোগ লাভ কৰিলোঁ।

মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে যি পাৰদৰ্শিতা দেখুৱালে তাৰ বাবে আমি গৌৰৱান্বিত ছাত্ৰ-ছাত্ৰীসকলে উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰিলে জিলা তথা ৰাজ্যিক পৰ্যায়ত নিজৰ পৰাদৰ্শিতা দেখুৱাব পাৰিব। মোৰ ভৱিষ্যতৰ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতি এটা অনুৰোধ থাকিব যে, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত প্ৰশিক্ষণ দি উন্নত মানৰ খেল দেখুৱাব চেষ্টা কৰিব লাগে।

মোৰ কাৰ্যকালত সকলো সময়তে সকলো প্ৰকাৰৰ সদায় সহযোগিতা তথা সু-পৰামৰ্শৰে উৎসাহিত কৰা বিভাগীয় উপদেষ্টা দিনেশ ছাৰৰ লগতে জ্ঞানৰ জ্যোতি বিলোৱা সকলৰ ওচৰত চিৰঋণী হৈ ৰলোঁ। শেষত মহাবিদ্যালয় সৰ্বাংগীন উন্নতি কামনা কৰি চমু প্ৰতিবেদন সামৰিলোঁ।

**বিজয়া পেগু**
সম্পাদিকা, গুৰু ক্ৰীড়া বিভাগ



## তৰ্ক শাখাৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে সশ্ৰদ্ধ প্ৰনাম যাচিছোঁ যিসকল মহান ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত চিলাপথাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে।

মাননীয় অধ্যক্ষ মহোদয়, মোৰ চিৰ নমস্য শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলোলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মই ২০১৭-১৮ শিক্ষা বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ তৰ্ক শাখাৰ সম্পাদিকা হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হ'লোঁ। ছাত্ৰ একতা সভাৰ তৰ্ক শাখাৰ সম্পাদিকা হিচাপে শপত গ্ৰহণ কৰি ২০১৭-১৮ বৰ্ষৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মই মোৰ চিৰ নমস্য। 'বুৰঞ্জী' বিভাগৰ শিক্ষাগুৰু শ্ৰীযুত শিৱনাথ পাইত ছাৰক তত্ত্বৱধায়ক হিচাপে বাছি লওঁ। তেখেতে বহু ব্যস্তাৰ মাজতো মোৰ বিভাগৰ কাৰ্যসমূহ যেনেদৰে সূচাৰুপে পৰিচালনা কৰি গৈছিল তাৰ বাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম। লগতে মোক বিশেষভাৱে দিহা পৰামৰ্শ আগবঢ়োৱা ৰাজু পেগু ছাৰ, জয়ৰাম ঝা ছাৰ, তুলতুল বাইদেউ তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিভিন্ন দিশত সহায় কৰা দাদা-বাইদেউ, সহপাঠী বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

"জয়তু চিলাপথাৰ মহাবিদ্যালয়
জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

জেচমিন পেগু
সম্পাদিকা, তৰ্ক বিভাগ



## Cultural Secretary's Report

At the very beginning of my report writing I would like to take the opportunity to thank the Principal, Vice-Principal, all teaching and non-teaching staff, Members of student' Union and Student of Silapathar College.

Secondly, I would like to give my heartiest thanks to the all who had selected me as a cultural secretary in Session 2017-2018. During my line I organized many competition namely. Anunitom, Oino-ton, Bihu Geet, Borgeet, Hindi Song, Bhupendra Sangeet, Signle Dance etc. In the Annual College Week 2017-18, The participation and performance courage me as week as other students.

At last not the least, I would like to thank the professor in-charge Mrs. Debina Pamehgam, for her active support and also all the members of the student union of the college for their co-operation in every field.

I wish success for each and every one for a bright future, I conclude.

**Mousumi Taye**
Cultural Secretary



## Report from Literary Secretary

At first let me take this opportunity to thank the principal, Vice-principal all teaching and non-teaching staff, members of students, union and all the students of Silapathar College.

Secondly, I would like to give my heartiest thanks to the all who selected me as a literary secretary in the session 2017-18. In my session I have successfully completed all the literary activities.

During my tenure, I organized many completions namely newspaper reading poem recitation, essay and poem writing art (drawing) competitions memory test etc in Annual College Week 2017-18. Apart from this many student participated in competitions.

Last but not the least, I would like to thank the professor in-charge Tultul madam for her active support and also all the member of the students union of the college for their co-operation in every field.

I wish success for each and every one for a bright future. Long live Silapathar College. Long live Silapathar College Student Union.

**Monika Taye**
Literary Secretary



## সমাজ সেৱা বিভাগৰ প্ৰতিবেদন—

জয় জয়তে আমাৰ জ্ঞানৰ ভঁৰাল তথা পবিত্ৰ মন্দিৰ অৰ্থাৎ মহাবিদ্যালয়খনক পোন প্ৰথমে মই হাত যোৰ কৰি প্ৰণাম জনাইছোঁ। মাননীয় চিলাপথাৰ মহাবিদ্যালৰ অধ্যক্ষ মহোদয়, মোৰ চিৰনমস্য শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে মোৰ অতিকৈ মৰমৰ ভাইটি-ভণ্টি সকলেলৈ প্ৰথমেই মৰমৰ প্ৰণিপাত জনাইছোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৭-১৮ শিক্ষাবৰ্ষৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে মহাবিদ্যালয়খনৰ বাৰ্ষিক ক্ৰিয়া সপ্তাহত মহাবিদ্যালয়ৰ কিছুমান ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগত শ্বহিদ বেদীৰ লগতে মহাবিদ্যালয়ৰ চাৰিওফালে চাফ-চিকুন কৰা আৰু ৫ জুন তাৰিখে মহাবিদ্যালয়খনৰ চাৰিওফালে গছ পুলি ৰূপণ কৰোঁ।

বহুতো উৎসাহ আনন্দ আৰু পৰিকল্পনা লৈ মই সমাজ সেৱা বিভাগটো গ্ৰহণ কৰিছিলোঁ। মই যিমানখিনি পকিল্পনা কৰি এই বিভাগৰ দ্বায়িত্ব গ্ৰহণ কৰিছিলোঁ, সিমানখিনি কাম কৰিব নোৱাৰিলোঁ, তাৰ বাবে মই দুঃখিত।

কৰ্তব্যৰত অৱস্থাত কেতিয়াবা অনিচ্ছা সত্বেও হোৱা ভুল ত্ৰুটিৰ বাবে মই ক্ষমা মৰ্জ্জনা কৰিছোঁ। মোৰ কাৰ্যকাল সুচাৰুৰূপে চলাই নিয়াত আৰু সকলো দিশতে দিহা আৰু প্ৰেৰণা আগবঢ়োৱা সমাজ সেৱা বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত তুযেশ্বৰ গগৈ আৰু শ্ৰীযুত ৰাজু পেগু চাৰ লগতে মোৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টিকো মই আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

সদৌ শেষত চিলাপথাৰ মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদন সমৰণি মাৰিলোঁ।

"জয়তু চিলাপথাৰ মহাবিদ্যালয়"

"জয়তু চিলাপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।"

—হান্না মিপুন
সম্পাদক, সমাজ সেৱা বিভাগ



## ছাত্ৰী জিৰণী কোঠাৰ প্ৰতিবেদন—

জয় জয়তে আমাৰ পবিত্ৰ জ্ঞানৰ মন্দিৰ অৰ্থাৎ মহাবিদ্যালয়খনলৈ পোন প্ৰথমে মই হাত যোৰ কৰি প্ৰণাম জনইছো। দ্বিতীয়তে চিলাপথাৰ মহাবিদ্যালয় অধ্যক্ষ মহোদয় তথা চিৰনমস্য শিক্ষাগুৰু সকল মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে মোৰ মৰমৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ, অতিকৈ মৰমৰ ভাইটি-ভণ্টি সকললৈও আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম জনাইছোঁ।


মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১৭-১৮ শিক্ষাবৰ্ষৰ ছাত্ৰী জিৰণী কোঠাৰ বিভাগৰ সম্পাদিকা দায়িত্ব গ্ৰহণ কৰাৰ লগে লগে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া সপ্তাহত মই কিছুমান প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁ। সেই প্ৰতিযোগিতা সমূহ ছাত্ৰ-ছাত্ৰীৰ সহায়ত সু-সংবদ্ধ ভাবে অনুষ্ঠিত কৰিব পৰিলোঁ।

বহুতো উৎসাহ আনন্দ আৰু পৰিকল্পনালৈ মই 'ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা পদটো গ্ৰহণ কৰিছিলোঁ। কিন্তু মহাবিদ্যালয়খনত মই এই বৰ্ষত সফল হ'ব নোৱাৰিলোঁ।

কৰ্তব্যৰত অৱস্থাতো কেতিয়াবা আনিচ্ছা সত্বেও হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা মাগিছোঁ। মোৰ কৰ্মত সুচাৰুৰূপে চলাই নিয়াত আৰু সকলো দিশতে প্ৰেৰণা আগবঢ়োৱা শিক্ষাগুৰু অনিমা (দলে) পেগু বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

সদৌ শেষত চিলাপথাৰ মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলোঁ।

"জয়তু চিলাপথাৰ মহাবিদ্যালয়
জয়তু চিলাপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা"



মেলিন আচিন পেগু
ছাত্ৰী-জিৰণী কোঠাৰ সম্পাদিকা

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ আবেদন—

জয় জয়তে চিলাপথাৰ মহাবিদ্যালয়ৰ যিসকল চিৰনমস্য ব্যক্তিৰ অক্লান্ত প্ৰচেষ্টাত চিলাপথাৰ মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰিলে, সেই সকলক মই বিশেষ ক্ষণত শ্ৰদ্ধাৰে সুৱৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয় তথা চিৰ সন্মানিত শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। ২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদটিত মই মাননীয় অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰু সকলৰ কৃপাত মনোনীত হওঁ। মোক এটি পদ্ধটিত মনোনীত কৰি মহাবিদ্যালয়খনক সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে, তাৰ বাবে সকলো শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

২০১৭-২০১৮ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ মই ১০-০৮-২০১৭ তাৰিখে দায়িত্ব ভাৰ গ্ৰহণ কৰিলোঁ আৰু মই ১১-০৮-২০১৭ তাৰিখৰ পৰা মই মোৰ নিজৰ কৰ্তব্য পালন কৰিবলৈ ধৰিলোঁ আৰু ঠিক কেইদিনমান পিছত আমাৰ একতা সভাৰ সদস্যৰ ভিতৰত এখন সৰু আলোচনা সভা আয়োজন কৰোঁ। সেই সভাৰ মূল উদ্দেশ্য আছিল নিজৰ নিজৰ তত্ত্বাৱধায়কৰ লগত চিনাকী হোৱা মোৰ তত্ত্ববধায়ক আছিল জয়ৰাম ঝা। বিগত বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়খনত ক্ৰীড়া সপ্তাহ আৰম্ভ হয়। আৰু মোৰ বিভাগৰ খেলসমূহ আছিল কেৰম, চেছ আদি আৰু এই ক্ৰীড়া সপ্তাহ হৈ থকা সময়ত মোৰ তত্বাবধায়ক ছাৰে বিভিন্ন সময় বিভিন্ন সময়ত বিভিন্ন ধৰণে সহায় কৰিলে। তেওঁৰ তাৰ বাবে মই ওচৰত ঋণী হৈ ৰম। লগতে মোক সকলো সময়তে সহযোগিতা কৰা মোৰ বন্ধু সুমন ছেত্ৰী আৰু যুৱৰাজ ধমলা লৈ বিশেষ ধন্যবাদ থাকিল। আৰু মই যি উদ্দেশ্য আগত ৰাখি ২০১৭-২০১৮ বৰ্ষত ছাত্ৰ জিৰণী কোঠাৰ দায়িত্ব পালনৰ প্ৰতিশ্ৰুতি দিছিলোঁ। সেই প্ৰতিশ্ৰুতি মতে হয়তু কাৰ্য সম্পাদন কৰিব নোৱাৰিলোঁ। তাৰ বাবে মই দুঃখিত শেষত অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰ ওচৰত ক্ষমা বিছাৰিলোঁ। লগতে চিলাপথাৰ মহাবিদ্যালয় তথা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

অংকণ -
প্ৰিয়ংকা সাহা

**শংকৰ খৰেল**
সম্পাদক ছাত্ৰ জিৰণী কোঠা





# শিল্প প্রতিভা

শিল্প কর্ম -
প্রিয়ংকা সাহা


মাধ্যম -পেঞ্চিল আর্ট







# শিল্পী প্রতিভা



মাধ্যম -পেঞ্চিল আৰ্ট



মাধ্যম - কণীৰ চোকোৰাত ফেব্ৰিক পেইন্ট

শিল্প কৰ্ম -
বনজিৎ চুতীয়া

যিসকলক লৈ আমি গৌৰৱান্বিত ...

## ২০১৭-১৮ বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল



দীপু হাজৰিকা (কলা শাখা)

কেদাৰ ছেত্ৰী (কলা শাখা)

মৃণাল কুমাৰী (কলা শাখা)

নেহা ৰাথোড় (কলা শাখা)

ৰুকচানা বেগম (কলা শাখা)

ৰেহেনো কাৰ্দ্দং (বিজ্ঞান শাখা)

সুভদ্ৰা পাএ্রাং (বিজ্ঞান শাখা)

সুজাতা টায়ে (বিজ্ঞান শাখা)

## ২০১৭-১৮ বৰ্ষত স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণী প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকল



ব্ৰজেন টায়ে, ইংৰাজী বিভাগ

আচিফ ছিদ্দিকী, ইংৰাজী বিভাগ

কুলদীপ টায়ে, ইংৰাজী বিভাগ

হেমী দাস, ইংৰাজী বিভাগ

প্ৰিয়ংকা প্ৰসাদ, ইংৰাজী বিভাগ

পুষ্পাঞ্জলি তাঁতি, ইংৰাজী বিভাগ

ৰাজ কুমাৰ পেগু, অসমীয়া বিভাগ



দীপ্তিৰাণী পাইত, অসমীয়া বিভাগ

দুলুমণি পাইত, অসমীয়া বিভাগ

কুঞ্জলতা দলে, অসমীয়া বিভাগ

লক্ষীপ্ৰিয়া দেউৰী, অসমীয়া বিভাগ

মৰমী দিহিঙ্গীয়া, অসমীয়া বিভাগ

নিতুমণি পেগু, অসমীয়া বিভাগ

সোণমণি নাওহলীয়া, অসমীয়া বিভাগ



ৰেৱতী কুলি, অসমীয়া বিভাগ

চেমুৰেল মিচং, শিক্ষাতত্ত্ব বিভাগ

কৃষ্ণ ছেত্ৰী, শিক্ষাতত্ত্ব বিভাগ

পূণ্য প্ৰসাদ কট্টেল, শিক্ষাতত্ত্ব বিভাগ

সঞ্জয় ৰাইকা, শিক্ষাতত্ত্ব বিভাগ

চুমন উপাধ্যায়, শিক্ষাতত্ত্ব বিভাগ

ধনদা দলে, শিক্ষাতত্ত্ব বিভাগ



জোনালী টায়ে, শিক্ষাতত্ত্ব বিভাগ

শিল্পী দাস, শিক্ষাতত্ত্ব বিভাগ

আতাবুল্লাহ হক, ৰাজনীতি বিজ্ঞান বিভাগ

মৌচম পাইত, ৰাজনীতি বিজ্ঞান বিভাগ

ৰাজা বড়ি, ৰাজনীতি বিজ্ঞান বিভাগ

লক্ষীশ্ৰী পেগু, ৰাজনীতি বিজ্ঞান বিভাগ



চেমুৰেল জীমে, বুৰঞ্জী বিভাগ

সুশীল পেগু, বুৰঞ্জী বিভাগ

পূৰবী নাথ, বুৰঞ্জী বিভাগ

বিজয়া দেৱী, সমাজতত্ত্ব বিভাগ

ৰূপদা দলে, সমাজতত্ত্ব বিভাগ

চন্দন ভড়ালী, সমাজতত্ত্ব বিভাগ









